সাহিত্য : দুটিমান আলোচনা

ড বীণা গগৈ

ষ্টুডেন্টছ এম্পৰিয়াম
ডিব্ৰুগড়

SAHITYA : DUTIMAN ALOCHANA, *a collection of few essays written on literature of Assam by Dr. Lila Gagoi Dibrugarh University and published by Sri Mrinalkanti Bhattacharyya M/s Students Emporium Dibrugarh Second enlarged edition 1988 , Price Rupees* Twenty *only*

প্ৰকাশক
মৃণালকান্তি ভট্টাচাৰ্য্য
ষ্টুডেণ্টছ এম্পৰিয়াম
নতুন বজাৰ ডিব্ৰুগড় ১
অসম

পৰিবেশক
শান্তি প্ৰকাশ
কলেজ হোষ্টেল ৰোড
গুৱাহাটী ৭৮১০০১

প্ৰথম প্ৰকাশ ১ অক্টোবৰ ১৯৮৩
পৰিবৰ্দ্ধিত দ্বিতীয় প্ৰকাশ ১৯৮৯

বেচ ২০.০০ টকা।

ছপাওঁতা :
এম এন প্ৰিণ্টাৰ্ছ
৪৮ আমহাৰ্ষ্ট ৰো
কলিকতা—৯

আগকথা

পক্ষীসৰ উৰে যেন পথা অনুসাৰে । সাহিত্য বিষয়ক দুটিমান প্ৰবন্ধ লিখিছিলো।। তাৰেই এখনি পুথি যুগুত কৰি প্ৰথম সংস্কৰণ প্ৰকাশ কৰা হৈছিল। তাৰ লগতে আৰু কেইটিমান প্ৰবন্ধ সংযোগ কৰি পৰিবৰ্দ্ধিত দ্বিতীয় সংস্কৰণ যুগুত কৰা হ'ল। পুথিখন যথা সময়ত ছপা কৰি উলিয়াই ধন্যবাদৰ পাত্ৰ হৈছে ডিব্ৰুগড়ৰ পুথি ব্যৱসায়ী মেছাৰ্চ ষ্টুডেণ্টছ এম্পৰিয়াম। পুথিখনিয়ে আগৰ দৰেই আদৰ পালে আমাৰ শ্ৰম সাৰ্থক হব।

সুৰাগমনি
ৰতনপুৰ, ডিব্ৰুগড় — লীলা গগৈ
২৫ নৱেম্বৰ, ১৯৮৮

বিষয়-সূচী

বিষয়		পৃষ্ঠা
১।	সাহিত্যত হাস্যৰস	১
২।	মনোধৰ্মী খুহুতীয়া ৰচনা	১১
৩।	যতীন দুৱৰাৰ ব্যক্তি-জীৱন	২১
৪।	মাধৱ কন্দলি আৰু মহামাণিক্য	২৬
৫।	বুৰঞ্জী সাহিত্যত ত্ৰিপুৰা বুৰঞ্জীৰ স্থান	৩২
৬।	বেজবৰুৱাক ভাল পাওঁ কিয়	৩৮
৭।	আহোম যুগৰ অসমীয়া সাহিত্য	৪৩
৮।	বুৰঞ্জী সাহিত্য এটি সাৰাংশ	৫৮
৯।	বুৰঞ্জী সাহিত্যৰ এটি দিশ	৬৭
১ ।	পুৰণি অসমীয়া কথা সাহিত্য ন্যায়ালয়	৮৩
১ ।	হিতেশ্বৰ বৰবৰুৱাৰ সাহিত্য-প্ৰতিভা	৯
১২।	সন্দিকৈৰ পুথি তিনিখন	৯৬
১৩।	বেণুধৰ শৰ্মা : ব্যক্তিগত পৰিচয়	১ ৬
১৪।	তংখুঙীয়া বুৰঞ্জী : এটি সমীক্ষা	১১৫
১৫।	ভাৰতীয় লিপি আৰু অসমীয়া লিপি	১২৯
১৬।	অসমত মাইলছ ব নছন	১৩৬
১৭।	মিছনেৰী আৰু অসমীয়া ভাষা-প্ৰতিষ্ঠাৰ আন্দোলন	১৪৪
১৮।	পদ্য-বুৰঞ্জী	১৪৯
১৯।	নিধি লেভি ফাৰৱেল ...	১৫২
২ ।	শংকৰদেৱৰ আদৰ্শৰ সাম্প্ৰতিক প্ৰয়োজনীয়তা	১৫৮

সাহিত্যত হাস্যৰস

মানুহে হাঁহিব পাৰে আৰু মানুহৰ মানসিক উৎকৰ্ষ সাধনৰ ক্ষমতা আছে বাবেই মানুহ পশু জগতৰ ওপৰত—মানুহ জীৱশ্ৰেষ্ঠ। পশুৱে কান্দিব পাৰে কিন্তু হাঁহিব নোৱাৰে। Beasts can weep when they suffer, but cannot laugh (Dryden) Leigh Hunt-এ আকৌ কৈছে God made both tears and laughter and both for kind purpose for as laughter enables mirth and surprise to breathe freely, so tears enable sorrow to vent itself patiently Tears kinder sorrow from becoming despair and madness চকুপানীয়ে নৈৰাশ্য আৰু উন্মাদনাক ভেটা দিব পাৰে কিন্তু উন্মাদেও হাঁহে যদিও এনে হাঁহিৰ মূল ভেটি নাই। আমি হাঁহো—মিচিকিয়াই হাঁহো দাঁত চেলাই হাঁহো ঢেকঢেকাই হাঁহো খুকখুকাই হাঁহো কাঠ হাঁহি হাঁহো। সেইবাবে সংস্কৃত আলঙ্কাৰিকে হাঁহিক ছটা ভাগত ভাগ কৰিছে। স্মিত, হসিত বিহসিত অবহসিত অপহসিত অতিহসিত। সঙ্গীত সম্বন্ধৰ লিখক জগদ্ধৰে কৈছে—

স্মিতং চ হসিতং চৈব বিহসিতং সাহসিতম্।
ভবেৎ প্ৰহসিতং চাপি তথা অতিহসিতং ভবেৎ।।

বিশ্বনাথ কবিৰাজে আকৌ তাকে শ্ৰেণী বিভাগ কৰি দেখুৱাইছে—

জ্যেষ্ঠানাং স্মিতহসিতে
মধ্যানাং বিহসিতাৱহসিতে চ।
নীচানামপহসিতং
তথাতিহসিতঞ্চ ষড়ভেদা।।

কোনবিধ হাঁহিত কেনে ধৰণৰ আঙ্গিক পৰিবৰ্ত্তন হয় তাৰো তেওঁ বৰ্ণনা দিছে—

ঈষদ্বিকাশনয়নং স্মিতং স্যাৎ স্পন্দিতাধৰম্।
কিঞ্চিল্লক্ষ্যাদ্বিজং তত্ৰ হসিতং কথিতং বুধৈঃ।।
মধুৰস্বৰং বিহসিতং সাংসশিৰঃ কম্পমৱহসিতম্।
অপহসিতং সাস্ৰাক্ষং বিক্ষিপ্তাঙ্গঞ্চ ভবত্যাতিহসিতম্।।

যি হাঁহিত চকু দুটা অলপ বিকশিত আৰু অধৰ স্পন্দন হয় সেয়ে স্মিত। হাঁহোতে দাঁত অলপ দেখাকৈ ওলালে পণ্ডিতসকলে তাকে হসিত বোলে। মধুৰ স্বৰযুক্ত হাঁহি বিহসিত। হাঁহোঁতে কান্ধ আৰু মূৰ কঁপিলে তাকে অৱহসিত বোলা হয়। যি হাঁহিত চকুলো ওলায় সেয়ে অপহসিত। অঙ্গ প্ৰত্যঙ্গ সঞ্চালন কৰি হঁহা হাঁহিকে অতিহসিত বোলা হয়। বিশ্বনাথে হাস্যৰস উৎপত্তিৰ কাৰণো নিৰ্ণয় কৰিছে—

"বিকৃতাকাৰবাগ বেশচেষ্টাদে কুহকাদ্ভবেৎ হাসো চেহেৰা কথাবাৰ্ত্তা অঙ্গি-ভঙ্গী সাজ পাৰ আদিৰ বিকৃতিৰূপৰা সৃষ্টি হোৱা কৌতুকৰূপৰা হাস্যৰসৰ সৃষ্টি হয়। মানুহে সুখ আনন্দ তৃপ্তিৰ পৰিণতি স্বৰূপেও হাঁহে কিন্তু এই হাঁহিৰ লগত কৌতুক হাস্যৰস বা কৰুণ হাঁহিৰ প্ৰত্যক্ষ কাৰণ কুহক বা কৌতুক বাহ্যিক কাৰণ বিসঙ্গতি। হাস্যৰস আৰু বুদ্ধিদীপ্ত হাস্যৰসৰ লগত মিল নাই। মানুহৰ নিজা স্বভাবজাত প্ৰবৃত্তি বা মানসিকতাৰ পৰিণতি স্বৰূপেও হাঁহে আৰু আনৰ কিবা দেখি-শুনি বা উপলব্ধি কৰিও মানুহে হাঁহে। সাহিত্যত হাস্যৰসৰ প্ৰকৃতি আৰু কাৰণ সম্বন্ধে গ্ৰীক দাৰ্শনিক প্লেটো এৰিষ্টটলৰ দিন ধৰি আলোচনা হবই লাগিছে আৰু ইয়াৰ সিদ্ধান্ত বা মতামত তেনেকৈয়ে সলনি সলনি হৈ আছে। এৰিষ্টটলে হাস্যৰসাত্মক নাটকৰ সূত্ৰ ধৰি কৈছে Comedy is an imitation of character of a lower type not however in the full sense of the word bad, the ludicrous being merely a sub division of the ugly' কিন্তু তেওঁ ugly শব্দটো ব্যৱহাৰ কৰিবলৈ যাওঁতে ব্যাখ্যা দিছে—'Some defect or ugliness which does not imply pain এৰিষ্টটলৰ এই সূত্ৰকে লৈ পিছৰ যুগৰ সমালোচক সকলে হাস্যৰসৰ সূত্ৰ আৰু লক্ষণ নিৰ্ণয় কৰিবলৈ প্ৰয়াস কৰিছে। Thomas Hobbes-এ কিন্তু এই lower type ৰ গইনা লৈয়েই এটি বিশ্লেষণ দাঙি ধৰিছে। তেওঁৰ ধাৰণা এনে ধৰণৰ ঃ আত্মতৃপ্তিত মানুহে হাঁহে। আনৰ দুখ দুৰ্দ্দশা দেখি মানুহে নিজৰ উৎকৰ্ষৰ গৌৰৱ কৰে—আত্মগৌৰৱ আত্মতৃপ্তি। মানুহ সদায় আত্মসচেতন। সেইবাবে আনক লঘু দেখিলেই নিজৰ গুৰুত্ব বুজি মানুহে হাঁহে। এনে হাঁহি অৱশ্যে বিশুদ্ধ হাঁহি নহয়। Hobbes-ৰ এই বিশ্লেষণ Meredith, Bergson আদিয়ে মানি লৈছে। কিন্তু Carlyle, Thackery Voltaire Richter আদিয়ে

সমৰ্থন কৰা নাই। Hobbes ৰ মতটোও তেনেই উলাই কৰিবলগীয়া নহয়। কিন্তু আনৰ প্ৰতি অৱজ্ঞা বা আত্মতৃপ্তিয়েই কেৱল হাস্যৰসৰ কাৰণ হব নোৱাৰে। তেনেই ক্ষীণ মানুহ এজনক শকত বুলি কৈ বা বৰ শকত মানুহ এজনে চকী এখনত ভালকৈ বহিব নোৱৰা দেখি আমি হাঁহো। কিন্তু Voltaire এ ইয়াৰ বিপৰীতে কৈছে 'Laughter always arises from a gaiety of disposition absolutely incompatible with contempt and indignation Richter এ এই মতটোকে সমৰ্থন কৰিছে। এজনে আকৌ কৈছে— Laughter and jest are a kind of joy Herbert Spencer এ কৈছে—বিসঙ্গতিয়েই হাস্যৰসৰ মূল। এজন মানুহে মাত কথা বেশ ভূষা আচৰণ বিচৰণত যদি বিসঙ্গতি প্ৰদৰ্শন কৰে তেনে মানুহে হাঁহে। Schopenhau r এ ইয়াকে বিতংকৈ বুজাইছে The cause of laughter in every case is the sudden perception of the incon gruity between a concept and the real objects which have been thought through it in some relation and laughter itself is just the expression of this incongruity উদ্দেশ্যৰ লগত পৰিস্থিতিৰ বিসঙ্গতি আৰু কথাৰ লগত কামৰ অসামঞ্জস্যই সাধাৰণতে হাস্যৰসৰ সৃষ্টি কৰে। কুকুৰিকণা জোৱাযেকে মেকুৰী বুলি শাহুৱেকৰ মূৰত ফলা খৰিৰে মাৰ শোধোৱা কাৰ্যই আমাক হ হুৱায়। এটা পোৱালি হাতীত বৰ শকত মানুহ এজন উঠি যোৱা দেখি আগতে হাতী নেদেখা সৰু ল বা এটাই মাকক যদি সোধে আই হাতী কোনটো ? তলৰটো নে ওপৰটো ? তেতিয়াও আমাৰ হাঁহি উঠে। নতুবা কোনোবা দাৰ্শনিক অধ্যাপকে চাহৰ কাপত কলম জুবুৰিয়াই চিঞাহীৰ দোৱাতটো চাহৰ কাপ বুলি খাবলৈ লোৱা দশ্যয়ো হঁহুৱায়। কোনোবাই যদি সোঁ ভৰিৰ জোতা বাঁও-ভৰিত পিন্ধি বা চোলাটো লুটিয়াই পিন্ধি বা দাড়ি এফালে খুৰাই ওলাই যায় আমি দেখিলে হাঁহো। চাৰ্কাচৰ ক্লাউন বা ভাওনাৰ বহুৱা দেখিও আমি হাঁহো। এই আটাইবোৰ হাঁহিৰ গুৰিতে বিসঙ্গিত। এনেকুৱা বিসঙ্গতি অনেক হব পাৰে—চৰিত্ৰৰ ব্যৱহাৰৰ ভাবৰ ভাষাৰ পৰিস্থিতিৰ। চকুৰে দেখি কাণেৰে শুনি আমি হাঁহো কিন্তু ৰচনাৰে পাঠকক হ হুৱাটোহে আচল সাহিত্যৰ হাস্যৰস। নিখুঁত, প্ৰাঞ্জল বৰ্ণনাৰে অভিপ্ৰেত চিত্ৰটো

পাঠকৰ মানস দৃষ্টিলৈ আনিব পাৰিলেহে পাঠকে হাঁহে কাষলতিত ভাকুট কুটাই দিলে মানুহে যেনেকৈ হাঁহে তেনেকৈ মনৰ তলিতো ভাকুটকুটাই দিব পাৰিলেহে পাঠকে হাঁহে। সকলো ভাবৰে মূল অনুভূতি। মানুহে আশা কৰি থকা গভীৰ আৰু ব্যাপক অনুভূতি যেতিয়া শূন্যত বিলীন হৈ যায় বা সামান্য পাতল অনুভূতিলৈ নামি আহে তেতিয়াই হাঁহিৰ সৃষ্টি হয়। Herbert Spencer-এ এই বিশ্লেষণ দাঙি ধৰি কৈছে বিসঙ্গতিবোৰ অভিনৱ কৌশলেৰে চমৎকাৰ ভাষাৰে পাক লগাই প্ৰকাশ কৰোঁতেই হাস্যৰসৰ সৃষ্টি হয়। দাৰ্শনিক হেগেলে তেওঁৰ পূৰ্বতে প্ৰচাৰিত হোৱা সকলো সূত্ৰ আৰু মত জাৰি-জোকাৰি চাই যি সিদ্ধান্তত উপনীত হৈছে আৰু এটি সমন্বয়ধৰ্মী সূত্ৰ উদ্ভাৱনৰ প্ৰয়াস কৰিছে তাক প্ৰায় সকলো সমালোচকেই মানি লৈছে। হেগেলে কৈছে আনৰ প্ৰতি বিদ্ৰূপ বা তাচ্ছিল্যাক ভেটি কৰিয়েই হাস্যৰস হয় বুলি কব নোৱাৰি। কমেডী নাটকৰ চৰিত্ৰৰ বিসঙ্গতি দেখিয়েই দৰ্শকে নাহাঁহে কেতিয়াবা চৰিত্ৰৰ লগত একাত্মীয়তাও অনুভৱ কৰে। মানুহৰ মনত হাঁহিৰ স্বাভাৱিক প্ৰবৃত্তি আছে তাকে মাথোন ভাকুটকুটাই দিয়া হয়। Carlyle Thackery Palmer প্ৰভৃতি সমালোচকসকলে আনৰ প্ৰতি তুচ্ছ তাচ্ছিল্য মনোভাৱৰ পৰিণতি স্বৰূপে সৃষ্টি হোৱা হাস্যৰস উচ্চথাপৰ নহয় বুলিছে। যদি Carlyle এ কোৱাৰ দৰে True humour springs not more from the head than from the heart' হয় তেতিয়াহলে সহানুভূতিৰ মাজেদি সৰ্বাকি গৈহে শুদ্ধ হাস্যৰস সৃষ্টি হব পাৰে।

হাস্যৰস সৃষ্টিৰ উপায়সমূহক ইংৰাজীত humour wit satire farce irony fun sarcasm ইত্যাদি নামেৰে নামকৰণ কৰা হৈছে। Fowler-এ ওপৰোক্ত হাস্যৰসৰ লক্ষণ বিষয় আৰু পদ্ধতি সম্পৰ্কে এটি তালিকা যুগুত কৰিছে। Humour সৃষ্টিৰ উদ্দেশ্য উদ্ভাৱনা ক্ষেত্ৰ মানৱ-চৰিত্ৰ উপায় সূক্ষ্ম পৰ্যবেক্ষণ আৰু পাঠক বা শ্ৰোতা সহানুভূতিশীল। Wit ৰ উদ্দেশ্য জ্ঞানৰ বা বুদ্ধিৰ বিকাশ ক্ষেত্ৰ ভাব আৰু শব্দ, উপায় আকস্মিকতা পাঠক আৰু শ্ৰোতা বুদ্ধিমান মানুহ। Satire-ৰ উদ্দেশ্য সংস্কাৰধৰ্মিতা ক্ষেত্ৰ নৈতিকতা আৰু আচাৰ-ব্যৱহাৰ উপায় বিষয়ৰ প্ৰতি সমৰ্থন আৰু পাঠক আৰু শ্ৰোতা আত্মতুষ্ট। আমি হাস্যৰস সৃষ্টিৰ উপায়বোৰৰ মাইকৈ humour satire আৰু wit এই তিনিটাৰ বিষয়েহে আলোচনা কৰিম। এই তিনিটা ইংৰাজী শব্দৰ উপযুক্ত সমাৰ্থক প্ৰতিশব্দ ওলাইছে

বুলি ক'ব নোৱাৰি। আমি যথাক্ৰমে সাধাৰণ হাস্যৰস ব্যঙ্গ হাস্যৰস বুদ্ধিদীপ্ত হাস্যৰস এই তিনিটা নামেৰেই আলোচনা কৰিম।

এজন বৰ শকত মানুহ পিছল খাই পৰিল। দেখোঁতাই প্ৰথমতে হাঁহে। কিন্তু মানুহজনে দুখ পাই লেঙুৰিয়াই যোৱা দেখিলে সহানুভূতি উপজে। গভীৰ মানৱ সহানুভূতিয়েই সাধাৰণ হাস্যৰসৰ মূল। Leacock-এ কৈছে Humour may be defined as the kindly contemplation of life and the artistic expression thereof" সেইবাবেই সাধাৰণ হাস্যৰস বা humour-ক কৰুণ হাস্যৰস আখ্যা দিছে। Thackery-এ সেইবাবেই হাস্যৰস সৃষ্টি কৰোঁতাৰ প্ৰতিও একেষাৰ কৈছে 'A literary man of the humouristic turn is pretty sure to be of philanthropic nature to have a great sensibility to be easily moved to pain or pleasure keenly to appreciate the varieties of temper of people round about him and sympathise in their laughter love amusement tears the best humour in that which is flavoured throughout with tenderness and kindness' Carlyle এ সেই একে সুৰতে কৈছে it is not contempt its essence is love —its aims not in laughter but it still smiles which lies for deeper' যি মানৱ জীৱনৰ বিসঙ্গতি আৰু অসম্পূৰ্ণতাক গভীৰ মানৱীয় সহানুভূতিৰে লক্ষ্য কৰি মনে মনে হাঁহে তেওঁৱেই প্ৰকৃত হাস্যৰসিক আৰু এনেবিধ হাঁহিয়েই সংস্কৃত আলঙ্কাৰিকৰ 'স্মিত' জাতীয়। সাহিত্যত যাইকৈ অসমীয়া সাহিত্যত এই জাতীয় উচ্চ খাপৰ হাস্যৰসৰ পৰিমাণ অতি বিৰল। Humour প্ৰকৃততে মানৱ জীৱনৰ গভীৰ উপলব্ধি আৰু সহানুভূতিৰ মাজতে জন্ম হয়।

কোনো সমাজ শ্ৰেণী মতবাদ ৰীতি-নীতিক লৈ যি নৈৰ্ব্যক্তিক বিদ্ৰূপাত্মক ৰচনাৰ সৃষ্টি হয় আৰু তাৰ বুকুত যি হাস্যৰস সোমাই থাকে তাকে satire বা ব্যঙ্গ হাস্যৰস বোলে। নৈৰ্ব্যক্তিকতাৰ সীমা পাৰ হৈ গ'লেই ই ব্যক্তি বিদ্ৰূপত পৰিণত হয়। সেয়েহে Meredith এ কৈছে "The laughter of satire is a blow in the back or the face" সমাজৰ কোনো সমূহীয়া সমস্যা বা বিষয় লৈ ব্যঙ্গ হাস্যৰসিকে হাস্যৰস সৃষ্টি কৰে। কিন্তু কোনোবা এজন ব্যক্তিয়েও যদি আলোচিত চৰিত্ৰটি তেওঁৰ বুলি ক্ষোভ প্ৰকাশ কৰে তেনেহলে তেওঁৰ শুদ্ধ ব্যঙ্গ হাস্যৰস হোৱা নাই। Jeffery-এ কৈছে "Satire is a composition of salt and mercury and it depends

upon the different mixture and preparation of those ingredients, that it comes out a noble medicine or a rank poison" ব্যঙ্গ হাস্যৰস ঔষধ আৰু বৰবিহ দুয়োটাই হ'ব পাৰে। অসমত বেজবৰুৱা অপ্ৰতিদ্বন্দ্বী ব্যঙ্গ হাস্যৰসিক কিন্তু থনচেৰেক ৰচনা তেও যে জনচেৰেক ব্যক্তিক আগত লৈ লিখিছিল সেই কথা জনাৰ পিছত তাক উচ্চ থাপৰ ব্যঙ্গ হাস্যৰস বোলাতকৈ ব্যক্তি বিদ্ৰূপ বোলাহে ভাল। ভেমপুৰীয়া মৌজাদাৰ খোৰাখোৰা ভোকেন্দ্ৰ বৰুৱা মলক গুইন গুইন আদি নিতান্তই ব্যক্তি বিদ্ৰূপ। আনপিনে অসমীয়া সমাজক আগত লৈ তেও যিবোৰ ব্যঙ্গ কৰিছিল সেইবোৰত শুদ্ধ ব্যঙ্গ হাস্যৰস দেখা যায়। Swift ৰ মতে, Satire is a sort of glass wherein beholder generally discover everybody s face but their own which is the chief reason for the reception it meets in the world and that so very few are offended with it' ব্যক্তি বিশেষৰ প্ৰতি তুচ্ছ তাচ্ছিল্যহীন সহানুভূতিপূৰ্ণ ব্যঙ্গ হাস্যৰসেহে শ্ৰেষ্ঠতা দাবী কৰিব পাৰে। Meredith ৰ মতে এনে ব্যঙ্গ unrivalled politeness পূৰ্ণ হব লাগে। কিন্তু ব্যঙ্গ হাস্যৰসে নৈৰ্ব্যক্তিকতাৰ গুণ সমানুপাতত গ্ৰহণ কৰি লব নোৱাৰে বাবেই অনেক সমালোচকে বিৰূপ মন্তব্যও প্ৰকাশ কৰে। Ronald Knox-এ কয় Satire borrows its weapons from the humorist Yet the laughter which satire provokes has malice in it always কন্তী ব্যঙ্গ হাস্যৰসিকৰ বৈশিষ্ট্য সম্পৰ্কে Crousaz এ কৈছে A satirist of true genious who is warned by a generous indignation of vice and whose censures are conducted by candor and truth merits the applause of every friend to virtue' সংস্কাৰধৰ্ম্মিতা ব্যঙ্গ হাস্যৰসৰ প্ৰধান উদ্দেশ্য। লিখকে লিখা কথাখিনিৰ প্ৰতি পাঠকে আন্তৰিক সমৰ্থন জনাই আত্মতুষ্টিৰ হাঁহি মাৰিব পাৰিলেহে ৰসোত্তীৰ্ণ হৈছে বুলিব পাৰি। জলকীয়াই পোৰে অথচ জলকীয়াৰ জালেই সোৱাদ। ব্যঙ্গ হাস্যৰসো জলকীয়াৰ দৰে পুৰি সোৱাদ লগাই জীৰ্ণকাৰী শক্তিক সতেজ কৰাৰ দৰে মনত খুন্দিয়াই সংস্কাৰধৰ্ম্মিতাক সজাগ কৰি তুলিব লাগিব। Jeffery এ সেয়েহে কৈছে "Satire should not be like a saw but a sword it should cut and not mangle' জগৰামণ্ডলৰ প্ৰেমাভিনয় আৰু দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱাৰ 'মহৰী' নাটক পঢ়ি মণ্ডল সম্মিলন আৰু চাহ কৰ্ম্মচাৰী সঙ্ঘই অসন্তুষ্টি প্ৰকাশ কৰিছিল। গতিকে ব্যক্তি বিক্ষোভৰ বাহিৰেও সামাজিক বিক্ষোভো ব্যঙ্গ হাস্যৰসৰ ভিত্তৰুৱা হব

নেলাগে। সমাজে সংশোধনীৰ অনুপ্ৰেৰণা লাভ কৰি ৰসাস্বাদত আত্মতৃপ্তি লাভ কৰিব লাগে।

এডিছনে কৈছে লিখকে যেতিয়া বৈচিত্ৰ্যপূৰ্ণ বিষয়-বস্তুৰ ভিতৰত অভাৱনীয় অথচ বিস্ময়জনক পৰিবেশ সৃষ্টি কৰি বুদ্ধিৰ তৃপ্তি আৰু আনন্দ সৃষ্টি কৰে তেতিয়াই wit বা বুদ্ধিদীপ্ত হাস্যৰসৰ সৃষ্টি হয়। হিউমাৰৰপৰা উইটৰ পাৰ্থক্য বুজাবলৈ Giles এ কৈছে "Wit may be a thing of pure imagination but humour involves sentiment and character —Humour is of a genial quality dwells in the same character with pathos and is always mingled with sensibility তীক্ষ্ণ বুদ্ধিমত্তাহে মূলতে বুদ্ধিদীপ্ত হাস্যৰসৰ প্ৰাথমিক উপাদান। ঘটনা চৰিত্ৰ পৰিবেশ কথোপকথন আদিৰ মাধ্যমত সাধাৰণ হাস্যৰস সৃষ্টি কৰিব পাৰি। কিন্তু অনেক সময়ত হিউমাৰৰপৰা উইট বা উইটৰপৰা হিউমাৰ পৃথককৈ উলিয়াব নোৱাৰি। শব্দ শব্দৰ চাতুৰ্য্য আৰু ভাষাৰ কৌশল এনেকৈ প্ৰয়োগ কৰা হয় যে লেখকৰ বুদ্ধিৰ জোখাৰে পাঠকৰ বুদ্ধি নিপুণ নহলে বুদ্ধিদীপ্ত হাস্যৰসে উত্তীৰ্ণতা লাভ কৰিব নোৱাৰে। Fuller এ সেয়েহে কৈছে There are head sometimes so little that here is no room for wit sometimes so long that there is no wit for so much room বুদ্ধিদীপ্ত হাস্যৰসো স্মিত বা হসিত জাতীয়। মানসিক উৎকৰ্ষ আৰু তীক্ষ্ণ বোধজ্ঞানৰ সমন্বয়ত wit সাৰ্থক হয়। "Wit is of the mind : nice intellectual sharp and gay Wit সম্বন্ধে চেক্সপীয়েৰে হেমলেট নাটকত কৈছে brevity is the soul of wit আৰু বহুতেই বিভিন্ন ধৰণে মন্তব্য কৰিছে— the contrast ideas sense in nonsense brevity alone is the body and soul of wit confusion and clearness' wit must unearth something hidden and concealed Fischer-এ আকৌ কৈছে "The judgement which produces the comic contrast is wit wit is a playful judgement wit is nothing but a free play of ideas" কথা বা ভাষাৰ কৌশল এনেকৈ প্ৰয়োগ কৰা হয় যে শ্ৰোতা বা পাঠকৰ উৎকণ্ঠা অনুযায়ী পৰিণতি নঘটে বুদ্ধিয়ে তাৰ অন্য উত্তৰ বিচাৰি পায়। Lock এ কৈছে Wit consists in assembling and putting together with quickness ideas in which can be found resemblance and congruity, by which to make up pleasant pictures and agreeable visions in the fancy" অনেক সময়ত আনক বুদ্ধিৰে আহত

কবিবলৈ প্ৰয়োগ কৰোঁতেও বুদ্ধিদীপ্ত হাস্যৰসৰ জন্ম হয়। কিন্তু এনেকুৱা বুদ্ধিৰ শৰাহত হৈ যদি শ্ৰোতা ক্ৰুদ্ধ হয় তেন্তে সি নিম্ন শ্ৰেণীৰ হাস্যৰসত পৰিণত হয়। Sheridon-এ এঠাইত কৈছে "Wit loses is respect with the good, when seen in company with malice and to smile at the jest which place a thorn is another s breast is to become principal in the mischief'

Wit শব্দটোৰ অৰ্থৰো ক্ৰম বিবৰ্ত্তন দেখা যায়। প্ৰথমতে ই পঞ্চইন্দ্ৰিয় আৰু পিছলৈ পঞ্চজ্ঞানেন্দ্ৰিয় বুজাবলৈ ধৰে। ইউৰোপৰ পুনৰ্জাগৰণৰ যুগত ই মনঃশক্তি আৰু প্ৰতিভা অৰ্থত ব্যৱহৃত হয় আৰু পিছলৈ ক্ষিপ্ৰবুদ্ধি আৰু মগজুৰ তীক্ষ্ণতা বুজায়। কবি-প্ৰতিভা বা কবি শক্তিৰ অৰ্থতো এই শব্দটো ব্যৱহৃত হোৱাৰ প্ৰমাণ পোৱা যায়। Philip Sidney য়েই তেওঁৰ An Apology for Poetry গ্ৰন্থত কবিপ্ৰতিভা অৰ্থত wit ব্যৱহাৰ কৰিছিল। সোতৰ শতিকাৰপৰাহে wit শব্দটো সাহিত্য সমালোচনাৰ এটি পাৰিভাষিক শব্দ হিচাপে ব্যৱহাৰ হোৱা দেখা যায়। Dryden এ বুদ্ধিদীপ্ত হাস্যৰসক a propriety of thoughts and words বুলি অভিহিত কৰিছে। Cowley Pope আৰু Addison য়েও এনে ধাৰণাকে পোষণ কৰা দেখা যায়। বুদ্ধিদীপ্ত হাস্যৰস সংক্ৰান্তত দুটাই মত দেখা যায়। এদলৰ মতে ই সমান বুদ্ধিৰ মানুহৰ সংলাপ। ইসকলৰ মতে বাকচাতুৰ্য্যৰ পৰিণতি। Addison এ বাৰবিধ Wit ৰ নামকৰণ কৰিছে Shaped Verse Lipogram Ribus Echo-verse A poem ringing the change of words Anagram Acrostic, Chronogram Boutsrimes, Double rhyme Pun, Witches prayer মনস্তাত্ত্বিক পণ্ডিত ফ্ৰয়েডে বিভিন্ন প্ৰকাৰৰ wit ৰ উদাহৰণ দাঙি ধৰি তেওঁ wit ৰ কৌশল সম্পৰ্কে এটি মনস্তাত্ত্বিক বিশ্লেষণ দাঙি ধৰিছে। তেওঁ তলত দিয়াৰ ধৰণে ভাগ কৰিছে—

১। **Condensation :**

(a) **With mixed word formation**

(b) **With modification**

২। The Application of the same Material :
   (c) The whole and the part
   (d) Change of order
   (e) Slight modification
   (f) The same words used in their full or colourless sense

৩। Double Meaning :
   (g) Name and verbal significance
   (h) Metaphorical and Verbal Meaning
   (i) True Double Meaning (Play or words)
   (j) Ambiguous Meaning
   (k) Double Meaning with Allusion

বুদ্ধিদীপ্ত হাস্যৰস যথাৰ্থতে শব্দ আৰু শব্দাৰ্থৰ বুদ্ধিৰ খেলা মাথোন। Nicoll-এ খোৰতে কৈছে Wit—these are the moods and expressions of a highly intelligent man playing with his fancies and with discrepancy and incongruity of his fancies for the delectation of himself and others they are the deliberate gambollings of a mind swift and rich in fancy tutored by long practise to ease and facility of expression' নিকলে বুদ্ধিদীপ্ত হাস্যৰস আৰু সাধাৰণ হাস্যৰসৰ মাজত পাৰ্থক্য দেখুৱাই কৈছে উইট—brilliant হিউমাৰ never so উইট clear refined cultured হিউমাৰ whimsical উইট modern in expression and aristocratic in tone হিউমাৰ half wistful glance at the past and humble in its utterance আৰু kindliness meets with a spirit of satire' সাধাৰণ হাস্যৰস ভাব ভাষা ভংগিমাৰ মাজেদি অভিব্যক্ত হয় কিন্তু বুদ্ধিদীপ্ত হাস্যৰস বুদ্ধিৰ পৰশ নাপালে সজীৱ হৈ নুঠে। বুদ্ধিদীপ্ত হাস্যৰসক বিশুদ্ধ আৰু কৃত্ৰিম দুটা ভাগত ভাগ কৰিছে। বিশুদ্ধ পৰ্যায়ত বিসংগতিপূৰ্ণ পদাৰ্থৰ ভিতৰত সাদৃশ্য বিচাৰৰ তীক্ষ্ম নিপুণতা দেখা যায়। কৃত্ৰিম পৰ্যায়ত বাক্চাতুৰ্যই প্ৰাধান্য লাভ কৰে।

বুদ্ধিদীপ্ত হাস্যৰস, সাধাৰণ হাস্যৰস আৰু ব্যংগহাস্যৰসৰ মাজত সীমাৰেখা টনা সিমান সহজ নহয়। অনেক সময়ত বুদ্ধিদীপ্ত হাস্যৰস আৰু সাধাৰণ হাস্যৰসৰ পইনা লৈহে ব্যংগ হাস্যৰস সৃষ্টি হয়। নিকলে খোৰতে কৈছে "Satire may be so mild that it can barely be

detected under its masks of laughter for satire fades in some of its forms imperceptively into both wit and humour তথাপি জীৱনৰ বিসংগতিৰ মাজতেই হাস্যৰস নিহিত হৈ থাকে। হাঁহি উঠাটো জীৱনৰ লঘুতাৰ লগত জড়িত কিন্তু হাঁহিৰ লক্ষণ আৰু কাৰণ ব্যাখ্যা কৰাটো গভীৰ সমস্যামূলক। পাশ্চাত্যৰ সাহিত্যত হাস্যৰসৰ পৰিমাণ যিমান সৰহীয়া তাৰ আলোচনাৰ পৰিমাণো ব্যাপক। অসমীয়া সাহিত্যত হাস্যৰসৰ পৰিমাণ নিতান্তই তাকৰীয়া। তাতে বেজবৰুৱাক বাদ দিলে আৰু তাকৰীয়া হৈ পৰে।

মনোধৰ্মী খুহতীয়া ৰচনা

সাহিত্য প্ৰগতিশীল অনুভূতিশীল মানৱ জীৱনৰ অভিব্যক্তি। সমাজ পৰিবৰ্তনশীল। ব্যক্তিৰ মনো পৰিবৰ্তনশীল। সময় আৰু সমাজৰ প্ৰগতি আৰু পৰিবৰ্তনশীলতাই সাহিত্যৰ বুকুলৈকো পৰিবৰ্তন আনে। তদুপৰি মানুহৰ মানসিক উৎকৰ্ষ সাধন আৰু বৈচিত্ৰ্য সৃষ্টিৰ অনুপ্ৰেৰণায়ো সাহিত্যলৈ নতুনত্ব আনে। এইদৰে প্ৰতিভাশালী লিখকৰ সৃষ্টি-প্ৰতিভাৰ পলসত সাহিত্যৰ নতুন নতুন দুবৰি গজি উঠে। ব্যঙ্গ বা লঘু সাহিত্যৰ ক্ষেত্ৰতো এই কথা খাটে। বৈদিক সাহিত্য সৃষ্টি হৈছিল ধ্যান সাধন আৰু বোধিৰ পৰিণতিস্বৰূপে। সেইবাবে বেদৰ মন্ত্ৰকৰ্তাক মন্ত্ৰদ্ৰষ্টা বুলিছিল। উপনিষদতো কবিক তত্ত্বদৰ্শী বুলিহে কৈছে। এনে এটা সময় আহিল কাব্য সৃষ্টিৰ উদ্দেশ্য হ'ল—আনন্দ দান মানসিক তৃপ্তি প্ৰদান। সাহিত্যত ৰস সৃষ্টি হ'ল ৰসদাৰ উদ্দেশ্যে সাহিত্য ৰচিত হ'ল। লগে লগে একালৰ তত্ত্বদৰ্শী কবি নামি আহিল পৃথিৱীৰ মানুহৰ মাজলৈ অসীমৰ এৰি সীমাৰ ভিতৰলৈ। ইয়াৰেই পৰিণতিস্বৰূপে সাহিত্যলৈ লঘুতা আহিল আৰু মানুহৰ সমাজক লৈ সাহিত্য সৃষ্টিৰ প্ৰয়াস চলাৰ লগে লগে ব্যঙ্গতা আহিল। এইদৰেই সাহিত্যত লঘু বা ব্যঙ্গ ৰচনাৰ সৃষ্টি হ'ল।

জোনাকী যুগ অসমীয়া সাহিত্যৰ বুৰঞ্জী নতুনক আদৰি অনাৰ যুগ। চুটিগল্প উপন্যাস গীত কবিতা আদিৰ আদৰ্শ এই যুগতেই অসমীয়া সাহিত্যলৈ আহে। সাহিত্যৰ অন্তৰঙ্গ বহিৰঙ্গ উভয় দিশতেই নতুনত্বৰ বোল লাগিবলৈ আৰম্ভ কৰে। নাটকৰ পৰম্পৰা অসমীয়া সাহিত্যৰ বুৰঞ্জীত চেক্সপীয়েৰৰ সমানেই পুৰণি যদিও জোনাকী যুগৰ নাট্যকাৰে নাটক ৰচনাৰ আদৰ্শ অঙ্কীয়া নাটৰপৰা নলৈ পশ্চিমৰ আদৰ্শহে গ্ৰহণ কৰিলে। সেইদৰে হাস্যৰস সৃষ্টিৰ আদৰ্শ পুৰণি নাটক কাব্য আখ্যান আদিত থাকিলেও জোনাকী যুগৰ লিখকে হাস্যৰস সৃষ্টিৰ প্ৰেৰণা পালে পাশ্চাত্যৰ পৰাহে। জোনাকী কাকততে যেনেকৈ ব্যক্তিনিষ্ঠ কবিতাই পোনতে ভুমুকি মাৰে তেনেকৈয়ে ইয়াতেই ব্যক্তি মনোধৰ্মী ৰচনাৰো পাতনি তৰা হয়। বোধকৰোঁ লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া সাহিত্যত ব্যক্তিনিষ্ঠ লঘু ৰচনাৰ পোন প্ৰথম বাটকটীয়া আৰু আজিলৈকে তেওঁ অননুকৰণীয় ৰচনা ৰীতিৰে অপ্ৰতিদ্বন্দ্বী হৈয়ে আছে। বেজবৰুৱাই চাৰ্লচ ডিকেন্সৰ "পিকউইক পেপাৰচ'ৰ আৰ্হি লৈ কৃপাবৰ বৰুৱা ৰূপে এলানি ৰচনা লিখিবলৈ আৰম্ভ কৰে। তেওঁৰ

ৰচনাৰপৰাই তেও যে পশ্চিমীয়া ৰসাত্মক ৰচনাৰ লিখকসকলৰ লগত অধ্যয়নৰ দৃষ্টিৰে চা চিনাকি হৈছিল এই কথাৰ প্ৰমাণ পোৱা যায়। অৱশ্যে বিষয়বস্তু আৰু ৰচনা ৰীতি নিভাঁজ জাতীয় জীৱনৰ মাটিত লহপহকৈ বাঢ়ি আহিছিল। কুৰি শতিকাৰ প্ৰথম দশকতে প্ৰকাশিত কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলাই' (১৯০৪) পোন প্ৰথম লঘু হাস্যৰসাত্মক পুথি। ডিম্বেশ্বৰ নেওগে এই কথালৈ লক্ষ্য কৰি কৈছে— নতুন হাস্যৰসৰ এই ধুমুহাই ৰৰদৈচিলাৰ দৰেই গোটেই অসম জুৰি যায়। অৱশ্যে বেজবৰুৱাৰ আগতেও আধুনিক অসমীয়া সাহিত্যত হাস্যৰস সৃষ্টিৰ প্ৰচেষ্টা নচলা নহয় চলিছিল। গুণাভিৰাম বৰুৱাৰ কঠিন শব্দৰ ৰহস্যব্যাখ্যা এটি আশাশুধীয়া প্ৰচেষ্টা। হেমচন্দ্ৰ বৰুৱাৰ বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰী আন এটি উদাহৰণ। কিন্তু বৰুৱাই সমাজৰ ভণ্ডামি উদিয়াই দেখুৱাবলৈ যাও তে ব্যঙ্গতাৰ মাত্ৰাই বিশুদ্ধ হাস্যৰসৰ সীমা চেৰাই গৈছে।

অসমীয়া সাহিত্যৰ লঘু ভাবাত্মক ৰচনাৱলীক আমি থুলমূলকৈ দুটা ভাগত ভাগ কৰিব পাৰোঁ। শুদ্ধ ব্যক্তিনিষ্ঠ ৰচনা আৰু হাস্যৰসাত্মক ৰচনা। হাস্যৰসাত্মক ৰচনাসমূহত বস্তুধৰ্মিতা আৰু ব্যক্তিনিষ্ঠতা ঠায়ে ঠায়ে সানমিহলি হৈ থকা দেখা যায়। বেজবৰুৱাৰ কাকতৰ টোপোলা আৰু কৃপাবৰ বৰুৱাৰ উভতনি এই দুয়োখন পুথিৰ ৰচনাসমূহতে এই কথা খাটে। অৱশ্যে কৃপাবৰ বৰুৱাৰ ভাৱৰ বৰবৰুৱাণি আৰু বৰবৰুৱাৰ বুলনি ৰ ৰচনাসমূহত ব্যক্তিনিষ্ঠতাই ঠায়ে ঠায়ে পৰিপূৰ্ণতা লাভ কৰিছে। সত্যনাথ বৰাৰ কেন্দ্ৰসভা তো ব্যঙ্গৰসৰ মধুতা আছে কিন্তু ই বস্তুধৰ্মী হৈয়ে থাকিল। বেজবৰুৱাৰ হাস্যৰস সৃষ্টিৰ অনুপ্ৰেৰণাত যিসকল লিখকে হাতত কাপ লৈছিল তেওঁ বিলাকৰ ভিতৰত ছদ্মনামৰ ভোলাই শৰ্মা। জ্ঞানানন্দ জগতী কেৰপাই শৰ্মা চিত্ৰসেন যথৰীযা শূলপাণি ফুকন উল্লেখযোগ্য। ব্যক্তিমুখী নহ লেও এওঁ বিলাকৰ ৰচনাত লঘু ৰচনাৰ আদৰ্শ দেখিবলৈ পোৱা যায়। দ্বিতীয় মহাসমৰৰ আগৰ ৰচনাৱলী এডিচন ষ্টীল বেকন আদি ইংৰাজ লেখকৰ আহিঁৰে গঢ় লৈ উঠিছিল কিন্তু সাম্প্ৰতিক যুগৰ লঘু ৰচনাৱলী প্ৰকৃততেই নতুন। এই ৰচনাসমূহক কোনোৱে ৰম্য ৰচনা কোনোৱে লঘুৰচনা কোনোৱে মনোধৰ্মী ৰচনা কোনোৱে ব্যক্তিমুখী বা ব্যক্তিনিষ্ঠ ৰচনা বোলে। নিজৰ দেশত নোহোৱা নতুন বস্তু দেখিলে মানুহে যেনেকৈ তাৰ আকাৰ-প্ৰকাৰ গুণ দোষ আদি চাই নতুন নাম দিয়ে সেই দৰেই সাম্প্ৰতিক যুগৰ এই মনোধৰ্মী ৰচনাৱলীকো নতুন নতুন নাম দিয়া হৈছে। এইবিধ ৰচনাই লিখকৰ মনৰ বাতৰি দিয়াৰ উপৰিও পাঠকক হঁহুৱায়। সত্যনাথ বৰাৰ 'সাৰথি'ৰ ৰচনাৱলী বা বেকনৰ ইংৰাজ ৰচনাৰ

গদ্যৰ বাক্যৰে শিক্ষা দিবলৈ প্ৰয়াস কৰাতকৈ নতুন ৰচনাই পাঠকক লিখকৰ মনৰ ওচৰ চপাই নিয়ে আৰু তৃপ্তি আৰু আনন্দ দিয়ে। অৱশ্যে এই শ্ৰেণীৰ ৰচনাও পাশ্চাত্যৰ প্ৰভাৱৰপৰা মুক্ত নহয়।

সাম্প্ৰতিক যুগৰ অসমীয়া সাহিত্যক পাশ্চাত্যৰ ফ্ৰয়েড, মাৰ্ক্স আৰু ইলিয়টৰ গইনা লৈ যৌন সামাজিক ৰাজনীতি আৰু বৌদ্ধিক আদৰ্শৰ তিনিটা সুঁতিৰ বতাহে বাৰুকৈয়ে কোবাইছে। এইবোৰৰ বিষয় পোন পটীযাকৈ পশ্চিমৰপৰা আহি ব্ৰহ্মপুত্ৰ উপত্যকাত নোলায়হি খন্তেক গঙ্গা ব্ৰহ্মপুত্ৰৰ মাজুলীত বৈ তাৰ গ ধ ভাপ লৈ আহে। আগষ্টাইন বিৰেল ই ভি লুকাচ মেক্স বীৰবম গাৰ্ডিনাৰ হিলাৰী বেলক আদিৰ ৰচনাৰ চানেকিৰ লগত মিল আছে। আধুনিক কবিতাত এজৰা পাউণ্ড ডাইলান টমাচ অডেন পাৰলো নেৰুডা মাযাকভস্কি ইুইটমেন লৰেঞ্চ আদিৰ প্ৰভাৱ সুস্পষ্ট। এই প্ৰভাৱ অনেক সময়ত বঙালী আলোচনীৰ মাজেদি অহাৰ দুই চাৰিটা উদাহৰণ নোহোৱা নহয় কিন্তু সেইবুলি সামগ্ৰিক প্ৰভাৱ বুলিব নোৱাৰি। সেইদৰে এইবিধ নতুন ৰচনাৰ শেহতীয়া আহিঁ আৰু অনু প্ৰেৰণায়ো লুকাচ গাৰ্ডিনাৰ বা বেলকৰপৰা পোনে পোনে আহি অসমীয়া লিখকৰ মনত প্ৰতিক্ৰিয়া কৰাতকৈ বঙালী সাহিত্যৰ যাযাবৰ মুজতুবা আলী ৰঞ্জন আদিৰ ৰচনাই অধিক উৎসাহিত কৰা যেন লাগে সি যি কি নহওক সাম্প্ৰতিক অসমীযা সাহিত্যত এই শ্ৰেণীৰ ৰচনাই মাজতে বাৰুকৈয়ে আলোড়ন তুলিছিল আৰু স্কুল কলেজৰ আলোচনীৰ পাতৰপৰা উচ্চখাপৰ আলোচনীৰ পাতলৈকে বিয়পি পৰিছিল। বোধকৰো এই শ্ৰেণী নতুন ৰচনাৰ বাটকটীযা মুনীন বৰকটকী। কনফেচন নামৰ ৰচনাখনেই অৱশ্যে তেওঁৰ প্ৰথম ৰচনা। ইয়াৰ পিচতে বিৰিঞ্চি কুমাৰ বৰুৱাৰ ‘কাউৰী” ওলায়। এই দুয়োখন ৰচনা প্ৰাক দ্বিতীয় মহাসমৰ যুগৰ। ইয়াৰ পিচত দিনচেৰেক আকৌ নীৰৱতাৰে ভৰা কিন্তু যুদ্ধৰ পিচত তিলক হাজৰিকাই নিজা কৃতিত্বৰে ৰচনা লিখিয়েই কাম শেষ নকৰি এনে এক অনুপ্ৰেৰণাৰ সৃষ্টি কৰিলে যাৰ পৰিণতিস্বৰূপে এচাম সাহিত্যকৰ জন্ম হ'ল। বোধকৰোঁ তিলক হাজৰিকা সবাতকৈ কৃতী লেখক আৰু তেওঁৰ পিচতে ডঃ হেমচন্দ্ৰ বৰুৱা। অৱশ্যে হাজৰিকাৰ পিচতে কাপো ধৰিছিল ডঃ বৰুৱাই তাৰ পিচতেহে ললিত বৰা, হেম শৰ্মা ভদ্ৰ বৰা আদিয়ে।

নতুন ব্যক্তিমুখী ৰচনাসমূহৰ বৈশিষ্ট্য আছে—“Sometimes it is nearly a sermon sometimes it is nearly a short story It may be a fragment of autobiography or a piece of nonsense It may

be satirical or vitupzrative or sentimental It my deal with any subject from the day of judgement to a pair of scissors

হেম শৰ্মাই গৰু ৰ বিষয়ে এখন ৰচনা লিখিছিল কিন্তু সেয়া পঢ়াশালিত লিখা বৰ্ণনাত্মক ৰচনা নহয় মন আৰু জ্ঞাৰ বাতৰি বুটলি অনা মনোধৰ্মী ৰচনাহে। তিলক হাজৰিকাই এক ছিঙ্গোল চাহ ফটা জোতা এই কুকুৰবিলাক ৰ বিষয়েও লিখিছে যৌৱন মৌবন বেযাছোৱালী আদি লঘু শিতানৰ গধুৰ ৰচনাও লিখিছে। সময়ত এইমনোধৰ্মী ৰচনাবিলাক লেখকৰ অৱচেতন মনৰ অভিব্যক্তি। ৰচনাখন লিখিবলৈ লওতে লেখকৰ মনৰ মাজেদি পাৰ হৈ যোৱা বিভিন্ন বিষয়ৰ বিষয়ান্তৰ হয় অথচ মূল বিষয়ৰ লগত আঁত নেহেৰায। হেম বৰুৱাই (কবি) আঁচু ফুল ত সন্নিবিষ্ট কৰা আপোন বয়স হৈলে বুদ্ধি হৈব ভাল নামৰ পাতল প্ৰবন্ধটোতেই ইয়াৰ প্ৰমাণ পোৱা যায়। হাজৰিকাৰ প্ৰবন্ধবোৰতো এনেকুৱা উদাহৰণ দেখা যায়। Robert Lynd এ কোৱা মতে যদি এই শ্ৰেণীৰ নতুন ৰচনা a fragement of autobiography হয় তেনেহলে হেম বৰুৱাৰ আপোন বযস হৈলে বুদ্ধি হৈব ভাল এটি উৎকৃষ্ট উদাহৰণ। ব্যক্তিমুখী ৰচনাৰ ব্যক্তিত্বৰ বিকাশ ঘটোৱাটোৱেই মুখ্য কাম। ডা হেম বৰুৱাৰ ৰচনাসমূহো আত্মজীৱনীমূলক। তেওঁ ৰ চিলা আদিৰ পাতশলা ৰ ৰচনা-কৌশল আৰু ৰসোত্তীৰ্ণতাই ইংৰাজী সাহিত্যৰ লেম্বৰ নিচেই কাষ চাপিছে বুলি কলেও বঢ়াই কোৱা নহয়। তদুপৰি ডা বৰুৱাই ছদ্মনাম নোলোৱাকৈ আগতে আত্মলঘিমা ৰাখি ব্যক্তিমনৰ চিনাকি দি গৈছে আৰু অনেকৰ মনত সেই অঙ্কিত চিত্ৰবোৰৰ প্ৰতিচ্ছবি তুলি থৈ গৈছে। তিলক হাজৰিকা আৰু ডা বৰুৱা যথাৰ্থতে বৈশিষ্ট্যপূৰ্ণ লেখক।

এই নতুন শ্ৰেণীৰ ৰচনাক এতিয়া কি বুলি নামকৰণ কৰা হয়? কিছুমান ৰচনাত ৰম্যতা নাই অথচ গোটেইবোৰ ৰচনাকে সামৰিব লাগে। কিছুমানত লঘুতাৰে গধুৰ কথাৰ অৱতাৰণা কৰা হৈছে গতিকে লঘু ৰচনাও নহয়। কোনো কোনোৱে নতুন ৰচনা নাম দিছে। কিন্তু প্ৰগতিশীলতাই সাহিত্যৰ সাধাৰণ লক্ষণ। সাহিত্যলৈ নতুনত্ব অহাটো নিয়মেই গতিহীনতাহে ব্যতিক্ৰম। গতিকে নতুন ৰচনা নামটোও পুৰণি হোৱাৰ ভয আছে। সাধাৰণ চুটি গল্প কবিতা উপন্যাস আদি সৃষ্টিধৰ্মী সাহিত্যত মনোধৰ্মিতা বা ব্যক্তিনিষ্ঠতা থাকে কিন্তু ৰচনাত নাথাকে। ৰচনাত বস্তুধৰ্মিতাইহে এসময়ত প্ৰাধান্য লাভ কৰিছিল কিন্তু এই নতুন শ্ৰেণী ৰচনাৰ মনোধৰ্মিতাই মূল নাড়ীৰ স্পন্দন। গতিকে মনোধৰ্মী ৰচনা বোলাই ভাল। ভালকৈ বিশ্লেষণ কৰিলে অৱশ্যে এই নতুন ৰচনাবোৰৰো কিছুমানত মনোধৰ্মিতাতকৈ বস্তুধৰ্মিতাই প্ৰাধান্য পোৱা দেখা যায়। স্বাভাৱিকতে

এইবিধ ৰচনাত ব্যঙ্গতা বা বুদ্ধিদীপ্ততা দেখা যায়। গতিকে মনোধৰ্মী ৰচনাই আকলিব নোৱৰা ৰচনাসমূহক খুহুতীয়া ব্যঙ্গ ৰচনা আখ্যা দিয়াই ভাল।

খুহুতীযা ব্যঙ্গ ৰচনাত বেজবৰুৱা সৰ্বশ্ৰেষ্ঠ। তেওঁৰ 'চোৰ" মনোধৰ্মী লঘু ৰচনা হলেও সৰহভাগ ৰচনাই হাস্যৰসাত্মক। হাস্যৰসক ব্যঙ্গ হাস্যৰস (ছেটাযাৰ) বুদ্ধিদীপ্ত হাস্যৰস (উইট) কৰুণ হাস্যৰস (হিউমাৰ) ফাৰচ পেৰডি আদি কেইটামান আগত ভাগ কৰা হৈছে। বেজবৰুৱা ব্যঙ্গ হাস্যৰস সৃষ্টিৰ প্ৰতিহে অধিক মনোযোগী। Jeffery এ কৈছে Satire is a composition of salt and mercury and it depends upon the different mixture and preparation of those ingredients that it comes out a noble medicine or a rank poison বেজবৰুৱাই জাতীয়তাবাদৰ পটভূমিত থিয় হৈ অসমীযা সমাজক ব্যঙ্গ কৰিবলৈ প্ৰয়াস কৰিছিল। বেজবৰুৱাৰ ব্যঙ্গ লোণৰ সোৱাদ বা জলকীয়াৰ জাল হলেও ঠায়ে ঠায়ে লোণে জিভা বেজবেজাইছিল বা জলকীয়াৰ জালত হেকটি আহিছিল। ভোকেন্দ্ৰ বৰুৱা আৰু মাজে মাজে সম্প্ৰদায় বিশেষক লক্ষ্য কৰি প্ৰকাশ কৰা বক্ৰোক্তি আৰু বিদ্ৰূপ ব্যক্তিবিশেষৰ গাত লগাকৈ প্ৰকাশ পাইছে। লেখকৰ উদ্দেশ্য নাথাকিলেও পাঠকে পঢ়ি যদি ৰচনাৰ কোনো চৰিত্ৰত ব্যক্তি বিশেষক। দেখা পায তেনেহলে সেযা শুদ্ধ হাস্যৰস নহয ব্যক্তিগত আক্ৰোশত পৰিণত হয়। সংস্কাৰকামী মনোভাব লৈ সমাজক ব্যঙ্গ কৰাই ব্যঙ্গ হাস্যৰসৰ উদ্দেশ্য। হেমচন্দ্ৰ বৰুৱাৰ কানীয়াৰ কীৰ্তন আৰু লম্বোদৰ বৰুৱাৰ সদানন্দৰ কলাঘুমটি বেজবৰুৱাৰ পূৰ্ববৰ্তী ৰচনা। কিন্তু বেজবৰুৱাৰ ৰচনাৰ ব্যঙ্গই পাঠকক হাঁহুৱাই স চা কিন্তু যাক লৈ ৰচিত তেওঁ হাঁহিব নোৱাৰে। Addison এ কৈছে Lampoons and satires that are written with wit and spirit are like poisoned darts which not only inflict a wound but make it incurable '

বেজবৰুৱাৰ দিনত কিছুমান ৰচনাৰ প্ৰতিবাদ হোৱা নাছিল যদিও আজিকালি তেওঁৰ ৰচনা পঢ়ি গুজৰি-গুমৰি থকা মানুহ নিশ্চয় আছে। পীতাম্বৰ ৰাজমেধি ৰাজমোহন নাথ। তেওঁৰ গোটকৰাই কাহু দি' "খাবলি' টেঙাদে আদি পুথিত সামাজিক ব্যঙ্গতকৈ ব্যক্তিগত ব্যঙ্গহে দেখা যায়। অৱশ্যে কাছাৰত জন্মগ্ৰহণ কৰা নাথৰ অসমীয়া সমাজক ব্যঙ্গ কৰাত অলপ অসুবিধা আছিল। চেঁচাপানী' তেওঁৰ শেহ জীৱনৰ ৰচনা। এইখন পুথিত তেওঁৰ ব্যঙ্গ হাস্যৰসৰ প্ৰমাণ পোৱা যায়। কুমাৰ মধুসূদন মেমেৰা মেধি, ন্যায়সোধা ফুকনৰ ৰচনাসমূহত ব্যঙ্গ হাস্যৰস বিয়পি আছে। কুমাৰ

মধুসূদনৰ দুই-চাৰিখন ৰচনাত মনোধৰ্মিতাও আছে। কিমাশ্চৰ্য্যম 'মই যে কৰাম বিয়া দুয়োখন পুথিতে ব্যংগৰসৰ উদাহৰণ পোৱা যায়। লীলা গগৈৰ কপালিং ছিগা বেল 'ত সংস্কাৰধৰ্মী হাস্যৰসৰ চানেকি দেখিবলৈ পোৱা যায়। Crou*az এ কৈছে A satirist of true genius who is warmed by a generous indignation of vice and whose censures are coducted by candor and truth merits the appla use of every friend to virtue He is a sort of supplement to the legislative authority of his country, assisting the unavoi dable defect of all legal institutions for the regulation of manners and striking terror even where the divine prohibi tions themselves are held in contempt

অসমীয়া সাহিত্যত বুদ্ধিদীপ্ত হাস্যৰসৰ পৰিমাণ বৰ সৰহীয়া নহয়। বেজবৰুৱাই কাহিনীত বুদ্ধিদীপ্ততা বৰকৈ প্ৰয়োগ কৰা দেখা নাযায়। শব্দগত আৰু অৰ্থগত বুদ্ধিদীপ্ততাই বেজবৰুৱাৰ ৰচনাত হ'াঁহিৰ মদু খলকান তুলিছে। তদুপৰি বক্ৰোক্তি, ব্যাজস্তুতিআৰু ৰসসৃষ্টিৰ প্ৰয়াসেতেও ৰ ৰচনাত বুদ্ধিদীপ্ত হাস্যৰস সৃষ্টি কৰিছে। মিলাৰামৰ আত্মজীৱনী ত কাহিনীগত বুদ্ধিদীপ্ততা আছে কিন্তু প্ৰায়বোৰ ৰচনাতে শব্দগত আৰু অৰ্থগত বুদ্ধি দীপ্ততাই তেওঁৰ ৰচনাৰ স্বকীয়তা প্ৰকাশ কৰিছে। Barrow এ কৈছে 'Wit is proper and commendable when it enlightens the intellect by good sense conveyed in jocular expression অৱশ্যে বুদ্ধিদীপ্ত হাস্যৰস বুদ্ধিজীৱীৰ বস্তু। বুদ্ধিদীপ্ত হাস্যৰস ব্যক্ত কৰিবলৈ উচ্চ ৰচনা-কৌশলৰ প্ৰয়োজন আৰু সমান বুধিয়ক পাঠকৰো আৱশ্যক। কুমাৰ মধুসূদনৰ ৰচনাতো বুদ্ধিদীপ্ততা দেখা যায়। মহম্মদ ছালেহৰ 'হ'াঁহিৰ থুনুপাক কিছুমান সংগৃহীত ৰচনা হ'লেও ইয়াত বহুতো বুদ্ধিদীপ্ত হাস্যৰসৰ উদাহৰণ আছে। Addison-এ কৈছে Punning is a conceit arising from the use of two words that agree in the sound, but differ in the sense. The only way, therefore, to try a piece of wit, is to translate it into a different language."

তিলক হাজৰিকাই যমক আৰু আনুপ্ৰাসিক শব্দধ্বনিৰে মনোধৰ্মী ৰচনাতো বুদ্ধিদীপ্ত হাস্যৰসৰ সৃষ্টি সিঁচিছে Hazlitt-এ উচিতেই কৈছে "Wit is the salt of canversation not the food." হাজৰিকাৰ

ৰচনাত লোণৰ সোৱাদ হৈ বুদ্ধিদীপ্ততা বিদ্যমান আছে। বাতৰি কাকত আলোচনীৰ পাততেই সৰহভাগ ৰচনা আজিও সিঁচৰতি হৈ আছে। মনোধৰ্মী ৰচনাৰ ভালেমান কেইখন পুথি প্ৰকাশিত হৈছে কিন্তু হাস্যৰসৰ পুথি তেনেকৈ প্ৰকাশিত হোৱা নাই। শেহতীয়াকৈ প্ৰকাশিত হোমেন বৰগোহাঞিৰ 'বিভিন্ন নৰক'ত বুদ্ধিদীপ্ত ব্যঙ্গৰস ফুটি ওলাইছে। বৰগোহাঞিৰ জীৱন আৰু সমাজ আৰু মানুহ আৰু সমস্যাৰ প্ৰতি সদায় তীক্ষ্ণ দৃষ্টি। মনোবিশ্লেষণৰ মাধ্যমত বৰগোহাঞিয়ে সমাজক ব্যঙ্গ কৰিছে।

কৰুণ হাস্যৰসৰ বা হিউমাৰৰ ৰচনা অসমীয়া সাহিত্যত বেজবৰুৱাৰেই সৰহ। ভাষা-বৈচিত্ৰ্য শব্দ-বৈচিত্ৰ্য চিত্ৰ-বৈচিত্ৰ অৰ্থ-বৈচিত্ৰ্য, আৰু চৰিত্ৰ-বৈচিত্ৰ্যৰ সহায়ত বেজবৰুৱাই হঁহুৱায়। নিৰহ নিপানী প্ৰকাশভঙ্গী অননুকৰণীয় ভাষা আৰু বিষয় বস্তুৰ উপস্থাপন ৰীতিয়ে বেজবৰুৱাৰ ৰচনাক সমৃদ্ধ কৰি তোলে। অসমৰ জাতীয় জীৱনক যি দকৈ চিনি পাইছে, তেওঁ বেজবৰুৱাৰ ৰচনা পঢ়ি নাহাঁহো বুলি থাকিলেও হাঁহিবলৈ বাধ্য। "দৈকলঙীয়ানী পোহাৰী" "পেটাল বঙালী বাবু", "সনাই" আদিৰ চৰিত্ৰৰ যোগেদি বেজবৰুৱাই যি হাস্যৰস সৃষ্টি কৰিব খুজিছে সেয়া নিতান্তই তলখাপৰ হাস্যৰস। এয়া কৰুণ হাস্যৰস নহয় ব্যক্তিগত সিঞ্চৰণি। Carlyle এ কৈছে "True humour springs not more from the head than from the heart —It is not contempt its essence is love. It issues not in laughter, but in still smiles which lie for deeper আৰু Greville এ কৈছে "good humour must operate on generosity" বেজবৰুৱাই অসমক মনেপ্ৰাণে ভাল পাইছিল আৰু অসমখন নিকা-পৱিত্ৰ হোৱাটো বিচাৰিছিল, সেইবাবেই অসম আৰু অসমীয়াৰ পটভূমিত অসমীয়াকে হহুৱাইছিল। বেজবৰুৱাৰ পিচত কৰুণ হাস্যৰস সৃষ্টিত আজিলৈকে কোনেও বলিষ্ঠ পদক্ষেপ নিক্ষেপ কৰিব পৰা নাই। ভদ্ৰ বৰা, ড° লীলা গগৈ হৰেন্দ্ৰ দেৱগোস্বামী, ঘনকান্ত চৌতিয়া ফুকন আদিৰ ৰচনাত মাজে সময়ে কৰুণ হাস্যৰস বিৰিঙি ওলোৱা দেখিবলৈ পোৱা যায়। কিৰণ শৰ্মা, হেম শৰ্মা আৰু তিলক হাজৰিকাৰ ৰচনাতো এই ৰস পোৱা যায়। কুমাৰ মধুসূদন আৰু পীতাম্বৰ ৰাজমেধিয়েও কৰুণ হাস্যৰস সৃষ্টিৰ প্ৰচেষ্টা চলাইছিল।

পেৰডিও হাস্যৰস সৃষ্টিৰ এটি প্ৰধান উপকৰণ। অসমীয়া সাহিত্যত পেৰডি সৃষ্টিৰ প্ৰথম উদাহৰণ দাঙি ধৰিছিল কৃপাবৰবৰুৱা বেজবৰুৱায়েই। আনকি, "অ মোৰ আপোনাৰ দেশ" গীতটিও বেজবৰুৱাই ইংৰাজী গীতৰ সুৰৰ পেৰডি কৰিহে ৰচনা কৰিছিল। বেজবৰুৱাই গোটাচেৰেক লোক-

গীতৰ শাৰী মিহলাই পদ্যত পেৰডি ৰচনা কৰিবলৈ চেষ্টা কৰাৰ উপৰিও গদ্য ৰচনাৰ মাজে মাজে সংস্কৃত শ্লোক অসমীয়া প্ৰবচন প্ৰাচীন অসমীয়া কবিতাৰ শাৰী ইত্যাদিৰ পেৰডিত খাঁজি দিছিল। দীঘলীয়া পেৰডিতকৈ এই চুটি চুটি শাৰীৰ পেৰডিবোৰেহে পাঠকক অধিক হঁহুৱায়। পেৰডি ৰচনাও একপ্ৰকাৰে বুদ্ধিদীপ্ততাৰ পৰিচায়ক। এতিয়ালৈকে অসমীয়া সাহিত্যত সৰহীয়াকৈ পেৰডি ৰচনা কৰিছে কুমাৰ মধুসূদনে। পেৰডি ৰচনা সাৰ্থক কৰি তুলিবলৈ হ লে কবিতাৰ ছন্দ ভাষা অটুট ৰাখি বিষয়ান্তৰ ঘটাই উক্ত বিষয়ৰ ভাবৰ ঐক্য ৰক্ষা কৰিব পাৰিব লাগিব। অসমীয়া পেৰডিবোৰ ৰসঘন আৰু সুখপাঠ্য বুলি ডাঠি কোৱা টান। সাদিনীয়া অসমীয়া ৰ পাতত মেমেৰা মেধিৰ গোটাচেৰেক ভাল পেৰডি ওলাইছিল। জনমভূমি' ৰ ন্যায়সোধা ফুকনৰ পেৰডি কেইটাও বেয়া নহয়। লীলা গগৈ আৰু ফণী তালুকদাৰৰো কেইটামান পেৰডি প্ৰকাশিত হৈছে। নৱযুগ 'ৰ চিন্তাহৰণ হাজৰিকাৰ পেৰডি আৰু বাকী ৰচনাসমূহৰ নামো উল্লেখযোগ।

মনোধৰ্মী ৰচনাৰ ক্ষেত্ৰত অসমীয়া সাহিত্যত যিটো উচ্ছাস উঠিছিল সি এতিয়া অনেক পৰিমাণে সংযত হৈ পৰিছে। কীৰ্তি হাজৰিকা নৱকান্ত বৰুৱা আৰু দুলাল বৰঠাকুৰৰ ৰচনাৰ পৰিমাণ তাকৰীয়া হ'লেও বৈশিষ্ট্য পূৰ্ণ। যোৰহাট মৰিয়নী ৰেলৰ পুৰণি স্মৃতি সুঁৱৰি লিখা কপলিং ছিগা ৰেল' অসমীয়া সাহিত্যৰ এখনি মনোৰম ৰচনা। এই ৰচনাৰ অনুপ্ৰেৰণাতে ড লীলা গগৈয়ে কপ লিং ছিগা ৰেল আৰু "ঘেৰঘেৰী বাছ" ৰচনা কৰে। গগৈৰ ৰচনাৰ বৈশিষ্ট্য দুটা—নিভাঁজ অসমীয়া ভাষা আৰু সৰু সৰু ঘটনাক বুদ্ধিদীপ্ততাৰে সজাই পৰাই তোলা। বিয়েৰিং চিঠি", অচমিঞা জাতি' "বৰকথীয়াৰ বৰমেল" "এৰৌ সমাজৰে এজন" 'মুকলি চিঠি বিশেষ কি লিখিম হাঁহি আৰু বাঁহী ৰকোদৰ বৰুৱাৰ বিয়া আদি ৰচনা শুদ্ধ মনোধৰ্মী ৰচনা নহ লেও সেই শ্ৰেণীৰেই প্ৰচ্ছন্ন ব্যংগৰস মিশ্ৰিত ৰচনা। কিৰণ শৰ্মাৰ "কিমিদং ব্যাহৃতং ময়া"ৰ ৰচনাবোৰ চুটি চুটি। এই চুটি চুটি ৰচনাবোৰত কিন্তু অনেক কথা আছে। শৰ্মাই নিজেই কৈছে তেওঁ যুগান্তৰ ৰ এক কলম" চাৰ্লচ লেম্বৰ ৰচনাৰ লগত আগৰে পৰাই চিনাকি। লেম্বৰ ৰচনাৰ উপস্থাপন ৰীতি আৰু ব্যক্তিমুখিতা মাজে মাজে দেখিবলৈ পোৱা যায়। হেম শৰ্মাৰ "বাটৰ দুবৰি বন ৰ ৰচনাত সংবেদনশীলতা আৰু মনোধৰ্মিতাৰ পূৰ্ণ পৰিচয় আছে। ভদ্ৰ বৰাৰ মধুৰেণ মনোধৰ্মী ৰচনাৰ আন এখনি পুথি ইয়াৰ উপৰিও বৰাৰ 'নতুন অভিধান" ৰচনাখনি অসমীয়া সাহিত্যত স'চাকৈয়ে নতুন। হেম শৰ্মাৰ 'মদাৰ ফুলৰ মালা" চুটি চুটি গল্পৰ চানেকিৰে হ লেও মনোধৰ্মী ৰচনাৰ গোন্ধ পোৱা যায়। হেম শৰ্মাই

মুকলি মনেৰে মনৰ কথা ৰচনাত লিখিব পাৰে আৰু সেইবাবেই হেম শৰ্মাৰ জনপ্ৰিয়তা। চিত্ৰধৰ্মী ৰচনাৰে শৰ্মাই গতানুগতিক জীৱনৰে চিত্ৰ আঁকে। তলা' "চুলি" 'বিতচকু 'ফেঁাট" আদি ৰচনাত এই কথা খাটে। শৰ্মাৰ ৰচনাত ইংৰাজ লিখক লুকাচৰ আহিৰ্ৰ প্ৰভাৱ আৰু জনচনৰ সুত্ৰৰ আনুগত্য মাজে মাজে ধৰা পৰে। শৰ্মাৰ বিষয়-বস্তুবোৰ যেনেকৈ সাধাৰণ আৰু ভাষাত সৰলতা আছে বৈচিত্ৰ্য নাই কিন্তু সাধাৰণ বিষয়ক পাঠকৰ মনৰ জোখাৰে সজাই পৰাই প্ৰকাশ কৰিব পৰাতেই লেখকৰ সাৰ্থকতা।

অসমীযা সাহিত্যৰ বুৰঞ্জীলৈ নতুন শ্ৰেণী ৰচনাৰ পুথি তিলক হাজৰিকাৰ দুখন— কত কথা আৰু "আড্ডা' আৰু হেম বৰুৱাৰ তিনিখন— 'চপনীযা নৱগ্ৰহ আৰু 'মোৰ ঘৰখন। হাজৰিকাৰ ৰচনাৰ বৈশিষ্ট্য আছে। তেওৰ আটাইবোৰ ৰচনা ব্যক্তিমুখী নহয় বা মনৰ গভীৰ সাঁচ নাই তথাপি হাজৰিকাক এই যুগৰ এই শ্ৰেণী ৰচনাৰ প্ৰতিভাশালী লেখক বুলি স্বীকাৰ কৰিবই লাগিব। 'সাহিত্যিক "চেনিমৰা বাগিচাৰ চিঠি' বেয়া ছোৱালী 'উৰুকা' এক চিঙেগাল চাহ আদি অনন্যসাধাৰণ ৰচনা। ডাঃ বৰুৱাৰ ৰচনাত ব্যক্তি মুখিতাৰ গভীৰতা আৰু আন্তৰিকতাই যে বিশিষ্টতা আৰোপ কৰিছে এনে নহয বিষয় বস্তু অনুযায়ী ভাষাই বৰণ সলোৱাটোও লক্ষ্য কৰিবলগীয়া। পুথি হিচাবে নৱগ্ৰহ' উচ্চ খাপৰ হোৱা নাই যদিও বাকী দুখন পুথিৰ শ্ৰেষ্ঠতা স্বীকাৰ কৰিবই লাগিব। অসমৰ ঘৰুৱা জীৱনৰ চিত্ৰ ইযাত আছে। ললিত বৰাৰ ৰচনাত নতুনত্ব আছে আৰু আছে সৰলতা। 'গুৱাহাটী ভদীয়া আদি বৰাৰ জনপ্ৰিয় ৰচনা। সংখ্যাত তাকৰীয়া হলেও নৱকান্ত বৰুৱাৰ ৰচনাত মনোধৰ্মিতা আৰু মনোগ্ৰাহিতা দুয়োটাই আছে। অভিধান আলহী ঘড়ী বেলিকৈ উঠা আদি ৰচনা সঁচাকৈয়ে আমোদজনক। বিষয়-বস্তু অনুযায়ী বৰুৱাৰ ৰচনাত ভাষাৰীতি সলনি হয। বৰ্ণনা নিখুঁত ভাষা সাৱলীল আৰু চিত্ৰধৰ্মিতা উজ্জ্বল।

পুথি আকাৰে ছপা হৈ নোলালেও মাজে সময়ে আলোচনী বাতৰি কাকতৰ পাত আৰু ভালেমানে নতুন বিধৰ ৰচনা লিখিছিল। ইয়াৰে কিছুমান ৰচনা মনোধৰ্মী বাকীবোৰ লঘু খুহুতীয়া ৰচনা বুলিব পাৰি। বীৰেন বৰকটকী যোগেন চেতিয়া হীৰেণ ভট্টাচাৰ্য বীৰেন্দ্ৰ কুমাৰ বৰুৱা অনসুয়া চৌধুৰী ইমৰাণ শ্বাহ মোহিনী কুমাৰ শইকীয়া প্ৰফুল্লকুমাৰ বৰুৱা আদিৰ নাম উল্লেখযোগ্য। এসময়ত নতুন অসমীয়া' কাকতত এখন নতুন শ্ৰেণীৰ ৰচনা খকাটো নিয়মেই হৈ পৰিছিল। সাহিত্যত নতুনৰ পৰীক্ষা নিৰীক্ষা সদায়েই চলি আছে আৰু চলি থাকিব। এনে এটি পৰীক্ষা

নিৰীক্ষাৰেই পৰিণতি মনোধৰ্মী ৰচনা। উপন্যাস আৰু চুটি-গল্পলৈ মনোসমীক্ষা আৰু মনোবিশ্লেষণৰ জোৱাৰ অহাৰ সময়ত ৰচনালৈকো মনোধৰ্মিতা অহাটো স্বাভাৱিক আৰু সময়োচিত। ব্যস্ত জীৱনৰ সৰু সৰু সুৰুঙাত চুটি-গল্পই যেনেকৈ মানুহক মানসিক আনন্দ আৰু তৃপ্তি দিয়ে, তেনেকৈয়ে এই মনোধৰ্মী ৰচনাসমূহেও পাঠকক আনন্দ দিয়ে। পাশ্চাত্য আদৰ্শৰপৰা অনুপ্ৰেৰণা লৈ সৃষ্টি হোৱা এই শ্ৰেণী ৰচনাত জাতীয় জীৱনৰ চিত্ৰ উজ্জ্বল হৈ ফুটি ওলালেহে ৰচনাৰ সাৰ্থকতা বৃদ্ধি পাব।

যতীন দুৱৰাৰ ব্যক্তিজীৱন

কে চুৱাই মাকৰ কোমল কোলাত শুই গাখীৰ খাই থাকোঁতে পোনতে যি ভাষাৰে 'আই' বুলি মাতিবলৈ শিকে সেয়ে মাতৃভাষা "দুখৰ বিষয় সেই মাতৃভাষাৰপৰা বঞ্চিত এই বুলি কৈ কুৰি শতিকাৰ প্ৰথম দশকৰ শিৱসাগৰৰ চৰকাৰী স্কুলৰ এটি বাৰ-তেৰ বছৰীয়া ল'ৰাই হুকহুককৈ কান্দি পেলাইছিল। স্কুলৰ বঙালী প্ৰধান শিক্ষকজনে "মাতৃভাষা কাক বোলে বুলি সোধা এটা প্ৰশ্নৰ উত্তৰত উপৰোক্ত কথাষাৰ কৈ কান্দি দিও তে তেও স্বতঃপ্ৰণোদিত ভাৱেই কৈছিল— বাছা শোক নকৰিবা তুমি এদিন তোমাৰ মাত ভাষাৰ মুখ উজ্জল কৰিবা। চকুপানীৰ বিনিময়ত বঙালী প্ৰধান শিক্ষকজনৰ আশীৰ্বাদ শিৰত লৈ সাহিত্য চৰ্চা মোৰ আজন্ম সাধনা বুলি জীৱনৰ বিয়লি বেলিকাও বুকু ডাঠি কোৱা এই গৰাকী পুৰুষেই হ ল চিৰকুমাৰ কবি যতীন দুৱৰা।

মই অকলশৰীয়া —চিৰকালেই অকলশৰীয়া। এই অকলশৰীয়া কবিৰ জীৱনটো জীৱনৰ উদ্দেশ্য আজি সকলোৰে বাবে সাঁথৰ—এটা ভাঙিব নোৱৰা সাঁথৰ। কুৰি শতিকাৰ তৃতীয় দশকৰ কথা। বি-এ পাছ কৰি আইন পঢ়িছিল—যুক্তি তৰ্ক যদিও দুৱৰাৰ স্বভাৱৰ বিপৰীত গুণ। তিনি বছৰ আইন পঢ়ি এদিন হঠাতে সিদ্ধান্ত কৰিলে আইন ব্যৱসায় তেওঁৰ জীৱনত কাহানিও নহ'ব। চৰকাৰী চাকৰিও তেও ক নালাগে। বয়স বাগৰি গ ল। দুৱৰা চিৰ-কুমাৰ হৈয়ে ৰ ল—সেয়েহে আজিও দুৱৰাৰ ব্যক্তি জীৱন এটা বিৰাট সাঁথৰ। মোৰ এই হিয়াখনি জেতুকা পাতৰ দৰে বুলি কৈ শূন্য পৰিচয় বিচৰা এই কবিজনৰ বুকু যেন আজিও শূন্য। তিনি কুৰি পোন্ধৰ বছৰৰ ওচৰ চপা এইজন পুৰুষক সিদিনা অলপতে সোধোঁতে কৈছিল— 'সেই শূন্যতাখিনি এতিয়াও মই পূৰ কৰিব পৰা নাই। কেতিয়াবা কেতিয়াবা এতিয়াও মই অকলশৰীয়া অনুভৱ কৰোঁ। যৌৱনৰ আগলি বয়সতে যেন কৰিৱৰ কবি অন্তৰখনে কিবা এটাৰ অভাৱ অনুভৱ কৰিছিল কিবা এটা বিচাৰি পোৱা নাছিল এই পোৱা-নোপোৱাৰ প্ৰশ্নৰ সমাধান নো হওঁতেই সেইবোৰ অতীত হৈ গ'ল। সেয়েহে কবিয়ে অতীতক ঘোৱাহে পাহৰি" বুলি একেবাৰে কৈ গধুৰ বুকুখন পাতল কৰিবলৈ এটা দীঘল হুমুনিয়াহ পেলালে।

আপোনাৰ কবিতাবোৰ নিৰাশাবাদেৰে সেমেকা কিয় ? — জীৱনত মই একো কৰিব নোৱাৰিলো' এটা সৰল উত্তৰ কিন্তু গভীৰ বহুত গভীৰ। সেই গভীৰতাখিনি জুখিবলৈ এই কবিজনক অলেখ প্ৰশ্ন সুধিছোঁ যৌৱনৰ সম্ভাৱ্য ৰোমান্সৰ কথাৰে সাঙুৰি জোকাই চাইছোঁ কিন্তু উত্তৰ দিবৰ সময়ত আজিও সেই লাজকুৰীয়া কবিজনৰ কাণ-মুৰবোৰ মৰম লগাকৈ ৰঙা পৰি উঠে কিবা এটা ক'ব খুজি বৈ যায় হয়তো পুৰণি স্মৃতিলৈ নতুন সজীৱতা নামে। তথাপি দুৱৰাৰ কবিতাত নিৰাশাবাদৰ প্ৰভাৱ পৰাৰ ঘাই কাৰণ দুটা তিনিটাও হ'ব পাৰে। উনৈশ শতিকাৰ শেহ দশকৰ বঙলা স্কুলত নাম লগাই বঙলা ভাষা পঢ়িবলগীয়া হওতে আলসুৱা কবি অন্তৰ সহজতে ভাগি পৰিছিল। অসমীয়া ভাষা সংস্কৃতিৰ নিৰ্য্যাতন আৰু দুৰৱস্থাই কুমলীয়া কালতে কৱিৰ মনত নিৰাশাবাদৰ গুটি সিচিঁছিল। এদিন বঙালীৰ হাতত নিৰ্য্যাতিত অসমীয়া ভাষাৰ কথা কওতে দুৱৰাই কৈছিল— মোৰ কবিতাত নিৰাশাবাদ ইযাৰে প্ৰতীক। দ্বিতীয়তে দুৱৰা আছিল পৰিয়ালৰ নুমলীয়া আদৰুৱা আৰু আলসুৱা লৰা। মাকৰ অসীম চেনেহৰ উমত ডাঙৰ দীঘল হোৱা দুৱৰাই ডেকাকালত দুগৰাকী অমায়িক মৰমিয়াল মাতৃসমা বৌৱেকৰ আদৰ পাইছিল। এই দুয়ো গৰাকী বৌৱেকৰ মৰমত নুমলীয়া দেওৰেক দুৱৰা পমি গৈছিল। কিন্তু কালৰ কুটিলা গতি দুয়ো গৰাকী বৌৱেক মাউৰত পৰি অকালতে ঢুকাল। সেই শোকলগা ঘটনা দুটিয়ে কবিৰ জীৱনত গভীৰ ৰেখাপাত কৰি গ'ল। পিচৰ যুগৰ বহুত কবিতা এই নিৰাশাৰে প্ৰতীক। এবাৰ মাকে হেনো বিয়া কৰোৱাৰ কথা কওতে উত্তৰ দিছিল—বিয়া পাতি সিহঁত দুটাৰ (ককায়েকহঁতৰ) কি হ'ল দেখিলোঁৱেই নহয়।' সেয়েহে দুৱৰাৰ কবিতা ৰাষ্ট্ৰীয় আৰু ব্যক্তিজীৱনৰ অভিব্যক্তি। এদিন নিৰাশাবাদৰ কথা সোধোঁতে কবিতাৰেই উত্তৰ দিছিল—

"কোনোৱে দুৰতে চায় কোনোৱেবা চুই যায়
চেনেহে কণিকা বুলি কৰোঁ তাকে ভুল
সপোন আঁতৰি গ'লে দিঠকে জনায় দিয়ে
বাটৰ কাষৰ মই বননিৰ ফুল।

নাও নাৱৰীয়া আৰু সাগৰ দুৱৰাৰ কবিতাৰ সাধাৰণ প্ৰতীক। এদিন নিজৰ কবিতা এটা আবৃত্তি কৰি থাকোঁতে সুধিছিলোঁ—' ককা ৱৰ্ডছৱৰ্থৰ মতে কবিতা যদি মনৰ তলিৰ গভীৰ ভাৱৰ স্বতঃপ্ৰণোদিত অভিব্যক্তি হয়

তেনেহলে আপোনাৰ কৱিতাবোৰত মাজে মাজে নিজৰ কথাই প্ৰকাশ পাইছে নেকি ? লাজকুৰীয়া হাঁহি এটাৰে উত্তৰ দিছিল—"কবিতাবোৰ মোৰ আত্মজীৱনী নহয়। মই কবিতা লিখিবলৈ ভাল পাওঁ। কবিতা লিখি গাৰুৰ তলত লুকুৱাই থৈ দিনচেৰেকৰ মূৰত ফালি টুকুৰাটুকুৰ কৰি পেলাই দিয়া আত্মপ্ৰকাশ কৰিবলৈ লাজ কৰা এই কবিজনে জীৱনত অলেখ কবিতা লিখিলে অলেখ কবিতাত ৰোমাণ্টিচজমৰ 'অসীম কল্পনাৰ মূৰ্ত বিকাশ সম্ভৱ হৈ উঠিল। তথাপি নিজৰ ৰচনাত ব্যক্তিগত জীৱনৰ সাঁচ নপৰাকৈ থকা নাই। কথা কবিতা ৰ এখনি চিঠি ত আছে—সেইদিনা পুৱা তিনিঠাইৰ তিনিজন ল ৰাই একেলগে ৰং মনেৰে লুইত চাবলৈ যোৱা কথাটো আজি মোৰ বৰকৈ মনত পৰিছে। হঠাতে এজনৰ নাওখনি ছাট কৰে কেনিবাদি আঁতৰি গ ল। এটা ঘাট পাই আনজনেও তাতে তেওঁ ৰ নাও বান্ধিলে—কিন্তু ইজনে নোৱাৰিলে এতিয়াও তেওঁ সোঁতৰ মাজত নাৱৰ বুকুত— এই তিনিজন এসময়ত একেটা মেছতে থাকি শিক্ষা অৰ্জন কৰা অন্তৰঙ্গ বন্ধু বলিন খাউণ্ড ৰাধিকা চৌধুৰী আৰু দুৱৰা নিজে। সেই পুৰণি বন্ধুত্বৰ চিনস্বৰূপেই কথাকবিতা ৰাধিকা চৌধুৰীলৈ উচৰ্গা কৰিছে।

'তুমি মোক ভালপোৱা শুনিলেও হ াঁহি উঠে হয় যদি ইও এক সপোনৰ ৰেখা বুলি অন্তৰ উজাৰি কৈ পেলোৱা কবিৰ জীৱনৰ যৌৱনত কেতিয়াবা ক'ৰবাত উজুটি খাইছিল বুলি বহুতৰে ধাৰণা। কিন্তু জীৱনৰ বিয়লি বেলিকা সেই জটিল প্ৰশ্নটোৰ উত্তৰ দিছিল— কাহানিবা যদি মোৰ জীৱনত প্ৰণয়ৰ ধল নামিছিল সেয়া কবিতা-দেৱীৰ মানস প্ৰণয়। মহাকবি ডাণ্টেই বিয়েট্ৰিছক জীৱনত মাথোন চকামকাকৈ দুবাৰ দেখিছিল। কিন্তু সিয়ে ডাণ্টেৰ জীৱনত গভীৰ অমৰপ্ৰেমৰ সঞ্চাৰ কৰিছিল। ডাণ্টেৰ এই প্ৰণয়ো আছিল মানসপ্ৰণয়। সেইদৰে অসীম কল্পনাৰ অধিকাৰী কবিৰ গভীৰ কল্পনাত কোনোবা মানস প্ৰিয়া সৃষ্টি হোৱা আৰু বাস্তৱত ধৰা নিদি আঁতৰি যোৱাটো আচৰিত কথা নহয়। কবিয়ে তেওঁ ৰ "ব্যৰ্থতা নামৰ কথাকবিতাটোত লিখিছিল— চাকিৰ হয়তো ইচ্ছা নহয় যে জাকে জাকে চপাই আহি তাৰ ৰূপৰ জুইত আত্মবলিদান কৰেহি—কিন্তু চপাই এই আত্মদানকেই জীৱনৰ ধ্ৰুৱ সত্য বুলি মানি লৈছে। কেতেকী চৰাইজনীৰ ব্যৰ্থতাত অনুকম্পা জাগি উঠা কবিজনে 'লাগে মাথোন অন্তৰ আৰু হৃদয়ৰ ভাব আৰু ভালপোৱা' বুলি কাক সঁকিয়াই দিছিল। সোধোঁতে একো উত্তৰ নিদিলে।

প্ৰত্যক্ষ বা পৰোক্ষভাৱেই হওক মোৰ কবিতাত ওমৰৰ আদৰ্শবাদ আছে কলিকতাত থাকোঁতে এদিন ওমৰৰ দৰ্শন আৰু চুফীবাদ সম্পৰ্কে অধ্যয়ন কৰিবলৈ তেওঁৰ আগ্ৰহ ওপজে। তৰুণৰাম ফুকনৰ সহায়ত দুৱৰাই কলিকতা বিশ্ববিদ্যালয় পাচী বিষয়ৰ অধ্যাপক খোদাবক্স চাহাবৰ ওচৰ চাপে আৰু সেই সম্পৰ্কে শিক্ষা লয়। তাৰ পিচত ওমৰ তীৰ্থ অনুবাদ কৰে। চুফীবাদত প্ৰেমৰ প্ৰাধান্য অনস্বীকাৰ্য্য প্ৰকৃত ভালপোৱাত তুমি আৰু মই ৰ সীমা আঁতৰি যায়। প্ৰেমিকে প্ৰেমিকাক পাবলৈ ব্যগ্ৰ হৈ পৰে একান্তমনে। চুফীবাদীয়ে নিজকে প্ৰেমিক আৰু ভগৱানক প্ৰেমিকা ৰূপে কল্পনা কৰি তেওঁ ক পাবলৈ উদগ্ৰীৱ হৈ পৰে। কবিৰ জীৱনত চুফীবাদৰ প্ৰভাৱ স্বীকাৰ কৰি লোৱালৈ চাই তেওঁ ৰ কবিতাত সাধাৰণতে বিচাৰি ফুৰা বা বিচাৰি নোপোৱা তুমি" বা 'তোমাক আন কোনো নহয় চুফীবাদীসকলৰ আৰাধ্যা প্ৰেমিকাৰ দৰে কবিৰ মানস প্ৰিয়া।

ল'ৰাকালত দুৱৰা আছিল লাজকুৰীয়া পঢ়াশালিলৈ যোৱা সময়কণৰ বাহিৰে বাকী সময় তেওঁ কিতাপ পঢ়ি কটাইছিল। Twinkle twinkle little star" নামৰ সেই ইংৰাজী কবিতাটো পঢ়ি এদিন লিখি পেলালে—

চিকিমিকি চিকিমিকি সৰু তৰাটি
কেনেকৈ শোভা কৰে ওখ আকাশত
চিকমিক কৰি কৰি হীৰাৰ নিচিনা জ্বলি
সন্ধিয়া দিয়েছি পোহৰ।'

কবিৰমতে এই ফাঁকিটোৱেই আছিল তেওঁ ৰ জীৱনৰ প্ৰথম কবিতা। পঢ়াশলীয়া কালত বেণুধৰ ৰাজখোৱাই— বাপু লিখিবাচোন, লিখিবা বুলি সদায় উৎসাহ দিছিল আৰু কবিতাবোৰ চাই আ-কাৰ ই-কাৰ পোনাই দিছিল। আন এজন পুৰুষেও উৎসাহ দিছিল তেওঁ হ'ল ফণীধৰ চলিহা। কলিকতাত থকা কালত হেমচন্দ্ৰ গোস্বামী চন্দ্ৰকুমাৰ আগৰৱালা আৰু লক্ষ্মীনাথ বেজবৰুৱাই পাৰেমানে সহায় কৰিছিল। সেই সময়ত লিখা বহুতো কবিতা তৰুণৰাম ফুকনৰ যহতহে আলোচনীবোৰত প্ৰকাশ পাইছিল। দুৱৰাক লগ পালেই ফুকনে বামুণক দক্ষিণা দিয়া' বুলি হাত পাতি কবিতাৰ দক্ষিণা এটা আদায় কৰি লৈছিল। দুৱৰাই পোনতে মদু" এই ছদ্মনামত কবিতা লিখিছিল। পিচলৈ চন্দ্ৰকুমাৰ আগৰৱালা আদিয়ে তেওঁক সেই নামেৰে মাতিছিল। এদিন জ্যোতিপ্ৰসাদ আগৰৱালাক লগত লৈ চন্দ্ৰকুমাৰ আগৰৱালাই দুৱৰাক কৈছিল— 'মদু জ্যোতিক তোমাক গতালোঁ। চাব। ৺জ্যোতিপ্ৰসাদৰ শিল্পী প্ৰতিভা প্ৰকট হৈ উঠাৰ গুৰিতে দুৱৰাৰ সান্নিধ্য আৰু অনুপ্ৰেৰণা নোহোৱা নহয়।

জীৱনত যদি কাবোবাক ভাল পাইছিলোঁ সেয়া কিতাপ। আন ভাষাৰ ভাল কিতাপ অসমীয়া কৰিবলৈ মোৰ সদায়েই হেপাহ আছিল' —আপুনি কাবোবাক ভাল পাইছিল নকি ? বুলি সোধা সেই অপ্রিয় প্রশ্নটোৰ সেইটো উত্তৰ। সঁচা কথা দুৱৰাই কিতাপ ভাল পাইছিল দেশ বিদেশৰ কাব্যচৰ্চা কৰি তাৰে উৰণীয়া ভাব দুটা-এটা অসমীয়া বহুল ঢালি অসমীয়া কবিতালৈ ৰূপান্তৰ কৰাটোৱেই আছিল ঘাই কাম। উনৈশ শতিকাত ৰুছ সাহিত্যত টুৰ্গেনিভৰ প্রতিভাই কথা কবিতাৰ জন্ম দিলে। ইংৰাজী সাহিত্যৰ দুৱাৰেদি সেই কথা-কবিতাবোৰ অসমীয়া সাহিত্য পালেহি দুৱৰাৰ যোগেদি। ওমৰ খৈয়াম বিশ্ববিখ্যাত কবিতা। তাৰো অসমীয়া ৰূপ দিলে দুৱৰাই। তদুপৰি অনেক ইংৰাজ কবিৰ কবিতাৰ প্রতিধ্বনি তেওঁৰ কবিতাত ফুটি উঠিছে। সিদিনা অলপতে কৈছিল—"মোৰ কথা হ'ল কিবা সাহিত্য সম্পদ অসমীয়া ঘৰঘৰলৈ সোমোৱাবলৈ হলে অসমীয়া বোৱাৰী কৰি সুমুৱাম।" সঁচা কথা কথা কবিতাবোৰ পোনতে "বাঁহীত" ছপা হওঁতে "ফুটনোটত" টুৰ্গেনিভৰ ছাঁলৈ লিখা বুলি উল্লেখ কৰিছিল। যথাৰ্থতে টুৰ্গেনিভৰ জকাটোহে ভাব ভাষা চিত্রাঙ্কন সকলো দুৱৰাৰ নিজা প্রতিভাৰ। বাকী তিনিখন কবিতাৰ পুথি আপোনসুৰ বনফুল আৰু মিলনৰ সুৰ। এই তিনিওখন পুথিৰে কবিতাত অতীতৰ স্মৃতি অতীতৰ আশা নিৰাশা অতীতৰ মধুৰ সপোন আদিৰ বিষয়ে অনেক কবিতা আছে। সেইবাবে এদিন দুৱৰাক সুধিছিলোঁ— আপোনাৰ কবিতাত ইমান অতীতৰ প্রতিধ্বনি কিয় ? এবাৰ কৈছে—' অতীতক নেৰাবা পাহৰি' এবাৰ কৈছে— 'অতীতক যোৱাহে পাহৰি কবিয়ে টপৰাই উত্তৰ দিলে— 'সেই খিনিতেই ঘাই কথাটো। অতীতক মই পাহৰিব নোৱাৰোঁ। অতীতত মোৰ Pathos আছে।

কবি দুৱৰাৰ জীৱন সঁচাকৈয়ে সাঁথৰ। আমি তেওঁৰ কবিতা বা সাহিত্যিক প্রতিভাৰে ব্যক্তি জীৱনত ভুমুকি মাৰিবলৈ চেষ্টা কৰা নাই। ব্যক্তিগত সান্নিধ্যলৈ আহি ওপৰাওপৰি প্রশ্নৰ মাজেদি যি কেইটা বাক্য তেখেতৰ মুখৰপৰা সৰুৱাই আনিছোঁ তাকে গঠনালেহে আমি এই কেইষাৰ লিখিছোঁ। ইয়াকে লিখিবলৈ অনুমতি বিচাৰোঁতে কৈছিল—' লিখিলে লিখিবা, গালি খাবা। গালি খাবলগীয়া হ'লেও লিখাৰ হেঁপাহটো সামৰিব নোৱাৰিলোঁ। অনুমতি বিতৰেণ।

মাধৱ কন্দলি আৰু মহামাণিক্য

ভাৰতৰ প্ৰাদেশিক ভাষাবোৰৰ ভিতৰতে পুৰণি মাধৱ কন্দলিৰ ৰামায়ণ। নৱবৈষ্ণৱ যুগৰ আগে আগে অসমৰ সাহিত্যাকাশৰ ভাস্কৰস্বৰূপ অপ্ৰমাদী কবি মাধৱ কন্দলিৰ জন্ম হৈছিল। কন্দলিয়ে নিজে লিখি থৈ যোৱা মতে তেওঁ বৰাহী ৰজা মহামাণিক্যৰ পৃষ্ঠপোষকতাত সাতকাণ্ড ৰামায়ণ অসমীয়ালৈ অনুবাদ কৰে।

কবিৰাজ কন্দলি যে আমাকেসে বুলিবয

কৰিলোঁহো সৰ্ব্বজন বোধে

ৰামায়ণ সুপয়াৰ শ্ৰীমহামাণিক্য যে

বৰাহ ৰাজাৰ অনুৰোধে।

বৰাহ ৰাজা মহামাণিক্য আৰু মাধৱ কন্দলি সমসাময়িক লোক। ইজনৰ কাৰ্য্যৰ লগত সিজনৰ পৃষ্ঠপোষকতা সাঙোৰ খাই আছে। এতিয়া কথা হ'ল মহামাণিক্য ক'ৰ ৰজা আছিল ? মাধৱ কন্দলিৰ বা ঘৰ ক'ত ?

মাধৱচন্দ্ৰ বৰদলৈয়ে শ্ৰীমহামাণিক্য জয়ন্তাপুৰৰ ৰজা বুলি ক'ব খোজে। বিজয়মাণিক ধনমাণিক যশমাণিক এই তিনিজনৰ কোনোবা এজন ৰজাই মহামাণিক্য নাম লৈ জয়ন্তাপুৰত শাসন কৰিছিল। এই ৰাজ্যই বৰ্ত্তমানৰ নগাঁও জিলাৰ এটা অংশও সামৰিছিল। এই প্ৰসংগতে বৰদলৈয়ে নগাঁৱৰ কন্দলি পৰ্ব্বত আৰু কন্দলি পথাৰলৈ আঙুলিয়াই মাধৱ কন্দলিৰ ঠাই নিৰ্ণয় কৰিব খুজিছে। সেয়ে হ'লে মহামাণিক্যৰ সময় ষোড়শ শতিকাৰ শেষ ভাগলৈ নামি আহে। গেইট চাহাবে উপৰোক্ত ৰজাকেইজনৰ সময় (১৫৬৪ ১৬০৫) বুলি ঠাৱৰ কৰিছে মাধৱ কন্দলি দেখাদেখিকৈ শঙ্কৰদেৱৰ আগৰ পূৰ্ব্ব কবি অপ্ৰমাদী।

কালিৰাম মেধিয়ে অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ব পুথিৰ আৰম্ভণিতে লিখিছে মহামাণিক্য ত্ৰিপুৰাৰ কছাৰী ৰজা আছিল আৰু তেওঁৰে পৃষ্ঠ পোষকতাত মাধৱ কন্দলিয়ে ৰামায়ণ ৰচনা কৰিছিল।

ডঃ বাণীকান্ত কাকতিৰ মতে মহামাণিক্য জয়ন্তাপুৰৰ কছাৰী ৰজা আছিল ভাষাতাত্ত্বিক দৃষ্টিভঙ্গীৰে চাই ডঃ কাকতিয়ে মাধৱ কন্দলিক চতুৰ্দ্দশ শতিকাৰ পিছলৈ নিব নোৱাৰি বুলি কৈছে।

কনকলাল বৰুৱাই লিখিছে মাধৱ কন্দলি চতুৰ্দ্দশ শতিকাৰ শেহৰ কবি আছিল। কপিলী উপত্যকাত ৰাজত্ব কৰা বৰাহী ৰজা মহামাণিক্যৰ পৃষ্ঠপোষকতাত ৰামায়ণ ৰচনা কৰিছিল।

দেবেন্দ্ৰনাথ বেজবৰুৱাই অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জীত লিখিছে মাধৱ কন্দলিৰ জন্মস্থান নগাঁৱৰ আলিপুখুৰী। বেজবৰুৱাৰ মতে জয়ন্তাপুৰৰ কছাৰী ৰজাসকল বৰাহী ৰজা' বুলি খ্যাত আছিল আৰু তেওঁবিলাকে নগাঁও জিলাৰ অংশবিশেষত শাসন কৰিছিল। মাণিক যুক্ত বিজয় মাণিক ৰজাই মাধৱ কন্দলিৰ পৃষ্ঠপোষক মহামাণিক্য।

ডিম্বেশ্বৰ নেওগে অসমীয়া সাহিত্যৰ বুৰঞ্জীত 'পুৰণি আৰু অখণ্ডিত মত বুলি ত্ৰিপুৰাৰ ৰজা মহামাণিক্যকে মাধৱ কন্দলিৰ পৃষ্ঠপোষক বুলি ঠাৱৰ কৰিছে আৰু তেওঁৰ সময় চতুৰ্দ্দশ শতিকা বুলি নিৰ্দ্ধাৰণ কৰিছে।

ড সূৰ্য্যকুমাৰ ভূঞাই লিখিছে যাৰ পৃষ্ঠপোষকতাত মাধৱ কন্দলিয়ে ৰামায়ণ ৰচনা কৰিছিল সেইজন ৰজা মহামাণিক্যৰ সময় আৰু ৰাজ্য সম্পৰ্কে এতিয়াও খাটাং সিদ্ধান্ত হোৱা নাই। যতদূৰ সম্ভৱ হিন্দুধৰ্ম্মৰ প্ৰভাৱলৈ অহা তেওঁ এজন অনাৰ্য্য ৰজা আছিল।

হেমচন্দ্ৰ গোস্বামীয়ে লিখিছে মহামাণিক্য বৰাহী-কছাৰীসকলৰ ৰজা আছিল আৰু চতুৰ্দ্দশ শতিকাৰ মাজ ভাগত ডিমাপুৰত ৰাজত্ব কৰিছিল। বৰাহী ৰজা মহামাণিক্যৰ সপ্তম পুৰুষ ডেৰচোংফা দিহিঙীয়া ৰজাৰ (১৪৯৫—১৫৩৯) সমসাময়িক আছিল। স্থানান্তৰত গোস্বামীয়ে লিখিছে মহামাণিক্যই শদিয়াৰ ওচৰৰ সোণাপুৰত ৰাজধানী পাতি শাসন কৰিছিল।

ডঃ মহেশ্বৰ নেওগে পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতিত মহামাণিক্য তথা মহামাণিফাৰ ৰাজধানী উজনি অসমৰ সোণাৰি বাণফেৰা অঞ্চলৰ সোণাপুৰত থকা যেনহে লাগে বুলি কৈ মাধৱ কন্দলিক চতুৰ্দ্দশ শতিকাৰ মাজ বা শেষৰ বৰ্ত্তমান অসমৰ মাজ বা পুবৰ লোক বুলি লিখিছে।

ড° সত্যেন্দ্ৰনাথ শৰ্ম্মাই 'অসমীয়া সাহিত্যৰ ইতিবৃত্ত'ত ত্ৰিপুৰা বা জয়ন্তাপুৰৰ ৰজাই বৰাহী বুলি পৰিচয় দিয়া নাই বুলি যুক্তি দেখুৱাই কৈছে "সুদূৰ ত্ৰিপুৰা বা জয়ন্তাপুৰৰ ৰাজসভাতকৈ উজনিৰ সোণাপুৰৰ বৰাহী ৰজা মহামাণিফাৰ (ক্য) ৰাজসভাত ৰামায়ণ ৰচনা কৰাই বেছি সম্ভৱ।"

মহামাণিক্যৰ ৰাজ্য আৰু ৰাজধানী সম্পৰ্কে যোৱি, ডঃ কাকতি বৰুৱা

আদিৰ মাজত মতৰ পাৰ্থক্য আছে। তদুপৰি জনচেৰেকৰ ইচাপমতে মাধৱ কন্দলিৰ সময় পিছলৈ ঠেলি আনিব লগাত পৰে। কথা-গুৰু চৰিতমতে শঙ্কৰদেৱৰ গুৰু মহেন্দ্ৰ কন্দলিৰ টোলৰ পৰিদৰ্শক ৰাম আচাৰ্য্যৰ গুৰু মাধৱ কন্দলিয়েই যদি শঙ্কৰদেৱে উল্লেখ কৰা "পূৰ্ব্ব কবি অপ্ৰমাদী" হয় তেনেহলে কন্দলি কমেও শঙ্কৰদেৱতকৈ আঠৈকুৰি বছৰমানৰ আগৰ কবি হ'ব। তদুপৰি ত্ৰিপুৰা আৰু জয়ন্তীয়া ৰাজ্যৰ ৰাজসভাত মাধৱ কন্দলি থকাও সম্ভৱ নহয়। কন্দলিয়ে ৰামায়ণত নিজেই উল্লেখ কৰিছে "বৰাহ ৰজা" বুলি। গতিকে মহামাণিক্য পোনপটীয়াকৈয়ে বৰাহী ৰাজ্যৰ ৰজা বুলি ঠাৱৰ কৰিব পাৰি।

কেইজনেও জয়ন্তা আৰু কছাৰীক সানি পুতুকি একে কৰিব খুজিছে। প্ৰকৃততে জয়ন্তেশ্বৰ আৰু হেড়ম্বেশ্বৰ যে দুই স্বতন্ত্ৰ শক্তি সেই কথা 'কছাৰী বুৰঞ্জী" আৰু "জয়ন্তীয়া বুৰঞ্জী য়েই সাক্ষী দিয়ে। ত্ৰিপুৰা ৰাজ্যৰ বিস্তৃতি কপিলী উপত্যকালৈকে বিয়পি থকাৰ কোনো ঐতিহাসিক প্ৰমাণ নাই। কপিলী উপত্যকাত বৰং ডিমাপুৰ বা উজনিত ৰাজধানী থকা কছাৰীসকলৰ বসতি থকাৰহে প্ৰমাণ পোৱা যায়। আহোমসকল অসমলৈ অহাৰ সময়ত নামনি অসমখণ্ড কামৰূপ ৰাজ্যৰহে অধীন আছিল। নামৰ সাদৃশ্য থাকিলেও ত্ৰিপুৰা ৰাজসভাৰ লগত মাধৱ কন্দলিৰ কোনো সম্পৰ্ক নাই যেন লাগে।

মহামাণিক্য যে এজন বৰাহী কছাৰী ৰজা সেই কথাত কাৰো দ্বিমত নাই। "কছাৰী বুৰঞ্জী' মতে মাণিক নামেৰে শদিয়াল কছাৰীৰ ৰজা এজনে পৰে শদিয়া পশ্চিমে দিখৌমুখ উত্তৰে দিহিঙৰ দক্ষিণ পাৰ দক্ষিণে দিলিহৰ কেন্দুগুৰি সীমা কৰি ৰজা হৈছিল। এইজন ৰজাৰ সময় ঠাৱৰ কৰা টান কিন্তু একাদশ দ্বাদশ শতিকা বুলি ঠাৱৰ কৰিব পাৰি। এইজন ৰজাৰ পৰৱৰ্ত্তী যুগত বিচাৰপতিফা নামেৰে এজন ৰজা হয়। বিচাৰপতিফাৰ ৰাজ্য মহং পৰ্যন্ত আছিল। চুকাফা অসমলৈ আহোঁতে (১২২৮—২৯) বিচাৰ পতিফাক মহঙৰপৰা পঠিয়াই দিয়ে। এই বিচাৰপতিফাৰে পুতেক বিক্ৰমাদিত্যফাই নামচাং বৰহাট সীমা কৰি ৰাজ্যবিস্তাৰ কৰিলে। সোণাপুৰ আৰু বাণপুৰ নামে নগৰ পাতিলে। নামচাং-বৰহাট সীমা কৰি স্থাপন কৰা এইখন সোণাপুৰ বৰ্তমান সোণাৰি আৰু বাণপুৰ বৰ্তমানৰ বাণফেৰা হোৱাই সম্ভৱ। কাৰণ এই সোণাৰিৰে নিচেই ওচৰতে বৰাহী ৰজাৰ নগৰ এতিয়াও আছে। নগৰৰ ঢাপ গড় আদিয়ে বৰাহী ৰজাৰ ৰাজধানীৰ সাক্ষী দিয়ে। বিক্ৰমাদিত্যফাৰ পিছত মহামাণিক্য ৰজা হয়। ত্ৰয়োদশ শতিকাৰ তৃতীয় দশকত চুকাফাই লগ পোৱা বিচাৰপতিফাৰ নাতিয়েক মহামাণিক্য চতুৰ্দ্দশ শতিকাৰ আগভাগতে ৰজা হোৱা যেন লাগে। এইজন মহামাণিক্যই

(মহামাণিক্য) হেমচন্দ্ৰ গোস্বামীয়ে উল্লেখ কৰা সোণাপুৰৰ ৰজা। শদিয়াল কছাৰীৰ প্ৰথম ৰজা মাণিক'ৰ বংশোদ্ভৱ হোৱা হেতুকে অপত্যাৰ্থত 'ষ্য' প্ৰত্যয় প্ৰয়োগ কৰি মাণিক্য কৰিবও পাৰে। তদুপৰি মধ্যযুগৰ পণ্ডিতসকলে অনেক অনাৰ্য্য-মূলীয় শব্দ সংস্কৃতীয়া কৰি ৰজাক তোষামোদ কৰিছিল তেনে কৰোঁতেও মাণিফা মাণিক্য হ'ব পাৰে।

মাধৱ কন্দলিয়ে উজনিত ৰামায়ণ ৰচনা কৰাৰ কাৰণ বিচাৰিবলৈ দুটা আনুষংগিক যুক্তি আছে—(১) পুথিৰ লিপি (২) সন্ধিকৈ শব্দৰ প্ৰয়োগ। সাধাৰণতে মধ্য বা নামনি অসম খণ্ডত লিখা অসমীয়া পুথিবোৰৰ লিপি বামুণীয়া কাইথেলী নাইবা লহকৰী। উজনি খণ্ডত লিখা পুথিবোৰৰ লিপি গড়গঞা। মাধৱ কন্দলিৰ ৰামায়ণৰ পুথিবোৰ উজনি অসমত গড়গঞালিপিৰে পোৱাহে চাই তেও উজনিত ৰামায়ণ লিখাই সম্ভৱ।

মাধৱ কন্দলিয়ে ৰামায়ণত মন্ত্ৰীৰ অনুৰূপ শব্দ হিচাপে সন্ধিকৈ* প্ৰয়োগ কৰিছে (অযোধ্যাকাণ্ড ২২০৮ দত্তবৰুৱা সংস্কৰণ)। সন্ধিকৈ শব্দটো মূল ৰামায়ণত নাই। বৰাহী আৰু আহোমসকলৰ মাজতহে এই শব্দটো ব্যৱহৃত হৈছিল। সন্ধিকৈ শব্দ সম্পৰ্কে পদেশ্বৰ নাওবৈছা ফুকনৰ বুৰঞ্জীত এইদৰে আছে—চুকাফা ৰজাই বৰাহী ৰজা থাকুম থাৰে মিত্ৰকৰি বশ কৰিলে। বৰাহী ৰজাৰ মন্ত্ৰীক সন্ধিকৈ বোলে। সন্ধিকৈবিলাকে আমাৰ স্বৰ্গদেৱৰে ৰণ নকৰি তলতীয়া হ'ল। এই হেতুকে ভাল বিষয় দিবলৈ সন্ধিকৈ নামকে ৰাখি চমুৱা পাতিলে। মুংৰিংমুংৰাম ৰাজ্যত থুনলাই ৰজা হৈ থাকোঁতে ৰাজকোঁৱৰ এজনক ভাটী দেশলৈ পঠিয়াইছিল। তেও আহি ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰে বৰাহী গাঁৱত আলহী আছিল। তাৰেপৰা বৰাহী ৰজাৰ ৰাজধানীলৈ আহি তাতে থাকিবলৈ লয়। বৰাহী ৰজাই জীয়েকক বিয়াদি ৰাজকোঁৱৰক মন্ত্ৰী অৰ্থাৎ সন্ধিকৈ পাতে। কন্দলিয়ে ৰামায়ণ অনুবাদ কৰোঁতে মূলত নথকা সন্ধিকৈ শব্দটো নিজৰ ৰাজ্যৰ শব্দ হিচাপেই নিশ্চয় ব্যৱহাৰ কৰিছিল। ইয়াৰে পৰা কন্দলিয়ে উজনিৰ বৰাহী ৰাজ্যত ৰামায়ণ ৰচনা কৰাটো প্ৰতীয়মান হয়। তদুপৰি মাধৱ কন্দলিৰ ৰামায়ণত উজনি অসমত ব্যৱহৃত হোৱা খণ্ডবাক্যৰ প্ৰাচুৰ্য্যয়ো দ্বিতীয় এটা ইংগিত দিয়ে।

মহামাণিফাৰ পাছৰ সপ্তম পুৰুষৰ ৰজা ডেৰচোংফা। ১৩৯৫ শকত (১৪৭৩ চন) দিহিঙ্গীয়া ৰজাৰ সেনাপতিয়ে সোণাপুৰৰ কছাৰীৰজা ডেৰচোংফাক ঘটুৱাই দিখৌ সীমা কৰি ৰাজ্য কাঢ়ি লয়। লগতে সোণাপুৰৰ আৰু বাণপুৰৰ মূৰ্ত্তিও পায়। বুৰঞ্জীবিদ গেইটেও কছাৰী ৰাজ্য দিখৌৰ

---

*' সেনাপতি যুৱপতি মন্ত্ৰী সন্ধিকৈ।
মহা মহা সাধু যত সবাহাকে লই॥"

পূৰ্বলৈকে বিয়পি থকাৰ কথা লিখিছে। ডেবচোংফাৰ দিনত কছাৰী ৰাজশক্তি দিখৌ সীমাৰপৰা পিছুৱাই নামদাং গাভৰু পৰ্বত, দেৱৰগাঁও, মৰঙগী আদিত বৈ বৈ গৈ ১৪৯৩ চনৰ পিছতহে ডিমাপুৰত ৰাজধানী পাতেগৈ। গতিকে ডিমাপুৰত শাসন কৰা কোনোবা মহামাণিক্যৰ দিনত ৰামায়ণ ৰচনা হ'লে চতুৰ্দ্দশ শতিকাৰ পৰিবৰ্ত্তে ষোড়শ শতিকালৈ নামি আহিব যিটো সম্ভৱ নহয়।

বৰাহীসকল হিন্দু প্ৰভাৱসম্পন্ন অনাৰ্য্য লোক। উজনি অসমত বৰাহীসকলৰ নাতি-পুতি এতিয়াও আছে। অৱশ্যে বৰাহী কছাৰী আৰু বৰাহী চুতীয়া নামেৰে উজনি অসমত দুটা উপ-জনজাতি থকাৰ কথা জনা যায়। কোনো কোনোৱে কয় যে বৰাহ বিষ্ণুৰ বংশোদ্ভৱ পালবংশৰ মানুহৰ সৈতে চুটিয়া আৰু কছাৰী লোকসকলৰ বিয়া-বাৰু হৈ যিটো উপজাতি সৃষ্টি হৈছিল সেইটোৱেই বৰাহী জাতি। গতিকে বৰাহী জাতিটো হিন্দু প্ৰভাৱসম্পন্ন আছিল। সি যি কি নহওক বৰাহী ৰজা আৰু প্ৰজা উভয়েই হিন্দু ধৰ্মাৱলম্বী আছিল। সেইবাবে ব্ৰাহ্মণ মাধৱ কন্দলিক নিজৰ ৰাজসভাত ৰাখি বাল্মিকীৰ ৰামায়ণ অসমীয়া ভাষালৈ অনুবাদ কৰাৰ পৃষ্ঠপোষকতা কৰিছিল।

চুহুম্মুং দিহিঙ্গীয়া ৰজাৰ দিনত (১৪৯৭ ১৫৩৯) মাধৱদেৱে উজনিৰ গড়গাঁৱত সন্ধিকৈ তথা সন্দিকৈ এজনক অযোধ্যাকাণ্ড ৰামাযণ পাঠ কৰি শুনাইছিল।

দেখন্ত অযোধ্যাকাণ্ড চৰিত্ৰ ৰামৰ।
মনত আনন্দ অতি ভৈলা মাধৱৰ ॥ ৭৪৮ ॥

মাধৱদেৱে ৰামায়ণৰ পাঁচকাণ্ড ৰামায়ণ পঢ়ি শুনোৱাৰ কথাও ৰামানন্দ দ্বিজৰ গুৰুচৰিতত পোৱা যায়।

শুনাইলা অযোধ্যাকাণ্ড লঙ্কা পৰিমিত।
শুনি সন্দিকাইৰ আনন্দিত ভৈলা চিত ॥ ৭৬৬ ॥

মাধৱ কন্দলিৰ মূল ৰামায়ণ এতিয়াও পাঁচ-কাণ্ডহে। বৰাহী ৰজাৰ ৰাজসভাৰ সন্ধিকৈৰ হাতত থকা মাধৱ কন্দলিৰ পাঁচকাণ্ড ৰামায়ণৰ বাহিৰে এইখন আন ৰামায়ণ হোৱাটো সম্ভৱ নহয। মাত্ৰ এশ বছৰ পিছত পোৱা এইখন ৰামায়ণৰ গড়গাঁৱৰপৰা কুৰি মাইল দূৰৰ সোণাপুৰত ৰচিত হোৱাটোৱেই প্ৰতীয়মান হয়। সুদূৰ ত্ৰিপুৰা বা জয়ন্তাপুৰৰপৰা ইমান সোনকালে পুথি আহি গড়গাঁও ওলোৱাটো সম্ভৱ নহয়। আনপিনে বৰাহী ৰজাৰ সন্ধিকৈক আহোম চমুৱা খেলত তুলি বিষয়া পতাৰ কথা ওপৰত কৈ অহা হৈছে। গতিকে দুই তিনি পুৰুষৰ হাত বাগৰি এইজন 'সন্দিকাই"ৰ হাতত পোৱা পুথিখন হয়তো মূল পুথিখনেই হব পাৰে।

মাধৱ ৰৰদলৈকে সমৰ্থন কৰি কোনো কোনোৱে বিজয়মাণিক, যশমাণিক ধনমাণিক আদিৰে কোনোবা এজনক মহামাণিক্য' বুলি ভবাৰ কোনো থল নাই। এইখিনিতে কছাৰী আৰু জয়ন্তীয়া ৰজাক একে কৰিবলৈকো থল নাই। কাৰণ, কছাৰী ৰজা যশনাৰায়ণ আৰু জয়ন্তীয়া ৰজা ধনমাণিকৰ মাজত প্ৰচণ্ড সংঘৰ্ষ হোৱাটোহে বুৰঞ্জীয়ে পমাণ দিয়ে। এই যশনাৰায়ণৰ এঘাৰ পুৰুষ আগৰ মহামাণিফা আৰু ধনমাণিকৰ দুপুৰুষ আগৰ বিজয় মাণিক (ষোল শতিকাৰ)। গতিকে মাধৱ কন্দলিয়ে মাণিক যুক্ত কোনোৱা জয়ন্তা ৰজাৰ পৃষ্ঠপোষকতাত ৰামায়ণ ৰচনা কৰাটো সময়সাপেক্ষ নহয়। যদি কছাৰী ৰজা মহামাণিক্যৰ পৃষ্ঠপোষকতাত ৰামায়ণ ৰচনা কৰাটো সৰ্ব্বসম্মত মত হয় তেনেহলে তেও সোণাপুৰৰ বৰাহী কছাৰী ৰজা মহামাণিফাই হ ব। মহামাণিফাৰ ফা টো লিপিকাৰৰ দোষত ক্য হোৱাটো একো অসম্ভৱ নহয়। সেয়ে হ লে মহামাণিক্য দিখৌৰ পুৱ পাৰে বিয়পি থকা কছাৰী ৰাজ্যৰ ৰজা আছিল আৰু মাধৱ কন্দলিয়ে শিৱসাগৰ মহকুমাৰ সোণাৰিৰ ওচৰৰ বৰাহী ৰজাৰ নগৰতে ৰামায়ণ ৰচনা কৰিছিল।

বুৰঞ্জী সাহিত্যত 'ত্ৰিপুৰা বুৰঞ্জী'ৰ স্থান

অসমীয়া সাহিত্যৰ বুৰঞ্জীত বুৰঞ্জী সাহিত্যৰ স্থান যেনেকৈ অতি ওপৰত সেইদৰে বুৰঞ্জী সাহিত্যৰ ভ ৰালত ত্ৰিপুৰা বুৰঞ্জীও এটি আপুৰুগীয়া বস্তু। ত্ৰিপুৰা বুৰঞ্জী কেৱল বুৰঞ্জীয়েই নহয় ওঠৰ শতিকাৰ ত্ৰিপুৰাৰ সামাজিক ৰাজনৈতিক ধৰ্মনৈতিক জীৱন আৰু ভৌগোলিক পৰিৱেশৰ এটি উজ্জ্বল আৰু নিখুঁত চিত্ৰ। অসমীয়া কথা ৰীতিৰ উৎকৃষ্ট চানেকী দাঙি ধৰাৰ উপৰিও ত্ৰিপুৰা বুৰঞ্জীত বুৰঞ্জী লেখকৰ সম্যক দৃষ্টি নিৰপেক্ষ বৰ্ণনা আৰু ৰাজনৈতিক জ্ঞানৰ পৰিচয় পোৱা যায়। স্বৰ্গদেও ৰুদ্ৰসিংহৰ (১৬৯৬ ১৭১৪ চন) দিনত অসমৰপৰা দুজন কটকী ৰত্ন কন্দলী আৰু অৰ্জুন দাস ত্ৰিপুৰালৈ গৈছিল আৰু ৰামেশ্বৰ ন্যায় অলংকাৰ ভট্টাচাৰ্য আৰু উদয়নাৰায়ণ বিশ্বাস নামেৰে দুজন ত্ৰিপুৰাৰ কটকীৰ যোগেদি স্থাপন হোৱা কূটনৈতিক সম্পৰ্কৰ উপৰিও তেওঁ বিলাকৰ প্ৰত্যক্ষ অভিজ্ঞতাৰ বিৱৰণ আছে। তদুপৰি ৰত্ন কন্দলী আৰু অৰ্জুন দাসে বিশ্বাসযোগ্য ব্যক্তিৰ মুখে শুনিও বহুতো কথা ইয়াত সন্নিবিষ্ট কৰিছে। সেয়েহে বুৰঞ্জীখন সকলো পিনৰপৰা তথ্যপাতি আৰু বিষয় বস্তুৰে সমৃদ্ধ হৈ উঠিছে।

ত্ৰিপুৰা দেশৰ কথাৰ লেখা নামেৰে অভিহিত এই বুৰঞ্জীখনত সমসাময়িক যুগৰ অসম বুৰঞ্জীৰো ভালেমান তথ্য পাতি পোৱা যায়। আনন্দিৰাম মেধি নামেৰে বঙ্গালী গায়ক এজনে ৰুদ্ৰসিংহৰ ৰাজসভালৈ আহি নৃত্য-গীত পৰিবেশন কৰিছিল। "তাতে আনন্দিৰাম মেধি ৰহিল। পাচে মহাৰাজৰ আগত সিহঁতে সংকীৰ্ত্তনৰ মতে গীত গাইছিলে বেণুবাদ্য কৰিছিলে মুৰুলী হাতত লৈ নৃত্য কৰিছিলে। এইৰূপে সেইদিন কৌতুক চাই বাসাক পঠাই দিলে। পাচে সংকীৰ্ত্তনৰ গীত শিখিবলৈ আমাৰ এখেৰ গায়ন দিছিলে।'। (পৃঃ ২) লোক-গীত, নৃত্য-বাদ্যৰে সমৃদ্ধ অসমতো যে ৰঙ্গালুৱা গীত-মাতে ভুমুকি মাৰিছিল, ত্ৰিপুৰা বুৰঞ্জীয়ে তাৰ সাক্ষী দিয়ে। তদুপৰি ৰজাৰ নগৰ আৰু কাৰেঙৰ বিৱৰণীও পোৱা যায়। "সেই কালৰ ৰংপুৰত মহাৰাজৰ সকলো ঘৰ ইটাৰ। পাচে ৰৰচ'ৰাৰ খুটা, চ'তি ডাপ এই সকলতো মখমল, কিংখাপ, নবাকাপৰ, ৰঘুনাথি আতলচ এইসকল কাপৰেৰে গিলিপ দিছিলে। ৰৰচ'তি, ফুলচ'তি, ফুকামৰ চ'তি এই সকলতো সোণৰ ৰূপৰ ৰবৈএৰে মুৰালী খোপা আৰিছিলে। চালৰ চাৰিওমেৰে কুহুমৰুলীয়া কৰি তিনিশৰীয়াকৈ পাণ কাটি দিছিলে, তাতে

ৰূপৰ বৰৈ দিছিলে।' (পৃ° ১) আহোম ৰাজ্যত বা বিষয়াৰ নিৰ্দ্ধাৰিত আচৰণ বিধিৰ উপৰিও কিছুমান ৰাজকীয় আচৰণবিধি আছিল। বিদেশী কটকী এজনক কেনেকৈ সোধ পোছ কৰা হৈছিল তাৰ প্ৰমাণ ত্ৰিপুৰা বুৰঞ্জীত পোৱা যায়। (পৃ ৯ ১০) স্বৰ্গদেও ৰুদ্ৰসিংহ নিজে বৈষ্ণৱ আছিল কিন্তু ৰাজধানীত অতি আড়ম্বৰেৰে দুৰ্গাপূজা পাতিছিল। তদুপৰি এইজনা ৰজাই হিন্দুৰ ঘাই পঞ্চদেৱতাৰ (শিৱ বিষ্ণু দুৰ্গা শ্ৰীসূৰ্য্য আৰু শ্ৰীগণেশ) মন্দিৰ একে ঠাইতে সজাই ধৰ্ম্ম বিষয়ত উদাৰতাৰ চিনাকি দিয়ে। ত্ৰিপুৰাৰ কটকীয়েও ইচ্ছা কৰা মতে পঞ্চদেৱতাৰ সম্মুখত সেৱা কৰিছিল। পাচে সূৰ্য্য গণেশ শ্ৰীনাৰায়ণ এই তিনিও ঠাইত সেৱা কৰিলে। পাচে মহাদেৱৰ ঠাইক আহি সেৱা কৰিলে। নৰসিংহ গোসাঁঞিকো সেৱা কৰিলে। পাচে দেৱীৰ ঘৰলৈ আহি ঠাকুৰাণীক সেৱা কৰিলে। (পৃ ১৯) মহাৰাজ নিজে বিদ্যোৎসাহী লোক আছিল। তেওঁৰ ৰাজসভাত বিদ্বান পণ্ডিতৰ সমাৱেশ হৈছিল। দুৰ্গোৎসৱ উপলক্ষে হোৱা আমোদৰ মাজতো পাণ্ডিত্যৰ পৰীক্ষা কৰাবলৈ পাহৰা নাছিল। ৰজাৰ ইচ্ছাৰ উত্তৰত কটকী ৰামেশ্বৰ ভট্টাচাৰ্য্যই কৈছিল— 'মহাৰাজাৰ সভা সাক্ষাত ইন্দ্ৰৰ সভা সেই সভাৰ পণ্ডিত বৃহস্পতি ইযাত বিচাৰ কৰিবলৈ যোগ্যতাঞেৰহে হয় তথাপি মহাৰাজৰ আজ্ঞাএ যি কিছো জানো মোহলা দিম। এই বুলি কোৱাত জয়গোপাল নামেৰে অসমীয়া পণ্ডিত এজনৰ লগত বাদ কৰিবলৈ দিছিল। (পৃঃ ২০) ত্ৰিপুৰা বুৰঞ্জীৰ পাতত আন আন বুৰঞ্জীত নোহোৱা এইবোৰ তথ্য পাতিয়ে ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ ৰাজত্ব কালত পোহৰ পেলায়।

ত্ৰিপুৰা বুৰঞ্জীৰ ৰচনা ৰীতি আৰু বিষযবস্তুলৈ চালে আজি-কালিৰ সাহিত্যৰ ভ্ৰমণ কাহিনী বুলিব পাৰি। যথাৰ্থতে ভ্ৰমণকাহিনীৰ প্ৰাঞ্জল ভাষাই বুৰঞ্জীখনক সাহিত্যৰ বুৰঞ্জীত এক বিশেষ স্থান দিছে। ভটীয়াপাৰৰপৰা নাৱেৰে গৈ ৭ দিনত বহা ৫ দিনত ডিমৰুৱা ১১ দিনত থাচপুৰ ১ দিনত বৰাক, ৪ দিনত লক্ষীপুৰ ৫ দিনত ত্ৰিপুৰাৰ সীমা, ৩ দিনত ৰাঙ্গৰুঙ্গ ৪ দিনত ছাৰঠাঙ্গ, ৬ দিনত ছাইৰাঙ্গচুক ২ দিনত চোটমৰিছৰাই ৪ দিনত খাকৰাই, তাৰ পিছত ৰাজধানী প্যয়গৈ। বাটৰ বিৱৰণীৰপৰা কটকীসকল নাৱে তৰে পৰ্ব্বতে পাযাণে নানান সমস্যাৰ সম্মুখীন হৈ যোৱাৰ কথা জানিব পাৰি। ইয়াৰে ভিতৰত বুৰঞ্জীত থকা ভৌগোলিক বিৱৰণ বিশেষ উল্লেখযোগ্য। অন্যান্য বুৰঞ্জীত থোৰতে কোনো ঠাইৰ ভৌগোলিক নামকৰণৰ ঐতিহাসিক কাহিনী উল্লেখ থাকিলেও সম্পূৰ্ণ ভৌগোলিক বিৱৰণৰ অভাৱ দেখা যায়। ভৌগোলিক বিৱৰণৰ লগতে ন তাত্ত্বিক কৃষি বাণিজ্য, সংস্কৃতি, সভ্যতা ধৰ্ম্ম আদি বিশেষ প্ৰয়োজনীয় বিষয়বোৰো উল্লেখ আছে।"

"তাতে দুদিন থাকি তাৰপৰা ৫ দিনে কছাৰীৰে ত্ৰিপুৰাৰে সীমা বুপিনী নৈৰ মুখ পালো। তাত মানুহ নাই। দুয়োফালে পৰ্ব্বত। তাৰেপৰা তিনি দিনে ত্ৰিপুৰাৰ অধিকাৰ বাঙ্গৰুঙ্গ পালো। তাতে বৰাক নৈৰ দুয়োফালে পৰ্ব্বত। সেই পৰ্ব্বতত আমাৰ এখেৰ নগা, ডফলা যেনে, তেনে বিধ মানুহ থাকে সিহঁতক কুকি বোলে। তাতে ৩০০ মান মানুহ থাকে। সিহঁতৰ অস্ত্ৰ —কাঁড় ধনু বাৰু নগাযাঠি। তাৰে অধিকাৰ পাতি ত্ৰিপুৰাৰ ৰাজা এটাক দিএ, তাক হালমছা বোলে। আমাৰ এখেৰ নগাৰ খুনবাউ যেনে তেনে। তাৰে তলে থাকে গাঁলিম ১ গাবোৰ ১ ছাপিয়া ১ দলৈ ১। এইসকলৰো খোৱা পিন্ধা নগাৰ ধাৰণে কৰে গৰু নাখাই। (পৃঃ ২১—২২)

"তাৰে পৰা ৰজাৰ নগৰৰ ওচৰলৈকে যি মানুহ আছে সিহঁতক ত্ৰিপুৰা বোলে। ইদিকিলৈ ইহঁতে মদ গাহৰি খাই মৰিলে পোৰে শুদ্ধি এক মাসে হয়। ছোমতায়া বুলি এক আছে আমাৰ এখেৰ দেওধাই যেনে তেনে। সেয়ে কৰ্ম্ম কৰে।" (পৃঃ ২৩)

ত্ৰিপুৰা আৰু দাঁতিকাষৰীয়া অঞ্চলসমূহত উৎপন্ন হোৱা কৃষিজাত বস্তুসমূহৰ নাম স্পষ্টভাৱে উল্লেখ কৰিছে। "কোঠৰ পূৰফালে উত্তৰফালে ঢপলীয়া পৰ্ব্বত আছে। তাতে ত্ৰিপুৰা মানুহৰ ঘৰ-বাৰী আছে। বাৰীত আম, কাঁঠাল বেল নাৰিকল তাল তামোল এৰমাদি শষ্য আছে। এই দুইফালে হাবি পৰ্ব্বত। তাৰে মাজে মাজে ত্ৰিপুৰা মানুহ আছে। তাতে আদা তম্বৰুজ ধান কপাহ, কচু কোমোৰা, আলু কণীধান লোকে আৰ্জ্জে। (পৃঃ ২৯)

ত্ৰিপুৰা ৰজাৰ অধীনত থকা বাঙ্গৰুঙ্গৰ কৃষি আৰু বেহা-বেপাৰৰ বিষয়ে এইদৰে আছে।

"তাতে জন্মে —মেঠন হাতীদাঁত, জালুক তামোল পাণ ধান কণীধান তম্বৰুজ কোমোৰা, কচু আদা ছিনাল কেৰেলা, বেঙ্গেনা কপাহ এইসকল হয় তাতে কছাৰীৰ মানুহ, মেখেলিৰ মানুহ আহি কিনা বিকা কৰে। তালৈকে আনে কছাৰীৰ মানুহে ছাগ, হাঁহ কুকুৰা, শুকটী, চাউল লোণ তেল গুৰ ধুঞাপাত, টাটৰগুৱা। মেখেলিৰ আহে,—সোণা কাঁহৰ কাঁহী ঢকঢকী, খেছকাপৰ। ৰজালৈ দিবলৈ যত্ন কৰি ঘোঁৰাও অনায়। ত্ৰিপুৰাৰ আনে,— পিতল, লোণ তেল, গুৰ, ধুঞাপাত, টাটৰগুৱা শুকটী। এইসকল আনি তাতে বিকা কিনা কৰে।" (পৃঃ ২২)

"দক্ষিণফালে ৰাজাৰ ম্বাৰেমুখত হাট এখন আছে, তাকে ৰাজহাট বোলে। তাতে তাম পিতল, হিঙ্গ, লঙ্গ, জাতিফল, কাপৰ, কপাহ, লোণ, চিনি, বাতাচা গাখীৰ, খিৰ্জ্জা ঘৃত, হালধিগুৰি ইত্যাদি কৰি সকলো ওলায়।" (পৃঃ ২৯-৩০)

গোমতী নদীৰ সিপাৰে পুবা পছিমাকৈ ৰাজপথ এটা আছে। সেই বাটতে নদীৰ ওচৰত গঞ্জ এখন আছে। তাতে তাম, পিতল, কপাহ, কাপৰ, লোণ তেল, ঘৃত আনো দ্ৰব্য সকলো ওলাই। আৰু ঘৰ সাজি ধান চাউল, মাহ সৰিয়হ ধোঞাপাত এইসকল হৈছে। তাতে বিকা কিনা কৰে। তাতে বঙ্গালৰ মানুহে আহি তাও, বন-বাখৰ বিকা-কিনা কৰে। (পৃঃ ৩১)

"ত্ৰিপুৰা ৰজাৰ কোঁঠৰ নগৰৰ দেশৰ লেখা শিতানৰ অধ্যায়টোত ত্ৰিপুৰাৰ ৰাজনৈতিক গাঁথনি পূজা পাতল ৰাজ অট্টালিকাৰ বিৱৰণী বিতংকৈ অঙ্কিত কৰিছে। ৰজাৰ নগৰৰ বিভিন্ন অঞ্চলত থকা বস্তু-বাহানিবো বিৱৰণ আছে। ঠায়ে ঠায়ে নগৰৰ বিৱৰণী দিওঁতে ৰংপুৰৰ লগত ৰিজনি দিয়া দেখা যায়। ৰজাৰ পিছতে যুৱৰাজৰ স্থান। তাৰ পিছত ৰাজবংশী বৰঠাকুৰ। এওঁবিলাকৰ পিছত উজীৰ নাজীৰ, নেমুজীৰ কাৰ্কোন কোটোৱাল মুছিৱ। ত্ৰিপুৰীয়া মানুহৰ বাহিৰে আনে এই বিষয় নাপায়। এওঁবিলাকৰ উপৰিও দেৱান আৰু খাণ্ডামা বৰুৱা নামেৰেও দুজন বিষয়া আছে। দেৱান পদবীত থকা জনে বিদেশৰ পৰা অহা চিঠি পত্ৰ পঢ়ে আৰু বিদেশলৈ দিবলগীয়া হলেও দিয়ে। খাণ্ডামা বৰুৱা আমাৰ ভঁৰালী বৰুৱাৰ দৰে। ৰত্নকন্দলী আৰু অৰ্জুন দাস যাবৰ সময়ত ত্ৰিপুৰা স্বায়ত্তশাসিত ৰাজ্য আছিল। অসমীয়া কটকীৰ তীক্ষ্ণ দৃষ্টিৰ আগত ৰজাৰ দৈনন্দিন কৰ্ত্তব্যৰ তালিকাখনো সাৰি যাব পৰা নাছিল।"

'ৰাজা প্ৰাতসতে উঠি বাহ্য ক্ৰিয়া কৰি দন্তধাৱন কৰে। পাচে মৰ্দ্দনীয়াএ তৈল লগায়। পাচে নদীৰ জলেৰে স্নান কৰি পাচে স্বুৰ্ণৰ ঘটীএৰে এক ঘটী গঙ্গাজল শিৰত ঢালে। এই গঙ্গাজল মাহেকত একবাৰ নাৱত কৰি অনায় এনে নিয়ম কৰি দিছে। পাছে দোলত গৈ ইষ্টদেৱতাক সেৱা পূজা কৰে। পাচে তাৰপৰা আহি জলপান কৰি পুৰাণ শুনে। পাচে ভোজন কৰি বস্ত্ৰ পৰিধান কৰে।" (পৃঃ ৪১) ইয়াৰ উপৰিও ৰাজনৈতিক কাৰ্য্যসূচীও সন্নিবিষ্ট কৰা হৈছে।

ত্ৰিপুৰাৰ ৰজা হিন্দু আৰু ধাৰ্ম্মিক আছিল। ৰাজ নগৰত থকা বিভিন্ন মন্দিৰৰ আৰু পূজা পাতলৰ বিবৰণী ত্ৰিপুৰাৰ বুৰঞ্জীত পোৱা যায়। "পুবফালে ইটাৰ ভিটিয়েৰে চৌচালি ঘৰ এটি আছে তাতে দুৰ্গোৎসৱত প্ৰতিমা কৰি পূজা কৰে।"

"সেই ঘৰৰ ওচৰতে ইটাৰ ফাগুৱাত্ৰাৰ দোল আছে, ওখএ ৩০ হাত মান। ওপৰত খেৰ-বাঁহৰ চৌচালি ঘৰ আছে। পছিমফালে ইটাৰ বিষ্ণুৰ শিৱৰ দোল দুটি আছে। বিষ্ণুৰ দোলত, শিলাৰ লক্ষ্মী সৰস্বতী সহিতে বিষ্ণুৰ গোপীনাথ নামে মূৰ্ত্তি আছে ব্ৰাহ্মণে পূজা কৰে। শিৱৰ দোলত শিলাৰ

গণেশ কাৰ্ত্তিক সহিতে বৃষভ বাহনে শিৱৰ মূৰ্ত্তি আছে তাতে ব্ৰাহ্মণে পূজা কৰে।" (পৃঃ ২৬)

"এই বাটৰ মুৰত কাঠ-বাঁহৰ ইটাৰ ভিটি-এৰে চৌচালি ঘৰ দুটা আছে। সেই দুই ঘৰত ১৪ দেৱতাৰ মূৰ্ত্তি আছে। তাৰ পূজা বছেৰেকত এক জোৱাৰি হয়। হোমতায়া দেওধাই যেনে সেএ পূজা কৰে। মহ মেঠন গাহৰি কুকুৰা হাঁহ পাৰ ছাগ পহু মাছ কাছ অমদ্য এই সকলেৰে পূজা কৰে। পূজালৈ ৰাজাও যায়। (পৃঃ ৩০)

গড়ৰ ভিতৰে পূৰ্বফালে শিলাৰ দোল আছে ওখএ ২০ হাত মান। তাতে শিলাৰ চতুৰ্ভুজ মূৰ্ত্তি আছে। সেই দোলৰ উত্তৰে শিলাৰ দোল আছে ওখএ ১৮ হাতমান। তাতে বৃষভ বাহন শিৱৰ মূৰ্ত্তি আছে। আৰু তাতে শিলাৰ কুজিঘৰ এটি আছে। তাতে শিলাৰ দুৰ্গাৰ দশভুজা মূৰ্ত্তি আছে। এই ৩ ঠাই ব্ৰাহ্মণে প্ৰতিদিনে পূজা কৰি ৰজাক নিৰ্ম্মাল্য দিএ। (পৃ° ৩১ ৩২)

ৰজাৰ নগৰৰ দক্ষিণে গোমতী নদীৰ সিপাৰে ইটাৰ দোল এটা আছে ওখএ ৪০ হাত মান হব। তাতে ত্ৰিপুৰা ঠাকুৰাণীৰ মূৰ্ত্তি আছে। সেই দোলৰ অগ্নি কোণত পৰ্ব্বতৰ ভিতৰত কুণ্ড-জটীয়া এক তীৰ্থ আছে সেই কুন্ডৰ নাম ডম্বৰু। (পৃঃ ৩৪)

ইয়াৰ উপৰিও ত্ৰিপুৰাত মদন পূজা অনুষ্ঠিত হৈছিল। মদন পূজা বসন্ত ঋতুত অনুষ্ঠিত হয়। ত্ৰিপুৰা বুৰঞ্জীত মদন পূজা আৰু অন্যান্য আনুষঙ্গিক অনুষ্ঠানৰো বিতং বিৱৰণ আছে। সতী যোৱা প্ৰথা ত্ৰিপুৰাত প্ৰচলিত আছিল। কোটোৱাল মন্ত্ৰিবৰ ভাৰ্য্যাই স্বামীৰ লগত সহমৃতা হোৱাৰ কথা বুৰঞ্জীত আছে। শৱ দাহ প্ৰথা শৱ যাত্ৰা আদিৰ বিৱৰণীয়ে ত্ৰিপুৰা মানুহৰ সামাজিক-সংস্কাৰ বিশ্বাস আদিৰ ইঙ্গিত দিয়ে। ত্ৰিপুৰাত ভাৱনা হৈছিল। হয়তো কোচবিহাৰৰ পৰা ত্ৰিপুৰালৈ অসমীয়া ভাৱনাৰ আমদানী হৈছিল। তাতে কালিদমন ভাওনা কৰোঁতে ৰাজা ৰত্নমাণিক্য বহিছিলে। (পৃঃ ৩১)

ত্ৰিপুৰা বুৰঞ্জীত অসমীয়া কটকী দুজনক খাবলৈ দিয়া সিধাৰ এটি হিচাপ পোৱা গৈছে। ইয়াৰপৰা খাদ্য আৰু ইয়াৰ প্ৰাচুৰ্য্য সম্পৰ্কে জানিব পাৰি। 'দুদিনৰ পাচত মাহিনাদৰে নিয়ম কৰি সিধা দিলে —২ কটকীলৈ চিকণ মিহি আৰৈ চাউল ৪ মোণ মুগুমাহ ১০ সেৰ, মাটিমাহ ১৫ সেৰ কলামাহ ১২ সেৰ লোণ ১০ সেৰ তেল ১০ সেৰ ঘৃত ৬ সেৰ চিনি ৩ সেৰ গুৰ ১২ সেৰ জালুক ২ সেৰ আদা ৮ সেৰ হালধি গুৰি ১ সেৰ ভোগজীৰা ।। সেৰ হিঙ্গু ৪ তোলা ডালচিনি ৮ তোলা পাৰ ৩০ যোৰ টাটবগুৰা ১।। / কাওণ ধুঞাপাত ৮ সেৰ। আতবাজে দিনে দিএ —মহৰ আঞা গাখীৰ ৪ সেৰ মাছ ৪ সেৰ খৰি ৪ ভাৰ বৰীয়া পাণ ৪ টা। পূজা অৰ্থে দিএ —ফুল

তুলসী দুৰ্ব্বা বেলপাত। লগৰ পাইক ৩৪টা লৈ মাহিলি দিএ—মোটা চাউল ৩৪ মোণ মাটিমাহ ১॥ মোণ কলামাহ ॥ মোণ লোণ ১॥ মোণ, তেল ৩৪ সেৰ গোটা হালধি ১০ সেৰ ভোটমৰিচ ১০ সেৰ গুৰ ৩৪ সেৰ ধুঞাপাত ২০ সেৰ টাটৰগুৰা ২ কাওণ হাঁহ ৬০। আৰু মানুহক নিতে তুলি খাবলৈ হাট এখনি দিছিলে। নিতে দিএ খৰি ৮ ভাৰ পাত ২ বোজা ৰৰীয়া পাণ ৪টা। সকলোৰে মাজত মাহিলি খাহী ৫টা। (পৃঃ ২৪—২৫)

ভাষাতাত্ত্বিক দৃষ্টিভঙ্গীৰপৰা চালে ত্ৰিপুৰা বুৰঞ্জীয়ে আধুনিক কথাৰীতিৰ সৰলীকৰণৰ আহিঁ নিৰূপণ কৰি দেখুৱায়। চতুৰ্থী বিভক্তিৰ অক প্ৰত্যয়ৰ ব্যৱহাৰ দেখা যায়। মাজে মাজে মিশ্ৰ ৰীতি পৰিলক্ষিত হয়। তায়ৰ সহিত তোমাৰ দিকিৰ জনাইতে পাৰি এইৰূপে কৈৰাম কৈবাৰ পাত্ৰ প্ৰতিপালন কৰিবেন হেন জানিবেন ফৈৰাদ কৰিলে ইত্যাদি। সেইদৰে বৰ্ত্তমান প্ৰচলিত ভালেমান পুৰণি অসমীয়া শব্দ যথাৰীতিৰে ব্যৱহাৰ কৰা হৈছে—ধুঞাপাত টাটৰগুৰা নপৰিয়া ডগডগী বুজসুজ নফৰ নাবুজ ইত্যাদি।

ত্ৰিপুৰা বুৰঞ্জী অসমীয়া বুৰঞ্জী সাহিত্যৰ এটি বহুমূলীয়া সম্পদ। ভৌগোলিক আৰু সামাজিক জীৱনৰ সন্ধান দিয়াৰ উপৰিও বুৰঞ্জীখনে আহোম ৰাজত্বৰ বৈদেশিক নীতি আৰু কূটনৈতিক সম্পৰ্কৰ বহুমূলীয়া তথ্য পাতি দাঙি ধৰিছে। সেয়েহে সকলো দৃষ্টিৰপৰাই ত্ৰিপুৰা বুৰঞ্জীৰ স্থান অসমীয়া বুৰঞ্জী সাহিত্যত অতি ওপৰত।

বেজবৰুৱাক ভাল পাওঁ কিয় ?

ভালপোৱা বেয়াপোৱা আচলতে আপেক্ষিক। মই ভাল পোৱা বিষয়টো কোনোবাই বেয়া পাবও পাৰে আৰু কোনোবাই চকু পাৰি দেখিব নোৱৰা বস্তু এটাও মোৰ ভাল লাগিব পাৰে। বেজবৰুৱাক ভাল পোৱা বেয়া পোৱাটো নিতান্তই সাহিত্যিক হ'ব লাগিব। তেওঁৰ অন্য কিছুমান কথা মোৰ ভাল নলগাটোৱেই স্বাভাৱিক। তেওঁ বঙ্গীয় ঠাকুৰ পৰিয়ালত বিয়া কৰাই নিজৰ আত্মসন্মান এধানমানো হেৰ ফেৰ হ'বলৈ নিদিয়াকৈ থকাটো ভাল পাওঁ কিন্তু এই কামৰ পৰিণতিস্বৰূপে নিজৰ এটিও সতি-সন্ততি অসমীয়া সাঁচত গঢ় দিব নোৱৰাৰ বাবে তেওঁক বেয়া পাওঁ। কোনো এজনৰ জীৱন দৰ্শন আন এজন মানুহৰ জীৱন দৰ্শনৰ লগত নিমিলাটোৱেই নিয়ম। উনৈশ শতিকাৰ মানুহ এজনৰ জীৱন দৰ্শন কুৰি শতিকাৰ সপ্তম দশকৰ এজন মানুহৰ জীৱন দৰ্শনৰ লগত অনেক পাৰিপাৰ্শ্বিক কাৰণত নিমিলাটো স্বাভাৱিক। সাহিত্য যদি প্ৰগতিশীল অনুভূতিশীল মানৱ মনৰ অভিব্যক্তি হয় তেনেহ'লে সাহিত্য ৰচনাৰ ৰীতি-পদ্ধতি উদ্দেশ্য বিষয়বস্তুলৈ পৰিবৰ্তন অহাটোও স্বাভাৱিক। মানুহে নিজৰ পৰিবেশটোৰ লগত অভ্যস্ত হয় সমসাময়িক সমাজখনৰ লগত সহানুভূতি সৃষ্টি হয় আৰু স্বাভাৱিকতে বৰ্তমানৰ প্ৰতি অধিক আকৰ্ষণ ওপজে। গতিকে বেজবৰুৱাৰ ৰচনাৰ পৰিবেশ বিষয়-বস্তু আৰু তেওঁৰ দৰ্শন মোৰ ভাল নলগাটোৱেই স্বাভাৱিক। তদুপৰি সেই সময়ৰ সামাজিক বৈষম্যৰ গইনা লৈ সৃষ্টি হোৱা ব্যঙ্গতা অনেক সময়ত সুস্থ ব্যঙ্গতাৰ শাৰীৰপৰা ব্যক্তি বিদ্ৰূপলৈ ৰূপান্তৰিত হৈছে। আজিৰ সমাজবাদী আদৰ্শৰ সমাজ গঠনৰ সময়ত এনে ব্যঙ্গ হাস্যৰসে জিভাত সোৱাদ লগোৱাতকৈ জিভা দেৰ-দেৰাই যোৱাটোৱেই স্বাভাৱিক। গতিকে একে আষাৰে বেজবৰুৱাৰ সাহিত্যক মই চকু মুদি ভাল পাওঁ বুলিও ক'ব নোৱাৰোঁ আৰু বেয়া পাওঁ বুলিও ক'বলৈ সাহস নাই।

বেজবৰুৱাৰ সাহিত্যক ভাল পাওঁ—যাইকৈ এটা কাৰণত। এইটো কাৰণত তিনিটা সুঁতি একেটা হৈছে। অসমৰ বৰ লুইতখন যেনেকৈ চিৰী লুইত, ডেকা লুইত আৰু বুঢ়া লুইত লগ লাগি বৈ গৈছে তেনেকৈ বেজবৰুৱাৰ সাহিত্যত গভীৰ স্বদেশপ্ৰীতি অননুকৰণীয় ভাষা আৰু হাস্যৰসৰ মধুৰ সমন্বয় সাধিত হৈ তেওঁৰ সাহিত্যিক কৃতিত্ব কঢ়িয়াই আনিছে। বেজবৰুৱাৰ সাহিত্য স্বাভাৱিকতে জাতীয় সাহিত্য। তেওঁক

সাহিত্যৰ কুন্দ্ৰাক্ষইদি অতীত অসমৰ সমাজখন বাঢ়িয়াকৈ জুমি চাব পাৰি। তেওঁৰ পৰিবেশ সৃষ্টি, চৰিত্ৰ, কথোপকথন—ৰীতি জাতীয় জীৱনৰ লগত ইমান চিনাকি যে সিমান ঘনিষ্ঠভাৱে আন কোনোবাই তেওঁৰ সাহিত্যৰ সামগ্ৰিক ৰূপ দিব পাৰিছে বুলি ভাবিবলৈকে টান পাও। তেওঁৰ একোটি সৰু বৰ্ণনাত একো একোজন অসমীয়া মানুহ যেন আমাৰ আগেদি পাৰ হৈ গৈছে।

"গেন্ধেলাৰ আঁঠুমৰীয়া চুৰিয়া গাত হাত-কটা বুকুচোলা কঁকালত তামোলৰ হাঁচতি কাণত জাংফাইৰ কেৰু দাড়ি খুৰুৱা মুখত গোঁফ আৰু এমোকোৰা তামোল ওঠত বৈ যোৱা তামোলৰ ৰাং হাতত ভলুকা বাঁহৰ লাখুটি মূৰত উৰণীয়া খোপা আৰু পাহকটা চুলি। —এয়া এজন উনৈশ শতিকাৰ মাজ ভাগৰ অসমীয়া মানুহ।

এয়া দুজনী গাভৰু ছোৱালীৰ চিত্ৰ—"কমলা আৰু বিমলাৰ গাত পাটৰ ৰিহা মেখেলা মূৰত নেঘেৰি খোপা কপালত চন্দনৰ ৰেখা আৰু সোণ পৰুৱাৰ ফোঁট।

বেজবৰুৱাই জাতীয় জীৱনটোক আঁহে আঁহে চিনি পাইছিল। বেজবৰুৱাৰ ব্যংগ হাস্যৰসৰ আঁৰকাপোৰৰ আঁৰত সদায়েই সংস্কাৰকামী উদ্দেশ্য নিহিত আছিল কিন্তু তেওঁ নিজে কাহানিও জাতীয় জীৱনক প্ৰকাশ্যে নিন্দা নকৰিছিল। "অসমৰ উন্নতি" বিচাৰি চিন্তা কৰোঁতা "কমলাকান্ত ভট্টাচাৰ্যই অসমীয়াৰ জাতীয় উৎসৱ বিহুৰ প্ৰতি যি বিদ্ৰূপ মন্তব্য ["সভ্য জাতিৰ নাচ গান আৰু অসমৰ বিহু দুইকো কল্পনাৰে দুজনী ছোৱালী সাজি চকুৰ আগত থিয় কৰিলে দেখা যায় যে আগৰজনীয়ে যেন সুন্দৰ কাপোৰ-কানি আৰু অলংকাৰ পিন্ধি, কাণত মিঠা লগা গীত গাই থিৰ ভাৱেৰে নাচিছে শেহৰজনী (বিহুৱে) কুৰূপা নাগঠ হৈ দেও দি ফুৰিছে। সঁচাকৈয়ে বিহুত যেনে নিলাজ কথাবোৰ বকে শুনিলেই কাণত হাত দি শ্ৰীবিষ্ণু সুঁৱৰি পলাব লাগে। এইবিলাক অসভ্য কাণ্ড আমাৰ বৰ লাজ-অপমানৰ কথা।"] প্ৰকাশ কৰিছিল তাৰ প্ৰত্যুত্তৰত ৰূপাবৰে 'বিহু' নামৰ ৰচনাখনত জাতীয় সংস্কৃতিক অভিনন্দন জনাইছে। তেওঁ লিখিছে—"আপোনাসকল চহৰীয়া মানুহকেইটাই গোটেই অসম দেশখন নহয়। এচৰু শাকত আপোনালোক এটা জালুকে। ৰঙ্গেৰেকম মুখত গাঁৱৰ ইমানখিনি মানুহে যদি মুকলি কৰি

দি নাচি-বাগি বং-ধেমালি কৰি দুখীয়া জীৱনটো শতাই লয়।' সেই একেখন ৰচনাতে তেওঁ গভীৰ আশাৰে কৈছে—'মই কও আমাৰ বিহুটো যেনে আছে তেনেকুৱাই থাকক আমি যি আছোঁ যুকু ফিন্দাই তেনে হৈয়ে থাকিম সুখে দুখে শুধে অশুধে আমি অসমীয়া অসমীয়াই আমি আমাৰ নিজৰ অসমীয়া মাটিত গজিছোঁ অসমীয়া মাটিৰে ৰসত জীম বাঢ়িম থিয় হম। আমাৰ যি ফুল ধৰে যি ফল ধৰে সি অসমীযা। গভীৰ জাতীযতা বাদৰ সাৰুৱা পলসত স্বকীয় বৈশিষ্ট্যসম্পন্ন সাহিত্য সৃষ্টিৰ প্ৰতিভা আছিল বাবেই বেজবৰুৱাক ভাল লাগে।

এটা জাতিক জানিবলৈ আৰু বুজিবলৈ লোক সাহিত্য আৰু লোক সংস্কৃতিৰ চৰ্চা একান্ত প্ৰয়োজনীয। ঊনৈশ শতিকাতেই বেজবৰুৱাই লোক সাহিত্য সংগ্ৰহৰ কাম আৰম্ভ কৰিছিল। বুঢ়ী আইৰ সাধু ককাদেউতা আৰু নাতিল বা আৰু জুনুকা পুথিত অসমীযা সাধুকথাবোৰ থুপ খুৱাই থৈছে। তদুপৰি বিভিন্ন ৰচনাৰ মাজে মাজে ফকৰা যোজনা বিয়ানাম আদিৰ চুটি চুটি অনেক বাক্যাংশ সি চৰতি হৈ আছে। জাতিটোৰ লগত নিজে চিনাকি হৈয়েই ক্ষান্ত নাথাকি আনেও যাতে চিনি পাব পাৰে তাৰ দিহা কৰি থৈ গৈছে। এই কাৰণেও বেজবৰুৱাক ভাল লাগে।

বেজবৰুৱাৰ 'পদুম কুঁৱৰী' মই উচ্চ খাপৰ উপন্যাস বুলি নাভাবোঁ। প্ৰহসন কেইখনৰ নাটকীয় মূল্যও যে বৰ ওখ খাপৰ নহয় সেইটো মোৰ বাহিৰেও আন সমালোচকে নিশ্চয় একে অভিমত দিব। কিন্তু গধুৰ নাটক তিনিখনত জাতীয় জীৱনৰ উপলব্ধিৰ সাক্ষী আছে। শৰাইঘাটৰ যুদ্ধ, জয়মতী কুঁৱৰীৰ শাস্তি আৰু অসমত মানৰ আক্ৰমণ অসম বুৰঞ্জীৰ তিনিটা স্মৰণীয় ঘটনা। বেজবৰুৱাই এই তিনিওটা ঘটনাৰ পটভূমিত তিনিখন নাটক ৰচনা কৰি জাতীয় জীৱনৰ চৰিত্ৰ অংকন কৰি থৈ গৈছে। নাটক কেইখন দৃশ্যকাব্য হিচাবে যোল অনাই সফল নহ'লেও পাঠকক শ্ৰব্যকাব্যৰ তৃপ্তি দিব পাৰে। 'বেলিমাৰ'ৰ ভুমুক বহুৱা চক্ৰধ্বজ সিংহ'ৰ গজপুৰীয়া আদি চৰিত্ৰ পশ্চিমীয়া নাটকৰ চৰিত্ৰৰ চানেকিত সৃষ্টি কৰা যেন লাগিলেও তেনেই অসমীয়া সাঁচত ঢলা। সম্পূৰ্ণ বিশ্লেষণাত্মক সমালোচনাৰ দৃষ্টি-ভংগীৰে চালে বেজবৰুৱাৰ নাটক কেইখনত অনেক কাৰিকৰী খুত ওলাব, কিন্তু 'সাহিত্য বা কলাৰ তৃপ্তি' সদায়েই সামগ্ৰিক বিচাৰতহে ওপজে, জাতীয় আদৰ্শত উদ্বুদ্ধ হৈ নাটককেইখন পঢ়ি গ'লে বৰ বেয়া নালাগে।

হাস্যৰসিক হিচাবে অসমীয়া সাহিত্যত বেজবৰুৱা আজিও অপ্ৰতিদ্বন্দ্বী। অৱশ্যে বেজবৰুৱাৰ খনচেৰেক ৰচনাৰ গোটাচেৰেক চৰিত্ৰ ব্যংগ হাস্যৰসৰ পৰ্য্যায়ৰপৰা নামি ব্যক্তি বিদ্ৰূপত পৰিণত হৈছে। বিকতাংগ, খোনা সম্প্ৰদায় বিশেষক প্ৰত্যক্ষভাবে ব্যংগ কৰাটো নিতান্তই তলখাপৰ হাস্যৰস। বেজবৰুৱাৰ নিচিনা উচ্চ প্ৰতিভাসম্পন্ন ব্যক্তিয়ে এনে চৰিত্ৰ বা বিষয়-বস্তুৰ গইনা লৈ হাস্যৰস সৃষ্টি কৰাটো উদ্দেশ্যপ্ৰসূত বুলি প্ৰত্যয় গৈ এনে হাস্যৰস সৃষ্টিৰ প্ৰয়াস কৰাৰ বাবে মই বেজবৰুৱাক বেয়া পাওঁ। এনে দৃশ চৰিত্ৰ বিষয় আদিৰ নাম উনুকিয়াই মই পুনৰ গেলা ঘাত চেঙা তেল দিব খোজা নাই। কিন্তু বেজবৰুৱাৰ সৰহভাগ ৰচনাতে হাস্যৰসৰ সোৱাদ পাওঁ। পঢ়ি গৈ থাকোঁতে বেজবৰুৱাই অংকন কৰা ভাব আপোনা আপুনি ৰসত পৰিণত হয়। সেই বাবেই সহজ অৰ্থ ত ভাল পাওঁ। বোধকৰোঁ আনেও ভাল পায়।

গ্ৰীক আদৰ্শমতে কবিয়ে কোনো এক দৈৱিক অনুপ্ৰেৰণা লাভ কৰিলেহে ভাল কবিতা ৰচনা কৰিব পাৰে। ভাৰতীয় আলংকাৰিক বিশ্বনাথ কবিৰাজেও কৈছে—"কবিত্বং দুৰ্লভং লোকে তত্ৰ শক্তিস্তত্ৰ সুদুৰ্লভা।" কবিত্বশক্তি প্ৰকৃততে অতি দুৰ্লভ। প্ৰকৃত কাব্যিক প্ৰতিভাসম্পন্ন কবিযেও সকলো কবিতা ৰচনাতে সমানে প্ৰতিভাৰ পৰিচয় দিব নোৱাৰে। ভাল কবিৰো দুই-চাৰিটা বেয়া কবিতা থাকিব পাৰে। বেজবৰুৱাৰ নিজৰ মতেও তেওঁ ভাল কবি নহয় কিন্তু গোটাচেৰেক কবিতাত যথাৰ্থতে কাব্যিক প্ৰতিভাৰ পৰিচয় পোৱা যায়। বীণ বৰাগীৰ এই ফাঁকি কবিতা মই সচাঁকৈয়ে ভাল পাওঁ —

নতুন প্ৰাণৰ ন চকুযুৰি
দীপিতি ঢালি দে তাত
পুৰণি পৃথিৱী ন-কৈ চাই লওঁ
হে বীণ এষাৰি মাত।

বেজবৰুৱাই জীৱনৰ শেহছোৱাত আধ্যাত্মিক আদৰ্শত উদ্বুদ্ধ হৈ ধৰ্ম সম্পৰ্কীয় কিছুমান বিষয়ৰ এলানি ৰচনা লিখিছিল। ধৰ্মৰ অন্ধবিশ্বাসত বুৰ গৈ থকা বা ধৰ্মৰ তত্ত্ব ভেদ নকৰাকৈ ধৰ্মপ্ৰচাৰৰ পতাকা বহনকৰা এশ্ৰেণী মানুহৰ চকু মুকলি কৰি দিবলৈ ভাৰতীয় ধৰ্মগ্ৰন্থসমূহৰ ভিতৰখন জাৰি জোকাৰি চাই ধৰ্মীয় বিষয়ৰ ব্যাখ্যা দিবলৈ চেষ্টা কৰিছিল। তেওঁ এজন বৈষ্ণৱ আছিল। এজনে আন এজনক শৰণ-ভজনৰ 'ৰেডিমেড' বড়ি খুৱাই

মোক্ষ লাভ কৰাব পাৰি বুলি ভবা সমাজখনক তেওঁ মানসিক উৎকৰ্ষ সাধন আৰু প্ৰকৃত ধৰ্মজ্ঞানেহে যে উদ্ধাৰ কৰিব পাৰে তাকে বুজাবলৈকে চাগৈ বেজবৰুৱাই ধৰ্মৰ বৈজ্ঞানিক আলোচনাৰ পাতনি তৰিছিল। নৈষ্ঠিকতাৰ বতাহে দূষিত কৰা সময়ৰ পৰিবেশতো তেওঁ বুকু ডাঠি এই কামত হাত দিছিল—এই বাবে মই বেজবৰুৱাক ভাল পাওঁ ।

বেজবৰুৱাৰ ৰচনা পঢ়িলে মনটো অন্ততঃ চাৰি কুৰি বছৰ পিচলৈ ঠেলি লব নোৱাৰিলে ৰস উপলব্ধি কৰিব নোৱাৰি। বেজবৰুৱাৰ চুটিগল্পৰ ক্ষেত্ৰত সেই কথা খাটে। যিবোৰ কাহিনী সেই সময়ত কলাত্মক বাস্তৱতাৰ বিষয় বুলি স্বীকৃত হৈছিল আজিৰ যুগত সি নিতান্তই অবাস্তৱ বুলি পৰিগণিত হ'ব। চুটিগল্প আৰু উপন্যাস স্বাভাৱিকতে সাময়িক তৃপ্তি বা ৰসোপলব্ধিৰ বাবেই পাঠকে পঢ়ে। আজি সেই উদ্দেশ্যেৰে বেজবৰুৱাৰ চুটি গল্প পঢ়িবলৈ ললে মোৰ ভাল নলগাটোৱেই স্বাভাৱিক।

বেজবৰুৱাক মই শ্ৰেষ্ঠ সাহিত্যিক বুলি ভাল নাপালেও যুগৰ জ্যেষ্ঠ সাহিত্যিক বুলি ভাল পাওঁ। ভাল পাওঁ তেওঁৰ একাগ্ৰতা আন্তৰিকতা অনুপ্ৰেৰণা আৰু নেতৃত্ব। যি সময়ত প্ৰতিটো কথাতে বঙালীয়ে শ-তে শগুণ হৈ পৰিবলৈ বাট চাই আছিল সেই সময়ত বেজবৰুৱাৰ নেতৃত্ব আৰু অনুপ্ৰেৰণাই এচাম লেখক সৃষ্টি কৰিবলৈ বল দিছিল। তেওঁ নিজে সম্বল পুৰৰ হাবিত সোমাই থাকিও অসম আৰু অসমীয়ালৈ পাহৰা নাছিল সেই দৰেই তেওঁ প্ৰত্যেক অসমীয়াই আত্মসচেতন হোৱাটো বিচাৰিছিল। অসমক আক্ৰমণ কৰিব খোজাসকলৰ লগত "সমশক্তি পৰাক্ৰমৈঃ" নীতিৰে যুদ্ধ দিছিল আৰু অনেক সময়ত কথকী ভায়াহঁতক চুঙা চাই সোপা দিছিল। বাঁহী'ৰ সম্পাদক হিচাবে তেওঁ অসমীয়া সাহিত্যিকসকলক যি নেতৃত্ব দিছিল তেনে নেতৃত্ব আজি কোনেও দিব পৰা নাই। বেজবৰুৱাৰ যেনেকৈ এটা স্বকীয় ৰচনা-ৰীতি বা ষ্টাইল আছিল আজিৰ যুগৰ কোনো লেখকৰে নাই। এইবোৰ কাৰণতে বেজবৰুৱাক ভাল পাওঁ*। বেয়া পোৱাৰ কাৰণবোৰ মোৰ নিজা মনৰ বিশ্লেষণ কিন্তু ভাল পোৱাৰ কাৰণবোৰ চাগৈ সাৰ্বজনীন।

আহোম যুগৰ অসমীয়া সাহিত্য

জাতিত অনাৰ্য্য ধৰ্মত অহিন্দু সংস্কৃতিত বহিৰ্ভাৰতীয় আৰু স্বৰূপতে বিজেতা হৈয়ো বিজিতৰ ভাষা সংস্কৃতি ধৰ্ম লৈ অসমত সাত ৰাজ মাৰি একৰাজ কৰি সমন্বয়ৰ সৌধ নিৰ্মাণ কৰা আহোমসকলে অসমীয়া ভাষাক প্ৰশাসনীয় ভাষালৈ ৰূপান্তৰিত কৰি তাৰে বুৰঞ্জী লিখি অসমীয়া ভাষা সাহিত্যৰ পৃষ্ঠপোষকতাৰে অসমীয়া সংস্কৃতিলৈ বিপুল বৰঙণি দি থৈ গ'ল। যথাৰ্থতে বুৰঞ্জী সাহিত্যৰে বুৰঞ্জী সৃষ্টি কৰি অসমীয়া সাহিত্যৰ মণিকূটত এটি আমৰণ অভগণ উজ্জ্বল ৰত্ন থাপি থৈ গ'ল। সেইটি ৰত্ন ভাৰতীয় সাহিত্যৰ ভিতৰতে একক আৰু অতুলনীয়।

প্ৰাক শঙ্কৰী যুগৰ অসমীয়া সাহিত্যত যি আদৰ্শ আৰু পৰম্পৰা গঢ় লৈ উঠিছিল সিয়েই মহাপুৰুষ শঙ্কৰদেৱৰ হাতত বিস্মৃতি লাভ কৰে। এই আদৰ্শৰ জন্ম হৈছিল ভাৰতীয় সংস্কৃত সাহিত্যৰ মাধ্যমত। যাইকৈ বৈষ্ণৱ মতবাদ জনপ্ৰিয় কৰি তোলাটোৱেই সাহিত্যৰ লক্ষ্য আছিল। গীত পদ কাব্য নাট সকলোতে ঐকান্তিক নিবেদন আছিল বিষ্ণুৰ প্ৰতি। বৈষ্ণৱ গুৰু পৰম্পৰাৰ অপূৰ্ব অৱদান গুৰু-চৰিত সমূহতো দশমৰ কৃষ্ণ চৰিত্ৰ ৰূপায়ণৰ চানেকিৰ প্ৰভাৱ পৰিছিল। কিন্তু, সমসাময়িক যুগৰ আহোম ৰজাঘৰৰ পৃষ্ঠপোষকতাত সৃষ্টি হোৱা সাহিত্যৰাজিত দুটিমান অভিনৱ সুৰ্তিৰ সংযোগ ঘটিছিল। ধৰ্ম নিৰপেক্ষ কাব্য-সাহিত্য আদিৰসাত্মক কাব্য শক্তি সাহিত্য আৰু ব্যৱহাৰিক সাহিত্যৰ পয়োভৱ হৈছিল। মান-মৰাণৰ উৎপাত, সেমেকা জলবায়ু বানপানী ধুমুহা-বৰষুণ অগ্ন্যুৎপাত, কু সংস্কাৰ আদিৰ পৰাহত পৰি কিমান পুথি চিৰদিনলৈ ধ্বংস হৈ গ'ল তাৰ কোনো ছিচাপ নাই। যি আছে, তাকো এতিয়াও বহল ভিত্তিত সমীক্ষা কৰা হোৱা নাই। সাম্প্ৰতিকভাৱে হাততে পোৱা পুথিসমূহৰ বিষয়ে আলোচনা চলাই এই প্ৰবন্ধটি যুগত কৰা হৈছে।

আহোম যুগৰ অসমীয়া সাহিত্যৰ দুটা ভাগ ঃ ধৰ্মীয় আৰু ধৰ্মনিৰপেক্ষ ধৰ্মনিৰপেক্ষ সাহিত্যৰ ভিতৰত কাব্য আৰু ব্যৱহাৰিক সাহিত্যও আছে। পঞ্চদশ শতিকাৰ শেষভাগত শঙ্কৰদেৱে যি সাহিত্যিক পৰম্পৰা প্ৰতিষ্ঠা কৰিছিল তাৰ সুৰ্তি ঊনবিংশ শতিকালৈকে বৈ আছিল। বৈষ্ণৱ ধৰ্ম আৰু

সত্ৰসমূহে ৰজাঘৰৰ পৰা পৃষ্ঠপোষকতা লাভ কৰাৰ লগে লগে সাহিত্য সৃষ্টিৰ অনুপ্ৰেৰণাও লাভ কৰিছিল। গতিকে যোড়শ শতিকাৰ পৰা উনবিংশ শতিকালৈকে প্ৰায় চাৰে তিনিশ বছৰ জুৰি অসমীয়া সাহিত্যই বিকাশ লাভ কৰিছিল। আনফালে এই যুগতেই অসম অসমীয়া এই শব্দ দুটাৰো জন্ম হৈছিল অৰ্থাৎ অসমীয়া ভাষাই পূৰ্ণ ৰূপ গ্ৰহণ কৰিছিল। তুংখুঙীয়া বুৰঞ্জী ত্ৰিপুৰা বুৰঞ্জী আদি অষ্টাদশ শতিকাৰ ৰচনা হলেও ইয়াৰ ভাষা বাক্যৰ ঠাঁচ কথা ৰীতি আধুনিকীকৰণৰ তেনেই ওচৰ চুবুৰীয়া।

আহোম ৰাজত্বৰ প্ৰথম তিনিশ বছৰ ৰাজ্যবিস্তাৰৰ সময়। ত্ৰয়োদশ শতিকাত চৰাইদেওত ভেটি প্ৰতিষ্ঠা কৰা আহোম ৰাজ্যই সাত ৰাজ মাৰি একৰাজ কৰি কৰতোয়া গঙ্গাত খান্দা পখালি দ'ল পুখুৰী কৰি সীমা নিৰ্বন্ধ কৰাৰ পিছত ৰজা প্ৰতাপসিংহই পোন প্ৰথমে ৰাজ্য সংগঠনৰ কাম হাতত লয়। এই সময়ৰে পৰাই আহোম ৰজাসকল হিন্দু ধৰ্ম আৰু সংস্কৃতিৰ সংস্পৰ্শলৈ আহে। ইয়াৰ আগতে চুডাংফা বামুণী কোঁৱৰে পোন প্ৰথমে ৰাজকাৰেঙত লক্ষ্মীনাৰায়ণ শালগ্ৰামক ঠাই দিয়ে। ইতিমধ্যে আহোমসকল দ্বিভাষী হৈ উঠে। শেষলৈ অসমীয়া ভাষাকে ৰাজকীয় ভাষা হিচাপে গ্ৰহণ কৰি সকলো ৰজাঘৰীয়া কাকত পত্ৰ এই ভাষাৰে লিখাৰ উপৰিও সাহিত্য চৰ্চালৈ মন মেলে আৰু পৃষ্ঠপোষকতা আগবঢ়ায়।

জয়ধ্বজসিংহই পোনপটীয়াকৈ বৈষ্ণৱ গোসাঁইত শৰণ লয় আৰু তেওঁ নিজে অসমীয়া সাহিত্য বিকাশত ভুমুকি মৰাৰ উপৰিও পৃষ্ঠপোষকতা আগবঢ়ায়। বাঁহগড়ীয়া আতন বুঢ়াগোহাঁইৰ বুৰঞ্জীত জয়ধ্বজসিংহই পদ্মপুৰাণৰ জনকৰ আখ্যানৰ পদপুথি ৰচনা কৰাৰ কথা উল্লেখ আছে। গীত লতিকা নামৰ পুথিত ৰাধা-কৃষ্ণৰ প্ৰণয় বিষয়ৰ এটি গীত পোৱাৰ উপৰিও ৰামায়ণৰ বিষয়-বস্তু লৈ লিখিত ভালেমান কেইটি গীত পোৱা যায়। এই সময়ৰে পৰা আহোমৰাজত্বৰ বেলি অস্ত যোৱালৈকে আহোম স্বৰ্গদেও সকলে ৰুচি অনুযায়ী সাহিত্যসৃষ্টিৰ প্ৰেৰণা যোগাই আহিছিল। ৰজাসকলৰ উপৰিও ৰাজকোঁৱৰ আৰু ডা ডাঙৰীয়া সকলেও সাহিত্যৰ পৃষ্ঠপোষকতা কৰাৰ প্ৰমাণ পোৱা যায়। তদুপৰি তেওঁবিলাকৰ নিজা নিজা ৰচনাও উল্লেখযোগ্য।

ৰুদ্ৰসিংহ নিজে এজন বিদ্যানুৰাগী আৰু সাহিত্য-সংস্কৃতিৰ একান্ত

পৃষ্ঠপোষক আছিল। কোনো কোনোৱে তেওঁ নিৰক্ষৰ আছিল বুলি উল্লেখ কৰিলেও তেওঁৰ সমসাময়িক কবি ৰামনাৰায়ণ কবিৰাজ চক্ৰৱৰ্তীয়ে কিন্তু শকুন্তলা কাব্যৰ ভণিতাত কৈছে

যাত হন্তে শাস্ত্ৰ পঢ়ি ৰুদ্ৰসিংহ ৰাই।
পণ্ডিত ভৈলন্ত নানা শাস্ত্ৰতত্ত্ব পাই॥

ৰুদ্ৰসিংহৰ ভণিতা থকা ভালেমান গীত পোৱা যায়। গীতবোৰত অৱশ্যে শাক্ত আদৰ্শৰ প্ৰভাৱ স্পষ্ট। তেৱেঁই অৱশ্যে শাক্ত কৃষ্ণৰাম ভট্টাচাৰ্য্যক নদীয়াৰ পৰা নিমন্ত্ৰণ কৰি আনিছিল। ৰজাই সংস্কৃত ভাষাত এটি বিহুগীতো ৰচনা কৰিছিল। হাবিতলীয়া বিহুক ৰাজকীয় মৰ্য্যাদা দি ৰংপুৰৰ ৰংঘৰৰ চোতাললৈ আগবঢ়াই অনা স্বৰ্গদেৱে বিহুগীত ৰচনা কৰিবলৈ অনুপ্ৰেৰিত হোৱাটো একো আচৰিত নহয়। শিৱসিংহ আৰু ৰাজেশ্বৰসিংহয়ো গীত ৰচনা কৰিছিল। এই গীতবোৰত কম বেছি পৰিমাণে শাক্ত আদৰ্শ আৰু বঙলুৱা ঠাঁচ দেখিবলৈ পোৱা যায়। ৰাজেশ্বৰ সিংহই কীচক বধ নামেৰে এখনি নাটক লিখিছিল আৰু সেইবাবে তেওঁক কবি চূড়ামণি উপাধি দিয়া হৈছিল। ৰুদ্ৰসিংহৰ শিৱপুৰাণ উল্লেখযোগ্য।

ৰজাসকলে নিজে লিখা গীত বা নাটকতকৈ তেওঁ বিলাকে পৃষ্ঠপোষকতা কৰি সাহিত্য সৃষ্টিৰ প্ৰেৰণা দিয়াটোহে বিশেষ প্ৰণিধানযোগ্য। ইয়াৰ ফলত বহুজন পৰিমাণৰ গ্ৰন্থ ৰচিত হৈছিল। এই গ্ৰন্থবোৰৰ ভিতৰত ধৰ্মগ্ৰন্থ গুৰুচৰিত বুৰঞ্জী কাব্য শাক্ত সাহিত্য জ্যোতিষ নীতিশাস্ত্ৰ গণিত আৰু চিকিৎসা বিষয়ক পুথি আছে। মান ৰমাণৰ উৎপাত বানপানী ভূমিকম্প সেমেকা জলবায়ু আদিয়ে কিমান গ্ৰন্থ নিচিহ্ন কৰিলে তাৰ হিচাপ নাই। এতিয়া সামান্য পৰিমাণৰ পুথিহে হাততে পাবলৈ আছে।

জয়ধ্বজসিংহই নিজে পদ্মপুৰাণত হাত দিয়াৰ লগে লগে ডা ডাঙৰীয়া সকলে পণ্ডিতসকলক উৎসাহ উদগনি দিবলৈ বল পায়। বাঁহগড়ীয়া আতন বুঢ়াগোহাঁয়ে নিজে এখন বৈশিষ্ট্যপূৰ্ণ বুৰঞ্জী সংকলন কৰাৰ উপৰিও ৰামানন্দ দ্বিজক শঙ্কৰদেৱৰ চৰিত ৰচনা কৰিবলৈ উৎসাহ যোগাইছিল। এওঁ বুঢ়াগোহাঁইৰ পৃষ্ঠপোষকতাতেই মাজুলীৰ আঁহত গুৰিত সত্ৰ পাতিছিল। এওঁৰ তিনিকুৰি সোতৰটা উচ্চ থাপৰ ভক্তিমূলক গীতো আছে।

ৰাম মিশ্ৰ সপ্তদশ শতিকাৰ এজন লেখৰ কবি। তেওঁ হিতোপদেশ পুথিৰ ভণিতাত মিচৈ গ্ৰামত ঘৰ বুলি উল্লেখ কৰিছে। মিচৈ বোধকৰো শিৱসাগৰ মহকুমাৰ মাছৈ গাঁও। নেওগ গোহাঁই বৰফুকনৰ কেইবা পুৰুষেও

ৰজাঘৰত বিষয়-বাব খাইছিল। এই নেওগ গোহাঁই বৰফুকনৰে মাজুপুতেক গড়গঞা ৰজা শহুৰ নাওবৈছা ফুকনৰ নুমলীয়া পুতেক ভদ্ৰসেন ফুকনৰ অনুৰোধ অনুসৰি 'হিতোপদেশ পদত ৰচনা কৰে। ভীষ্মপৰ্ব" ৰচনাৰ পৃষ্ঠপোষকতাও লাভ কৰিছিল নেওগ গোহাঁই বৰফুকনৰ আদেশত। কবিৰ তৃতীয়খন পুথি পুতলাচৰিত তৰুণ দুৱৰা বৰফুকনৰ আদেশত ৰচনা কৰিছিল। তৰুণ দুৱৰা বৰফুকন যদি শিৱসিংহৰ সমসাময়িক বিজয় তৰুণ দুৱৰা বৰফুকনেই হয়, তেনেহ'লে কিন্তু এইজন ৰামমিশ্ৰ একে নহ'বও পাৰে। নোহোৱাই স্বাভাৱিক। ৰাম মিশ্ৰৰ আন এখন পুথি হ'ল বৃন্দাবন চৰিত। এই পুথি ১৫৮৯ শকৰ অৰ্থাৎ ১৬৫৮ চনৰ আগৰ ৰচনা। বোধকৰোঁ অসমীয়া ভ্ৰমণ সাহিত্যৰ এইখনেই প্ৰথম পুথি। বৰাগী কটকীসকল বিদেশলৈ গৈ তাত দেখি-শুনি অহা কথাখিনি লিখিত ৰূপত থুপাই থোৱাৰ দৰে বৃন্দাবন ভ্ৰমণ কৰি আহি কবিয়ে নিজৰ কল্পনা অভিজ্ঞতা আৰু লোক-কথাৰ সংমিশ্ৰণ ঘটাই এই পুথিখনি ৰচনা কৰিছে। পুথিখনিৰ সাহিত্যিক মূল্য উচ্চ থাপৰ।

ৰামচন্দ্ৰ বৰপাত্ৰ কেন্দুগুৰীয়া বৰপাত্ৰ পৰিয়ালৰ এজন কৃতী ৰাজবিষয়া আৰু প্ৰতিভাশালী লেখক আছিল। এও গদাধৰ সিংহৰ ৰাজত্ব কালত বৰপাত্ৰ গোহাঁই নিযুক্তি লাভ কৰিছিল। তেও নিজৰ চিনাকি দিওঁতে কৈছে

কেন্দুগুৰি নামে গ্ৰাম।
শস্যে মৎস্যে অনুপাম॥
বহে নদী অবিৰাম।
দিলিহ যাহাৰ নাম॥
তাৰে তীৰে কৰি ঘৰ।
আছিলন্ত পাত্ৰ বৰ॥

পাঠান সেনাপতি তুৰ্বকক পৰাস্ত কৰি খেদি নি কৰতোয়া নৈ পাৰ কৰি তাৰ পাৰত দ'ল বান্ধি পৃথ্বী খনাই গৌৰৱ অৰ্জন কৰা সাহসী সেনাপতি কনচেং বৰপাত্ৰ গোহাঁইৰ বংশধৰ ৰামচন্দ্ৰ বৰপাত্ৰ। ১৬০৮ শক অৰ্থাৎ ১৬৮৬ চনত ৰামচন্দ্ৰ বৰপাত্ৰই 'যোগিনী তন্ত্ৰ পুথিৰ বিষয় বস্তু লৈ মণিকূট'[১] নামেৰে এখনি পুথি ৰচনা কৰিছিল।

১। ড মহেশ্বৰ নেওগ, অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃঃ ২২৮

সোমাৰপীঠৰ গড়গ্ৰাম নাম যাৰ।
সেহিস্থানে থাকি মই ৰচিলোঁ পয়াৰ ॥
নামত যোগিনীতন্ত্ৰ মহেশ্বৰ বাণী।
পৰম সাদৰে যাক শুনিলা গোসাঁনী ॥

পুথিখনিত হাজোৰ হয়গ্ৰীৱ-মাধৱ দেৱালয়ৰ মাহাত্ম্য পূজা-পদ্ধতি আদিৰ কাহিনী কীৰ্তনৰ ৰীতিৰে ৰচনা কৰিছে। পুথিখনিৰ ঐতিহাসিক মূল্যৰ উপৰিও কাব্যিক সৌন্দৰ্য্য বিদ্যমান। বৰ্ণনা আৰু উপমাত বৈষ্ণৱ আদৰ্শৰ প্ৰভাৱ অনুভূত হয়।

সংসাৰ অৰণ্য কাছে।
দেহগৃহ নিৰ্ম্মি আছে ॥
মোহ ৰজনীক পাই।
কাল চোৰ ধায়া যায় ॥
নৰগোটা সিন্ধি পায়।
সেহি ঘৰে পশে যায় ॥
* * * *
বিবেক চক্ষুক মেলি।
জাগি থাকা নিদ্ৰা হেলি ॥
এহিমতে ধৈৰ্য্য বিত্ত।
ৰাখিওক প্ৰতি নিত ॥

পুথিখনিৰ কাহিনীৰ অন্তত ওপৰঞ্চি হিচাপে চাৰিটি গীতো সন্নিবিষ্ট কৰি দিছে। বৰপাত্ৰ ডাঙৰীয়াই সমসাময়িক বৈষ্ণৱ আদৰ্শৰ আহিঁ লৈ নিজা প্ৰতিভাৰে সজাই পৰাই পুথিখনি ৰচনা কৰিছিল।

স্বৰ্গদেও ৰুদ্ৰসিংহ নিজে এজন গুণী, বিদ্যোৎসাহী ৰজা আছিল। তেওঁ ভালেমান বিদ্বান লোকক ৰাজসভাত ঠাই দিছিল, তাৰে ভিতৰত ৰামনাৰায়ণ কবিৰাজ চক্ৰৱৰ্তী অন্যতম। কবিৰাজ চক্ৰৱৰ্তীয়ে ৰুদ্ৰসিংহ আৰু শিৱসিংহ দুয়োজন ৰজাৰে পৃষ্ঠপোষকতা লাভ কৰিছিল। এওঁৰ নামত চাৰিখন বুজন গ্ৰন্থ পোৱা যায়ঃ 'ভাস্বতী', 'শকুন্তলা কাব্য' 'শঙ্খচূড়-বধ আৰু ব্ৰহ্মবৈৱৰ্ত পুৰাণৰ কৃষ্ণ জন্মখণ্ড।' তদুপৰি কবিৰাজ চক্ৰৱৰ্তীৰ ভণিতা থকা ভালেমান

গীত পোৱা যায়। ৰুদ্ৰসিংহৰ জ্যোতিষত বিশ্বাস আছিল আৰু জ্যোতিষ শিক্ষা কৰিবলৈকে কবিৰাজ চক্ৰৱৰ্ত্তীৰ হতুৱাই ভাস্বতী পুথিখন ৰচনা কৰাইছিল।

শঙ্কৰদেৱে আৰম্ভ কৰা বৈষ্ণৱ পৰম্পৰাৰ পৰা সম্পূৰ্ণৰূপে আঁতৰি আদি ৰসাত্মক কাব্য সৃষ্টিৰ আদৰ্শ স্থাপন কৰিছিল। মহাভাৰতৰ আদিপৰ্ব আৰু অভিজ্ঞান-শকুন্তলম নাটকৰ সমল আহৰণ কৰি কবিৰাজে কামকলা অপ্সৰীৰ আখ্যান নিজাকৈ সংযোজিত কৰি কাব্যখন সজাই তুলিছে।

হেন নৃপতিৰ আজ্ঞা মহিষীৰো বাণী।
কবিৰাজ বিপ্ৰে পুষ্পমালা হেন মানি ॥
সাদৰে শিৰত ধৰি ৰঙ্গে বাৰম্বাৰ।
কৃষ্ণপাদপঙ্কজক কৰি নমস্কাৰ ॥
আদি পৰ্ব ভাৰতক কৰিয়া বিচাৰ।
দুষ্যন্ত চৰিত্ৰ পদ কৰিলা প্ৰচাৰ ॥

প্ৰায় সহস্ৰাধিক পদৰ কাব্যখনত কালিদাসৰ প্ৰভাৱ অনুভূত হোৱাতকৈ কবিৰ নিজা কল্পনাৰ সৰু সুৰা আখ্যানসমূহ দীঘে-বাণিয়ে সোমাই আছে। কাব্যিক বিচাৰত কাব্যখনৰ কাহিনী ভাগত শিথিলতা আছে কিন্তু বস্তুটিৰ মূল্য নোহোৱা নহয়।

১৭১৪ চনত কবিৰাজ চক্ৰৱৰ্তীযে তেওঁৰ দ্বিতীয়খন পুথি শংখচূড়-বধ ৰচনা কৰে। শংখচূড় বধৰ কাহিনীভাগো আহৰণ কৰিছে ব্ৰহ্মবৈৱৰ্ত পুৰাণৰ পৰা। ব্ৰহ্মবৈৱৰ্ত পুৰাণ তুলনামূলক দৃষ্টিত অৰ্বাচীন। এইখন পুৰাণ অনেক আখ্যানেৰে ভৰা। ইয়াৰে পৰাই বিষয় বস্তু লৈ ৰজা শিৱসিংহ আৰু বৰ ৰজা প্ৰমথেশ্বৰী (ফুলেশ্বৰী)-ৰ আদেশ শিৰত লৈ শংখচূড়-বধ ৰচনা কৰে। আদিৰসৰ প্ৰাচুৰ্য্যপূৰ্ণ এই কাব্যখনি এই যুগৰ এটি লেখৰ কাব্য কৃতি। শংখচূড় আৰু ধৰ্মধ্বজ ৰজাৰ জীয়ৰী তুলসীৰ প্ৰণয় আৰু তুলসীৰ কামোন্মাদনাৰ বৰ্ণনাই কাব্যখনৰ আদৰ্শৰ অন্য এটি দিশ মুকলি কৰি দিছে।

পৰম সুন্দৰ ব্ৰহ্মবৈৱৰ্ত পুৰাণ।
ব্যাসদেৱে বান্ধি আছা নানা উপাখ্যান ॥
বৈষ্ণৱৰ মধ্যে সাৰ শংখচূড় নাম।
দানৱৰ অধিপতি গুণে অনুপাম ॥

যদিওবা বৈষ্ণৱ যুগৰ বধকাব্যৰ লক্ষণ শংখচূড় বধ ত পোৱা যায় ইয়াত বৈষ্ণৱ আদৰ্শৰ সংযম আৰু নিষ্কাম ভাবক কামভাৱে ঢাকি পেলাইছে।

কবিৰ অন্য এখন পুথি হ'ল ব্ৰহ্মবৈৱৰ্ত পুৰাণৰ কৃষ্ণ জন্মখণ্ড।

হেন শিৱসিংহ ৰাজা প্ৰমথ ঈশ্বৰী।
মনুষ্য লোকত যেন শিৱ মহেশ্বৰী ॥
তাহান আদেশ-মালা শিৰোগত কৰি।
কবিৰাজ চক্ৰৱৰ্ত্তী মতি অনুসৰি ॥
পুৰাণৰ শ্ৰেষ্ঠ ব্ৰহ্মবৈৱৰ্ত পুৰাণ।
কৃষ্ণ জন্মখণ্ড তাতে পৰম প্ৰধান ॥
তথাপিতো পদবন্ধে দেশ ভাষা ধৰি।
মতি অনুসাৰে বিৰচিলো যত্ন কৰি ॥

কাব্যখনতো কৃষ্ণ অৱতাৰৰ কাৰণ কৃষ্ণজন্ম শিশু-লীলা আদিৰ বৰ্ণনা থাকিলেও বৃন্দাবনত গোপীসকলৰ লগত কেলি কৰাৰ কাহিনীত অধিক তাৎপৰ্য্য আৰোপ কৰা যেন লাগে। কবিৰাজ চক্ৰৱৰ্ত্তীয়ে সম্ভৱত শিৱাসিংহ আৰু ফুলেশ্বৰী কুঁৱৰীৰ যৌৱন বিলাসৰ গইনা লৈয়েই ৰজা ৰাণীৰ মনোযোগ আকৰ্ষণ কৰিবলৈ কামভাবপূৰ্ণ বৰ্ণনাৰে তেওঁৰ কাব্য কেইখন সজাই পৰাই তুলিছিল। ৰজা শিৱসিংহই নিজেই ফুলেশ্বৰীৰ দেহ সৌন্দৰ্য্যত আকৰ্ষিত হৈ বৰৰজা পাতিছিল। স্থানান্তৰত ৰাজকাৰেঙত হৰ গৌৰী সংবাদ'ৰ পাঠ আৰু ব্যাখ্যা কৰোৱাৰ কথাও জনা যায়। কোনো কোনোৱে ফুলেশ্বৰী কুঁৱৰীৰ আদেশ মতে কবিৰাজ চক্ৰৱৰ্ত্তীয়ে জয়দেৱৰ গীত-গোবিন্দ'খো অসমীয়া পদলৈ ভাঙনি কৰিছিল বুলি কব খোজে। সি যি কি নহওক অষ্টাদশ শতিকাৰ অসমীয়া সাহিত্যৰ বুৰঞ্জীত ৰজাঘৰৰ পৃষ্ঠপোষকতা আৰু কবিৰাজ চক্ৰৱৰ্ত্তীৰ বৰঙনি বিশেষ উল্লেখযোগ্য।

এইজনা স্বৰ্গদেৱে যে কেৱল কবিৰাজ চক্ৰৱৰ্ত্তীকেই কাব্যসৃষ্টিৰ প্ৰেৰণা যোগাইছিল তেনে নহয়, অনন্ত আচাৰ্য্য কবিচন্দ্ৰ দ্বিজ, ভোলানাথ দ্বিজ ৰমানন্দ দ্বিজ আদিকো পৃষ্ঠপোষকতা কৰিছিল। তদুপৰি সুকুমাৰ বৰকাথক 'হস্তীবিদ্যাৰ্ণৱ'ৰ নিচিনা ব্যৱহাৰিক বিজ্ঞানৰ পুথি ৰচনাৰ বাবেও প্ৰেৰণা যোগাইছিল। মনোহৰ বাইলুং ফুকনক কপৃত বা উকুত শ্ৰেণীৰ এখন অসমীয়া বুৰঞ্জী সংকলন কৰিবলৈকো আদেশ দিছিল। অকল সেয়ে

নহয়, 'ধৰ্মপুৰাণ 'গীত গোবিন্দ', 'শঙ্খচূড় বধ আনন্দ-লহৰী' বহৎ উষাহৰণ' বা 'কুমৰ হৰণ 'হস্তীবিদ্যাৰ্ণৱ' আদি পুথিৰ ভিতৰত পাঠৰ অৰ্থ ব্যঞ্জক চিত্ৰও অংকন কৰাইছিল। এই চিত্ৰসমূহে সেই যুগৰ চিত্ৰ-শৈলীৰ এটি পৰম্পৰা প্ৰতিষ্ঠা কৰিব পাৰিছিল। সাঁচিপাতত হেঙুল হাইতাল আৰু গছৰ ছাল-বাকলিৰে তৈয়াৰ কৰা ৰঙেৰে ছবিবোৰ অ কা হৈছিল। অৱশ্যে কম বেছি পৰিমাণে মোগল যুগৰ চিত্ৰ-শৈলীৰ প্ৰভাৱ ধৰা পৰে।

শিৱসিংহৰ ৰাজত্বকালৰ অনন্ত আচাৰ্য্যই ৰজা-ৰাণীৰ পৃষ্ঠপোষকতাত শঙ্কৰাচাৰ্য্যৰ সংস্কৃত সৌন্দৰ্য্যলহৰী ৰ আৰ্হিত আনন্দ লহৰী ৰচনা কৰে। পুথিখনত শাক্ত আদৰ্শৰ উপৰিও শৃঙ্গাৰ ৰসবো প্ৰভাৱ আছে।

সোমাৰ পীঠৰ সম পীঠ নাহি আন।
সতত থাকন্ত যাত ভবানী ঈশান ॥

* * *

যিটো ৰংপুৰত সাক্ষাতে ভগৱতী।
দুৰ্গাৰূপে আছা ৰাখি ৰাজাক সম্প্ৰতি ॥

* * *

অনন্ত আচাৰ্য্য ভণে এৰি আন বাণী।
নিৰন্তৰে বোলা নৰে শঙ্কৰ ভৱানী ॥

কাব্যখনৰ বৰ্ণনাত সাৰলীলতা চকুত পৰে। অৱশ্যে কবিৰ লক্ষ্য ৰসসৃষ্টি নহয়, শাক্ত আদৰ্শৰ প্ৰতি আনুগত্য আৰু ৰাজানুগত্যৰ সংমিশ্ৰণ মাত্ৰ।

কবিচন্দ্ৰ দ্বিজই শিৱসিংহ, ৰাণী অম্বিকা আৰু পুত্ৰেক উগ্ৰসিংহ তিনিও ৰজাৰ আদেশ অনুসৰি 'ধৰ্মপুৰাণ' নামেৰে এখনি সচিত্ৰ বৃহৎ গ্ৰন্থ ৰচনা কৰিছিল। পুথিখনত পুৰাণ শব্দটো সংযোজিত হ'লেও যথাৰ্থতে এইখন কোনো প্ৰাচীন বা অৰ্বাচীন সংস্কৃত পুৰাণৰ অসমীয়া ৰূপান্তৰ নহয়। হিন্দুৰ পালনীয় কেতবোৰ ৰীতি-নীতি, শ্ৰাদ্ধ তৰ্পণ, ব্ৰত-উপবাস আদিৰ বৰ্ণনা আছে। পুথিখনৰ মূল ৰূপটো লণ্ডনতহে আছে। ইয়াৰ চিত্ৰসমূহ অৱশ্যে বিশেষ লক্ষ্য কৰিবলগীয়া। ১৭৩৫ চনত পুথিখন ৰচিত হয়। এইজন কবিৰ সংস্কৃত ভাষাত 'কামকুমাৰ হৰণ' নামৰ এখনি আদিৰসাত্মক সাত অঙ্কীয়া নাটক আছে কিন্তু ইয়াৰ গীতবোৰ অসমীয়া। পুথিখন 'বহৎ ৰাজপদ প্ৰখ্যাত ফুলেশ্বৰীৰ আদেশত ৰচিত হয়।

ভোলানাথ দ্বিজ নামৰ কবি এজনে শিৱসিংহৰ আদেশত মহাভাৰতৰ শল্য পৰ্বৰ অনুবাদ কৰি এখনি পুথি ৰচনা কৰিছিল। তেওঁ শিৱসিংহৰ তৃতীয় মহিষী সৰ্বেশ্বৰী কুঁৱৰী আৰু কোঁৱৰ উদয়সিংহৰ নামো উল্লেখ কৰিছে। পুথিখনৰ ৰচনা ৰীতিত বিশেষ বৈশিষ্ট্য চকুত নপৰে।

ৰমানন্দ দ্বিজ বা দ্বিজ ৰমানন্দই শিৱসিংহ আৰু অম্বিকা দেৱীৰ আদেশ মতে মহাভাৰতৰ উদ্যোগ পৰ্ব ৰ এটি অনুবাদ কৰিছিল। শিৱসাগৰ মহকুমাৰ নাজিৰাৰ বৃন্দাৱনী সত্ৰত সংৰক্ষিত বৃহৎ উষাহৰণ নামৰ এখনি সচিত্ৰ পুথি আছে। পুথিখন কুমৰ হৰণ নামে জনাজাত। পুথিখনৰ ভণিতাত শিৱসিংহ আৰু অম্বিকাৰ পৃষ্ঠপোষকতা লাভ কৰাৰ কথা আছে। পুথিখনৰ বিষয় বস্তু অনন্ত কন্দলিৰ কুমৰ-হৰণ ৰ লগত মিল থাকিলেও কবিৰ নিজা প্ৰতিভাৰো পৰিচয় পোৱা যায়।

সুকুমাৰ বৰকাথৰ হস্তীবিদ্যাৰ্ণৱ আহোম যুগৰ অসমীয়া সাহিত্যৰ এটি বহুমূলীয়া সম্পদ। চিত্ৰ আৰু ভাষা উভয় দিশৰ পৰাই এই গ্ৰন্থখনৰ এক স্বকীয় বৈশিষ্ট্য আছে। বিশেষকৈ অসমীয়া গদ্যৰ ই এটি বিশিষ্ট ৰূপ ধৰি ৰাখিছে। ১৭৩৪ চনত সংকলিত আৰু চিত্ৰিত এই পুথিখন (হস্তীবিদ্যাৰ্ণৱ সাৰসংগ্ৰহ) ৰচনা কৰিলে সুকুমাৰ বৰকাথে। চিত্ৰ অংকন কৰিলে দিলবৰ আৰু দোষায়ে। হস্তীবিদ্যাৰ্ণৱ পুথিখন ব্ৰহ্মদেশৰপৰা অনা কোনো টাই ভাষাৰ মূল গ্ৰন্থ কামন্দকীয় নীতিসাৰ আৰু ৰামানন্দ বৈৰাগীৰ মুখৰ কথা লৈ ৰচনা কৰা হৈছিল। পুথিখনৰ মাজে মাজে থকা টাই ভাষাৰ শব্দ মন্ত্ৰ আৰু বাক্যৰীতিলৈ চাই পোনতে এখন হাতী বিষয়ক গ্ৰন্থ টাই ভাষাত যুগুত কৰা হৈছিল যেন লাগে পিছত সুকুমাৰ বৰকাথে অসমীয়া ভাষাত যুগুত কৰি উলিয়ায়।

> বড় ডাঙৰ সিল এটা সৰগ লংঘিছিল। তাতে
> দ'তাল এটা, মাথুন্দি এজনি এই দুটা হাতি
> উপজিল। তাৰপৰা থললৈ হাবিলৈ আহল।
> তাৰেপৰা অনেক হাতি হ'ল। এই জাতৰ হাতি
> সবাতোকৈ ওখ। এটা দাঁত থলা। এটা খণ্ডা।
> এটা চুঁটি। এটা দিঘল ভলুকা গাজৰ ঠানে।
> কাণ একোখন কুলাৰমান ডাঙৰ। চকুৰ
> ওপৰৰ উঠংমা দুটা একোটা হাপিভৰমান।

ৰাজহাড় চাৰি আঙুল পোত জোৱা। নেজ
কিছু চুটি। বলৱন্ত। ডাঙ্গৰ হাবিত থাকে।
তাৰ বলিয়া ওলালে চম্পা ফুল হেন গন্ধাই।
মুখৰ ভিতৰতে গে জৰে। এই হাতি ঘৰত থাকে
ৰঙ্গ আনন্দ হৈ থাকে। ইয়াত ঈশ্বৰৰ গোষ্টি
উঠিব তেঞোকহে সুজে। চক্ষুৰ তলত টিপনি
মাৰি সিলৰ ঘাম কুঞলিৰ পানী লৈ গাত
ঘহিব পিঠিতো চপৰিযাব এতেকে বোল
কৰে। সালত সোমাবৰ বেলি পাচত খুচিলে
সাল সোমাই। বানচি বাৰে জৰ পৰিলে
সাল সলাব এতেকে ভাল হয়। দাঁত আনতকৈ
ডাঙ্গৰ। ডিঙি পথৰা। কাণ অলপ চুটি। ভৰি
পাতলকৈ ফুৰে। বলিয়া ওলাও তে বাঘে গোঁজৰে
হেন গোঁজৰে। এনে হাতিত সৰুচকুৱা মাউত
উঠিব। ৰঙ্গা সুতা কলিয়া সুতা এৰে চটা জৰি
বাটি চাটিব। মাউত উঠি এই মন্ত্ৰ পঢ়িব।
কুন তানক তান হান খাং কা চেন ছাও ক
জাখৰাই না ঝাঙ্গে। এনে ৰূপে মন্ত্ৰ পঢ়িলে
বোল লয়। আটাহ নেপাৰে। নোগোঁজৰে।
লৰচড় নকৰে। যদি নুৰৰিয়া পড়ে
ডাঙ্গৰ পৰ্ব্বতত চুমুং দেৱতাক পূজা কৰিব।
বানকেও বাৰে জৰ পৰিলেও মহ এটা
চুমুং ডিং ডয়-বুঙ্গলৈ দিব। ভাল হয়।

হস্তীবিদ্যাৰ্ণৱ পুথিখন যথাৰ্থতে অসমীয়া সংস্কৃতিলৈ এটি বহুমূলীয়া অৱদান। ঔষধৰ নাম গছৰ নাম বনৰ নাম গুটিৰ নাম আদিৰে পুথিখন অতি চহকী। আধুনিক অসমীয়াত অপ্ৰচলিত হৈ পৰা বহুতো শব্দ ইয়াত পোৱা যায। হাতীৰ শ্ৰেণীবিভাগ, লক্ষণ ৰোগ, চিকিৎসা প্ৰশিক্ষণ আদিৰ বিষয়ে লোক সংস্কৃতি-মূলক ধাৰণাৰে আলোচনা কৰিছে। সংস্কৃত শাস্ত্ৰৰ শ্ৰেণী বিভাগৰ লগতে থলুৱা ধাৰণাৰে শ্ৰেণীবিভাগ কৰাটোও লক্ষণীয়।

শিৱসিংহ ৰজাৰ দিনতে ১৬৩৪ শক (১৭১২ চন)-ত চোমধৰীয়া বৰুৱাই চাংৰুং ফুকনৰ বুৰঞ্জী [1] এখন সংকলন কৰাৰ কথাও পোৱা যায়। বুৰঞ্জীখনত মৈদাম নিৰ্মাণ আৰু ইয়াৰ জোখ মাখ পুখুৰীৰ জোখ-মাখ দ ল দেৱালয়ৰ আকাৰ প্ৰকাৰ আৰু জাখ-মাখ দলং কাৰেং পাটঘৰ, বৰবাটঘৰ হাতীশাল হেলোংঘৰ শিঙৰি ঘৰ আদিত ব্যৱহৃত বয় বস্তু আওবৰ বাটবৰ বোৱাৰ নিয়ম বাটৰ জোখ আদি সন্নিবিষ্ট কৰা হৈছে।

সাহিত্যৰ দিশৰপৰা শিৱসিংহ আৰু ৰাণী তিনিগৰাকীৰ ৰাজত্বকাল স চাকৈয়ে উল্লেখযোগ্য। শুভনাথ দ্বিজ নামৰ এজনেও ধম সংবাদ [2] নামৰ এখন পুথি অশ্বমেধ পৰ্বৰ বিষয়বস্তু লৈ ৰচনা কৰিছিল। ধৰ্মৰাজ যমে চণ্ডালৰ বেশেৰে যুধিষ্ঠিৰক প্ৰশ্ন কৰাৰ বিৱৰণ পুথিখনত সন্নিবিষ্ট কৰা হৈছে। বিষয়বস্তুৰ উপস্থাপন ৰীতি আৰু ভাষা মনোৰম।

প্ৰমত্তসিংহৰ ৰাজত্বকাল চুটি। তেওঁ ৰ দিনত হোৱা সাহিত্য-কৃতিৰ বিষয়ে সবিশেষ জনা নাযায। মাত্ৰ বিদ্যাপঞ্চানন কবিয়ে শ্ৰীকৃষ্ণ প্ৰয়াণ নামৰ এখন সংস্কৃত নাটক ৰচনা কৰিছিল। ৰাজেশ্বৰ সিংহ নিজে এজন বিদ্বান সাহিত্যানুৰাগী কবি আছিল। কীচক বধ' নামৰ এখন নাটক লিখি কবি চূড়ামণি উপাধি লাভ কৰিছিল। ঠুংৰি ট পা খেয়াল জাতীয় ৰাগত গাব পৰাকৈ কেতবোৰ উচ্চখাপৰ গীত ৰচনা কৰিছিল বুলিও জনা যায়। দুৰ্গেশ্বৰ দ্বিজই এওঁ ৰ ৰাজত্বকালতে ব্ৰহ্মবৈৱৰ্ত পুৰাণৰ প্ৰকৃতি খণ্ড ৰচনা কৰে। পুথিখনিৰ অনুবাদ ৰীতি আৰু কাব্যিক সৌন্দৰ্য্য সৃষ্টিৰ এটি স্বকীয়া বৈশিষ্ট্য আছে। ঘাইকৈ প্ৰকৃতি তত্ত্ব ব্যাখ্যা প্ৰসঙ্গত কবিয়ে দক্ষতাৰে বৰ্ণনা কৰিছে। নাৰায়ণপুৰৰ বৰ কন্দলিৰ বংশত জাত ৰংপুৰ নগৰত স্থাপিত ৰুচিনাথ কন্দলিয়ে মাৰ্কণ্ডেয় চণ্ডী আৰু কল্কি

১। চাং ৰুং ফুকনৰ বুৰঞ্জীত কোবা ধাম, টাঙানি, টৈৰ, চেংজোৱা, কোবাবৰা হেঙ্গল ধামল ডাহাক চাউপাক মিচাক, মৰক, ৰবিয়ালধৰা, কপ, থাউ থাপ মথৰি, পইবা উৰাধৰা ফুকাম, মাহলিধৰা আদি আজিকালি অপ্ৰচলিত ভালেমান শব্দ পোৱা যায়।

২। অশ্বমেধ পৰ্ব ভাৰতৰ মধ্যে সাৰ।
শ্লোক অৰ্থ চাই পদ নিবন্ধিলো তাৰ ॥
শিৱসিংহ ধৰ্মৰাজা গুণে নাৰায়ণ।
কৰন্ত ভকতি সদা কৃষ্ণৰ চৰণ ॥
তাহান আদেশ পাই দ্বিজ শুভনাথে।
ৰচিলো পয়াৰ হৰিপদ ধৰি মাথে ॥

পুৰাণ' নামৰ দুখন পুথি ৰচনা কৰিছিল। মাৰ্কণ্ডেয় চণ্ডীত বিভিন্ন সূত্ৰৰ পৰা সমল আহৰণ কৰি দেৱীৰ মাহাত্ম্য বৰ্ণনা কৰিছে। পুথিখন এই যুগত ৰচিত শাক্ত সাহিত্যৰ এটি উৎকৃষ্ট চানেকি।

তাৰ পুত্ৰ ৰুচিনাথে দুৰ্গাক সেৱিয়া মাথে
চণ্ডীপদ ৰচিলা সম্প্ৰতি।

১৭৬৪ চনত লক্ষ্মীনাথ দ্বিজে মহাভাৰতৰ শান্তিপৰ্বৰ অংশ বিশেষ অনুবাদ কৰি এখন পুথি ৰচনা কৰিছিল। এও ৰো বিষয়বস্তু উপস্থাপন ৰীতি আৰু সহজ সৰল বৰ্ণনাৰে বৈশিষ্ট্য মন কৰিবলগীয়া। মহাভাৰতৰ নীতি শিক্ষা দিয়াটোৱেই পুথিখনৰ মূল উদ্দেশ্য।

ৰাজেশ্বৰসিংহৰ তৃতীয় পুত্ৰ ৰত্নেশ্বৰ গোহাঁই (চাৰু সিংহ) আৰু তেওঁৰ ভাৰ্য্যা প্ৰেমদা কুঁৱৰীৰ আদেশ অনুসৰি ১৭৮০ চনত হৰিবংশৰ অসমীয়া অনুবাদ ৰচনা কৰে।

সেহি বংশে ৰাজেশ্বৰ সিংহ নৰপতি।
শান্ত দান্ত শিষ্ট মিষ্ট অতি শুদ্ধ মতি ॥
তাহান তনয় চাৰু সিংহ মহামতি।
গুণীগণ মধ্যে শ্ৰেষ্ঠ বিপুল শকতি ॥
তান পত্নী প্ৰেমদা নামত মনোনীতা।
সব গুণৱতী যেন দ্ৰুপদ দুহিতা ॥
তাসম্বাৰ আজ্ঞা মুক্তামালা শিৰে ধৰি।
শ্ৰী কবিশেখৰ ভট্টাচাৰ্য্য দ্বিজ হৰি ॥

পুথিখন শুদ্ধ 'হৰিবংশ'ৰ অনুবাদ নহয়। কবিয়ে গাথীৰত চেনি আৰু সোন্দাকল (বৰ্তমান) মিহলোৱাৰ দৰে বিবিধ কথা মিহলি কৰি শেষত কৃষ্ণ আৰু ৰাধাৰ কেলি বিলাস বিস্তৃত বৰ্ণনাৰে প্ৰকাশ কৰিছে। শিৱসিংহৰ ৰাজত্বকালত আৰম্ভ হোৱা শৃঙ্গাৰ ৰসপ্ৰধান সাহিত্যৰ 'হৰিবংশ'ই বৰ্ণনাত সীমা চেৰাই গৈছে। বঙ্গদেশত প্ৰচলিত ৰাধা-কৃষ্ণৰ প্ৰেমৰ আদৰ্শৰ প্ৰভাৱো হৰিবংশ'ত পৰাৰ থল আছে।

ৰাজেশ্বৰসিংহ স্বৰ্গদেৱৰ দিনত ৰচিত সবাতোকৈ চাঞ্চল্য সৃষ্টিকাৰী গ্ৰন্থ হ'ল ৰাজমন্ত্ৰী নুমলী বৰগোহাঁইৰ 'চকৰি ফেঁটি' বুৰঞ্জী। বিখ্যাত লাইথেপেনা বৰগোহাঁইৰ নুমলীয়া সন্তান নুমলী বৰগোহাঁয়ে আহোমসকলৰ বংশ-ইতিহাস

লিখাৰ উপৰিও গদাধৰসিংহৰ ৰাজত্বকালৰপৰা ৰাজেশ্বৰসিংহৰ ৰাজত্ব-কাললৈকে এই সময়ছোৱাৰ ডা ডাঙৰীয়া আৰু বিষয়াসকলৰ নাম আৰু জাতি-ফৈদ আদি উল্লেখ কৰিছিল। আহোমসকলৰ সামাজিক ইতিহাস ৰচনাত এই বুৰঞ্জীখনে প্ৰচুৰ পৰিমাণে সহায় কৰিব পাৰে। ৰাজেশ্বৰসিংহই তেওঁৰ ৰাজত্বকালত সমগ্ৰ ৰাজ্যতে ব্যাপকভাৱে ভ্ৰমণ কৰি সেই ভ্ৰমণৰ বৃত্তান্তসমূহ লিপিবদ্ধ কৰাই এখন বিৰাট বুৰঞ্জী প্ৰণয়ন কৰাইছিল বুলি জনা যায়। টুকুলাই বুৰঞ্জী নামেৰে আহোম ভাষাত লিখা এখন বুৰঞ্জী পোৱা গৈছে। অসমীয়া বুৰঞ্জীখনত সমসাময়িক যুগৰ ভূগোল, বুৰঞ্জী আৰু বিভিন্ন বিষয়ৰ অসংখ্য তথ্য পাতি সন্নিবিষ্ট হৈছিল বুলি সহজেই অনুমান কৰিব পাৰি।

লক্ষ্মীসিংহৰ ৰাজত্বকালত মোৱামৰীয়া উপদ্ৰৱৰ সময়। এই সময়ত সাহিত্য সৃষ্টিৰ পৰিবেশ নাছিল। তদুপৰি ৰজাই পৰ্বতীয়া গোসাঁই আৰু তেওঁৰ উপাসকসকলক পৃষ্ঠপোষকতা নকৰি ৰমানন্দ আচাৰ্য্যত শৰণ লৈছিল। ধৰ্মোদয় নামৰ এখনি নাটক এওঁৰ দিনত ৰচিত হৈছিল বুলি জনা যায়। সেইদৰে গৌৰীনাথসিংহৰ ৰাজত্বকাল বিপ্লৱৰ বতাহত থৌকি-বাথৌ। তাৰে মাজতে গৌৰীনাথসিংহই প্ৰাক্-চুকাফা যুগ সামৰি এখন বুৰঞ্জী ৰচনাৰ বাবে কেইবাজনীয়া টাই পণ্ডিতৰ দল এটা উত্তৰ ব্ৰহ্মৰ শ্যান ৰাজ্যত সমল সংগ্ৰহ কৰিবলৈ পঠাইছিল। সম্ভৱতঃ সেই সমলেৰে এখন বুৰঞ্জী এই সময়তে ৰচিত হৈছিল। ইয়াৰেপৰা তথ্য গোটাই পৰৱৰ্তী যুগত কাশীনাথে বুৰঞ্জীসাৰ ৰচনা কৰিছিল। তদুপৰি এইজনা ৰজাই কেইবাজনো আহোম পণ্ডিত নিযুক্তি দি ১৭৮৬ চনত দুখন অভিধান (অম) যুগুত কৰোৱাইছিল। এখনৰ নাম 'বৰ অম' আৰু আনখনৰ নাম লতি অম। বৰ অম ত আহোম শব্দৰ অসমীয়া প্ৰতিশব্দ আৰু লতি অম ত অসমীয়া শব্দৰ আহোম অৰ্থ সন্নিবিষ্ট হৈছিল। 'বৰ অম'ত আহোম শব্দ যথাসম্ভৱ বৰ্ণানুক্ৰমিকভাৱে সজোৱা হৈছিল। এইখন পুথিত ভালেমান অসমীয়া শব্দ সংৰক্ষিত হৈছে। আনপিনে লতি অম'ত মানুহ সম্পৰ্কীয়, অঙ্গ-প্ৰত্যঙ্গ ঘৰৰ সঁজুলি মাছৰ নাম শাক পাচলিৰ নাম কচু বন ফুল আদিৰ নামৰ তালিকা কৰি লগত আহোম প্ৰতি-শব্দ দিয়া হৈছে। ইয়াত সন্নিবিষ্ট শব্দবোৰে অসমীয়া অভিধান পুৰঠ কৰাত এতিয়াও সহায় কৰিব পাৰে।

কমলেশ্বৰসিংহৰ দিনত সাহিত্য সৃষ্টিৰ কেইবাটাও নিদৰ্শন চকুত পৰে। নুমলী ৰাজমাওৰ আদেশ শিল্পাধাৰ্য্য কৰি কামন্দকীয় নীতিসাৰৰ অনুবাদ

নীতি লতাঙ্কুৰ বাগীশ নামৰ এজনে ৰচনা কৰে। পুথিখন গদ্যত ৰচনা কৰা। এওঁৰ ৰাজত্বকালত ৰচিত অসমীয়া গদ্যৰ এটি উত্তম চানেকি তুংখুংগীয়া বুৰঞ্জী শ্ৰীনাথ দুৱৰা বৰবৰুৱাই সংকলন কৰাইছিল বুৰঞ্জীখনত ৰাজেশ্বৰসিংহৰ ৰাজত্বকালৰপৰা কমলেশ্বৰসিংহৰ ৰাজত্বকাললৈকে পাঁচজন স্বৰ্গদেৱৰ কাৰ্য্যকালৰ সবিশেষ বিৱৰণ পোৱা যায়। বুৰঞ্জীখনত সন্নিবিষ্ট ঘটনাৱলীৰ অনেক কথা বৰবৰুৱাৰ চকুৰ আগতে বা কাৰ্য্যকালতে সংঘটিত হৈছিল। সেয়েহে বুৰঞ্জীখন সাহিত্য আৰু বুৰঞ্জী উভয় দিশৰপৰাই মূল্যবান।

কমলেশ্বৰসিংহৰ ৰাজমন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঁই যথাৰ্থতে ৰাজনীতি শাস্ত্ৰত পাৰ্গত আছিল। তেওঁৰ আদেশ অনুসৰি শ্ৰীকান্ত সূৰ্য্যবিপ্ৰই পশ্চিমা ভাষাৰ গ্ৰন্থ ৰামচৰিত মানসৰ অসমীয়া অনুবাদ কৰে।

তান মহামন্ত্ৰী পূৰ্ণানন্দ মহাধীৰ।
বুঢ়াগোহাঁই পাত্ৰশ্ৰেষ্ঠ পৰম সুথিৰ ॥
মহামন্ত্ৰী কুলে জন্মি প্ৰবীণতা ভৈল।
ৰাজমন্ত্ৰী হুৱা তেহে প্ৰকাশিয়া ৰৈল ॥

* * *

ভক্ততো উত্তম ৰাম চৰণৰ দাস।
তুলসীদাস নাম যে জগতে প্ৰকাশ।
পশ্চিমা ভাষাৰে সিটো গ্ৰন্থ ৰামায়ণ।
পদবন্ধে নিবন্ধিলো কৰিয়া যতন ॥

অনুবাদটি চমু আৰু সৰল।

পুৰুৰাম দ্বিজ নামৰ এজনে প্ৰতাপবল্লভ বৰফুকন (কলীয়া ভোমোৰা বৰফুকন)ৰ পৃষ্ঠপোষকতাত মহাভাৰতৰ শেষৰপৰা বিষয়বস্তু লৈ ১৭২৩ শক (১৮০১ চন) ত এখনি পুথি ৰচনা কৰে। পুথিখনৰ ৰচনা ৰীতিত বিশেষ বৈশিষ্ট্য একো নাই। এইজনা বৰফুকনৰে পৃষ্ঠপোষকতাত 'শঙ্খচূড় বধ' নামৰ এখনি নাটকো ৰচিত হৈছিল।

কমলেশ্বৰসিংহৰ ৰাজত্বকালত ভৱকান্ত মিশ্ৰৰ 'সম্বৰাসুৰ বধ' আৰু আন এখন নাট বিঘেশ-জন্মোদয়' ৰচিত হৈছিল। চন্দ্ৰকান্ত সিংহৰ পৃষ্ঠপোষকতাতো 'কুমৰ হৰণ নামৰ এখনি নাট ৰচিত হৈছিল।

১৮২৮-৩০ চনৰ গমধৰ কোঁৱৰ আৰু পিয়লি ফুকনৰ বিদ্ৰোহৰ চাফুস

বিৱৰণ সন্নিবিষ্ট কৰি ধঞ্জয় বৰগোহাঁই ওৰফে পিয়লিয়া বৰগোহাঁয়ে এখনি বুৰঞ্জী ৰচনা কৰিছিল। সেইদৰে এই সময়তেই কাশীনাথ তামুলীফুকন আৰু ৰাধানাথ বৰবৰুৱাই আসাম বুৰঞ্জী পুথি ৰচনা কৰে। এই সময়তে ৰচিত বিশ্বেশ্বৰ বৈদ্যাধিপৰ বেলিমাৰৰ বুৰঞ্জী' এটি লেখৰ বস্তু। বৈষ্ণৱ সাহিত্যৰ ৰচনা ৰীতিৰে বুৰঞ্জীৰ কাহিনী উপস্থাপন কৰাৰ বোধকৰোঁ এইটিয়েই প্ৰথম প্ৰচেষ্টা। ই ১৮৩৩ চনৰ দুই-এবছৰ পিছৰ ৰচনা।

আহোম যুগৰ অসমীয়া সাহিত্যৰ সবাতোকৈ শ্ৰেষ্ঠ অৱদান বুৰঞ্জী সাহিত্য। যোড়শ শতিকাৰপৰা ৰচনা হবলৈ আৰম্ভ কৰা হেজাৰ বিজাৰ বুৰঞ্জীত লেখকৰ নাম পোৱা নেযায়। শৰাইঘাটৰ যুদ্ধৰ কথা (ৰামসিংহৰ যুদ্ধৰ কথা) যুদ্ধ ক্ষেত্ৰৰ চাক্ষুষ বিৱৰণ। গতিকে ১৬৬৯ ৭০ চনৰ ঘটনা। চক্ৰধ্বজসিংহ বা উদয়াদিত্যৰ আদেশত ৰণলৈ যোৱা দৈৱজ্ঞ অচ্যুতানন্দ দলৈয়েই ৰাজমন্ত্ৰী আতন বুঢ়াগোহাঁইৰ তত্ত্বাৱধানত যুদ্ধৰ বিৱৰণ লিখি ৰাখিছিল। সেইদৰে ৰুদ্ৰসিংহৰ ৰাজত্বকালত বিদেশলৈ পঠোৱা কটকী আৰু বৰাগীসকলেও নিজৰ প্ৰতিবেদন বুৰঞ্জীৰ আকাৰত দাখিল কৰিছিল। অৰ্জুনদাস বৈৰাগী আৰু ৰত্ন কন্দলীয়ে ৰচনা কৰা ত্ৰিপুৰা দেশৰ কথা এটি উৎকৃষ্ট উদাহৰণ। সেই সময়ত বিদেশলৈ যোৱা সকলো বৈৰাগী-কটকীয়েই তেনে একোখন পুথি ৰচনা কৰিছিল।

ৰজাঘৰৰ পোনপটীয়া পৃষ্ঠপোষকতাৰ উপৰিও ৰজাঘৰৰ বদান্যতা লাভ কৰা সত্ৰ-পৰম্পৰাতো অনেক সাহিত্য সৃষ্টি হৈছিল। ৰজাঘৰীয়া বুৰঞ্জীৰ আহিঁত সত্ৰীয়া বুৰঞ্জীসমূহ ৰচিত হৈছিল। তদুপৰি ব্যৱহাৰিক বিজ্ঞানৰ নিদান, চিকিৎসা পদ্ধতি যোঁৰা নিদান 'শেনৰ পুথি' আদিও ৰচিত হৈছিল। আহোম যুগত আহোম ভাষাৰ বুৰঞ্জী সাহিত্য জ্যোতিষ ৰাজনীতি আদি অসংখ্য পুথি ৰচিত হোৱাৰ উপৰিও অসমীয়া ভাষাতো বুৰঞ্জী ধৰ্মীয় গ্ৰন্থ শৃঙ্গাৰ ৰসাত্মক কাব্য শাক্ত আদৰ্শৰ কাব্য নাটক আদি বিভিন্নমুখী সাহিত্যৰ সৃষ্টি হৈছিল। নিজৰ ভাষা এৰি অসমীয়া ভাষাকে মাতৃভাষা হিচাপে লৈ সাহিত্য সৃষ্টিৰ প্ৰচেষ্টা হাতত লৈছিল আৰু গুণী-জ্ঞানী সকলকো প্ৰেৰণা যোগাইছিল। অসমীয়া ভাষাৰ উৎকৰ্ষ সাধনৰ অৰ্থে কৰা আপোশহীনীয়া যত্নৰ পৰিণতি স্বৰূপেই অসমীয়া সংস্কৃতিৰ বৰ-ভঁৰাললৈ ভালেমান কেইপদ আপুৰুগীয়া সম্পদ দান দিবলৈ সক্ষম হয় আৰু সি যুগজয়ী হৈ থাকিব।

বুৰঞ্জী সাহিত্য ঃ এটি সাৰাংশ

বুৰঞ্জী শব্দটো যদিও আধুনিক, অথচ 'হিষ্টৰী শব্দটোৰ সমাৰ্থক হিচাপে গ্ৰহণ কৰা হৈছে বাস্তৱ অৰ্থত বুৰঞ্জী বুলিলে আহোম যুগত ৰচিত এক শ্ৰেণীৰ বিশেষ সাহিত্যকহে বুজায়। বুৰঞ্জী আৰু বুৰঞ্জী ৰচনাৰ পৰম্পৰা আহোমসকল অসমলৈ আহোঁতে লৈ আহিছিল কিন্তু ইয়াক অসমত জাতীয় ঐতিহ্যলৈ উন্নীত কৰি বুৰঞ্জী শব্দটোৰে সকলো প্ৰাচীন আৰু অতীত বিষয়ক তথ্য-পাতি আৰু আলোচনাক সামৰি লোৱা হয়। বৰ্তমান যুগত বুৰঞ্জী শব্দটো সংস্কৃতৰ ইতিহাস আৰু ইংৰাজীৰ হিষ্টৰী শব্দৰ সমাৰ্থক হিচাপে মুকলিকৈ ব্যৱহাৰ কৰা হয়। বুৰঞ্জী সাহিত্য যথাৰ্থতে ভাৰতীয় ভাষাসমূহৰ ভিতৰতে একক আৰু অতুলনীয়। শব্দটো মূলত শ্যামী-চীন ভাষোদ্ভৱ। অসমীয়া ভাষাই নহয় ভাৰতীয় ঐতিহ্যলৈ বুৰঞ্জী সাহিত্য এক মহৎ বৰঙনি। আহোমসকলে তেওঁবিলাকৰ ছশ বছৰীয়া শাসন কালত বুৰঞ্জী ৰচনা সংকলন, সংগ্ৰহ আৰু সংৰক্ষণৰ এক চহকী ঐতিহ্য গঢ় দি তুলিছিল। ব্ৰহ্ম দেশৰ শ্যানসকলৰ বিষয়ে অভিজ্ঞ পণ্ডিত জৰ্জ স্কটে তেওঁৰ পুথিত কৈছে 'The chronicles remain as a valuable legacy to make Assam notable among the Indian provinces" ভাৰতৰ অন্যান্য প্ৰদেশৰ ভিতৰত অসমক বিখ্যাত কৰি তুলিবলৈ বুৰঞ্জীসমূহ বহুমূলীয়া সম্পদ।

আহোমসকলে বুৰঞ্জী চৰ্চা আৰু বুৰঞ্জীৰ পঠন পাঠন শিক্ষাৰ অপৰিহাৰ্য্য অঙ্গ হিচাপে গ্ৰহণ কৰিছিল। বুৰঞ্জীৰ কাহিনীলৈ আঙুলিয়াই ৰাজনীতি আৰু নৈতিক শিক্ষা দিয়া হৈছিল। ৰাজকোঁৱৰ আৰু ডা ডাঙৰীয়াৰ সতি সন্ততিক সকৰেপৰা কাহিনী কোৱাৰ কৌশলেৰে বুৰঞ্জীৰ শিক্ষা দিয়া হৈছিল। প্ৰতাপ সিংহই কটকীৰ আগত তেওঁৰ পূৰ্বৰ ৰজাসকলে কি ক'ত কৰিছিল তাৰ বৰ্ণনা দিয়াৰ এটি উদাহৰণ 'পুৰণি অসম বুৰঞ্জী'ত সন্নিবিষ্ট কৰা হৈছে। বুৰঞ্জীৰ লগতে বু-লান জি, বু-লান-চি, পু-লান চি শব্দৰ প্ৰয়োগো পোৱা গৈছে। চি মানে কাকত document। চীনা ভাষাত বংশাৱলীক 'ছীহ চি' বোলে, থাইতি ভাষাত ছু চি বোলে। চি মানে কাকত লিখা খেলৰ মানুহেই হুন্দ চিছিং আৰু বুৰঞ্জী লেখোৱা বিষয়াজন হুন্দ চিছিং ফুকন। গোমতে

ৰাজমন্ত্ৰী আৰু পিছলৈ বৰবৰুৱাৰ তত্ত্বাৱধানত চিৰিং ফুকনে বুৰঞ্জী লিখাইছিল। অসমীয়া ভাষাত বুৰঞ্জী লিখাৰ লগে লগে 'লেখাৰু' নামৰ এটা খেল স্থকীয়াকৈ সৃষ্টি কৰি লেখকৰ বৰুৱাৰ অধীনত নিয়োগ কৰা হয়। এইদৰে সংকলন কৰা বুৰঞ্জীসমূহ গন্ধীয়া ভঁৰালত অতি যত্নৰে সংৰক্ষণ কৰা হৈছিল। এনে বুৰঞ্জীৰ সংখ্যা একালত শ-হেজাৰৰ হিচাপত ৰচিত হৈছিল যদিও যুগৰ পৰীক্ষাত উত্তীৰ্ণ হৈ বাছি থকা বুৰঞ্জীৰ সংখ্যা ডেৰশমানহে হ'ব বুলি ড° সূৰ্য্যকুমাৰ ভূঞাই ঠাৱৰ কৰিছিল। তাৰো ভালেমান বুৰঞ্জী পোহৰলৈ অহা নাই। বন্ধমূলৈ সংস্কাৰ আৰু যুগজয়ী পৰম্পৰাৰ প্ৰভাৱত এতিয়াও বহুজন সংখ্যাক বুৰঞ্জী গোপনে সংৰক্ষিত হৈ আছে। বিষয় আৰু ৰীতি অনুসৰি বুৰঞ্জীবোৰ ভগাই বিশ্লেষণ কৰি আলোচনা কৰা হোৱা নাই।

আহোম শাসন প্ৰণালীৰ নিয়ম শৃংখলা বিশেষ বৈশিষ্ট্যপূৰ্ণ। দক্ষিণ চীনৰ নানশান (নানছান) নামৰ টাইবংশীয় ৰজাই প্ৰতিষ্ঠা কৰা সাম্ৰাজ্যৰ শাসন প্ৰণালীৰ লগত মিল দেখা যায়। আহোমসকলে মোগলসকলৰ সংস্পৰ্শলৈ অহাৰ আগতেই পাইক প্ৰথা আৰু মাটি মানুহৰ পিয়লৰ নিয়ম প্ৰৱৰ্তন কৰি পিয়লৰ কাকত প্ৰস্তুত কৰি গন্ধীয়া ভঁৰালত ৰখাৰ দিহা কৰিছিল। ইয়াৰ বাবে কাকতি চাংকাকতি আৰু বৰকাকতি তিনি তৰপীয়াকৈ কাকতি নিয়োগ কৰা হয়। মুঠতে আঠজন বৰকাকতিয়ে সকলো হিচাপ নিয়াৰিকৈ আৰু নিয়মীয়াকৈ লিখি ভৰালী-কাকতিৰ যোগেদি গন্ধীয়া ভঁৰালত জমা দিব লাগিছিল। পাইকৰ পিয়লৰ কাকতত পাইকৰ খেল-মেলৰ উপৰিও সংশ্লিষ্ট বিষয়াৰ নাম উল্লেখ আছিল। ইয়াৰ উপৰিও ৰজাঘৰীয়া চিঠি পত্ৰ দাঁতিয়লীয়া গোহাঁই চকীয়াল বিষয়া সেনাপতি, পালি সেনাপতিৰ প্ৰতিবেদন যুদ্ধসন্ধিৰ বিৱৰণ কটকী-বৈৰাগী খাওন্দৰ লিখিত টোকা বৰবৰুৱা আৰু ন্যায়সোধা ফুকনৰ বিচাৰৰ ৰায়, চাংৰুং ফুকনৰ হিচাপৰ কাকত সকলো গন্ধীয়া ভঁৰালত সংৰক্ষিত হৈছিল। পিছত বুৰঞ্জী লেখকে এইবোৰ কাকত পত্ৰ আৰু তথ্যপাতিৰ আলমত সমসাময়িক ৰাজত্বৰ বুৰঞ্জী ৰচনা কৰিছিল। এনে বুৰঞ্জী ৰচনা কৰোঁতে শুদ্ধ তথ্য আৰু নিৰপেক্ষতাৰ প্ৰতি চকু দিয়া হৈছিল। ৰজাঘৰীয়া বুৰঞ্জীৰ প্ৰতিলিপি ডা ডাঙৰীয়া সকলে নিব পাৰিছিল। তাৰে পৰাই ক্ৰমে বুৰঞ্জীৰ সংখ্যা বাঢ়ি গৈছিল। বুৰঞ্জীবোৰক থাইকৈ দুটা

ভাগত ভগাব পাৰি—ৰজাঘৰীয়া আৰু ব্যক্তিগত। ৰজাঘৰীয়া বুৰঞ্জীবে গইনা লৈ অনুসন্ধিৎসু, বুৰঞ্জীপিপাসু লোকে নতুনকৈ বুৰঞ্জী প্ৰণয়ন কৰিছিল। ইয়াকে কৰোঁতে কোনোবাই মূল বুৰঞ্জীৰ ঘটনা অবিকৃত ৰাখি কাহিনীটো বহলাই কিম্বা চমুৱাই কবৰ যত্ন কৰিছিল। কোনোৱে আকৌ বুৰঞ্জীত বিবৃত ঘটনাটো নিজৰ বংশ পৰিয়ালৰ কোনোবা বিষয়াই ৰাজকীয় কাৰ্য্যত কৃতিত্ব অৰ্জন কৰাৰ বাতৰি পালে তাক বহলাই লিখিছিল। কোনো কোনো বুৰঞ্জীত লেখকৰ ব্যক্তিত্ব বৈশিষ্ট্য আৰু ৰচনা ৰীতি জিলিকি পৰি বুৰঞ্জীক সাহিত্য সমৃদ্ধ কৰি তুলিছিল। আনপিনে ৰজাঘৰীয়া বুৰঞ্জীবোৰ তথ্যসমৃদ্ধ নৈৰ্ব্যক্তিক নিৰপেক্ষ ৰূপত তুলি ধৰিছিল।

আহোম যুগত হেজাৰৰ ।হচাপত বুৰঞ্জী ৰচিত হলেও এতিয়া মাত্ৰ ডেৰশমান বুৰঞ্জীৰহে অস্তিত্ব আছে। স্বাভাৱিকতে প্ৰশ্ন উঠে এই বুৰঞ্জীবোৰ ক লৈ গ ল ? গন্ধীয়া ভঁৰালত সংৰক্ষিত হৈ থকা কাকত পত্ৰবোৰ কি হ ল ? অসমৰ সেমেকা জলবায়ু বানপানী ভূমিকম্পৰ নিচিনা নৈসৰ্গিক উৎপাতৰ উপৰিও পইতা চোৰা নিগনি পোক পতঙ্গই হেজাৰ বিজাৰ পুৰণা পুথি ধ্বংসৰ মুখলৈ ঠেলি দিয়ে। বাৰিষা উৰুখনি পানী পৰি সাঁচিপাত বা তুলাপাতবোৰ নষ্ট কৰে ভে কুৰে বা জাপথাই লাগি ধৰি আখৰ মোহাৰি পেলায়। মিৰজুমলাৰ আক্ৰমণ মান মৰাণৰ উৎপাতত ঘৰ দুৱাৰ এৰি পলাও তে অন্যান্য সা সম্পত্তিৰ লগতে বুৰঞ্জী পুথিও হানি হ ল। আহোম শাসন ব্যৱস্থাত সকলো হিচাপ লিপিবদ্ধ অৱস্থাত ৰক্ষিত হোৱা বাবে পাইকে তুৰি-মুৰি কৰিব নোৱাৰিছিল। সেইবাবে আভ্যন্তৰীণ বিপন্নৰীয়েই হওক বা বহিৰ্ আক্ৰমণ কাৰীয়েই হওঁক প্ৰচলিত শাসন-ব্যৱস্থা ছেদেলি-ভেদেলি কৰি পেলাবলৈ ৰজাঘৰীয়া নথিপত্ৰবোৰ ধ্বংস কৰি পেলাবলৈ যত্ন কৰিছিল। দ্বিতীয়তে সামৰিক শক্তি ক্ষয় কৰি দুৰ্বল কৰিবলৈ অস্ত্ৰ শস্ত্ৰবোৰ কবায়ত্ত কৰিছিল। মিৰজুমলা আৰু কেপ্তেইন ৱেলছে অজস্ৰ ধন বস্তু সোণ-ৰূপৰ উপৰিও কেইবাহাজাৰো হিলৈ বৰতোপ আৰু যুঁজৰ নাও লৈ গৈছিল। মিৰজুমলাই গড়গাঁৱত থকা গন্ধীয়া ভঁৰালতো লবা পুৰা কৰিছিল। সবাতোকৈ অধিক ক্ষতি হ'ল মোৱামৰীয়াৰ তৃতীয় বিদ্ৰোহত। এই বিদ্ৰোহত প্ৰত্যক্ষ লক্ষ্য হিচাপে ৰজাঘৰীয়া ঘৰবোৰত জুই দি ধ্বংস কৰা হৈছিল। এনে কৰোঁতে গন্ধীয়া ভ ৰালত সংৰক্ষিত বুৰঞ্জী আৰু অন্যান্য প্ৰশাসনীয় তথ্য-পাতি নথি পত্ৰ

চিঠি আদি চিৰদিনলৈ লোপ পালে। পিয়লৰ কাকত পাইকৰ হিচাপ আদি নষ্ট হৈ যোৱাত আহোম শাসন ব্যৱস্থাক পুনৰ্গঠন কৰা সম্ভৱ হৈ নুঠিল আৰু তাৰেই পৰিণতিস্বৰূপে আহোম ৰাজত্বৰ বেলি মাৰ গ'ল। ইয়াৰ উপৰিও দুবাৰ বজ্ৰপাত পৰি গন্ধীয়া ভঁৰালত জুই লগাৰ কথা বুৰঞ্জীত পোৱা যায়। ৰজাঘৰীয়া আৰু ৰজাৰ কৰ্তৃত্বত সংৰক্ষিত বুৰঞ্জী প্ৰায় সকলো ধ্বংস হৈ গ'ল বৰ্তমানে পাবলৈ থকা বুৰঞ্জীসমূহৰ অধিকাংশই ব্যক্তিগত সম্পত্তিহে।

আহোম বুৰঞ্জীবিদে কেৱল আহোম ৰজাঘৰৰ শাসকীয় বা-বতৰা দি বুৰঞ্জী সঙ্কলন কৰা নাছিল। যুদ্ধ সন্ধি আদিৰ উপৰিও এনে বহুতো কাহিনী আৰু তথ্য পাতি বুৰঞ্জীৰ পাতত সাঁচি থৈ গৈছে যাৰ সহায়ত আধুনিক পদ্ধতিৰে অসমৰ সামাজিক সাংস্কৃতিক ৰাজনৈতিক অৰ্থনৈতিক বুৰঞ্জী প্ৰণয়ন কৰিব পাৰি। তদুপৰি চকীয়াল বিষয়াৰ প্ৰতিবেদন কটকী বৰাগীৰ টোকা ৰজাঘৰীয়া চিঠি পত্ৰৰ আধাৰত দাঁতি-কাষৰীয়া ৰাজ্যসমূহৰ বুৰঞ্জী প্ৰণয়নৰ আহিলাও এৰি থৈ গৈছে। দাঁতি কাষৰীয়া ৰাজ্যৰ উপৰিও ঢাকা বৰ্দ্ধমান কাশ্মীৰ দিল্লী আৰু অম্বৰৰ বিষয়ে বুৰঞ্জী ৰচনা কৰাৰ কথা জনা যায়। ত্ৰিপুৰা বুৰঞ্জী পাদশাহ বুৰঞ্জী ঢাকাৰ বুৰঞ্জী উজ্জ্বল উদাহৰণ। কেৱল সেয়ে নহয় গৌৰীনাথসিংহই কেইজনমান দেওধাই বাইলুং পণ্ডিতক উত্তৰ ব্ৰহ্মৰ টাই ৰাজ্যসমূহত প্ৰাক চুকাফা যুগৰ বুৰঞ্জী ৰচনা কৰিবলৈ সমল আহৰণৰ অৰ্থে প্ৰেৰণ কৰিছিল। কাশীনাথ তামুলী ফুকনে তেওঁৰ বুৰঞ্জীত নৰাদেশৰ বুৰঞ্জীৰ সহায় লোৱাৰ কথা স্পষ্টকৈ উল্লেখ কৰিছে।

বুৰঞ্জী একালত শিক্ষাৰ মাধ্যম তথা পাঠ্য পুথি আছিল। বুৰঞ্জী পঢ়ি, পণ্ডিতে অৰ্থ বুজাই অতীতৰ শিক্ষা অভিজ্ঞতা আৰু আদৰ্শ লৈ আঙুলিয়াই ভৱিষ্যতৰ ইংগিত দিয়ে। ৰজাঘৰীয়া বুৰঞ্জীৰ নীৰস তথ্যবহুল ভাগটো বাদ দি শ্ৰোতাৰ আকৰ্ষণৰ অৰ্থে ৰসালকৈ লিখা হৈছিল। এনে কৰোঁতে লেখকৰ ব্যক্তিত্বৰ পৰশ লাগি সাহিত্যৰ পৰ্য্যায়লৈ উন্নীত হৈছিল। তদুপৰি বুৰঞ্জীসমূহত এনে অনেক কাহিনী সন্নিবিষ্ট হৈছে, য'ত মানৱীয় অনুভূতিৰ ৰসসিক্ত মুহূৰ্তৰ বিৱৰণ আছে। গড়মা কুঁৱৰীৰ ৰোমাণ্টিক কাহিনী, নাংবাক গাভৰুৰ সাহস, মূলা গাভৰুৰ বীৰত্বব্যঞ্জক আদৰ্শ লাচিত বৰফুকনৰ দেশপ্ৰেম, আতন বুঢ়াগোহাঁইৰ ৰাজনৈতিক চিন্তা চৰ্চা জয়মতী

কুঁৱৰীৰ আত্মত্যাগ আদিৰ কাহিনীত সাহিত্যৰ ৰস ফুটি ওলাইছে। লক্ষ্মী সিংহৰ ৰাজত্বকালৰ বৰপাহী বুৰঞ্জী'ত এনে বহু কথা সন্নিবিষ্ট হৈছে য'ত বুৰঞ্জী আৰু সাহিত্যই সমানে ওৰা পাতি আছে। বুৰঞ্জী, অসমীয়া গদ্য সাহিত্যৰ বহুমূলীয়া সম্পত্তি। ষোড়শ শতিকাৰ আদি ভাগৰেপৰাই টাই ভাষাৰ গদ্যৰ আৰ্হিত কথিত ভাষাৰে বুৰঞ্জী ৰচনাৰ কাম আৰম্ভ হয় আৰু সপ্তদশ শতিকাত সম্পূৰ্ণৰূপে বিকশিত হৈ উঠে। বুৰঞ্জীৰ গদ্য ভট্টদেৱৰ কথাগীতা বা ভাগৱত কথাতকৈ সুকীয়া, ই সম্পূৰ্ণৰূপে সমসাময়িক যুগৰ মানুহৰ কথন ভঙ্গীৰ গাত গইনা লৈ সৃষ্টি হৈছে। ই সৰল পোনপটীয়া আৰু জতুৱা। চুটি চুটি বাক্যৰ সহায়ত লেখকৰ বক্তব্য প্ৰত্যক্ষভাৱে উপস্থাপন কৰা হৈছে। ৰজা ডা ডাঙৰীয়া বা বিষয়া আদিৰ উপৰিও সাধাৰণ মানুহৰ মুখৰ কথাও বুৰঞ্জীত প্ৰত্যক্ষ উক্তি হিচাপে সন্নিবিষ্ট হৈছে ইয়েই যুগক প্ৰতিনিধিত্ব কৰিছে। এনে উক্তিবোৰ বিভিন্ন পুথিত একে ধৰণেৰেই সংৰক্ষিত হৈছে। ৰীতিৰ ক্ষেত্ৰত আৰু ভাষাৰ বিষয়ত এটা কথা প্ৰণিধানযোগ্য যিহেতু বুৰঞ্জীবোৰ চাৰিশ বছৰৰ ভিতৰত বিভিন্ন ঠাইত বিভিন্ন জনৰ প্ৰতিভাৰে বিকশিত হৈ উঠিছে গতিকে ৰীতি সলনি হোৱাটো বা ৰচনাশৈলী স্বকীয়া হোৱাটো স্বাভাৱিক। কোনোখন বুৰঞ্জীত তৎসম শব্দৰ প্ৰাচুৰ্য্য কোনোখনত টাই শব্দৰ ব্যঞ্জনা আকৌ কোনোখনত পাৰ্চী আৰবী শব্দৰো অনুপ্ৰবেশ দেখা যায়। চাংৰুং ফুকনৰ বুৰঞ্জীত সাহিত্যৰ ৰস নাই স চা কিন্তু অভিধানিকৰ বাবে বহুতো বহুমূলীয়া শব্দ আছে। ভাব প্ৰকাশৰ অৰ্থে নতুন শব্দ সৃষ্টিৰ প্ৰয়াসো মন কৰিবলগীয়া। বুৰঞ্জীত ব্যৱহৃত বহুত ভাবাৰ্থব্যঞ্জক শব্দ আধুনিক ব্যৱহাৰত অপ্ৰচলিত হৈ পৰিছে। ভাষা শব্দ ৰচনা ৰীতি সকলো বিষয়তে বুৰঞ্জীসমূহ চহকী আৰু একক।

বুৰঞ্জীবোৰ সাহিত্যিক গুণসমৃদ্ধ হৈ উঠাৰ কিছুমান কাৰণো নোহোৱা নহয়। জতুৱা ঠাচ ফকৰা যোজনা আদি খাপখোৱাকৈ ব্যৱহাৰ কৰাৰ উপৰিও ভাৰতীয় সংস্কৃত-সাহিত্যৰ উৎস তিও মন কৰিবলগীয়া। বুৰঞ্জীত সন্নিবিষ্ট ৰাজবংশসমূহৰ উৎপত্তি সৃষ্টিধৰ্মী উপকথামূলক। ইয়াৰ ভাষা আৰু কথন ভঙ্গীও অনুৰূপ। আনপিনে কাহিনীৰ মাজত মৰ্মস্পৃশ সাধুকথাও সোমাই থৈ গৈছে। তদুপৰি প্ৰাক আহোম যুগৰ কামৰূপৰ বিষয়ে লিখা দুটা-এটা কথাত কল্পনাধৰ্মী কাহিনীৰ গোন্ধ পোৱা যায়। কিন্তু বাকী সকলো বুৰঞ্জীৰ বাস্তৱতা বিকৃত নকৰাকৈ ৰচনা কৰা সত্য ঘটনাৰ অনুৰূপ বিৱৰণ। লক্ষ্য কৰিবলগীয়া, বিভিন্ন সময়ত বিভিন্নজনে যুগুত কৰা এইবুৰঞ্জীবোৰৰকাহিনীৰ সত্যতাৰ মিল আছে। উত্তৰ গুৱাহাটীত উদ্ধাৰ হোৱা সুকুমাৰ মহন্তৰ ঘৰৰ অসম বুৰঞ্জীখনৰ লগত শিৱসাগৰত পোৱা এখন বুৰঞ্জীৰ হুবহু মিল

আছে। সেইদৰে আতন বুঢ়াগোঁহাইৰ বুৰঞ্জীৰ কেইবাটাও কপি পোৱা গৈছে প্ৰত্যেকতো বাক্যাংশ বা শব্দৰ সামান্য সাল সলনি ঘটিলেও ঘটনাৰ বিকৃতি ঘটা নাই। সাতসৰী অসম বুৰঞ্জী'ত সাতখন স্বকীয়া স্বকীয়া পুথি সন্নিবিষ্ট হৈছে। বিভিন্ন যুগৰ আৰু বিভিন্নজনে লিখা এই বুৰঞ্জী কেইখনৰ ভাষা ৰচনা ৰীতি আৰু সাহিত্যিক মূল্যৰ বৈচিত্ৰ্য লক্ষণীয়। আন্তৰ্জাতিক খ্যাতি সম্পন্ন প্ৰাচ্যবিদ এ এল ভাছাম ভাষাতত্ত্ববিদ গ্ৰিয়েৰচন, অন্যতম পণ্ডিত সুনীতি কুমাৰ চট্টোপাধ্যায় এডৱাৰ্ড গেইট আদিয়ে বুৰঞ্জী সাহিত্যৰ ঐতিহাসিক মূল্য গদ্য শৈলী ভাষা সাহিত্যিক মূল্য ইয়াৰ স্বকীয় বৈশিষ্ট্য সম্পৰ্কে উচ্চমত পোষণ কৰি গৈছে। তেওঁবিলাক আটায়েই এই বিশিষ্ট ৰচনাৰাজিৰ প্ৰাচুৰ্য্য আৰু ঐশ্বৰ্য্যৰ বিষয়ে একমত আৰু ই যে ভাৰতীয় সংস্কৃতি আৰু সাহিত্যৰ বুৰঞ্জীলৈ এক অপূৰ্ব ৰৰঙনি তাক দৃঢ়তাৰে ঘোষণা কৰিছে। ডঃ সূৰ্য্যকুমাৰ ভূঞাই তেওঁৰ দ্বাৰা সম্পাদিত প্ৰতিখন বুৰঞ্জীৰ পাণ্ডিত্যপূৰ্ণ পাতনিতে বুৰঞ্জী সাহিত্যৰ বৈচিত্ৰ্য বৈশিষ্ট্য আৰু বৈজ্ঞানিক মূল্যায়নৰ কথা আলোচনা কৰিছে। এই বিষয়ত ডঃ ভূঞাৰ ৰৰঙনিৰ তুলনা নাই। বুৰঞ্জীৰ ঘটনাৱলীৰ মাজত চৰিত্ৰৰ চাৰিত্ৰিক বৈশিষ্ট্যত এনে বহুতো সাহিত্যিক সমল নিহিত হৈ আছে যে তাক আহৰণ কৰি অনেক কাব্য নাটক উপন্যাস ৰচনা কৰিব পাৰি। এই ক্ষেত্ৰত মাথোন মন কৰিবলগীয়া, বুৰঞ্জীৰ ঘটনা আৰু চৰিত্ৰসমূহ অসমৰ জনমানসত ইমান উজ্জ্বলকৈ সাঁচ বাহি আছে যে বুৰঞ্জীৰ বাস্তৱতা বিকৃত কৰি অধিক পৰিমাণে কল্পনাৰ ৰহণ সানিলে পাঠক অসন্তুষ্ট হয়। সি যি কি নহওক বুৰঞ্জী সাহিত্য, বুৰঞ্জী আৰু সাহিত্য উভয়তে সমানে চহকী। বিস্তৃত আলোচনাৰ বাবে এতিয়াও এখন বহল, সাৰুৱা পথাৰ পৰি আছে।

বুৰঞ্জীৰ সমপৰ্য্যায়ৰ বা একে ৰীতি আৰু বিষয়-বস্তুৰ ৰচনা ভাৰতীয় আধুনিক ভাষাৰ ইতিহাসত পাবলৈ টান হ'লেও মাৰাঠী, ৰাজস্থানী, পাঞ্জাবী নেৱাৰী আৰু ফাৰ্চী ভাষাত বুৰঞ্জীমূলক সাহিত্য পোৱা যায়। ভাৰতীয় সংস্কৃত সাহিত্য, ধৰ্ম সাহিত্য দৰ্শন সকলোতে চহকী হ'লেও অসমৰ বুৰঞ্জীৰ সমপৰ্য্যায়ৰ সাহিত্যত আক্ষেপপূৰ্ণভাৱে নিঃস্ব। ইতিহাস শ্ৰেণীৰ ৰচনাত সংস্কৃত ভাষা স্বাভাৱিকতে আগবঢ়া কিন্তু ইতিহাস ধৰ্ম অৰ্থ, কাম, মোক্ষ সাধনৰ অৰ্থে ৰচিত কাল্পনিক, অৰ্দ্ধ-বাস্তৱ বা কল্পনা-বাস্তৱ মিশ্ৰিত কাহিনী মাত্ৰ। দক্ষিণ পূব এছিয়া আৰু চীনদেশৰ মঙ্গোলীয় জনগোষ্ঠীৰ

মাজত অতি পূৰণিকালৰে পৰা ৰজা ৰাজকীয় প্ৰশাসনীয় নথি পত্ৰ সংগ্ৰহ কৰি তাৰে সমল লৈ বুৰঞ্জী ৰচনা কৰাৰ পৰম্পৰা গঢ় লৈ উঠিছিল, সেইদৰে অদৃষ্টবাদী আৰ্য্যসকলে জন্ম-মৃত্যুৰ কক্ষপথত ঘূৰি ফুৰা মানুহৰ কাহিনীৰ সংৰক্ষণৰ আৱশ্যকতা অনুভৱ নকৰিছিল। সেয়েহে বুৰঞ্জীৰ পৰ্য্যায়ৰ সাহিত্যৰ অভাৱ। এই ক্ষেত্ৰত কাশ্মীৰত পোৱা কলহনৰ ৰাজতৰঙ্গিনী একমাত্ৰ ব্যতিক্ৰম। পণ্ডিতসকলে ইয়াক বহিৰ্ভাৰতীয় প্ৰভাৱৰেই পৰিণতি বুলি ঠাৱৰ কৰিছে। কোনোৱে ইয়াক ইছলামী প্ৰভাৱ আৰু কোনোৱে ইয়াক চীনা সংস্কৃতিসম্মত তিব্বতী প্ৰভাৱ বুলি ক'ব খোজে। বিষয়বস্তু উপস্থাপন ৰীতিলৈ লক্ষ্য কৰিলে ইয়াৰ লগত অসমৰ বুৰঞ্জী সাহিত্যৰ সমধৰ্মিতা অনুভূত হয় আৰু চীনা সংস্কৃতিৰ লগত সম্পৰ্ক স্থাপন কৰিবলৈ মন যায়। সুদূৰ ত্ৰয়োদশ-চতুৰ্দশ শতিকাতেই নেৱাৰী ভাষাত লিখা বংশাৱলীসমূহ পোৱা গৈছে। নতুনকৈ হিন্দু ধৰ্মত দীক্ষিত আহোমসকল আৰু নেপালী মঙ্গোলীয়সকলৰ এইবিধ বিশিষ্ট সাহিত্যৰ মাজত মিল আছে। আহোম সকলৰ দৰেই বংশাৱলীসমূহ থলুৱা নেৱাৰী ভাষাত ৰচিত হৈছিল। নেপালী সকলেও তিব্বতৰ মাজেদি চীনৰ লগত ৰাজনৈতিক সাংস্কৃতিক আৰু বাণিজ্যিক সম্পৰ্ক গঢ় দি তোলাৰ কথা চীন ভাষাৰ বুৰঞ্জীত স্পষ্টকৈ পোৱা যায়। ৰাজস্থানৰ গাঁথাসমূহ আৰু মাৰাঠী বাখাৰবোৰত বুৰঞ্জীমূলক তথ্য পাতি সংৰক্ষিত হ'লেও সূক্ষ্ম দৃষ্টিৰে পৰ্য্যবেক্ষণ কৰিলে অসমীয়াৰ বুৰঞ্জী সাহিত্য অধিকতৰ নিৰ্ভৰযোগ্য সমল বুলি প্ৰতীয়মান হয়। সেইদৰে পাঞ্জাবী ভাষাত ৰচিত বুৰঞ্জীমূলক ৰচনাৱলী শিখ ধৰ্মকেন্দ্ৰী আৰু গুৰুনিৰ্ভৰ। এইবোৰ আমাৰ গুৰু-চৰিতসমূহৰ লগতহে বিজাব পাৰি। আমাৰ গুৰু-চৰিত বোৰত বহুতো ঐতিহাসিক সমল থাকিলেও ৰূপ আৰু ৰীতিৰ ক্ষেত্ৰত বুৰঞ্জীৰ দৰে নিতান্ত নিৰপেক্ষ নিৰ্ভৰশীল আৰু নিৰ্ভেজাল তথ্যপূৰ্ণ সমল নহয়। মোগল যুগত বিকশিত হৈ উঠা ফাৰ্চী ভাষাত ৰচিত তাৰিখ' বা বুৰঞ্জীৰ সংখ্যা বহুজন হ'লেও সুনীতি কুমাৰ চট্টোপাধ্যায়ৰ নিচিনা পণ্ডিতে অসমীয়া বুৰঞ্জী সাহিত্যৰ লগত তুলনা কৰি মন্তব্য কৰিছে, ফাৰ্চী ভাষাৰ বুৰঞ্জী লেখকৰ অতিৰঞ্জন আৰু প্ৰশংসাবৰ্ষণ—প্ৰৱণতাৰ উপৰিও সত্য তথ্য উত্থাপন কৰাতকৈ পাণ্ডিত্য প্ৰদৰ্শনৰ প্ৰচেষ্টা ধৰা পৰে। সেয়েহে অসমীয়া বুৰঞ্জী সাহিত্য ভাৰতীয় সাহিত্যত একক আৰু অতুলনীয়।

টাইসকলে অতি প্ৰাচীন কালৰেপৰা বুৰঞ্জী ৰচনাৰ ঐতিহ্য গঢ় দি তুলিছিল

চুকাফা অসমলৈ আহোঁতে লগত বুৰঞ্জী লাইশাস্ত্ৰ লৈ আহিছিল। চীন দেশত চৰকাৰী লেখাৰু নিযুক্তি দি বুৰঞ্জী লেখোৱাৰ দিহা কৰাৰ দৰে টাইসকলেও উক্ত দায়িত্ব পালন কৰিবলৈ চিৰিং নিযুক্তি দিছিল। চুকাফাৰ লগত লাউত নামৰ চিৰিং এজন অহাৰ উপৰিও দুজন পণ্ডিতৰ নাম উল্লেখ আছে। পোনতে উক্ত দুজন পণ্ডিতৰ পৰামৰ্শমতেই চিৰিঙে আহোম ভাষাত বুৰঞ্জী লিখিছিল। পিছত ৰাজমন্ত্ৰীৰ অধীনত উক্ত দায়িত্ব অৰ্পণ কৰি চিৰিং ফুকনক নিযুক্তি দিয়ে। পঞ্চদশ শতিকামানৰপৰা আহোমসকল দ্বিভাষী হ'বলৈ আৰম্ভ কৰে আৰু শেহতীয়াকৈ ষোড়শ শতিকাৰ আৰম্ভণিৰে পৰাই অসমীয়া ভাষাত বুৰঞ্জী ৰচনাৰ কাম আৰম্ভ হয় আৰু প্ৰশাসনীয় কাম-কাজত অসমীয়া ভাষা কাৰ্যকৰী ভাষা হিচাপে স্বীকৃত হয়। আহোম ভাষাৰ চৰ্চা তেতিয়াও অব্যাহত থাকিল। সেই কাম চিৰিং ফৈদৰ আৰু দেওধাই-বাইলুঙ বংশৰ মানুহে চলাবলৈ ধৰিলে। অসমীয়া ভাষাৰ কাম চলাবলৈ লেখাৰু নামৰ এটা খেল প্ৰতিষ্ঠিত হ'ল। চিৰিং ফুকনে ৰজাঘৰীয়া পূজা পাতল আৰু ধৰ্মীয় কাম-কাজ পৰিচালনা কৰাৰ উপৰিও বুৰঞ্জী প্ৰণয়নৰ গুৰু দায়িত্বও পালন কৰিছিল। বিষয় আৰু দায়িত্ব বৃদ্ধি হোৱাৰ লগে লগে বুৰঞ্জী প্ৰণয়ন বিভাগ পুনৰ্গঠন কৰা হয়। চিৰিং ফুকনৰ সহকাৰী হিচাপে বৰচিৰিং বৰুৱা দেওধাই ফুকন দেওধাই বৰুৱা বাইলুং ফুকন বাইলুং বৰুৱা মজিন্দাৰ বৰুৱা কাকতি কটকী বৰাগী আদি বিষয়াও সংশ্লিষ্ট হৈ পৰিছিল। কীৰ্তিচন্দ্ৰ বৰবৰুৱাৰ দিনত বুৰঞ্জী প্ৰণয়নৰ মুখ্য দায়িত্ব ৰাজমন্ত্ৰীৰ হাতৰ পৰা বৰবৰুৱাৰ হাতলৈ অনা হয়। ৰাজমন্ত্ৰীৰ হাতত দায়িত্ব থাকোঁতে আতন বুঢ়াগোহাঁই বাইলুঙীয়া সোণাই বুঢ়াগোহাঁই আৰু নুমলী বৰগোহাঁয়ে বুৰঞ্জী প্ৰণয়ন কৰাইছিল। সেইদৰে বৰবৰুৱাৰ হাতলৈ ক্ষমতা আহোঁতে শ্ৰীনাথ দুৱৰা বৰবৰুৱাই 'তুংখুঙীয়া বুৰঞ্জী', ৰাধানাথ বৰবৰুৱাই কাশীনাথ তামুলী ফুকনৰ বুৰঞ্জী সংশোধন কৰিবলৈ কৰ্তৃত্ব পাইছিল। এনেকৈ যথানিয়মে ৰচিত বুৰঞ্জী গন্ধীয়া ভঁৰালত সংৰক্ষিত হৈছিল। ৰজায়ো যদি বুৰঞ্জী পঢ়িব বা শুনিবলৈ ইচ্ছা কৰে তাক সংশ্লিষ্ট বিষয়াৰ যোগেদি হিচাপ বাখি আনিছিল আৰু মাহেকৰ মূৰত পুনৰ হিচাপ লিখি জমা দিছিল। বুৰঞ্জীবোৰ সাধাৰণতে লেখকৰ সমসাময়িক ঘটনাৰ বিৱৰণ। পিছত এনে টুকুৰা টুকুৰি বুৰঞ্জীৰ সমল মিলাই বিস্তৃত বুৰঞ্জী ৰচনা কৰিছিল। যথাৰ্থতে এই খণ্ড-বুৰঞ্জীবোৰ প্ৰত্যেকৰে প্ৰত্যেকেই অনুপূৰক আৰু পৰিপূৰক।

অসমৰ বুৰঞ্জী পুথি সংগ্ৰহৰ বিষয়ে ১৮৯৪ চনত পোনপ্ৰথমে যত্ন কৰা হয়। গেইট চাহাবে সোতৰখন বুৰঞ্জী সংগ্ৰহ কৰি তাৰে সমল লৈ ১৯০৫

চনত বিখ্যাত হিষ্টৰী অব আসাম [১] ৰচনা কৰি প্ৰকাশ কৰে। ইয়াৰ আগতে পুৰণি বুৰঞ্জীৰ সমল আহৰণ কৰি ১৮২৮ চনতে হলিৰাম ঢেকিয়াল ফুকনে বঙলা ভাষাত আসাম বুৰঞ্জী' ৰচনা কৰে। ১৮৮৪ চনত গুণাভিৰাম বৰুৱাই তেওঁৰ আসাম বুৰঞ্জী প্ৰকাশ কৰে। ১৮৯৯ চনত পদ্মনাথ গোহাঞিবৰুৱাই তেওঁৰ অসম বুৰঞ্জী শিশু উপযোগীকৈ উলিয়ায়। ১৮৮০ ১৯০০ চনৰ ভিতৰত পদ্মেশ্বৰ নাওবৈছা ফুকনে তেওঁৰ বুৰঞ্জী আৰু ১৯২৪ চনত হিতেশ্বৰ বৰবৰুৱাই আহোমৰ দিন ৰচনা কৰে। ইতিমধ্যে চৰকাৰী উদ্যোগত বুৰঞ্জী সংগ্ৰহৰ কাম আৰম্ভ হয় আৰু ১৯২৬ চনত বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ প্ৰতিষ্ঠিত হয়। এই বিভাগে অতি কম সময়ৰ ভিতৰতে দহখনমান বুৰঞ্জী সম্পাদনা কৰি প্ৰকাশ কৰে। ড সূৰ্য্যকুমাৰ ভূঞাই ওপৰোক্ত বুৰঞ্জীসমূহ সম্পাদনা কৰাৰ উপৰিও বুৰঞ্জীৰ সমলেৰে লাচিত বৰফুকন এণ্ড হিজ টাইমচ আতন বুঢ়াগোহাঁই এণ্ড হিজ টাইমচ এঙ্গলো আচামীজ ৰিলেশ্যনচ আৰু ৰাজেশ্বৰ সিংহ নামৰ বুজন বুৰঞ্জী মূলক পুথি ৰচনা কৰাৰ উপৰিও ভালেমান কেইখন সৰু সুৰা পুথি আৰু অসংখ্য প্ৰবন্ধ লিখি থৈ যায়। ইতিমধ্যে নগেন্দ্ৰনাথ আচাৰ্য্যই বুৰঞ্জী সমলৰ ওপৰত গৱেষণা কৰি মেডিযেভেল হিষ্টৰী অব আসাম ৰচনা কৰে। সৰ্বানন্দ ৰাজকুমাৰৰ 'ইতিহাসে সোঁৱৰা ছশটা বছৰ আন এখনি বুৰঞ্জীৰ তথ্যসমৃদ্ধ গ্ৰন্থ। সি যি কি নহওক অসমত আধুনিক বিজ্ঞানসম্মত বুৰঞ্জী এখন ৰচনাৰ বাবে প্ৰচুৰ সমল থাকিলেও তেনে এখন বুৰঞ্জী ৰচিত হোৱা নাই। তেনে এখন প্ৰামাণ্য বুৰঞ্জী ৰচনাৰ বাবে অসমৰ বুৰঞ্জী সাহিত্য তথ্যসমৃদ্ধ নিৰ্ভৰযোগ্য বহুমূলীয়া সমল।

১। গেইট চাহাবৰ বুৰঞ্জীখনৰ কেইবাটাও সংস্কৰণ ওলাইছে। ১৯২৬ চনত গেইটে নিজে সংশোধন আৰু পৰিবৰ্দ্ধন কৰি দ্বিতীয় সংস্কৰণ প্ৰকাশ কৰে। ১৯৬৩ চনত ড° বিৰিঞ্চিকুমাৰ বৰুৱা আৰু এইচ ভি-এচ মুৰ্ত্তিৰ যুটীয়া সম্পাদনাত তৃতীয় সংস্কৰণ ওলায়। ১৯৬৭ চনত অৰ্থাৎ বিৰিঞ্চিকুমাৰ বৰুৱাৰ মৃত্যুৰ পাছত উক্ত তৃয়োজনৰে নামত চতুৰ্থ সংস্কৰণ এটা কলিকতাৰপৰা প্ৰকাশিত হয়। এইটো সংস্কৰণত উদ্দেশ্যপ্ৰণোদিতভাৱে তাৎপৰ্য্যপূৰ্ণ দুই এটা শব্দ কিম্বা তথ্যৰ সাল সলনি কৰা চকুত পৰিছে। ১৯২৬ চনত প্ৰকাশিত দ্বিতীয় সংস্কৰণৰ এটি হুবহু সংস্কৰণ গুৱাহাটীৰপৰা প্ৰকাশিত হৈছে।

বুৰঞ্জী সাহিত্যৰ এটি দিশ

আহোম যুগত পুৰণি বুৰঞ্জীবোৰ বিচাৰ কৰিবৰ বেলিকা আমি দুটা ভাগত ভাগ কৰি লব পাৰোঁ—ৰজাঘৰীয়া বা চৰকাৰী আৰু ব্যক্তিগত। আহোমসকল অতি পুৰণি কালৰেপৰা লিখা পঢ়া বিদ্যাত পাকৈত জাতি আছিল।[১] প্ৰব্ৰজন কৰি আহোঁতে নামকিয়ু নৈৰ পাৰত থকা থামজাং ৰাজ্য পাওঁতে চুকাফাই লগৰ মানুহ লিখি চাই দেখা পালে তিনিকুৰিজন মৰিল আৰু সাতজন হেৰাল। সেয়েহে তেতিয়াই লগত অহা পণ্ডিতক যি মৰে যাক পায় বাটত যি ঘটনা ঘটে তাক লিখি থবলৈ আদেশ দিলে।[২] আহোম সকলৰ শিক্ষা সংস্কৃতিৰ ক্ষেত্ৰত বুৰঞ্জী জ্ঞান একান্ত প্ৰয়োজনীয় আছিল। সৰু লৰা ছোৱালী আৰু ডেকাক সাধুকথাৰ চলেৰে আৰু বয়সীয়াসকলক বুৰঞ্জী পঢ়ি শুনাই বুৰঞ্জীৰ ঘটনা আৰু পৰিণতিৰ কথা বহলাই বুজাই কৈছিল।[৩] স্বৰ্গদেউসকলৰ পক্ষেও বুৰঞ্জী লিখিবলৈ সকলো সুবিধা কৰি দিয়াটো ৰাজকীয় কৰ্তব্যৰ ভিতৰত আছিল। তেও দায়িত্বপূৰ্ণ বিষয়া নিয়োগ কৰি ৰাজ্যৰ বিভিন্ন ঘটনা লিপিবন্ধ কৰি সংৰক্ষণ কৰাৰ দিহা কৰিব লাগিছিল। এই নথি পত্ৰবোৰৰ ভিতৰত সেনাপতি আৰু পালি সেনাপতি সকলে দিয়া যুদ্ধক্ষেত্ৰৰ বিৱৰণ দাঁতিয়লীয়া গোহাঁইসকলে দিয়া সাময়িক প্ৰতিবেদন ৰজাঘৰীযা চিঠিপত্ৰ বিচাৰৰ ৰায় পিয়লৰ কাকত আৰু সৰু বৰ সকলো ঘটনাৰ বিৱৰণ ডা ডাঙৰীয়াসকলৰ তাৎপৰ্য্যপূৰ্ণ উক্তি আৰু আন কি বিশেষত্বপূৰ্ণ নৈসৰ্গিক ঘটনাৰ বিৱৰণো সংগ্ৰহ কৰি ৰজাৰ গন্ধীয়া ভঁড়ালত সংৰক্ষণ কৰা হৈছিল।[৪] সকলো চৰকাৰী নথি পত্ৰকে ৰাজকীয় সম্পত্তি হিচাপে পৰিগণিত কৰা হৈছিল। যেতিয়া ঢাকাৰ নবাব আজমতৰাই দিয়া ৰাজনৈতিক তাৎপৰ্য্যপূৰ্ণ চিঠিখন গন্ধীয়া ভঁড়ালত বিচাৰি পোৱা নগৈছিল, তেতিয়া গদাধৰসিংহই মাধৱচৰণ কটকীক কঠোৰ শাস্তি দিয়াৰ ভাবুকি দিছিল আৰু তাৰেই পৰিণতি স্বৰূপে চিঠিখন বিচাৰি চলাপাত কৰি আনি ৰজাক

১। দ্ৰ পদ্মেশ্বৰ গগৈ, The Tai and the Tai Kingdoms P 543

২। দ্ৰ সূৰ্য্যকুমাৰ ভূঞা সম্পাদিত অসম বুৰঞ্জী, Introduction, P XX XVI.

৩। একে।

৪। একে।

দিছিল আৰু কৃতিত্বৰ চিনস্বৰূপে ৰজাৰপৰা উপহাৰ লাভ কৰিছিল।[৫] অন্ততঃ ১৯২ খন চিঠি আহোম যুগত বিনিময় হৈছিল আৰু তাৰ প্ৰতিলিপি বুৰঞ্জীবিলাকৰ বুকুত পোৱা যায়।[৬] এইবিলাকো ৰাজ-ভঁড়ালত সংৰক্ষিত হৈছিল। ৰজাঘৰীয়া বুৰঞ্জী লেখকৰ তত্ত্বাৱধানত সংকলন কৰা বুৰঞ্জীবিলাক সৰল, বিস্তৃত আৰু আবেগ বহিভূৰ্ত ঘটনাৰ নিৰহ নিপানী বিৱৰণ। ইয়াত ব্যক্তিগত অভিমত দিবৰ বাবে বা আবেগিক ভাব প্ৰকাশৰ ঠাই নাই। ড সূৰ্য্যকুমাৰ ভূঞাই কৈছে যিহেতু বুৰঞ্জীলেখকে ৰজাঘৰৰপৰা দায়িত্ব পাইছিল সেইবাবে তেওঁ কালৈকো দৰ ভয় নকৰি বা কাম কৰোঁতাক প্ৰশংসা নকৰি মুলৈ ঘটনাটোহে বিবৃত কৰিছিল।[৭] এই বুৰঞ্জীবিলাক পক্ষপাতিতা বা অন্যধৰণৰ একপক্ষীয় বা বাৰ্তাৰিৰপৰা মুক্ত আছিল আৰু সদায়েই সত্য ঘটনাৰ প্ৰকৃত বিৱৰণৰূপে প্ৰতিষ্ঠিত হৈছিল। সেইবাবে ই নিৰ্ভৰযোগ্য আছিল। কিয়নো ই ৰজাঘৰীয়া নথি পত্ৰৰ প্ৰত্যক্ষ বিৱৰণ সংৰক্ষণ কৰিছিল। বা বিষয়াসকলে যি কোনো বিষয়ৰে নহওক আৰু চমু বা বিস্তৃত যিয়েই নহওক তাক ৰাজভঁড়ালত ৰাখি থোৱা হৈছিল। পোন-প্ৰথমে এই নথি পত্ৰবোৰ ৰাজনৈতিক কামত ব্যৱহাৰৰ বাবেই সংৰক্ষণ কৰা হৈছিল। এইটো দুঃখৰ কথা যে এনেকৈ সংৰক্ষণ কৰা বুৰঞ্জীসমূহ হয় নাশ পায় নহয় ধ্বংস কৰা হয়। শত্ৰুৰ আক্ৰমণৰ সময়ত এই ঘটনা ঘটে। মোগল সেনাপতি মিৰজুমলাৰ অসম আক্ৰমণৰ সময়ত ৰাজভঁড়াল থাৰঘৰ আৰু ৰাজকাৰেং লুণ্ঠন কৰাৰ উপৰিও স্বৰ্গদেওসকলৰ মৈদামবোৰ থান্দি ৰীতি অনুসৰি লগত দিয়া সোণ-ৰূপ আ অলঙ্কাৰ তুলি লৈ যায়। মোৱামৰীয়া বিদ্ৰোহৰ সময়ত গড়গাঁও আৰু ৰংপুৰত থকা সকলো ৰজাঘৰীয়া ঘৰ-দুৱাৰ পুৰি ধ্বংস কৰা হৈছিল।[৮] শেহতীয়াকৈ মানৰ আক্ৰমণত সকলো ধৰণৰ সম্পত্তিয়েই ধ্বংসপ্ৰাপ্ত হয়। শতিকাজোৰা উপপ্লৱৰ অন্তত স্বাভাৱিকতে কেইখনমান বুৰঞ্জীহে সাক্ষীস্বৰূপে বাচি থাকে।

সাংস্কৃতিক দিশত আহোমসকল সদায়েই মুক্ত আছিল। তেওঁলোকৰ সকলোৰেপৰা সমল আহৰণ কৰাৰ গুণ আছিল। ৰাজকীয় আৰু সামাজিক মৰ্য্যাদা সহকাৰে বিভিন্ন জাতি-গোষ্ঠীৰ মানুহক নিজৰ ফৈদলৈ তুলি লৈছিল।

৫। একে, P XI,

৬। ড° সূৰ্য্যকুমাৰ ভূঞা, বৰগীত পাঠক, পৃঃ ১১।

৭। ড° সূৰ্য্যকুমাৰ ভূঞা, Atan Buragohain and His Times, P 349

৮। ড সূৰ্য্যকুমাৰ ভূঞা সম্পাদিত তুংখুঙীয়া বুৰঞ্জী, পৃঃ ৮৭।

একে সময়তে তেওঁবিলাক আছিল তেওঁবিলাকৰ বংশ গৌৰৱ আৰু পূৰ্বপুৰুষৰ কৃতিত্বৰ প্ৰতি সদাসচেতন। আহোমসকলৰ সম্ভ্ৰান্ত ফৈদবিলাকৰ মাজত আহোম ভাষা আৰু বুৰঞ্জী জনাটো আৰু অন্ততঃ এখন বুৰঞ্জী নিজৰ ঘৰত থকাটো গৌৰৱৰ কথা বুলি ভাবিছিল। ৰজা আৰু ডা ডাঙৰীয়াসকলে ৰাজনৈতিক আলোচনা কৰোঁতে আহোম ভাষা ব্যৱহাৰ কৰিছিল।[৯] আৰু সেইদৰেই বুৰঞ্জীক লাই শাস্ত্ৰ অৰ্থাৎ ৰাজনৈতিক বিজ্ঞানৰ পুথি বুলি সন্মান কৰি ছিল।[১] প্ৰতিজন ডা ডাঙৰীয়াই ঘৰত একোখন বুৰঞ্জী ৰাখি উঠি অহা বংশধৰসকলক শিক্ষা দিয়াৰ ব্যৱস্থা কৰিছিল। বুৰঞ্জীক কোনো কোনোৱে পুলান চি বুলিছিল। ইয়াৰ অৰ্থ হ'ল ককাদেউতাকে নাতিয়েকহঁতক কোৱা বুৰঞ্জীৰ সাধু। ষোড়শ শতিকাৰপৰা আহোমসকলে অসমীয়া ভাষাত বুৰঞ্জী ৰচনা কৰিবলৈ ধৰে। ৰাজকোঁৱৰ আৰু ডা ডাঙৰীয়াসকলে পোৱা সা সুবিধাসমূহ লাভ কৰিবলৈ ঘৰত এখন বুৰঞ্জী আৰু বংশাবলী ৰখাটো একান্ত প্ৰয়োজনীয় কথা বুলি বিবেচনা কৰা হ'ল আৰু পাছলৈ ই প্ৰায় পৰ পৰালৈ পৰিবৰ্তিত হয়। চুকাফাৰ লগত নিচেই সামান্য সংখ্যক মূল টাইবংশীয় মানুহ আহিছিল। আহোম ৰাজ্যৰ প্ৰতিষ্ঠাৰ তিনিশ বছৰৰ ভিতৰতে বিৰাট সংখ্যক অন্য টাই মানুহক নিজৰ জাতলৈ তুলি লয় আৰু পৰিণতিস্বৰূপে সমন্বয়ৰ বাট মুকলি হয়। যিসকল লোকে ৰজাঘৰীয়া মৰ্য্যাদা বিচাৰি আপত্তি তুলিছিল তেওঁবিলাকৰ বংশাৱলী আৰু বংশ বিচাৰ কৰাটো চুহুংমুং দিহিঙ্গীয়া ৰজাই প্ৰয়োজনীয় বুলি ভাবিছিল। যিসকলে উপযুক্ত নথি পত্ৰৰে প্ৰমাণ দিবপৰা নাছিল তেওঁবিলাকক বিনৈগুটি বুলি নিজৰ নিজৰ খেলৰপৰা বাদ দিছিল। এইদৰে বিৰাট সংখ্যক কোঁৱৰ আৰু গোহাঁই মানুহক বিনৈগুটি কৰা হৈছিল।[১১] তেতিয়াৰপৰা ব্যক্তিগত প্ৰচেষ্টাৰে বুৰঞ্জী লিখি অতি সাৱধানে আৰু গোপনীয়ভাৱে সংৰক্ষণ কৰা পৰম্পৰাৰ সৃষ্টি হয়। সকলো সম্ভ্ৰান্ত বংশীয় আৰু লিখা-পঢ়া জনা আহোম মানুহেই ৰাজকীয় দৃষ্টিত নিজক ৰক্ষা কৰিবলৈ বুৰঞ্জী লিখি নিজক সংৰক্ষণ কৰাটো একান্ত প্ৰয়োজনীয় কৰ্ত্তব্য বুলি ভাবিছিল। সেইবাবে আজিকালি পাবলৈ থকা বুৰঞ্জীবিলাকৰ ভিতৰত ৰজাঘৰীয়া বুৰঞ্জীতকৈ ব্যক্তিগত প্ৰচেষ্টাৰে লিখা বুৰঞ্জীৰ সংখ্যাহে সৰহ।

৯। E Gait, History of Assam, P 121 (2nd Edition)

১ । ড° সূৰ্য্যকুমাৰ ভূঞা, ৰাজেশ্বৰ সিংহ, পৃ° ৩২ লাই=ৰাই ; লাইশাস্ত্ৰ =ৰাজনীতি শাস্ত্ৰ , বুৰঞ্জীও এবিধ লাইশাস্ত্ৰ।

১১। বিনৈ এবিধ বন গাইলাখ খানৰ দৰে। আহুধানৰ মাজত গজে। প্ৰাইকেও খেতিয়কে বিনৈ বন বাছি উঘালি পেলায়।

ৰজাঘৰীয়া প্ৰচেষ্টাৰে লিখোৱা বুৰঞ্জী আৰু অন্যান্য নথিপত্ৰসমূহ নিয়ম অনুসৰি চাবলৈ ৰবৰবুৱা আৰু তিনিজনা ডাঙৰীয়াৰ সুবিধা আছিল। এইদৰে চৰকাৰী নথি পত্ৰ আৰু পুৰণি বুৰঞ্জী চাই যেতিয়া এজন ডাঙৰীয়া বা এজন শিক্ষিত মানুহে নতুনকৈ বুৰঞ্জী লিখে স্বাভাৱিকতে তেওঁৰ পছন্দ অনুসৰি কিছু কথাৰ যোগ বিয়োগ কৰে। আনপিনে ৰজাঘৰীয়া চৰকাৰীনথি পত্ৰবোৰ কিন্তু নৈৰ্ব্যক্তিক আৰু একান্তই বস্তুনিষ্ঠ তথ্যৰ বিৱৰণ মাত্ৰ। যেতিয়া কোনো ব্যক্তিবিশেষে এখন বুৰঞ্জী লিখে স্বাভাৱিকতে তেওঁৰ ব্যক্তিত্বৰ কিছু প্ৰভাৱ পৰে আৰু ইয়েই বুঁৰঞ্জীখনলৈ সাহিত্যৰ ৰূপ আৰু ৰসৰ গোন্ধ কাঢ়িযাই আনে। ব্যক্তিগত সংকলয়িতাই তেওঁৰ বুৰঞ্জী সংকলন কৰে াতে তেওঁৰ ব্যক্তিগত পৰিয়াল বা বংশৰ পটভূমিত কোনো এটি সৰু ঘটনাকো তাৎপৰ্য্য বুলি বিবেচনা কৰি লিপিবদ্ধ কৰিব পাৰে। মূল বুৰঞ্জীমূলক ঘটনা বিকৃত নকৰি বা তথ্য পাতিৰ হানি বিঘিনি নঘটাকৈ তেওঁৰ নিজা বুৰঞ্জী সংক্ষিপ্ত বা বিস্তৃত কৰি লিখে। এইটো তেওঁৰ নিজৰ আচানিৰ ভিতৰুৱা কথা। এই সময়ত বুৰঞ্জী লেখকজনে তেওঁৰ সমসাময়িক ব্যক্তি ঘনিষ্ঠ সম্পৰ্কীয়ই হওক বা ৰজাঘৰীয়া ক্ষমতাশীল বা বিষয়াই হওক তেওঁবিলাকৰ জীৱনৰ সঁচা অথচ কলংকপূৰ্ণ ঘটনাও লিপিবদ্ধ কৰে। এনে বুৰঞ্জীয়ে স্বাভাৱিকতে আনৰ লগত শত্ৰুতাৰ সৃষ্টি কৰে। সেইবাবেই এনে বুৰঞ্জী অতি গোপনীয়ভাৱে সংৰক্ষণ কৰা হয়।

সৰহভাগ বুৰঞ্জীৰেই লেখকৰ নাম নথকাটো মন কৰিবলগীয়া। ইয়াক প্ৰায় নীতিগতভাৱেই গ্ৰহণ কৰা হৈছিল।[১২] সি যি কি নহওক ব্যক্তিগতভাৱে লিখিত আৰু সংৰক্ষিত বুৰঞ্জীৰ সংখ্যা অধিক। আজিও তেনেকুৱা ভালেমান বিখ্যাত বুৰঞ্জী আহোম সম্ভ্ৰান্ত পৰিয়ালত অতি গোপনে সংৰক্ষণ কৰা হৈছে। স্বাভাৱিকতে এইটো ওপৰত উল্লেখ কৰি অহা কাৰণৰ বাবেই হৈছে।

নিৰ্ভৰশীলতা আৰু তথ্য পাতিৰ সত্যতাৰ দিশৰপৰা এই শ্ৰেণীৰ বুৰঞ্জীকো উলাই কৰিব নোৱাৰি। কাৰণ তেওঁবিলাকে নিজৰ ভৱিষ্যৎ বংশধৰসকলক শিক্ষা দিবলৈকো এনে ব্যৱস্থা কৰিছিল। ভাৰতীয়

১২। ড° সূৰ্য্যকুমাৰ ভূঞা সম্পাদিত অসম বুৰঞ্জী Introduction, P XLII

আৰ্য্যসকলে ধৰ্ম, অৰ্থ কাম মোক্ষৰ শিক্ষা দিবলৈ ইতিহাস আৰু পুৰাণ ৰচনা কৰিছিল। আহোমসকলেও সেইদৰে ৰাজনৈতিক জ্ঞান সামাজিক পটভূমি সামৰিক কৌশল বংশগত সম্পৰ্ক আৰু সবাবো উপৰি তেওঁৰ পূৰ্বপুৰুষে ৰজা আৰু দেশৰ প্ৰতি কি বৰঙনি দি গৈছিল সেইটো লিপিবদ্ধ কৰি নিজৰ ভৱিষ্যৎ বংশধৰ সকলক উপযুক্ত কৰি তুলিবলৈ বুৰঞ্জী লিখি তাৰ চৰ্চাৰ ব্যৱস্থা কৰিছিল। সেইবাবে ব্যক্তিগত বুৰঞ্জীসমূহো অতি সতৰ্কতাৰে সংকলন কৰিছিল আৰু পক্ষপাতিতা বা ঘটনা বিকৃতি পৰাপক্ষত পৰিত্যাগ কৰিছিল।

নুমলী বৰগোহাঁইয়ে সংকলন কৰা চকৰিফেটী নামৰ বুৰঞ্জীখন এনেকুৱা ব্যক্তিগত সংকলনৰ এটি প্ৰকৃত উদাহৰণ।[১৩] এই পুথিখন একান্ত বিতৰ্কমূলক আৰু ই সমসাময়িক যুগত ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছিল। এই বুৰঞ্জীখনত প্ৰায় সকলো বিখ্যাত ফৈদ আৰু বংশ আৰু খেলৰ বিষয়ে বিস্তৃত বিৱৰণ আছে। কীৰ্তিচন্দ্ৰ বৰবৰুৱা ওৰফে গেন্ধেলা বৰবৰুৱা মূলতে এজন সাধাৰণ পাইক আছিল। নিজৰ যোগ্যতা আৰু দক্ষতাৰ বলত তেওঁ বৰবৰুৱা পদলৈ উঠিছিল। তেওঁৰ পূৰ্বপুৰুষ এজন চৰাইদেউৰ দেওঘৰৰ চই জৰী বা জলমবটা আছিল।[১৪] পৰিয়ালটো মূলত সাধাৰণ ধৰণৰ। নুমলী বৰগোহাঁইয়ে তেওঁৰ বুৰঞ্জীত কীৰ্তিচন্দ্ৰক জলমবটা বুলি লিখাত স্বাভাৱিকতে ক্ষুব্ধ হৈছিল। কাৰণ সেই সময়ত তেওঁ মৰ্য্যাদা আৰু ক্ষমতাৰ ক্ষেত্ৰত ৰাজ্যৰ সকলোৰে ওপৰত আছিল। তথ্যগতভাৱে কথাটো সঁচা।

ব্যক্তিগত বুৰঞ্জীবিলাক পক্ষপাতমূলক উদ্দেশ্যপ্ৰণোদিত নহয় যদিও তাত সত্যৰ ভেটিত লিখা কোনো কোনো তিক্ততাপূৰ্ণ কথা থাকে কীৰ্তিচন্দ্ৰ বৰবৰুৱাই যেতিয়া ৰজাৰ আদেশত বুৰঞ্জীবিলাক পৰীক্ষা কৰোৱাৰ কাম কৰিছিল টেঙৰ সংগ্ৰাহকসকলে কীৰ্তিচন্দ্ৰ বৰবৰুৱাৰ নামটো কটাৰীৰে চুঁচি নাইকিয়া কৰি দিছিল নতুবা সেইপাতটো লুকুৱাই থৈছিল।[১৫] যদিও কীৰ্তিচন্দ্ৰ বৰবৰুৱাই অনেক পুথি ধ্বংস কৰিছিল তেওঁৰ নিজৰ সত্য কথাটো মচিব নোৱাৰিলে। এই বুৰঞ্জীয়ে জনসাধাৰণৰ মাজত বিশেষ জনপ্ৰিয়তা অৰ্জন কৰিছিল। সেয়েহে মানুহে আজিও যি কোনো বুৰঞ্জীকে চকৰিফেটী বুৰঞ্জী বুলি কয়। এনেকুৱা ব্যক্তিগত পৰ্য্যায়ত লিখিত আন

১৩। ড° সূৰ্য্যকুমাৰ ভূঞাই নুমলী বৰগোহাঁইক বিখ্যাত লাইথেপেনা বৰগোহাঁইৰ নাতিয়েক বুলি ভুল কৰিছে। বংশাৱলী মতে নুমলীয়া পুতেক।

১৪। অসমীত পোৱা পুৰণি বুৰঞ্জী ৩৭ নম্বৰ পাত।

১৫। চকৰিফেটি সাঁচিপতীয়া বুৰঞ্জী ৮ নম্বৰ পাত।

এখন বুৰঞ্জী হ'ল মণিৰাম দেৱানৰ বুৰঞ্জী বিবেকৰত্ন (১৮৩৮)।[১৬] ৰজা পুৰন্দৰসিংহৰ আদেশত লিখা আন এখন বুৰঞ্জী হ'ল কাশীনাথ তামুলী ফুকনৰ 'অসম বুৰঞ্জী পুথি (১৮৩৫)। এই বুৰঞ্জী দুখনৰ ৰচনাৰ কালৰ পাৰ্থক্য যদিও মাত্ৰ তিনিবছৰ তথাপি ব্যক্তিগত আৰু ৰজাঘৰীয়া বুৰঞ্জী দুখনে স্পষ্টকৈ দাঙি ধৰিব পাৰে।

যেতিয়া এজন বুৰঞ্জী লেখকে বুৰঞ্জী ৰচনা কৰিবলৈ কাম হাতত লয় তেতিয়া তেওঁ সাধাৰণতে চাৰিটা সূত্ৰৰপৰা সমল আহৰণ কৰে। (ক) পোনপটীয়া প্ৰতিবেদন বা চাক্ষুস বিৱৰণৰ পৰা (খ) মৌখিক বা-বাতৰিৰপৰা (গ) নথিপত্ৰৰপৰা আৰু (ঘ) পুৰণা বুৰঞ্জীৰপৰা। আহোম বুৰঞ্জীবিদে সমসাময়িক ঘটনাৰ বিৱৰণ লিখি ৰাখিছিল। শ্ৰীনাথ দুৱৰা বৰবৰুৱাৰ তুংখুঙীয়া স্বৰ্গদেৱৰ বংশাৱলীৰ কথা (১৮০৪) পোনপটীয়া আৰু প্ৰত্যক্ষ বিৱৰণৰ এটি উজ্জ্বল নিদৰ্শন। মূল বুৰঞ্জীখনৰ সকলো ঘটনা তেওঁৰ চকুৰ আগতে ঘটিছিল আৰু তেওঁ প্ৰত্যক্ষ বিৱৰণ সংগ্ৰহ কৰিবলৈ সক্ষম হৈছিল।[১৭] তেওঁ যেনেকৈয়ে দেখিছিল ঘটনাবোৰ হুবহু তেনেকৈয়ে বৰ্ণনা কৰিছিল। গমধৰ কোঁৱৰৰ বুৰঞ্জী নামে জনাজাত ধনজয় বৰগোহাঁইৰ বুৰঞ্জীখনো ঊনবিংশ শতিকাৰ তৃতীয় দশকত ৰচিত।[১৮] ধনজয় নিজে গমধৰ কোঁৱৰৰ বিদ্ৰোহৰ এজন সহকৰ্মী আছিল। তেওঁ চকুৰে দেখি দিয়া বিৱৰণখিনি তেনেকৈয়ে সংৰক্ষণ কৰিছিল। শৰাইঘাটৰ যুদ্ধৰ কথা নামৰ অনামী বুৰঞ্জীখনো প্ৰত্যক্ষদৰ্শীৰ চাক্ষুস বিৱৰণ মাত্ৰ।[১৯] তেওঁ যুদ্ধক্ষেত্ৰৰ সেনাপতি আৰু পালি সেনাপতিসকলৰ শ্ৰীচেহেৰা অস্ত্ৰ শস্ত্ৰ আৰু কাৰ্য্য কলাপৰ চিত্ৰ জলজল পটপটকৈ দাঙি ধৰিছে। এই শ্ৰেণীৰ বুৰঞ্জীবিলাক তথ্যৰ দিশৰপৰা অতি নিৰ্ভৰযোগ্য আৰু আধুনিক ইতিহাস ৰচনাৰ বাবে ইয়াক প্ৰামাণ্য সমল হিচাপে গ্ৰহণ কৰিব পাৰি। এইবিধ বুৰঞ্জীত বছৰ, মাহ তাৰিখ আৰু আনকি দিনটোৰ পৰ দণ্ড আদিও উল্লেখ কৰা থাকে। সময়ানুক্ৰমণিকাৰ দিশৰ পৰাই অতি লাগতিয়াল।

ৰজাঘৰীয়া বুৰঞ্জী লেখকসকলে অন্যান্য সূত্ৰৰপৰা অৰ্থাৎ নথিপত্ৰ, চিঠি আৰু প্ৰতিবেদনো আলোচনা কৰে। আনকি ৰজাঘৰীয়া চিঠি পত্ৰবিলাক বুৰঞ্জীৰ পাতত হুবহু উদ্ধৃত কৰা হয়। ৰজাঘৰীয়া বুৰঞ্জীবিলাক সৰ্বসাধাৰণতে বুৰঞ্জী লেখকজনৰ সমকালীন ৰচনা এইবিলাক সময়ে সময়ে

১৬। DHAS Bulleth, No 2 P 54,

১৭। পাতনি P 111

১৮। ড° লীলা গগৈ ; হেৰোৱা দিনৰ কথা, পৰিশিষ্ট

১৯। ড° ভূঞাই ইয়াৰ লেখক মমূৱ চুড়ামণি বুলি ঠাৱৰ কৰিছে।

সংকলন কৰি শৃংখলাবদ্ধভাৱে সংৰক্ষণ কৰা হয়। ব্যক্তিগত বুৰঞ্জীলেখক তেওঁৰ মনোমতকৈ সমসাময়িক ঘটনাৰ বুৰঞ্জীও ৰচনা কৰিব পাৰে। কিন্তু তেওঁৰ জীৱনৰ আগভাগৰ ঘটনাখিনি সামৰিবলৈ তেওঁ আন পুৰণা বুৰঞ্জী বা সমলৰ ওপৰত নিৰ্ভৰ কৰিব লাগে।

আহোমসকলৰ ভিতৰত ডাঙৰে সৰুক বুৰঞ্জী কোৱাৰ পৰম্পৰাও প্ৰচলিত আছিল। পুৰোহিত আৰু বুৰঞ্জীজ্ঞ ব্যক্তিয়ে তেওঁবিলাকৰ পূৰ্বপুৰুষ সকলৰ কাৰ্য্যকলাপৰ বিষয়ে আলোচনা কৰি সমজুৱাক জনাইছিল।[২] আৰ্য্যসকলে যেনেকৈ স্মৃতি পুৰষানুক্ৰমে মৌখিকভাৱে হস্তান্তৰিত কৰিছিল, সেইদৰে পিতৃপৰা পুত্ৰলৈ তথা নাতি পৰিনাতিলৈ কেতবোৰ বিশেষ প্ৰয়োজনীয় কথা থৈ আৰু কৈ গৈছিল। সেয়েহে বুৰঞ্জীলেখকে কোনো কোনো ঠাইত শুনা মুখে বুলি উল্লেখ কৰিছিল। এনেধৰণৰ বুৰঞ্জীত কেতিয়াবা সৰু সুৰা ভুল থাকি যোৱাটো স্বাভাৱিক। কিন্তু ইয়াক অন্যান্য নিৰ্ভৰযোগ্য বুৰঞ্জী আলোচনা কৰি সহজে দূৰ কৰিব পাৰি।

তৃতীয়শ্ৰেণীৰ বুৰঞ্জীবিলাক ৰজাৰ গন্ধীয়া ভঁড়ালত থকা চৰকাৰী নথি পত্ৰসমূহ জুকিযাই তাৰপৰা তথ্য আহৰণ কৰি বুৰঞ্জীৰ ৰূপত সংকলন কৰা হয়।

বুৰঞ্জীখন ৰচনা কৰাৰ আগতে এই ঘটনাসমূহ আৰু সময়ানুক্ৰমণিকা জুকিযাই লোৱা হয়।[২১] এই ধৰণৰ বুৰঞ্জী পোনপটীয়াকৈ ৰাজমন্ত্ৰী আৰু পাছলৈ বৰবৰুৱাৰ পৰিচালনাত ৰচিত হয়। এই ক্ষেত্ৰত চিৰিংফুকন বৰচিৰিং বৰুৱা দেওধাই ফুকন বাইলুং বৰুৱা মজিন্দাৰ বৰুৱা কাথবৰুৱা লেখাৰু কাকতি কটকী আদি বিষযাও সংশ্লিষ্ট হৈ পৰে। এই শ্ৰেণীৰ বুৰঞ্জীবিলাকেই হৈছে সবাতোকৈ নিৰ্ভৰযোগ্য সমল। ইয়াক ব্যৱহাৰ কৰি একোখন আধুনিক আদৰ্শৰ বৈজ্ঞানিক বুৰঞ্জী ৰচনা কৰিব পাৰি।

চতুৰ্থ শ্ৰেণীৰ বুৰঞ্জীবিলাক ক'বলৈ গ'লে ৰজাঘৰত বা ব্যক্তি বিশেষৰ হাতত পোৱা পুৰণি বুৰঞ্জীৰ সম্পূৰ্ণ বা আংশিক প্ৰতিলিপি মাত্ৰ। সূক্ষ্ম পৰ্য্যবেক্ষণৰ অন্তত আমি দেখা পাইছোঁ এনেকৈ প্ৰতিলিপি যুগুত কৰোঁতে কেতিয়াবা নাম সলনি হয়, অৰ্থৰ পৰিৱৰ্তন ঘটে, শব্দ আৰু ব্যাক্যাংশ বাদ পৰে আৰু হাতৰ আখৰৰ খেলিমেলিৰ বাবে অৰ্থবিকৃতি ঘটে। ই কেতিয়াবা বিভ্ৰান্তিৰ সৃষ্টিও কৰে। যি লিপিকাৰৰ যথেষ্ট বুৰঞ্জীজ্ঞান থাকে বা ভুল-শুদ্ধ নিৰূপণ কৰাৰ ক্ষমতা থাকে তেওঁ আকৌ বিৱৰণবোৰ যুগুত কৰোঁতে কেতিয়াবা যোগ বিয়োগো কৰে। একে ঘটনাকে বৰ্ণনা কৰিলেও শব্দ,

২। বিয়াৰ চকলঙত নমাত বুৰঞ্জী আবৃত্তি কৰা হয়।

২১। ড° সূৰ্য্যকুমাৰ ভূঞা, ৰাজেশ্বৰ সিংহ, পৃ° ৩১।

বাক্যাংশ আৰু কেতিয়াবা সম্পূৰ্ণ বাক্যও সন্নিবিষ্ট কৰা দেখা যায়। দেওধাই অসম বুৰঞ্জী' আৰু সাতসৰী অসম বুৰঞ্জী'ত সন্নিবিষ্ট বাঁহগৰীয়া আতন বুঢ়াগোহাঁইৰ বুৰঞ্জীখনলৈকে আঙুলিয়াব পাৰি। দুযোটা পাঠেই ঘটনাৰ দিশৰপৰা একে। কিন্তু প্ৰকাশভঙ্গী সুকীয়া।[২২] লেখাৰু বা লিপিকাৰসকলে খুনীযাকৈ প্ৰতিলিপি তৈয়াৰ কৰিব জানিছিল কিন্তু তেওঁবিলাকৰ ভাষাজ্ঞান নাছিল। সেযেহে যথাদৃষ্টং তথা লিখিতং বুলি প্ৰতিলিপিৰ অন্তত লিখি গৈছিল। সি যি কি নহওক এইবিধ বুৰঞ্জীযেও প্ৰাচীন পৰম্পৰা ৰক্ষা কৰি সমাজৰ কামত আহিছিল। এই চাৰিও শ্ৰেণীৰ বুৰঞ্জীৰ ভিতৰত প্ৰত্যক্ষ ঘটনাৰ বিৱৰণ সংগ্ৰহ আৰু নথি পত্ৰৰ ওপৰত নিৰ্ভৰ কৰি লিখা বুৰঞ্জীযেহে সবাতোকৈ প্ৰামাণ্য আৰু নিৰ্ভৰযোগ্য। বুৰঞ্জীৰ সম্বল হিচাপেও ই অতি মূল্যবান। আহোমসকলৰ বাহিৰেও অন্যান্য জাতিৰ মানুহেও বুৰঞ্জী এখন ঘৰত ৰখাটো অতি প্ৰয়োজনীয় কথা বুলি ভাবিছিল”। সেয়েহে আহোমসকলৰ হাতৰপৰা অন্যান্য বুদ্ধিজীৱী বা বিষয়াৰ হাতলৈ বুৰঞ্জী ৰচনাৰ দায়িত্ব পাৰ হৈ গৈছিল।

বহুতো সত্ৰ আৰু অনা আহোম হিন্দু পৰিয়ালত বুৰঞ্জী সংৰক্ষণ কৰা দেখা গৈছে। আহোম ৰজাৰ ৰাজধানী গড়গাঁও নগৰৰ দাঁতিযে-কাষৰে বসবাস কৰা পুৰণি বা বিষয়া আৰু ডা ডাঙৰীযাৰ পৰিযালত বহুসংখ্যক বুৰঞ্জী পোৱা গৈছে। কিন্তু এইটো সত্য যে গড়গাঁও বা ইয়াৰ ওচৰ কাষৰপৰা উদ্ধাৰ হোৱাৰ উপৰিও কোচবিহাৰ বৰপেটা উত্তৰ গুৱাহাটী নগাও তেজপুৰ গোলাঘাট মাজুলী শদিয়া আদি ঠাইৰপৰা বুৰঞ্জী উদ্ধাৰ হৈছে আৰু এইবিলাকৰ গৰাকী সৰহভাগেই অনা আহোম। এইটো সত্য যে শিৱসাগৰ জিলাৰ আহোম অধ্যুষিত অঞ্চলৰপৰাই সৰহভাগ বুৰঞ্জী উদ্ধাৰ কৰা হৈছে। এইটো কোৱা টান এতিয়ালৈকে কিমান বুৰঞ্জী গোপনীয় অৱস্থাত সংৰক্ষিত হৈছে। যিবোৰ বুৰঞ্জী উদ্ধাৰ কৰা হৈছে ইযাৰ অধিকাংশই ব্যক্তিগত পৰ্যায়ৰ। সেয়া হলেও বিভিন্ন ঠাইৰপৰা উদ্ধাৰ কৰা বুৰঞ্জীবিলাকৰ তথ্য পাতিৰ মিলো দেখা যায়। ড সূৰ্যকুমাৰ ভূঞাই কৈছে বুৰঞ্জীৰ সংখ্যা এশ পঞ্চাশৰ অধিক। ইয়াক বিভিন্ন সময়ত বিভিন্ন ঠাইৰ লেখকে বিভিন্ন দিশৰপৰা লিখিছে। সেয়ে হলেও উল্লেখযোগ্য ঘটনাবিলাক সকলো সময়তে একে দেখা যায়।[২৩] তেওঁ পুনৰ কৈছে কোনোখন বুৰঞ্জী একেজন লেখকৰ একেখন হাতৰ। কিন্তু কোনোখন বুৰঞ্জী আকৌ বিভিন্ন লেখকৰ ৰচনাৰ একো একোটি সংগ্ৰহ আৰু সংকলন মাত্ৰ। এনে ধৰণৰ অধ্যায়বিলাক একো একোজন ৰজাৰ ৰাজত্বকালত শেষ

২২। সাতসৰী অসম বুৰঞ্জীৰ পাঠ অধিক নিৰ্ভৰযোগ্য আৰু শৃঙ্খলাপূৰ্ণ।

২৩। ড ভূঞা সম্পাদিত অসম বুৰঞ্জী Introduction, XXXVIII

হৈছে। সেইদৰে এই বুৰঞ্জীবিলাক প্ৰতিখনৰ অনুপূৰক আৰু পৰিপূৰক। একে যুগ বা একে বিষয়বস্তুৰ দুখন বুৰঞ্জী একে আকাৰ প্ৰকাৰৰ নহবও পাৰে। কোনো এখন দুটা পাততে সামৰি থোৱা বিধৰ আকৌ কোনোখন হয়তো দহপাত জুৰি আছে। কোনোবাই হয়তো কোনো একোটা ঘটনা বিশেষ উল্লেখযোগ্য বুলি নাভাবি নিলিখিবও পাৰে। আকৌ কোনোবাই হযতো তেনেই সৰু অথচ সূক্ষ্ম ঘটনা এটাও লিখি থৈ যায। সেইবাবে এখন পূৰ্ণাঙ্গ বুৰঞ্জী ৰচনাৰ বাবে এখন পুৰণি বুৰঞ্জীয়েই যথেষ্ট নহয়। সৰুৱেই হওক বা ডাঙৰেই হওক সকলো বুৰঞ্জীযেই এখন নতুন বুৰঞ্জী ৰচনাৰ বাবে সহাযক।[২৪] একোখন পুৰণি পুথিত কেতিযাবা এটা বা কেতিয়াবা সৰহীযাকৈ স্বকীযা ভাগ পোৱা যায। এনেধৰণৰ ভাগবিলাকত কেতিয়াবা একো একোটা স পূৰ্ণ নতুন তথ্য সংৰক্ষিত হয।

হেমচন্দ্ৰ গোস্বামীযে সম্পাদনা কৰা পুৰণি অসম বুৰঞ্জীখন এখন মাত্ৰ বুৰঞ্জী নহয। তদুপৰি ইয়াৰ ঘটনাৰ সমযানুক্ৰমণিকাও ৰক্ষা কৰা নাই। সম্ভৱত ১—২৫ ২৬—৭৪ ৭৪—৭৭ ৭৭—১৬২ ১৬২—১৬৪ আৰু ১৬৮—২০১ প্ৰত্যেকেই একো একোটা সম্পূৰ্ণ সুকীযা ভাগ আৰু বেলেগ সময়ত ৰচিত হৈছিল কিন্তু একে থুপতে সংৰক্ষণ কৰা হৈছিল। সময়ানুক্ৰমণিকাই এই ভাগবোৰৰ স্বকীযতা প্ৰমাণ কৰে। উদাহৰণ স্বৰূপে ১৬৮৭ চনৰ মিৰি যুদ্ধৰ (১৬০ পৃ°) কথাৰ পাছত ১৬৪৬ চনৰ চুংঙ্গৰ যুদ্ধৰ (১৬২ পৃ) কথা দেখা পোৱা যায়। সেইদৰে ১৬৪ পৃষ্ঠাত কটকী এজনক শাস্তি দিয়াৰ পুৰণা কথা এটাৰ উল্লেখ কৰা হৈছে। তাৰপাছত আকৌ ১৪৮৩ চনত জগন্নাথত পুখুৰী খন্দোৱাৰ কথা ওলাইছে। একে পৃষ্ঠাতে পিক চাই চোতিযাক বৰফুকন ভঙাৰ কথা আছে। ইয়াৰ উপৰিও জয়ধ্বজসিংহই (১৬৪৮—১৬৬৩) চতুৰ্ভুজ আৰু একাদশ কটকীক মিৰ্জানাথুলাৰ ওচৰলৈ পঠোৱা কথা আছে। এই পৃষ্ঠাকেইটা স্বাভাৱিকতে কোনো নিয়মীযা বুৰঞ্জীৰ পাত নহয়। সম্পাদক গোস্বামীযে কোনো টোকা আদি নিদিয়াকৈয়ে হুবহু পাতকেইটা ৰক্ষা কৰিলে। বৰপেটা সত্ৰৰপৰা উদ্ধাৰ কৰা বুৰঞ্জীখন 'তুংখুঙ্গীয়া স্বৰ্গদেউৰ বংশাৱলী ৰ কথা নামৰ বুৰঞ্জীখনৰ ঘটনাৰ হুবহু মিল থকালৈ চাই বিভিন্ন ঠাইত ৰচিত হোৱা বুৰঞ্জীবিলাক যে নিৰ্ভৰযোগ্য তথ্যৰ ভেটিতহে ৰচিত হৈছিল আৰু ইখন সিখনৰ কেৱল প্ৰতিলিপি নহয় সেইকথা প্ৰমাণিত হৈছে। মুঠতে অসমৰ 'বুৰঞ্জী সাহিত্য সাধাৰণভাৱে অপ্ৰয়োজনীয় বিৱৰণ অতিৰঞ্জন আৰু পক্ষপাতমূলক তথ্যৰপৰা সকলো সময়তে মুক্ত।

২৪। একে।

অসমৰ বুৰঞ্জী সাহিত্য সম্পৰ্কে সুনীতিকুমাৰ চট্টোপাধ্যায়ে কৈছে, "আহোমসকলৰ যথাৰ্থতে বাস্তব বুৰঞ্জীজ্ঞান আছিল। তেওঁবিলাকে ভাৰতীয় সাহিত্যলৈ একক একশ্ৰেণীৰ শৃংখলাবদ্ধ বুৰঞ্জী দান দি থৈ গৈছে। এনে বুৰঞ্জী দেশ বংশ আৰু কোনো ঘটনাৰ ভেটিত ৰচিত। এই বুৰঞ্জীবোৰ আহোম ভাষা আৰু আহোম ভাষাৰ চানেকীৰে অসমীয়া ভাষাত ৰচিত।"[২৫] ড চট্টোপাধ্যায়ে বুৰঞ্জীৰ গঠন আৰু ৰচনাশৈলী সম্পৰ্কে পৰ্য্যবেশন কৰি কৈছে আহোম ভাষাৰ বুৰঞ্জী আৰু অসমীয়া বুৰঞ্জী ৰচনাশৈলীত পৰোক্ষভাৱে চীনা প্ৰভাৱো পৰিব পাৰে।[২৬] সাংস্কৃতিকভাৱে আহোমসকলৰ চীনদেশৰ লগত প্ৰাচীন সম্পৰ্ক আছিল। বৰ্তমান দক্ষিণ পূৰ্ব এচিয়াত বসবাস কৰা সকলো টাইগোষ্ঠীয় লোকৰেই পূৰ্বপুৰুষসকল এসময়ত চীনদেশৰ ভূ ভাগত বসবাস কৰিছিল। টাইসকলে তেওঁবিলাকৰ ঐশ্বৰ্য্যমণ্ডিত সাংস্কৃতিক সমলেৰে চীনা সংস্কৃতিৰ সমন্বয়ত অৰিহণা যোগাইছিল।[২৭] সি যি কি নহওক চীনদেশৰ লগত যে টাইসকলৰ ছিঙিব নোৱৰা সম্পৰ্ক আছিল সেইটো নি সন্দেহ। ভাষা আৰু দৈহিক গঠন উভয়ক্ষেত্ৰত চীনাসকলৰ লগত মিল দেখা যায়।[২৮] টাইসকল অতি পুৰণি কালৰেপৰাই লিখাপঢ়া বিদ্যাত অতি সুদক্ষ আছিল আৰু নিজৰ দেশ আৰু জাতিৰ বুৰঞ্জী লিখি ৰখাটো তেওঁবিলাকৰ যুগজয়ী পৰম্পৰাত পৰিণত হৈছিল।[২৯] টাইসকলৰ বুৰঞ্জী লিখাৰ পদ্ধতিটো শৃংখলাবদ্ধ আৰু পদ্ধতিগত আছিল আৰু লগতে তেওঁবিলাকে কেতবোৰ নিৰ্দিষ্ট মানৰ নীতি মানি চলিছিল। চীনাসকলৰ লগত এই পদ্ধতিৰ কিছু পৰিমাণে মিল দেখা যায় যাইকৈ বিষয়বস্তু আৰু বুৰঞ্জীলেখকৰ নিযুক্তিৰ ক্ষেত্ৰত চীনাসকলে বুৰঞ্জী লিখিবলৈ চৰকাৰী লিপিকাৰক নিযোগ কৰাৰ কথা ৭৫৩ খ্ৰী পূৰ্বৰ পৰাই জনা যায়।[৩০] পি ভন ডাৰ লুন নামৰ এজন বিশেষজ্ঞই কৈছে এনেকৈ লিপিকাৰক নিয়োগ কৰা পদ্ধতিটো আন কেতবোৰ প্ৰাচীন ৰাজ্যত তাৰো আগৰেপৰাই আছিল।[৩১] তেওঁ অৱশ্যে এই কথা স্বীকাৰ কৰিছে

২৫। সুনীতিকুমাৰ চট্টোপাধ্যায়, Kirata Jana Kriti P 110

২৬। একে।

২৭। Wolfarm Eberhard, History of China P 9

২৮। U N Gohian, A Short Notes on Tai, P 4

২৯। P Geogoi The Tai and the Tai Kingdoms. P 543

৩০। Historians of China and Japan, P 24

৩১। একে।

যে এই বিষয়াসকলৰ মূল কাম যথাৰ্থতে কি আছিল তাক থাটাংকৈ কোৱা টান। কিন্তু তেওঁবিলাক কেতবোৰ পুজা পাতল কথা বুৰঞ্জী লেখা আৰু ইয়াক সংৰক্ষণ কৰা কামত নিযুক্ত আছিল।[৩২] তেওঁবিলাকে লিখি থৈ যোৱা নথিপত্ৰবোৰৰ ভিতৰত বুৰঞ্জী (চি) আৰু বংশাৱলী (ছিহ) এই দুয়োবিধ আছিল।[৩৩] চীনা ভাষাত চি ছিহ নামৰ এখন বুৰঞ্জী আছে। ইয়াক ১০০ খৃ° পৰ্য্যন্ত লিখা হৈছিল। এইখনেই পোনপ্ৰথম পূৰ্ণাঙ্গ চীনদেশৰ বুৰঞ্জী।[৩৪]

এই বুৰঞ্জীখন চীনদেশৰ পৰৱৰ্তী সকলো বুৰঞ্জীৰেই চানেকি আছিল।[৩৫] চুকাফা স্বৰ্গদেৱৰ লগত ত্ৰয়োদশ শতিকাত যিসকল লিপিকাৰক অসমলৈ আহিছিল তেওঁবিলাক চিৰিং নামে জনাজাত আৰু এওঁবিলাকৰ কাম চীনা লিপিকাৰক সকলৰে সৈতে একে। টাই ভাষাৰ সকলো ঠালতে চি মানে কাকত অৰ্থাৎ নথি পত্ৰ। বুৰঞ্জী শব্দৰ আন এটা সমাৰ্থক হ'ল পুলান চি। টাইজাতিৰে এটা ঠাল থামতিসকলে বংশাৱলী বুজাবলৈ ছু চি শব্দটো ব্যৱহাৰ কৰে।[৩৬] চিৰিংসকলৰ অধিকৰ্তা বিষয়াজন হ'ল চিৰিংফুকন। তেওঁ বুৰঞ্জী আদি প্ৰণয়নৰ দায়িত্বত থকাৰ উপৰিও আহোম পদ্ধতিৰ সকলো ধৰ্মীয় অনুষ্ঠান পৰিচালনা কৰিছিল। চীনদেশৰ লিপিকাৰ সকলৰো কাম কৰাৰ পদ্ধতি ঠিক একেধৰণৰ আছিল। তেওঁবিলাক ধৰ্মীয় অনুষ্ঠান আৰু ৰজাঘৰীয়া বুৰঞ্জী লিখা দুয়োটা কামতে নিযুক্ত আছিল। তেওঁবিলাকে যথাথতে বুৰঞ্জী প্ৰণয়নৰ বাবে গঠিত বিভাগটোৰ দায়িত্বতো আছিল আৰু বুৰঞ্জী ৰচনাৰ ক্ষেত্ৰত অশেষ বৰঙণি আগবঢ়াইছিল।[৩৭] অসমৰ বুৰঞ্জীৰ বিষয় বস্তু আৰু চীনা ভাষাৰ বুৰঞ্জীৰ বিষয় বস্তুৰ মাজত সম্পূৰ্ণ মিল দেখা যায়।

চীনদেশৰ বিখ্যাত চি ছিহ নামৰ গ্ৰন্থখনত পাঁচবিধ বিষয়বস্তু সন্নিবিষ্ট কৰা হৈছিল। (ক) ৰজাঘৰীয়া কাহিনী (খ) ঘটনাপঞ্জী (গ) নথি পত্ৰ

৩২। একে পৃ° ২৫

৩৩। একে, পৃ° ২৫

৩৪। একে, পৃ. ২৪ বুৰঞ্জীজ Sun ma ch'en এজন জ্যোতিৰ্বেত্তা আৰু সংৰক্ষক আছিল।

৩৫। Chou Hsiang Kuang, The History of Chinese Culture P 72

৩৬। ছু=বংশ, বংশাৱলী, চি=কাকত, নথি।

৩৭। Historians of China and Japan P 25.

আদিৰ বিৱৰণ (ঘ) স্থানীয় শাসক আৰু ডা-ডাঙৰীয়া সকলৰ কাহিনী (ঙ) স্মৃতিচাৰণ।[৩৮] এই ভাগ কেইটা সৰলীকৰণ কৰিলে এনে হয়। চীনা বুৰঞ্জীসমূহে ঘটনাৰ বিতং বিৱৰণ সংৰক্ষণ কৰিছিল। স্থানীয় শাসক আৰু মন্ত্ৰী আৰু বা বিষয়া সকলৰ কাৰ্য্যকালৰ হিচাপ ৰখাৰ উপৰিও ৰজাঘৰীয়া ঘটনা আৰু ৰজাসকলৰ সমসাময়িক ঘটনাৰ উল্লেখ ৰাখি বংশাৱলীবোৰো পঞ্জীভুক্ত কৰিছিল। তেও বিলাকে ইয়াৰ উপৰিও ৰজাঘৰীয়া সকাম নিকাম পূজা পাৰ্বণ বলি বাহন আৰু জ্যোতিষীয়া কথাবো বিৱৰণ লিখি ৰাখিছিল।

প্ৰয়োজন হ'লে পূৰ্বণি চি ছিহ গ্ৰন্থও আলোচনা কৰিছিল আৰু তাত ৰজাঘৰৰ উপৰিও সামন্ত শাসকসকলৰো বংশাৱলীৰ কথা পঞ্জীভুক্ত হৈছিল। চীনদেশৰ সংস্পৰ্শলৈ অহা বিদেশী আৰু দাঁতি-কাষৰীয়া ৰাজ্যৰ লগত হোৱা আলোচনা সন্ধি চিঠিপত্ৰ আদিৰো টোকা সংৰক্ষণ কৰা হৈছিল।[৩৯] আহোম ভাষাৰ পৰম্পৰাৰ মাজেদি অসমীয়া বুৰঞ্জী সাহিত্যই লাভ কৰা ঐতিহ্যৰ বুকুত চীনদেশীয় বুৰঞ্জীবোৰৰ বহুতো মৌলিক সাদৃশ্য পৰিলক্ষিত হয়।[৪০] চীন দেশত পোনতে বুৰঞ্জী লেখাৰ পদ্ধতিটো ব্যক্তিগত লোকৰ কাম আছিল। ছাং বংশৰ (৬১৮—৯০৬) ৰাজত্বকালৰ[৪১] লগে লগে দলীয়ভাৱে বুৰঞ্জী লেখাৰ প্ৰচলন হয়। এই সময়ৰেপৰা বুৰঞ্জী লেখিবৰ বাবে একেলগে ভালেকেইজন বিষযাক নিযুক্তি দিয়া হৈছিল। ইয়াৰ ঘাই কাৰণ আছিল যদি কোনো বুৰঞ্জী কাৰকে কোনো বিশেষ বিশেষ ঘটনা লিপিবন্ধ কৰিবলৈ ভয় কৰে বা লিপিবন্ধ নকৰে তেনেহ লে দলবন্ধ বুৰঞ্জীকাৰকৰ হাতত ধৰা পৰে। সেয়ে হ লেও চৰকাৰী নথি পত্ৰৰ যোগান ধৰি বুৰঞ্জী লিখাৰ কামত সহায়ত কৰিছিল। প্ৰাচীন বুৰঞ্জী লেখকসকলে এইক্ষেত্ৰত নিজৰ কাম কৰিবলৈ কেতবোৰ স্বাধীনচিতীয়া সুবিধা ভোগ কৰিছিল। কিন্তু পাছলৈ এই কাম মন্ত্ৰী পৰ্য্যায়ৰ বিষয়াৰ দ্বাৰা নিয়ন্ত্ৰিত হৈছিল। কেৱল বুৰঞ্জী লেখিবৰ বাবে নিতান্ত যোগ্য ব্যক্তিকেই যে নিযুক্তি দিয়া হৈছিল এনে নহয় তেওঁৰ লেখনী সমূহ যথাযথভাৱে পৰীক্ষা নিৰীক্ষা কৰা হৈছিল। লিয়েন-ছেং-ইয়াং নামৰ

৩৮। একে পৃ ৩৫, The History of Chinese Culture, P 72

৩৯। একে পৃ ৩৫—৩৬

৪০। একে পৃ ৫৪

৪১। একে, পৃঃ ৫৪

এজন চীনা বুৰঞ্জীবিদে কৈছে এখন চৰকাৰী বুৰঞ্জী সংকলন হৈ উঠাৰ পাছত সমালোচক সকলে প্ৰায়েই বুৰঞ্জীখনৰ ঘটনাৰ অসংলগ্নতা অসম্পূৰ্ণতা অসত্যতা আৰু অন্যান্য ভুল ত্ৰুটি আঙুলিয়াই দিছিল।[৪২] আমি যদি অসমৰ ৰজাঘৰীয়া বুৰঞ্জী লেখাৰ পদ্ধতিটো অনুধাৱন কৰোঁ তেনেহ'লে ওপৰত উল্লেখ কৰি অহা চীনা বুৰঞ্জীৰ লক্ষণবোৰ দেখা পাও । কিন্তু সেই কথা সকলো সময়ত আৰু সকলো ক্ষেত্ৰতে যোল অনা নাখাটে। গৌৰীনাথসিংহ স্বৰ্গদেৱে (১৭৮০—১৭৯৩) নৰা বাইলুং পণ্ডিতৰ এটা দল উত্তৰ ব্ৰহ্মৰ মুংকং ৰাজ্যলৈ পঠাইছিল যাতে তেওঁবিলাকে বিশ্বস্ত তথ্য পাতি আহৰণ কৰি প্ৰাক-চুকাফা যুগৰ এখন বিশুদ্ধ বুৰঞ্জী লিখিব পাৰে।[৪৩] দেখা যায় পুৰন্দৰসিংহৰ ৰাজত্বকালত কাশীনাথ তামুলী ফুকনে লিখা আসাম বুৰঞ্জী পুথিখন ৰাধানাথ বৰবৰুৱাই সংশোধন কৰিবলৈ কতৃত্ব পাইছিল। সেইকথা বুৰঞ্জীৰ পাতনিত উল্লেখ আছে। চপাগুৰীয়া চিৰিং ফৈদত জন্ম ৰাধানাথ বৰবৰুৱা এসময়ত বৰ চিৰিংবৰুৱা আৰু চিৰিংফুকন আছিল আৰু বংশগত ভাৱে তেওঁ আহোম ভাষা সংস্কৃতি আৰু বুৰঞ্জী বিষয়ত বিদ্ব ধ পণ্ডিত আছিল। ৰজাঘৰীয়া চৰকাৰী বুৰঞ্জীবোৰ প্ৰধানমন্ত্ৰীৰ (ৰাজমন্ত্ৰী) প্ৰত্যক্ষ তত্ত্বাৱধানত লিখিত হৈছিল।

দীৰ্ঘদিন ধৰি বুৰঞ্জী ৰচনা আৰু সংৰক্ষণৰ অভিজ্ঞতাই পণ্ডিতসকলক বুৰঞ্জী ৰচনাৰ বাবে কেতবোৰ নিৰ্দিষ্ট নীতি অনুসৰণ কৰিবলৈ শিকনি দিছিল আৰু ইয়াৰ ফলত বুৰঞ্জীৰ মানদণ্ড উন্নীত হৈছিল। চীনা বুৰঞ্জী বিদসকলে সাধাৰণতে তলত দিয়া আঠোটা নীতি অনুসৰণ কৰিছিল।

(১) বুৰঞ্জী ৰচনাৰ সমলসমূহ বাহুল্যভাৱে সংগ্ৰহ।
(২) তথ্যপাতিসমূহ সমালোচনামূলক দৃষ্টিৰে পৰীক্ষা।
(৩) দায়িত্বৰ বিতৰণ।
(৪) তথ্য পাতি সন্নিবিষ্ট কৰাৰ মানদণ্ড নিৰ্দ্ধাৰণ।
(৫) ঘটনা লিপিবদ্ধ কৰোঁতে সত্যতা সংৰক্ষণ।
(৬) নিৰপেক্ষ আলোচনা।
(৭) নিখুঁতকৈ লিখিবলৈ প্ৰয়োজন হোৱা সময়দান।

৪২। এৰে।
৪৩। এৰে।

(৮) বুৰঞ্জী কেতিয়াও অতি বহৎ হব নালাগে।[৪৪]

ওপৰত উল্লেখ কৰা এই নীতিসমূহ যদিও সম্পূৰ্ণভাৱে অনুসৰণ কৰা হোৱা নাছিল তথাপি অসমৰ বুৰঞ্জী ৰচনাৰ ক্ষেত্ৰতো এইকেইটা নীতিৰ প্ৰতি পদ্ধতিগতভাৱে আনুগত্য আছিল। চীনা বুৰঞ্জীবোৰো দুভাগত ভগাব পাৰি চৰকাৰী আৰু ব্যক্তিগত। চৰকাৰী বুৰঞ্জীবিলাকৰ ৰচনা পদ্ধতি ব্যক্তিগত বুৰঞ্জীবিলাকতকৈ পৃথক। যেতিয়া চীনা সম্ৰাটৰ আদেশত বুৰঞ্জী ৰচিত হয় তেতিয়া সম্ৰাটৰ অধীনৰ সকলো ঘটনাপঞ্জী একেঠাই কৰি নিৰপেক্ষ আৰু একান্ত বস্তুগতভাৱে সজোৱা হয়। এইক্ষেত্ৰত ব্যক্তিবিশেষৰ বিশ্বাস অভিমত্ত বা সমালোচনাক লাই দিয়া নহয়।[৪৫] চাৰ্লছ এছ গাৰ্ডনাৰে চীনদেশৰ পৰম্পৰাগত বুৰঞ্জী ৰচনাৰ পদ্ধতিৰ বিষয়ে আলোচনা কৰোঁতে অতি খাপখোৱাকৈ কৈছে যে চীন দেশীয় বুৰঞ্জী সাহিত্য সম্পূৰ্ণৰূপে নিৰপেক্ষ আৰু বস্তুগত।[৪৬] অসমৰ বুৰঞ্জীবিলাকেও চীনা পদ্ধতিৰেই বিষয়বস্তু ৰচনা ৰীতি লক্ষ্য আৰু ৰচনা পদ্ধতিৰ ক্ষেত্ৰত একে নীতিকে মানি চলিছিল কিন্তু সেই বুলি এষৰীয়াকৈ ক'ব নোৱাৰি যে অসমীয়া বুৰঞ্জীয়ে সম্পূৰ্ণ ৰূপে চীনা ৰীতি গ্ৰহণ কৰিছিল। যদিও বিষয়বস্তু ৰীতি আৰু বিভাগীয় পৰিচালনাৰ ক্ষেত্ৰত বহুখিনি সাদৃশ্য দেখা যায় বিখ্যাত বুৰঞ্জীবিদ ডি জি ই হলৰ মন্তব্যটো একান্ত প্ৰণিধানযোগ্য।[৪৭] চীনদেশৰ মধ্যভাগত অৱস্থিত নানচাও নামৰ টাই শাসকৰ দ্বাৰা শাসিত ৰাজ্যখনত ব্ৰহ্মদেশ আদিতকৈ চীনা প্ৰভাৱ অনেক বেছি। কিন্তু বুৰঞ্জী ৰচনাত পৰম্পৰাৰ ক্ষেত্ৰত এইকথা একে বাৰে নাখাটে। সমগ্ৰ দক্ষিণ পূব এছিয়াতে চীনা সংস্কৃতিৰ প্ৰভাৱ পৰি লক্ষিত হয় আৰু চীনদেশীয় সভ্যতাৰ উপাদান চীনা লক্ষণসহ পোৱা যায়। কিন্তু এইক্ষেত্ৰত বুৰঞ্জী ৰচনাৰ পৰম্পৰাৰ কথা সুকীয়া। দাঁতি-কাষৰীয়া ৰাজ্যবিলাক তেওঁবিলাকৰ ৰচনা ৰীতিৰ দ্বাৰা প্ৰভাৱিত হোৱা নাই। ডি জি ই হলে পোনপটীয়াকৈ কৈছে যে নানচাও ৰাজ্যৰ নিজা বুৰঞ্জী ৰচনাৰ পদ্ধতিৰ ঐতিহ্য আৰু পৰম্পৰা আছিল। এই নানচাও ৰাজ্যখন বিভিন্ন

৪৪। একে, পৃঃ ৫৫

৪৫। একে, পৃ ৫৩

৪৬। একে, পৃ ৫৩

৪৭। Historians of South-East Asia, editted by D G E Hall

টাই ফৈদৰ মানুহেৰে সৈতে গঠিত আৰু এসময়ত চীনাসকলৰ প্ৰতিদ্বন্দ্বী স্বৰূপেই এখন শক্তিশালী সাম্ৰাজ্য গঢ় দি তুলিছিল আৰু খৃঃ পূৰ্ব তৃতীয় শতিকাৰ আগতেই প্ৰতিষ্ঠিত হৈছিল।[৪৮] চীনাসকলৰ ৰাজনৈতিক আৰু সামৰিক হেঁচাৰ পৰিণতি স্বৰূপে পাছলৈ নানচাও ৰাজ্যৰ টাই লোকসকল ক্ৰমে দক্ষিণ পশ্চিমলৈ নামিবলৈ ধৰে আৰু অৱশেষত উত্তৰ ব্ৰহ্মত থিতাপি লয়। নানচাও সাম্ৰাজ্যৰ ৰাজনৈতিক আৰু প্ৰশাসনীয় গাঁথনিৰ লগতে সাংস্কৃতিক গতিধাৰা অসমৰ আহোমসকলৰ অতি ঘনিষ্ঠভাৱে মিল আছে। নানচাও ৰাজ্যই অৱশ্যে ক্ৰমে চীনৰ অধীনতা স্বীকাৰ কৰিবলৈ বাধ্য হৈছিল আৰু প্ৰতীকস্বৰূপে চীনা সম্ৰাটক উপহাৰ দিছিল। তথাপি প্ৰশাসনীয় পদ্ধতিৰ ক্ষেত্ৰত তেওঁবিলাকৰ প্ৰাচীন ঐতিহ্য ৰক্ষা কৰি চলিছিল। ড° পদ্মেশ্বৰ গগৈয়ে তেওঁৰ দি টাই এণ্ড দি টাই কিংডমছ নামৰ পুথিত নানচাওৰ শাসন পদ্ধতিৰ সম্পৰ্কে এটি টোকা দিছে। তাত কৈছে নানচাওত পুৰণি ধৰণৰ ৰজা আছিল আৰু ৰজাক উপদেশ দিবলৈ আৰু সময়ানুযায়ী সহায় কৰিবলৈ এখন মন্ত্ৰীসভা আছিল। মন্ত্ৰীসকলৰ গাত সামৰিক আৰু বে সামৰিক উভয়বিধৰে দায়িত্ব ন্যস্ত আছিল। বিশিষ্ট সামৰিক বিষয়া সকলকো ৰজাই প্ৰায়েই মন্ত্ৰী হিচাপে নিযুক্তি দি ৰাজ্য শাসনৰ নীতি নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত পৰামৰ্শ লৈছিল। ৰজাৰ নিযুক্তি বংশগত আছিল। ৰজাৰ পিছতে এজন ঘাই মন্ত্ৰী বা মুখ্য সচিব আছিল। পাৰকাৰ নামৰ বিখ্যাত বুৰঞ্জীজ্ঞ ব্যক্তিয়ে টেংইউচ নামৰ পুৰণি বুৰঞ্জী এখন অনুবাদ কৰি দেখুৱাইছে যে নানচাও ৰাজ্যত অসমৰ ফুকনসকলৰ দৰে বিভিন্ন বিষয় আৰু বিভাগৰ বিষয়া আছিল। তেওঁবিলাকক শেবাৱাং বোলা হৈছিল। তলখাপৰ বিষয়াসকলে ৰাজভঁড়াল, ঘোঁৰাশাল আদি পৰিচালনা কৰাৰ উপৰিও কৰ-কাটলৰ কাম কৰিছিল। সৈন্যসকলক উপযুক্ত বিষয়াৰ অধীনত দহ এশ এহেজাৰ আৰু দহ হেজাৰ এনেকৈ নিযুক্ত কৰা হৈছিল। সকলো সক্ষম লোকৰ বাবে সামৰিক সেৱা বাধ্যতামূলক আছিল। প্ৰতিজন সৈনিকক ৰজাঘৰৰপৰা একোটা চামৰাৰে তৈয়াৰ কৰা কোট আৰু এযোৰ পটলুং দিয়া হৈছিল। সৈন্য বাহিনীৰ চাৰিটা বিভাগ আছিল আৰু প্ৰত্যেকৰে নিৰ্দিষ্ট মৰ্য্যাদা আছিল। ৰজাৰ গা ৰখীয়া সৈন্যসকলক চু-নু-কাচ্ছা বুলিছিল। কাচ্ছা মানে চামৰাৰ পেটি। মানুহবিলাকে বিশেষ ধৰণৰ সাজ পাৰ আৰু ৰঙা টুপী পিন্ধিছিল আৰু গঁড়ৰ চালৰ ঢাল ব্যৱহাৰ কৰিছিল। এশ সৈন্যৰ অধিকাৰীসকলক লো-ত্ৰা-ট্ৰেজ বুলিছিল। জৰ্জ স্কটে কৈছে, যদিহে এই পদ্ধতিটো চীনাসকলৰ নহয়, টাইসকলেহে উদ্ভাৱন কৰিছিল, তেওঁবিলাকৰ

৪৮। ড° পদ্মেশ্বৰ গগৈ, The Tai and the Tai Kingdoms P 38

ক্ষমতা যোৱাৰ লগে লগে এই পদ্ধতি এৰি পেলাইছিল। পাৰকাৰে আকো কৈছে নানচাও ৰাজ্যৰ সবাতোকৈ সুদক্ষ অশ্বাৰোহীসকল মেকং নৈৰ পশ্চিম ফালে বাস কৰা ওৱাংচো জনজাতিৰ। এই জনজাতিৰ মহিলাসকলেও যুদ্ধ কৰিছিল। তেওঁ বিলাকে ৰণ উদ্গীত কড়ি ব্যৱহাৰ কৰিছিল। সামৰিক দক্ষতাৰ বাবে বিখ্যাত এই জনজাতিটোৰ বিষয়ে সবিশেষ জনা নাযায় যদিও তেওঁ বিলাকৰ অতীত সামৰিক সুদক্ষতাৰ বাবে বিখ্যাত আছিল। পাৰকাৰে যদিও ওৱাসকলকেই ওৱাংচো বুলিযেই ভাবিছে তেওঁ বিলাকৰ মাজত কিন্তু ঘোঁৰা পোহাৰ নীতি দেখা নাযায় বৰং ঘোঁৰাক ভয়ংকৰ জন্তু বুলিহে ভাবে।[৪১]

মূল টাই জাতিৰ এটা ঠাল আহোমসকলৰ নানচাও ৰাজ্যৰ টাইসকলৰ লগত প্লেনপটীয়াকৈ সম্পৰ্ক আছিল। নানচাওৰ টাইসকলৰ মাজত পদ্ধতি গতভাৱে বুৰঞ্জী লিখাৰ পৰম্পৰা অতি প্ৰাচীন কালৰে পৰাই আছিল। উত্তৰ ব্ৰহ্মৰপৰা পাটকাই পাৰ হৈ অসমলৈ অহা টাইসকলে বুৰঞ্জী লিখাৰ পৰম্পৰা লগত লৈ আহিছিল। তেওঁ বিলাকে লগত পুৰণি বুৰঞ্জী লৈ অহাই নহয় বুৰঞ্জীৰ লেখক পণ্ডিত আৰু লিপিকাৰক চিৰিংসকলকো লৈ আহিছিল। নানচাওৰ টাইসকলে যি পদ্ধতিৰে বুৰঞ্জী লিখি সংৰক্ষণ কৰিছিল সেই পদ্ধতিকে অসমত আহোমসকলেও গ্ৰহণ কৰিছিল। কিন্তু লাহে লাহে প্ৰশাসনীয় বিৱৰ্তন স্বীকাৰ কৰোঁতে কেতবোৰ নতুন নীতিও গ্ৰহণ কৰিব লগীয়া হৈছিল। কিন্তু থোৰতে কবলৈ গলে ডি জি ই হলে যি কথা আগতে কৈ গৈছে আহোম আৰু অসমীয়া ভাষাৰ বুৰঞ্জীৰ ক্ষেত্ৰত সেই কথাই থাটে।

৪১। একে পৃ ২৬—২৭

পুৰণি অসমীয়া কথাসাহিত্য ঃ ন্যায়ালয়

যি কোনো ভাষাতে বিষয়বস্তু লৈ কথা ৰীতি গঢ় লৈ উঠে। বিষয়বস্তু পৰিবেশ আৰু কও তা এই তিনিওটা বিষয়েই কথা ৰীতি গঢ় দিয়াত সহায়তা কৰে। উদাহৰণ স্বৰূপে দৰ্শন বা ধৰ্মৰ বিভিন্ন দিশৰ আলোচনা কৰোঁতে ভাষা স্বাভাৱিকতে গহীন আৰু শব্দ কঠিন হয়। গাঁৱলীয়া বা ব্যৱসায়িক পৰিবেশৰ ভাষাৰ নিজা নিজা কথন ৰীতি আছে। সেইদৰে কও তাৰ শিক্ষা দীক্ষা সামাজিক সাংস্কৃতিক প্ৰভাৱ আৰু বয়সেও কথা ৰীতি গঢ় দিয়ে। উদাহৰণ স্বৰূপে বুৰঞ্জী আৰু কথা গীতা কথা ভাগৱত সমসাময়িক হলেও দুয়োবিধৰ ভাষা আৰু কথন ৰীতিত অনেক পাৰ্থক্য পৰিলক্ষিত হয়। বুৰঞ্জীৰ ভাষা সাধাৰণ মানুহৰ মুখৰ কথাৰ অনুলিপি মাথোন কিন্তু ভট্টদেৱৰ ৰচনাৰ ভাষা সংস্কৃতগন্ধী কৃত্ৰিম আৰু কাব্যিক। বুৰঞ্জীবোৰো একে ৰজাঘৰীয়া পৃষ্ঠপোষকতাত ৰচিত হলেও সময় আৰু বিষয়-বস্তু অনুসৰি ৰীতিৰ পাৰ্থক্য পৰিলক্ষিত হয়। শৰাইঘাটৰ যুদ্ধৰ কথা নামৰ বুৰঞ্জীখন আৰু সুকুমাৰ মহন্তৰ ঘৰত পোৱা বুৰঞ্জীখনৰ ভাষা ৰীতি সুকীয়া। সেইদৰে দেওধাই অসম বুৰঞ্জীৰ (প্ৰথম খণ্ড) ভাষা ৰীতি আৰু কাশীনাথ তামুলী ফুকনৰ ভাষা ৰীতি পৃথক। আধুনিক যুগতো ক্ষেত্ৰ অনুসৰি কথা ৰীতি সলনি হোৱা দেখিবলৈ পোৱা যায়। আদালতত ব্যৱহৃত ভাষাৰ এক নিজা বৈশিষ্ট্য আছে।

পুৰণি অসমীয়া সাহিত্য অষ্টম দশম শতিকাতে চৰ্য্যাপদৰ মাধ্যমত গঢ় লৈ উঠিলেও কথা সাহিত্যৰ জন্ম হোৱা নাছিল। নগাঁৱৰ গছতলৰ শিলালিপি আৰু আমবাৰীৰ শিলালিপিত প্ৰাচীন কামৰূপী ভাষাত গদ্যৰীতিৰ প্ৰাথমিক স্তৰৰ বিকাশ ঘটিলেও ন্যায়ালয়ত ব্যৱহৃত গদ্যৰ সামান্যতম নিদৰ্শনো বিচাৰি পোৱা নেযায়।

চতুৰ্দশ শতিকাৰপৰা অসমীয়া কাব্য সাহিত্যই পূৰ্ণৰূপত বিকাশ লাভ কৰিলেও কথা সাহিত্যৰ পৰম্পৰা গঢ় লৈ উঠা নাছিল। সেই সময়ত অসমৰ ৰাজনৈতিক ব্যৱস্থাত ন্যায়-প্ৰশাসন কি পদ্ধতিৰে পৰিচালনা কৰিছিল তাৰ কোনো লিপিবদ্ধ প্ৰমাণ পোৱা নেযায়। তাম্ৰশাসনসমূহত ন্যায়-প্ৰশাসনৰ গাঁথনি সম্পৰ্কে সামান্য পৰিমাণে কিছু কথা জানিব পাৰি কিন্তু কেনেকৈ

ৰায় দিয়া হৈছিল তাৰ কোনো নিদৰ্শন আমাৰ হাতত নাই। জনজাতীয় ৰজা বা শাসকসকলৰ অনেকৰে লিপি নাছিল, গতিকে লিখাৰ ব্যৱস্থাও নাছিল কিন্তু নিজা ভাষা বিকশিত হৈ নুঠিলেও সংস্কৃতকে ৰাজকীয় কাৰ্য্য পৰিচালনাৰ মাধ্যম স্বৰূপে গ্ৰহণ কৰিছিল কিন্তু আজি সংস্কৃতত লিখা তেনে কোনো নথি পত্ৰ পাবলৈ নাই।

এতিয়া গৈ থৈ বাকী ৰ'লগৈ আহোম যুগ। আহোম যুগতে ধৰ্মীয় সাহিত্যৰ উপৰিও সাহিত্যৰ অন্যান্য দিশৰ উন্মেষ ঘটে। কাব্যৰসৰ বাবেই কাব্য সৃষ্টি ব্যৱহাৰিক সাহিত্য ৰচনা আৰু অন্যান্য ৰাজকীয় প্ৰশাসনীয় নথি পত্ৰ সংৰক্ষণৰো দিহা হয়। আহোম যুগৰ সমসাময়িক অসমৰ চুতীয়া বৰাহী মৰাণ কছাৰী কোচ জয়ন্তীয়া আনকি ভূঞাসকলৰো শাসন ব্যৱস্থা কি পদ্ধতিৰ আছিল তাক বিতংকৈ জনাৰ উপায় নোহোৱাৰ বাবে আজি আলোচনা বা মন্তব্য কৰাৰপৰা বিৰত থাকিবলগীয়া হৈছে।

আহোম শাসন-ব্যৱস্থাত ন্যায় প্ৰশাসনৰ নিৰ্দিষ্ট ধাৰা আছিল আৰু সেই অনুক্ৰমে বিচাৰৰ ৰায়সমূহ লিপিবদ্ধ কৰা হৈছিল। ন্যায়সোধা ফুকন আৰু বৰবৰুৱাই যথানিয়মে ৰজাৰ চ'ৰাত উপস্থিত আছিল আৰু প্ৰজাই গোচৰ থাকিলে সংশ্লিষ্ট বৰাৰ যোগেদি গোচৰ উত্থাপন কৰিব পাৰিছিল। ন্যায়সোধা ফুকন বা বৰবৰুৱাৰ সোধ আৰু ৰায়দানত সন্তুষ্ট নহ'লে যথানিয়মে ৰজাৰ ওচৰত আপীল কৰিব পাৰিছিল। ৰজাই এনে ক্ষেত্ৰত সংশ্লিষ্ট বিষয়াৰ ৰায় নাকচ কৰাৰ উদাহৰণো আছে।

প্ৰাকৃতিক দুৰ্যোগ বিদেশীৰ আক্ৰমণ আৰু অন্তৰ্বিপ্লৱৰ পৰিণতি স্বৰূপে ৰাজকীয় গন্ধীয়া ভঁৰালত সংৰক্ষিত বুৰঞ্জী ৰায়দান বা সোধৰ কাকত সেনাপতি চকীয়াল, দাঁতিয়লীয়া গোঁহাই আদিৰ সাময়িক প্ৰতিবেদন, পিয়লৰ কাকত আদি চিৰদিনৰ বাবে নষ্ট হ'ল। এই মূল্যবান নথি পত্ৰবোৰৰ লগত বহুতো সমল হেৰাই গ'ল। আহোম শাসন-ব্যৱস্থাত গোচৰীয়া আৰু পদকীয়াৰ বক্তব্য শুনি সোধ কৰি থোৱতে ৰায় দিয়া হৈছিল। প্ৰয়োজন হ'লে সাক্ষী বাদী লোৱা হৈছিল। এনেকুৱা গোচৰীয়া-পদকীয়া আৰু সাক্ষী বাদীৰ বক্তব্য যে লিপিবদ্ধ কৰা হৈছিল, বুৰঞ্জী আৰু পুৰাতত্ব বিভাগত সংৰক্ষিত বৰপাহী বুৰঞ্জীখনত বহুতো উদাহৰণ আছে। এনে সাক্ষীৰ বক্তব্য হুবহু প্ৰত্যক্ষ উক্তিৰেই লিপিবদ্ধ কৰা হৈছিল। লক্ষ্মীসিংহৰ লিগিৰী সহিতাই

কৈছে শ্ৰীদেৱতা যি বিচাৰিছে পাব। মই তিৰোতা মানুহ ক লে কি হ'ব ? অনেক কথাৰ ভ্ৰু পাবলৈ টান। দ্ৰোহৰ কথা যে সুধিছে ভণ্ডাৰৰ কোঠাতে তৰোৱালৰ পেৰা দুটা আছে হিলৈয়ো আছে নেপাবই নাই,—পাবই। পূজা-কৰ্ম ক ত কি কৰিছে বামুণৰ ঘৰে ঘৰে। সোণৰূপ ভাল কাপোৰ এনেতো গোহাঁইৰ তাতো কিছু কিছু ভৰালেহি। এটায়ে জানে। নেজানে যে তাৰ বস্তু সামৰে কিয় ? তাতো মানুহে জানে আৰু মানুহে জানে সুধিলে কিয় ক'ব ? ইয়াতে পাবা যেন পাবলৈ টান পৰিছে। জনাথিনি কৈছোঁ। ৰাখিলেও দোষে পাব মিছা ক লেও লোকৰ হৈ নৰকত পৰিব লাগে। আনতো বিচাৰ কৰক যদি কিবা মিছাকৈ কও। সহিতাই প্ৰমাণ স্বৰূপে বিচাৰৰ চ ৰাত পণ্ডিতে গণিতা কৰি লিখি দিয়া কাকত এখনো আছিল—

দেৱতাৰ (তিপমীয়া গোহাঁইৰ) শুভাশুভ চাইছোঁ আষাৰ শ্ৰাৱণত ডাঙৰ কাৰ্য্য দেখিলৰ মনেৰে। পাচে এই সময় গুচি শৰৎকালৰ জল হেন নিৰ্মল হ ব আৰু পৰা সন্তোষ পাব সকল শত্ৰ ক্ষয় হ'ব।

স্বৰ্গদেও লক্ষ্মীসিংহই আৰোপ কৰা দায়িত্ব অনুসৰি থাৰঘৰীয়া ফুকন আৰু চোলাধৰা ফুকনে বিচাৰ কৰোঁতে ৰঙ্গাই বৰ মৰাণৰ ঘৈণীয়েকে দিয়া সাক্ষীৰ কথাও লিপিবন্ধ আছে।

ৰাজদ্ৰোহ আৰু দেশদ্ৰোহ সবাতোকৈ ডাঙৰ অপৰাধ বুলি গণ্য কৰা হৈছিল। এনে অপৰাধৰ পৰিণতি মৃত্যুদণ্ড। ৰজাই যি কোনো মৃত্যুদণ্ডৰ আদেশ দিব পাৰিছিল। এনে আদেশ লিপিবন্ধ কৰি ৰখা হৈছিল।

কোঁৱৰে চিনি পোৱা ঘোঁৰাকোঁৱৰৰ ৰামকণ্ঠাইক দুৱাৰমুখতে কাটি শূলত দিব।

'সকলো কথাৰ আলচ কৰা সখা হৈ ওলোৱা চেংধৰাৰ উনি নগাক কচি নি কাটি শালত দিব।

কোঁৱৰ বুলি প্ৰখ্যাত কৰি গাহৰি মঙহ নি খুৱাই ৰূপ, কাপোৰ, ৰূপৰ টৌমি কাঁহী-বাটি এইবোৰ দি সজোৱা শিমলু গুৰীয়া বাইলুং আদয়াক কোব কিল. চৰ ত্ৰিশটাকৈ মাৰি কাণ, নাক চকু দুটা কাঢ়িব।' ইত্যাদি।

'কোঁৱৰ বিদ্ৰোহ' পুথিৰ পাতনিত ডক্তৰ সূৰ্য্যকুমাৰ ভূঞাই আহোম যুগৰ বিচাৰ চ'ৰাৰ বিষয়ে কৈছে 'পোনতে-চা-চৰীয়া দোলাকাষৰীয়া জগাই অপৰাধৰ সত্যতা ঠাৱৰ কৰা হৈছিল। তাৰ পিছত ফুকন-বৰুৱাসকলে

প্ৰাথমিকভাৱে সাক্ষী-বাদী লৈ সোধ-পোছ কৰি বিচাৰৰ কাকত যুগত কৰিছিল। আৰু সেই কাকত শুনি ডাঙৰীয়া তিনিজনা আৰু বৰবৰুৱাই সিদ্ধান্ত দিছিল। প্ৰয়োজন হ'লে এওলোকে আকৌ সাক্ষী বাদী চপাই গোচৰৰ আদ্যন্ত শুনিছিল। স্বৰ্গদেৱে ডাঙৰীয়া আৰু বৰবৰুৱাৰ সিদ্ধান্তকে অনুমোদন কৰিছিল। সিদ্ধান্তৰ অন্তত থোৰতে কাৰ্য্যকৰী কৰিবলগা আদেশ কাকতীয়ে কাকতত লিপিবদ্ধ কৰিছিল। এই লিপিবদ্ধ আদেশ খিনিয়েই আমাৰ কথিকাৰ বিষয়বস্তু। বৰপাহী বৰঙ্গীত লক্ষ্মীসিংহৰ দিনৰ হোৱা কোঁৱৰ বিদ্ৰোহৰ বিচাৰৰ অনেক সাক্ষী বাদী আৰু বিচাৰৰ ৰায় লিপিবদ্ধ কৰা আছে।

ইয়াৰ উপৰিও আহোম যুগৰ আদালতৰ কথা ৰীতিৰ নিদৰ্শন হিচাপে আঙুলিয়াই দেখুৱাবলৈ এটি তাৎপৰ্য্যপূৰ্ণ সম্পদ আছে। বৰদোৱা শঙ্কৰ দেৱৰ জন্মস্থান। প্ৰায় এশ বছৰমান এৰাপৰলীয়া হৈ থকাৰ পিছত শঙ্কৰদেৱৰ নাতিবোৱাৰী কনকলতা আৰু নৰোৱাৰ দামোদৰ বৰদোৱালৈ আহে। পিছলৈ মূল বৰদোৱা থানৰ ভাগ লৈ উভয়পক্ষৰ মাজত বিবাদ উপস্থিত হয়। এই বিবাদ ভকতে গোঁসায়ে মীমাংসা কৰিব নোৱৰাত ৰজাঘৰ পায়গৈ। স্বৰ্গদেও কমলেশ্বৰসিংহই ৰাজমন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঁই আৰু তেওঁৰ বৰবৰুৱাৰ লগত বিহু চাওডাঙৰ শইকীয়া আৰু হেমোদৰ চকৰধৰা বৰাক লগত দি চৰজমিন তদন্ত কৰি মীমাংসা কৰি দিবলৈ পঠায় আৰু তেওঁবিলাক দুজনে বিচাৰ কৰি তলৰ সিদ্ধান্ত দিয়ে। এইখন বিশেষ প্ৰণিধানযোগ্য।

এতস্মিববৰণং শ্ৰীশঙ্কৰদেৱৰ বটদ্ৰৱা স্থানৰ নামঘৰৰ মাতিকাৰেপৰা সলগৰীয়া শ্ৰীৰামচৰণ আতাৰে নৰোৱাৰ শ্ৰীৰামদেৱ আতাৰে বিবাদ জন্মিলত ৺দেৱে কুঞ্জেগঞা ৰাজমন্ত্ৰী শ্ৰীপূৰ্ণানন্দ বুঢ়াগোহাঞি ডাঙৰীয়াকে সন্দিকৈৰ শ্ৰীভদ্ৰকান্ত বৰবৰুৱাকে সুধিব দিলত দুয়োজন ২ দুয়ো মহন্তক সাক্ষাৎ কৰি সুধি * স্থানৰ ঠাইলৈকো লম্বো দোলাকাষৰীয়া বৰুৱাকে চাউডাঙৰ বিহু শইকীয়াকে বৰবৰুৱাৰ টেকেলা বৰা চকৰধৰা হেমোদৰকে পঠাই স্থানৰ সমীপৰ মহন্ত ভকত চহৰীয়া দুয়ো ভাগৰ কেৱলীয়া আশ্ৰমী ভকত এই সকলকো একত্ৰ কৰি দুয়োজনা আতাক আগত থৈ সোধাত সেই সকলেও পূৰ্বীয় ৰজাসকলৰ সিদ্ধান্ত অনুসৰি স্থানৰ মাটিৰ সীমা দেখাই পদশিলা মাটি দুয়োভাগ সমে পাই বুলি কজ'ত নৰোৱা আতা গাত বলেৰে সজা

নামঘৰটো শলগুৰীয়া আতাৰ ভাগৰ খুটাৰ ভিতৰত মাটি পৰিলত সোধাত নৰোৱা আতা ঘাটিলত শলগুৰীয়া আতা কৰিলে বোলে পূৰ্ব খুটাতে খুটা মাৰি দেৱানীযাক দিয়ক আৰ পৰম পতনকো জিকিলত দেৱে ডাঙৰীয়া বৰুৱা সৈতে পূৰ্ব সীমনাৰ দৰে মাটি ভাগ কৰি নামঘৰ দুয়োজনাৰ ভাগৰ মাটিত সাজি লবলৈ আজ্ঞা কৰি স্থানৰ মাটিখিনিকো দুভাগ কৰি পদশিলাকো দুযোভাগে ৰাখি খুটা মেৰাই দি দেৱে ধৰ্মাথে শলগুৰীয়া ৰামচৰণ আতাক স্থানৰ * ভাগৰ * মাটি ভকতখানিয়ে সৈতে তাম্ৰপত্ৰ কৰি দিলে দুয়োভাগৰ মাটি সীমা পুবে কঠাল পশ্চিমে পুলি শিমলু উত্তৰে কেলিকদ ব দক্ষিণে কঠাল। দুযো ভাগে মাটিৰ জোখ সাতহতীয়া টাৰেৰে দীঘে ১৯ বেও প্ৰস্থে ৯ দাঁৰ আতে মাটি ১৶/১৮৮ পুৰা আৰে শলগুৰীয়া আতাৰ দক্ষিণভাগে মাটি ।/১০৮৮ নৰোৱা আতাৰ ভাগে উত্তৰফালে ৶।১০৮৮৴ মাটিৰ উপৰিও ভকত পাইক নিবন্ধ কৰি আদেশ দিছিল—

এই ভকতসকল সমনিতে শ্ৰৱণ-কীৰ্ত্তন কৰি ধৰ্ম প্ৰবৰ্ত্তি প্ৰবৰ্ত্তাই শ্ৰীশ্ৰী দেৱক আশীৰ্বাদ কৰি পুত্ৰপৌত্ৰাদিক্ৰমে ভোগ কৰি থাকিব। ইয়াৰ কোনোজনে অন্যাথা নকৰিব।

গুৱাহাটীৰ বৰফুকনৰ দোপদৰতো কামৰূপৰ মাটিৰ সীমাৰ বিবাদৰ বিচাৰ হোৱাৰ কথা জনা যায়। কলীয়াভোমোৰা বৰফুকনৰ দিনত হোৱা তেনে বিচাৰৰ এখনি নথি পত্ৰ পোৱা গৈছে।

১৭৩০ শক মাহে আষাৰৰ ১৩ দিন যোৱাত বিয়লি মেলত চোৰাৰ টুপত দেৱ বহাত কথা যোগোৱা বৰা বহু টেকেলা খৰ্বাঙ্গৰ বেথাৰাম গোচৰীয়া বেলেসৰিযা ৰূপ দলৈকে মুখ্য কৰি তিথিকৰ তামৰধ্বজ ৰামপানী হলিৰাম দুৰ্গাৰাম শিৱনাথ সহদেৱ এই ৬ এ কয় আমি পিয়ল অৱধি বেলসৰ দেবালয়তে থাটি আছোঁ। আতে বেলেসৰীয়া শুক্লেশ ৰীয়া বৰক্ষেত্ৰীয়া তিনি গৰাকীএ মোৰ বুলি ডকা দিএ দেখি গোচৰ কৰাত সিবেলা দেৱে সুধি পুচি পেৰাকাকত চোৱাই বেলেসৰ দেৱালয়ৰ হেন জানি শুক্লেশৰীয়াক এৰুৱাই ক্ষেত্ৰীয়াক দণ্ড কৰি বাড়ি বড়িত খণ্টা মাৰি বেলসৰ দেৱালয়ৰ তলে সিন্ধান্ত পত্ৰ কৰি দিলে। এতিয়া ধনী ভণ্ডাৰী চৌধুৰী ক্ষেত্ৰীয়া ৰাজ সহিত বলকৈ সেই খুটাক উভাৰি আমত ৰূপো দহ টকা লয়। আতে সোধাত ক্ষেত্ৰীয়া মিঠা খাটনিয়াৰ ফাগুণা ঠাকুৰীয়া এই দুয়ে ধৰ্ম্ম হৈ কয় বোলে আমাৰ জমা লগা গণক এইদৰে পেৰাকাকতো ওলাব। এই মুখে কলত পুনশ্চ দেৱে পেৰাকাকত চাবলৈ আজ্ঞা কৰিলে। স্বৰ্গদেৱৰ সাক্ষাতে পেৰাকাকত চোৱাত গণকৰ গাত জমা নোলাল দেখি দেৱে মিঠা ফাগুণাক চাবুকৰ কোৰ দুকুৰি মৰাই পুনশ্চ সিন্ধান্ত ক্ষেত্ৰীয়াক উলিয়াই দিয়ক।

সিদ্ধান্তানুক্রমে কেওঁয়া থাটিল বেলেসৰীয়া জিকিল জানি জিত। পত্র লিখি দিয়া গ'ল।'

কাঁড়ীৰ নাম কাটিবৰ বাবে দিয়া এখনি আবেদন পত্রও পোৱা গৈছে। তাৰ কথা-ৰীতি এনে ধৰণৰ ঃ

শ্রীশ্রীযুত দেৱতাৰ চৰণত প্রার্থনাকাৰী ঘিনায়ে চমুৱা ৰৰাৰ পুতেক ঘৈণীয়েকে জনায় দেৱতাৰ বন্দী মিৰাইক ভগাজনা ৰৰবৰুৱাদেৱে (দুৱৰাৰ শ্রীনাথ) ৰাজন খাতৰপৰা কাকত কাটি আনি ডেকা চমুৱা নেওগৰ কুৰিত খেল লগাই দিলে। চমুৱা ৰৰা পাতি ভাগ বন কৰাবলৈ দিলে। ৰৰদুৱাৰৰ মুখৰপৰাঁ ধনশিৰীলৈকে কাকডোঙাৰ দলঙে সৈতে বন কৰালে। এনেতে গিৰিহঁত হানি পৰিল। এতিয়া ৰাজন খতীয়াই তিনি বছৰৰ ধন দে বুলি ধৰিছে, থাটিবলৈকো বেটীক আঁজুৰিছে। কাকত কটোৱাত কুৰিএ সোণ এটকা ললে ৰূপ দুটকা। ৰাইজে জলপান ললে তিনিটা। কুৰিএ পাইক মাটিকো দখবধৰা কাকতিৰ হাতত ৰজালৈ কাটনি সোধালে। বেটীএ বছৰি বছৰি টেকেলাৰ বাবে টেকেলা নেওগৰ হাতত খাটান-ধন সোধাই আছোঁ। এতিয়া ৰাজনখতীয়াই বেটীক শাস্তি কৰি মাৰে। ভগাজনা দেৱতাৰ লেখা চাব দেখালোঁ তাকো নামানে ভগা ৰৰবৰুৱা বুলি। দেৱতাৰ কাম ঢুকাল এনে মাত কৰে। কাকত কটোৱাত ভৰ্ষি ১৪০ ৰূপ ধাৰে আনি ভৰিলোঁ তাৰ বহে বেটীয়ে ৰক্ষা নেপাও। ৰৰুৱাৰ ঘৰে ঘৰে বন্ধুৱা বৈছোঁ। আৰু ৰৰগোঁহাইদেৱৰ পিয়লতে ৰৰকাকতীএ ডেকা চমুৱা খেলত কাকত লগায় আৰু যাৰ কাকততো সেই ৰৰকাকতীয়েই কাকত কাটিছে। এতিয়া বলেৰে ৰাজন খতীয়াই বেটীক শাস্তি কৰি মাৰে। দেৱতাৰ চৰণে অনুগ্রহ নকৰিলে বেটী দেশান্তৰী হ'ব লগা হলোঁ।

এইদৰে বিবোৰ বিচাৰৰ তথা আদালতৰ নথি পত্র পোৱা গৈছে, তাৰপৰা ইয়াৰ কথা-ৰীতিৰ বিষয়ে সবিশেষ জানিব পাৰি। আবেদন পত্রৰ ভাষা অতি প্রাঞ্জল আৰু প্রকাশ ৰীতি শক্তিশালী। আগতে উল্লেখ কৰি অহা আবেদন পত্রৰ ভাষা হৃদয়গ্রাহী।

আৰু এখন তেনে আবেদন পত্র পোৱা গৈছে। ইয়াৰ প্রকাশ-ভঙ্গি অধিক প্রাঞ্জল আৰু সহজ বোধগম্য।

শ্রীশ্রীযুতদেৱৰ চৰণলৈ স্বৰ্গদেৱৰ বন্দী শিৱৰাম ৰৰঠাকুৰএ প্রার্থনা কৰি

জনাইছে পুৰে ঈশ্বৰ গোৰীনাথসিংহ স্বৰ্গদেৱে বন্দীৰ পিতা হৰিনাথ বৰ ঠাকুৰক বৰকলা পথাৰত পুৰে আহত গছ, পশ্চিমে মৰা নৈ উত্তৰে বৰশিমলু দক্ষিণে হিজল গছ এই চাৰি হদ কৰি চল্লিছ পুৰা বোআতী মাটি স্বৰ্গদেৱৰ পুণ্যাৰ্থে ব্ৰহ্মোত্তৰ কৰি দিছিল। সেই কালৰেপৰা আজিলৈকে তিনি-চাৰি জনা স্বৰ্গদেৱৰ দিনত-একো জয় জঞ্জাল নোহোৱাকৈ ধন বিত নভৰাকৈ মাটি খাই আছিলোহ ক। এতিয়া সিংধৰাম হাজৰিকাএ সেই মাটিৰপৰা বলকৈ পকা ধানকো দাই নিলে বন্দীকো মাৰিলে। এনে হলে বন্দীয়ে কেনেকৈ দেশত থাকিম। দাঁড়িয়ে দুৱাৰে এফাললৈ ভাগি যাব লগাহে হলোঁ। যদি স্বৰ্গদেৱৰ দুখান চৰণে সুধি পাচি নেৰাখিলে ৰক্ষা পাব নপৰা হলোঁ। এতেকে স্বৰ্গদেৱৰ চৰণত প্ৰাৰ্থনা কৰি জনাইছোঁ স্বৰ্গদেৱৰ চৰণত ৰাখিলে ৰক্ষা পাও।

আমি আগত পুৰণি অসমৰ ন্যায়ালয় সম্পৰ্কীয় যি কেইটি নিদৰ্শন পাইছোঁ তাৰ প্ৰত্যেকৰে নিজা বৈশিষ্ট্য আৰু ৰীতি বৰ্তমান। অধিক অনুসন্ধান আৰু গবেষণা কৰিলে হয়তো ব্যাপক অধ্যয়নৰ বাট মুকলি হ'ব।

হিতেশ্বৰ বৰবৰুৱাৰ সাহিত্য প্ৰতিভা

আজিৰ পৰা প্ৰায় এশ বছৰৰ আগতে এজন প্ৰতিভাবান ব্যক্তিৰ জন্ম হৈছিল। তেওঁ যেনেকৈ এজন কৃতী বুৰঞ্জীকাৰ আছিল থিক তেনেকৈ প্ৰকৃত অৰ্থত প্ৰতিভাশালী কবি আছিল। কিন্তু অজস্ৰ ৰজাদিনীয়া সম্পত্তিৰ অধিকাৰী চিকো গগৈৰ সন্তান হৈয়ো এইজন মানুহে কবলৈ প্ৰয়াস পাইছিল —মুৰত জুইৰ চৰু লৈ মই দুৰ্কপলীয়াই সংসাৰত জন্ম ধৰিবলৈ আহিছিলোঁ। এয়ে আছিল ভাগ্যৰ বিড়ম্বনা। এইদৰে ভাগ্যৰ চকৰীত ঘূৰি সমগ্ৰ জীৱন ককবককৈ সাঁতুৰি ফুৰা ব্যক্তিজনেই হ'ল অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ এটা চিনাকি নাম—হিতেশ্বৰ বৰবৰুৱা। ঘৰৰ আৰ্থিক অৱস্থা অতিপাত বেয়া হোৱাত টানি মুনি এণ্টেন্সৰ দুৱাৰ দলি পাইছিলগৈ যদিও এণ্টেন্স পাছ কৰা নহ'ল। মাহচেৰেক বেজবৰুৱা হাইস্কুলত কাম কৰি পাছত টিফুক চাহবাগিছাত দুবছৰমান কেৰেণী কাম কৰি মহবন্ধা বাগিছালৈ যায়। তাৰ পাছত প্ৰায় একুৰি পোন্ধৰ বছৰ চকলাটেঙা বাগিছাত বৰকেৰেণী হিচাপে চাকৰি কৰি অৱসৰ গ্ৰহণ কৰে। বৰবৰুৱাৰ আৰ্থিক জীৱন যেনেকৈ অভাৱ অনাটনৰ বোজা বৈ আগবাঢ়ি গৈছিল থিক সেইদৰেই পাৰ্থিৱ সাংসাৰিক জীৱনো নানান শোকাবহ ঘটনাৰে ভৰা। এজন সাহিত্য সমালোচকে বৰবৰুৱাৰ কাব্যত করুণ ৰসৰ প্ৰাচুৰ্য্য দেখি কৈছে—হিতেশ্বৰৰ আত্মিক জীৱন এটাৰ পিছত এটাকৈ বিয়োগ আঘাতৰ করুণ ৰস সিক্ত বুৰঞ্জী মাথোন। মাত্ৰ কেইবছৰমানৰ ভিতৰতে কাণ সমনীয়া ভায়েক মৰমৰ ভাৰ্য্যা নুমলীয়া ভনীয়েক আৰু নুমলীয়া পুতেকৰ অকাল মৃত্যুৱে কবিৰ মনত স্থায়ী শোক আৰু আক্ষেপৰ সাঁচ বহুৱাই থৈ যায়। সেয়েহে তেওঁৰ কবিতাত সততে শোকৰ করুণ সংগীতৰ স্পন্দন শুনিবলৈ পোৱা যায়। চকুলো' নামৰ ছনেটৰ পুথিখনি যথাৰ্থতে শোকৰ সংগীতেই। পুথিখনি উচৰ্গা কৰিছিল নুমলীয়া পুত্ৰৰ নামত। শোকত কবি ইমানেই অভিভূত হৈছিল যে তেওঁ নিজেই কৈছে—

'নোলায় চকুলো মোৰ পুত্ৰৰ
শোকত প্ৰভু।
পুত্ৰ-শোক সন্তাপৰ নোহে ইটো
চিন।

চকুলো দুধাৰি প্ৰভু তোমাৰ
নিৰ্মালি মোৰ
অন্ত হব অস্তিমত ভংগ হব
মোহ মোৰ।

জীৱনত অনেকজনৰ মৃত্যুত চকুলো টুকি হিয়া ভাগি যোৱাৰ পাছতো যেতিয়া কবিৰ নমলীয়া পুত্ৰক মৃত্যুৱে আঁকোৱালি ললে মৃত্যু সম্বন্ধে কবিৰ মনলৈ অনেক প্ৰশ্ন আহিল। কেতিয়াবা গীতাৰ দৰ্শন কেতিয়াবা নিজৰ মনৰ সান্ত্বনা কেতিয়াবা সৃষ্টিৰ চিৰন্তন ৰীতি আদি নানা কথা প্ৰকাশ কৰিছে চকুলো তে কবিৰ কাব্য জীৱনৰো সামৰণি পৰিছে। এইখনি পুথিৰ শেষত কবিয়ে কৈছে—

সমাপ্ত ত সমাপত কৰি ক্ষুদ্ৰ
কাব্য মোৰ
সাহিত্যিক জীৱনৰপৰা লই
অৱসৰ
কাতৰে মাতিছো প্ৰভু কৃপা
বৰষিবা মোত
মই অতি নিমাখিত অতি ক্ষুদ্ৰ
বুদ্ধি নৰ।

অৱশ্যে কবিয়ে সাহিত্যিক জীৱনৰপৰা বিদায় লব খুজিলেও সাহিত্য-সাধনাই সংগ এৰা নিদিলে। দুটি কবিতা লিখাৰ উপৰিও এই সময়তে দীঘলীয়া দহ বছৰ কাল গভীৰ বুৰঞ্জী চৰ্চাত আত্মনিয়োগ কৰি আহোমৰ দিন নামৰ প্ৰায় দুহেজাৰ পিঠিৰ বুৰঞ্জীখন লিখি উলিয়ায়। এই বিৰাট গ্ৰন্থখন সম্প্ৰতি অসম প্ৰকাশন পৰিষদৰ উদ্যোগত ছপা হৈ ওলাইছে। তদুপৰি এই সময়তে বিভিন্ন আলোচনী আৰু বাতৰি কাকতত অনেক বুৰঞ্জীমূলক প্ৰবন্ধ প্ৰকাশ পায়। ১৯২৫ চনৰ অসম সাহিত্য সভাৰ নগাও অধিবেশনৰ বুৰঞ্জী শাখাৰ অভিভাষণো এটি অমূল্য সম্পদ।

হিতেশ্বৰ বৰবৰুৱা সৰুৰেপৰাই কবি সুলভ প্ৰবৃত্তিৰ ল'ৰা আছিল। মাত্ৰ জনচেৰেক সীমাবদ্ধ বন্ধুৰ লগত বন্ধুত্ব আছিল। হাতত ধন নাছিল কিন্তু জ্ঞানৰ স্পৃহা অতি গভীৰ আছিল। গভীৰ দেশপ্ৰেমত উদ্বুদ্ধ হৈ

কাব্য-সাহিত্যৰে দেশক চহকী কৰিবলৈ সৰুৰে পৰাই দেশ বিদেশৰ কাব্যসাহিত্য চৰ্চাত মনোনিবেশ কৰিছিল। অনেক অভাৱ অনাটন। তাৰে মাজত বাপ্তিৰ ধনৰ পৰা দুপইচা ৰাহি কৰি ইংৰাজী আৰু বঙলা সাহিত্যৰ বাছকবনীয়া পুথি কিনি পঢ়িছিল। তেওঁৰ কাব্যসমূহত য তে ত তে ইংৰাজ কবিসকলৰ মনোমোহা, অৰ্থব্যঞ্জক উদ্ধৃতিবোৰ দেখিলেই ইংৰাজী কাব্য সাহিত্যৰ লগত কিমান গাঢ় পৰিচয় আছিল তাৰ প্ৰমাণ পোৱা যায়। এবাৰ এজন বঙালী শিক্ষকে বৰবৰুৱাই যি কোনো গ্ৰেজুৱেট এজনতকৈ ভাল ইংৰাজী জানে বুলি মন্তব্য কৰিছিল। কিন্তু তেওঁ তেতিয়া হাইস্কুলৰ ছাত্ৰহে আছিল। চেক্সপীয়েৰৰ সাহিত্যই বৰবৰুৱাৰ ওপৰত প্ৰভাৱ পেলাইছিল। অগিংলা ডেচডিমোনা মইনা আদি অনুবাদ মাত্ৰ।

বৰবৰুৱাৰ সাহিত্যিক জীৱন আৰম্ভ হয় এখনি বঙলা কাব্যৰে। নাম সৰলা বিজয়। এইখন ঘৰ জুই লাগোঁতে পুৰি ছাই হয়। এই সময়তে কিছুমান মনোমোহা ইংৰাজী কবিতাৰ ভাঙনি কৰি তলসৰা ফুলৰ তিনি অঞ্জলি নাম দি এখন পুথি ৰচনা কৰিছিল। ইযাৰ উপৰিও টিফুক প্ৰবাস আৰু ধনদা কমল নামৰ দুখন পুথিও যুগুত কৰিছিল। এইবোৰে ছপাশাল গৰকিবলৈ নেপালে। বৈদেহীৰ নিৰ্বাসন নামৰ এখন আধৰুৱা নাটক আৰু অঁজলি নামৰ আন এখনি কাব্যও পোহৰলৈ নাহিল।

কবিৰ প্ৰকাশিত কাব্যসমূহৰ ভিতৰত ঢোপাকলি পোনপ্ৰথমে ওলায়। এইখনি খণ্ড কবিতাৰ পুথি। ঢোপাকলি ত প্ৰকাশিত দুই-চাৰিটা কবিতা ছনেটৰ পুথি 'মালছ'তো সন্নিবিষ্ট কৰা হয়। কবিৰ কাব্যসমূহৰ দীঘে বাণিয়ে পৃথিৱীৰ বিখ্যাত কবিসকলৰ উদ্ধৃতি পোৱা যায়। মহাকবি কালিদাস, মাইকেল মধুসূদন দত্ত আদিৰ উপৰিও চেক্সপীয়েৰ, মিল্টন ৱৰ্ডছৱৰ্থ শ্যেলী বাইৰণ টেনিছন, কাউপাৰ, মাৰ্লো ভল্টেয়াৰ, ড্ৰাইডেন প'প, মুৰ, গল্ডস্মিথ লংফেল ৰ'ছেটি জৰ্জ ইলিয়ট আৰ্থাৰ বাইডাৰ কাৰ্পেণ্টাৰ আদি অনেক সৰু-বৰ কবিৰ উদ্ধৃতি তেওঁৰ ৰচনাৰ লগত খাপ-খোৱাকৈ উদ্ধৃত কৰা হৈছে। বিখ্যাত কবিসকলৰ কাব্যাদৰ্শ আহৰণ কৰাৰ উপৰিও তেওঁ পৃথিৱীৰ প্ৰাচীন সভ্যতা সংস্কৃতিসম্পন্ন দেশবিলাকৰ বুৰঞ্জী অধ্যয়ন কৰিছিল। তেওঁৰ বাকী প্ৰকাশিত পুথিসমূহ হ'ল 'বিৰহিনী বিলাপ কাব্য', 'কমতাপুৰ ধ্বংস বা সাদৰী' 'তিৰোতাৰ আত্মদান আভাস 'মালিতা, যুদ্ধক্ষেত্ৰত আহোম ৰমণী বা মূলাগাভৰু' 'ডেচডিমোনা' অগিংলা', 'মালচ' আৰু 'চকুলো'।

হিতেশ্বৰ বৰবৰুৱাৰ বিষয়ে ড মহেশ্বৰ নেওগে কৰা মন্তব্য এটি এইখিনিতে উল্লেখ কৰিব খুজিছোঁ। 'হিতেশ্বৰ বৰবৰুৱা ভাষা সাহিত্য, বুৰঞ্জী আৰু জাতীয় হিতৰ একনিষ্ঠ সাধনাৰ মনোৰম আদৰ্শ'। তেওঁ আমাৰ এজন ডাঙৰ কবিয়েই নহয় ভাল কাবও। শুদ্ধ কবিতাৰ স্পৰ্শ তেওঁৰ শাৰীবোৰত স্পন্দিত হৈ উঠিছে। কৰুণ ৰস আৰু জাতীয় ভাব তেওঁৰ কাব্য চৰ্চাৰ মূল দুটি অনুপ্ৰেৰণা। একেৰাহে বিৱৰণমূলক কাব্য আৰু ভাবঘন ছনেট ৰচনা কৰাত আমাৰ কাব্য বুৰঞ্জীত তেওঁৰ স্থান আছুতীয়া। তদুপৰি অমিত্ৰচ্ছন্দৰ তেওঁ এজন নিপুণ কলাকাৰ। মুঠতে আধুনিক অসমীয়া সাহিত্যত বৰবৰুৱাৰ ঠাই অতি ওপৰত। স চাকৈয়ে বৰবৰুৱাৰ বৰঙনি অনন্যসাধাৰণ।

কমতাপুৰ ধ্বংস বা সাদৰী কাব্যখনৰ স্থান অসমীয়া সাহিত্যত লেখত লবলগীয়া। আধুনিক অসমীয়া ভাষাত ইয়াৰ আগতে মাত্ৰ দুখন কাব্য ৰচিত হৈছিল—ৰমাকান্ত চৌধুৰীৰ অভিমন্যু বধ আৰু ভোলানাথ দাসৰ সীতাহৰণ। এই দুয়োখন কাব্যৰ ভাষাৰ ঠাচ নিভাঁজ ঘৰুৱা ভাষা আৰু ঠাঁচৰপৰা কিছু নিলগত কিন্তু হিতেশ্বৰ বৰবৰুৱাই গহীনভাৱেৰে ধ্বনি ব্যঞ্জনাপূৰ্ণ কমতাপুৰ ধ্বংস' কাব্য লিখি অসমীয়া সাহিত্যৰ বুৰঞ্জীত এটি শিলাস্তম্ভ প্ৰতিষ্ঠা কৰে। পোন্ধৰটা সৰ্গযুক্ত এই কাব্যখন কমতাপুৰ ৰাজ্যৰ কাহিনীৰ এটি কাব্যৰূপ। কাব্যিক সৌন্দৰ্য্যপুষ্ট এই মনোৰম কাব্যখন স্চাকৈয়ে অসমীয়া সাহিত্য ভঁৰালৰ এটি অমূল্য সম্পদ। ছটা সৰ্গৰে সমৃদ্ধ বিৰহিনী বিলাপ কাব্যত কবিয়ে জয়দেৱৰ গীতগোবিন্দৰ উপস্থিতিৰে পাতনি মেলিছে। বিৰহৰ অনলত দগ্ধ প্ৰেমিকাই মনৰ ভাব প্ৰকাশ কৰিছে কাব্যখনত। তৰুণ কবিৰ চঞ্চল মনৰ উচ্ছ্বাস কাব্যত প্ৰতিধ্বনিত হৈছে। এইখন কাব্যৰ ওপৰঞ্চি হিচাপে সন্নিবিষ্ট ভনীটি ভাইটি আইতা প্ৰাণৰ জিতেন আৰু প্ৰিয়তমা নামৰ পাচোঁটি শোক-কবিতা আছে। কৰুণ-ৰসসিক্ত এই কবিতা কেইটাৰ ভাব আৰু ভাষা স্চাকৈয়ে অন্তৰস্পৰ্শী।

বৰ্ণনাত্মক কাব্যৰ ভিতৰত আন দুখন উল্লেখযোগ্য কাব্য হ'ল 'তিৰোতাৰ আত্মদান' আৰু 'যুদ্ধক্ষেত্ৰত আহোম ৰমণী'। দুয়োখনেই আহোম যুগৰ দুগৰাকী স্বনামখ্যাতা ৰমণীৰ কাহিনীভৰা কাব্য। অমিত্ৰ ছন্দত লিখা এই দুয়োখনি কাব্যই ভাবত গহীন, ভাষাত সৰস আৰু বৰ্ণনাত সজীৱ। দুয়োখনি কাব্যই সাৰ্থক সৃষ্টি। কবিৰ গভীৰ দেশপ্ৰেমৰ চানেকী এই

দুয়োখনি কাব্যতে পোৱা যায়। আভাস কাব্যৰ কুৰি গৰাকী খ্যাতনামা নাৰীৰ ঠাইত আৰু আংশ একো একোটি গীতি-কবিতাত ধৰি ৰাখিবলৈ প্ৰয়াস কৰিছে। ৰাধা বৃন্দা বৈদেহী সীতা দৈৱকী যশোদা ৰোহিণী সুভদ্ৰা উত্তৰা সাবিত্ৰী অহল্যা দ্ৰৌপদী কুন্তী তাৰা মন্দোদৰী জনা তিলোত্তমা অৰজা এই কেইগৰাকী ভাৰতীয় নাৰী। ইয়াৰ বাহিৰেও মধ্য প্ৰাচ্যৰ লায়লা আৰু ইউৰোপৰ জোছেফাইন জোৱানডাক ৰোডেচিয়াৰ চৰিত্ৰও সন্নিবিষ্ট হৈছে। এইখিনিতে এইটো উল্লেখ কৰিব পাৰি যে বৰবৰুৱাৰ কাব্যকেইখনিত নাৰীচৰিত্ৰকো প্ৰাধান্য দিয়া হৈছে। শেক্সপীয়েৰৰ অথেলো নাটৰ বিষয়বস্তুৰে ডেচডিমোনা কাব্য গল্ডস্মিথৰ ভাইকাৰ অৱ ৱেকফিল্ড কাব্যৰ অনুকৰণত অংগিলা ৰচনা কৰে। ডেচডিমোনাত অথেলো নাটকৰ পঞ্চম অংকৰ দ্বিতীয় দৃশ্যৰ কথাখিনি একুৰি দুটা ছেদত ছনেটগঢ়ী কবিতাৰে ফুটাই তোলা হৈছে। আনপিনে অংগিলাত এংগোলিয়া আৰু এডুইনৰ প্ৰণয় কাহিনী মনোমোহাকৈ অংকিত হৈছে।

বৰবৰুৱাৰ অন্যতম কাব্যিক অৱদান মালচ। এশ আঠাইশটা ছনেট থুপাই পুথিখনি প্ৰকাশ কৰা হৈছে। পূৰ্বতে প্ৰকাশ হোৱা ঢোপাকলি আদিৰ কেইটিমান বাছকবনীয়া কবিতাও ইয়াত সন্নিবিষ্ট হৈছে। যথাৰ্থতে অসমীয়া সাহিত্যত আজিলৈকে কোনেও বৰবৰুৱাৰ দৰে ছনেট ৰচনাত কৃতকাৰ্য্য হ'ব পৰা নাই। তেওঁৰ ছনেটত ভাব ঘনতা আৰু সুৰৰ ঐক্য বৰ্তমান। শেষৰ পদ যুগ্মকে সেই ভাব আৰু সুৰক তীব্ৰ কৰি ছনেটৰ নিটোল ৰূপ দিছে। তেখেতৰ শেষ কাব্য 'চকুলো। উপযুৰ্য্যপৰি মৃত্যু-শোকৰ বেদনাত কবিৰ অন্তৰৰ অনুভূতি উথলি উঠিছে। একুৰি চোধটা ছনেটেৰে মৃত্যু জীৱন জীৱাত্মা পৰমাত্মা আদিৰ সম্বন্ধৰ বিষয়ে কবিৰ ধাৰণা অংকন কৰি চকুলোতে কাব্যিক জীৱনৰ সামৰণি মাৰিছে। ইংৰাজ কবিয়ে ক ৰৰ দৰে আমাৰ সুন্দৰীসুৰীয়া গীতবোৰ সদায়েই বেদনাময় ভাবৰ অভিব্যক্তি মাত্ৰ। কবিৰ ব্যক্তিগত জীৱনৰ শোক বেদনাই চকুলোতে প্ৰকাশ লাভ কৰি মধুৰ কৰুণ ৰসসিক্ত কাব্যলৈ ৰূপান্তৰিত হৈছে।

আহোমৰ দিন কবিৰ জীৱন জোৰা সাধনাৰ অক্ষয়-কীৰ্ত্তি। তদুপৰি অসম সাহিত্য সভাৰ বুৰঞ্জী শাখাৰ অভিভাষণখনি মৌলিক চিন্তা আৰু তথ্যপাতিৰ সমন্বয়ে অমূল্য সম্পদ কৰি তুলিছে। তদুপৰি সমসাময়িক আলোচনী আৰু বাতৰি কাকতত অনেক প্ৰবন্ধ প্ৰকাশ পাইছিল।

ঊনবিংশ শতিকাৰ মাজ ভাগত জন্ম-গ্ৰহণ কৰি যিসকল ব্যক্তিয়ে দেশ-সেৱা নাইবা সাহিত্য সেৱা কৰিছিল সেইসকলৰ মনত আছিল সবল আশাবাদ আৰু আন্তৰিকতা। বৰবৰুৱাৰ ক্ষেত্ৰত সেই আন্তৰিকতাৰ লগতে আছিল মৌলিক প্ৰতিভা। গাৰ্হস্থ্য জীৱনৰ প্ৰতিকূল পৰিৱেশে বিধি পথালি নিদিয়া হলে হয়তো তেওঁৰ পৰা আমি আৰু অধিক অৱদান আশা কৰিব পাৰিলো হেঁতেন। তদুপৰি তেওঁ চাকৰি কৰিছিল চাহ বাগিছাত। দিনৰ দিনটো ব্যস্ত আছিল কাব্য সাহিত্যৰ লগত সম্বন্ধ নথকা কামৰ লগত। ইটোৰ পাছত সিটোকৈ মৃত্যুৰ শোকাবহ ঘটনাই তেওঁক জৰ্জৰ কৰি পেলাইছিল। ইয়াৰ উপৰিও আৰ্থিক অৱস্থা স্বচ্ছল নাছিল। এনেকুৱা প্ৰতিকূল পৰিৱেশত তেওঁ যিখিনি অৱদান দি থৈ গ'ল সি অসমীয়া জাতিৰ বাবে অমূল্য সম্পদ। সিয়েই তেওঁৰ তিনিকুৰি তিনি বছৰীয়া জীৱন অতিক্ৰম কৰি যুগজয়ী স্মৃতিস্তম্ভ প্ৰতিষ্ঠা কৰিছে।

ৰোগ শয্যা

সমাগত হলে সন্ধ্যা নৰ জীৱনৰ।
প্ৰাণপক্ষী যায় উৰি কোনোবা দিশত
দিনান্তত হলে যেন সন্ধ্যা সমাগম
উৰি যায় ৰাজহংস দূৰ পৰ্বতত॥
কোনে জানে সেই হংস আজি উৰি গ'ল।
সেয়েকি আহিব কালি চৰিব বিলত।
প্ৰাণবায়ু যাৰ আজি দেহা এৰি গ'ল
তাৰ কি পুনৰ জন্ম হব জগতত॥
বহুলোক প্ৰাণ এৰি গ'ল আজিলৈকে
নাহিল এটিও ঘূৰি নকলেহি হায়
কেনুৱা সি পৰলোক কেনুৱা সি ঠাই॥
আত্মীয় স্বজন নেকি তাত দেখা পায়॥
প্ৰাণাধিকা প্ৰিয়তমা প্ৰিয় পুত্ৰগণ।
পায়নেকি সেই ঠাইত পুনু দৰশন॥
(হিতেশ্বৰ বৰবৰুৱাই ৰচনা কৰা শেষ কবিতা
'সুৰভি, ১৯৩৯ চন)

সন্দিকৈৰ পুথি তিনিখন

কৃষ্ণকান্ত সন্দিকৈ যথাৰ্থতে পণ্ডিত আছিল। অনন্যসাধাৰণ প্ৰতিভা প্ৰখৰ স্মৃতিশক্তি আৰু নিৰৱচ্ছিন্ন সাধনাৰ ত্ৰিবেণী সঙ্গমত স্নান কৰি সন্দিকৈদেৱে কাপ হাতত লৈছিল আৰু গভীৰ চিন্তা ব্যাপক অধ্যয়ন আৰু অভূতপূৰ্ব বিশ্লেষণী প্ৰতিভাৰ চানেকি স্বৰূপে তিনিখনি অপূৰ্ব গ্ৰন্থ এৰি থৈ গৈছে।

নৈষধ চৰিত (নল-দময়ন্তীৰ কাহিনী) এখনি কঠিন ভাষাত লেখা মহাকাব্য। সংস্কৃত ভাষাৰ পঞ্চমহাকাব্যৰ অন্তৰ্গত নৈষধ চৰিত। বাকী কেইখন হ'ল কালিদাসৰ ৰঘুবংশ আৰু কুমাৰসম্ভৱ ভাৰবীৰ কিৰাতাৰ্জুনীয় আৰু মাঘৰ শিশুপাল বধ। শ্ৰীহৰ্ষৰ নৈষধ চৰিত'ৰ ইংৰাজী অনুবাদ আৰু বিভিন্ন টীকাকাৰৰ ভাষ্যৰ বিশ্লেষণ আৰু তুলনাত্মক আলোচনা পূৰ্বতে হোৱা নাছিল। এই কঠিন মহাকাব্যখনৰ প্ৰতি সন্দিকৈদেৱ কটন কলেজৰ ছাত্ৰ হৈ থাকোঁতেই আকৰ্ষিত হৈছিল। একোটা শ্লোক বুজিবলৈ এঘণ্টা ডেৰঘণ্টাকাল ব্যয় কৰিও চেষ্টাৰ ত্ৰুটি কৰা নাছিল। ইউৰোপৰপৰা উলটি আহিয়েই 'নৈষধ চৰিত' ৰচনাৰ কাম হাতত লয় আৰু সাত বছৰ ব্যাপি ঐকান্তিক সাধনা আৰু কঠোৰ পৰিশ্ৰমৰ পৰিণতি স্বৰূপে এই পুথিখন হস্তগত হৈ ওলায়। প্ৰকাশকে তেতিয়াই ভিতৰৰ বেটুপাতত ভাৰত ইউৰোপ আৰু আমেৰিকাৰ প্ৰখ্যাত পণ্ডিত' সকলৰ দ্বাৰা সমাদৃত এই ইংৰাজী অনুবাদ সম্পূৰ্ণ অথচ সৰ্বপ্ৰথম বুলি উল্লেখ কৰিছিল। এই পুথিখন প্ৰকাশ হৈ ওলোৱাৰ লগে লগে সুদূৰ ইউৰোপ আমেৰিকাৰ প্ৰাচ্যতত্ত্ববিদ পণ্ডিত সমাজত অভূতপূৰ্ব সমাদৰ লাভ কৰিছিল। বহুতেই এই দুৰূহ কামটো সমাধা কৰাৰ বাবে অভিনন্দন জনাইছিল। সেইসকলৰ ভিতৰত সংস্কৃত সাহিত্যৰ বুৰঞ্জীৰ লেখক এডিনবাগৰ এ বি কীথ আৰু ভাৰতীয় সাহিত্যৰ বুৰঞ্জীৰ লেখক প্ৰেগৰ এম বিণ্টাৰনিজো আছে। ভাৰতৰ পণ্ডিতসকলৰ ভিতৰত মহামহোপাধ্যায় গোপীনাথ কবিৰাজ, মহামহোপাধ্যায় কুপ্পুস্বামী শাস্ত্ৰী ডঃ ভি সুখটঙ্কাৰ ডঃ চি কুনহান আদিৰ নাম উল্লেখ-যোগ্য। তদুপৰি ভাৰতৰ উচ্চখাপৰ আলোচনী আৰু বাতৰি-কাকতত গ্ৰন্থখন সমালোচিত আৰু সমাদৃত হৈছিল।

সন্দিকৈদেৱে পুথিখনি উছুৰ্গা কৰিছিল 'ভাৰতত সংস্কৃত চৰ্চাৰ অন্যতম বাটকটীয়া আনন্দৰাম বৰুৱাৰ স্মৃতিত'।

নৈষধ চৰিত সন্দিকৈদেৱৰ মৌলিক প্ৰতিভা অসীম প্ৰচেষ্টা আৰু বিশ্লেষণী মনৰ পৰিচায়ক। ইয়াৰ ইংৰাজী অনুবাদেই নহয় পূৰ্বতে প্ৰকাশ নোহোৱা চাণ্ডুপণ্ডিত বিদ্যাধৰ ঈশানদেৱ নৰহৰি বিশ্বেশ্বৰ জিনৰাজ মল্লীনাথ নাৰায়ণ আদি টীকাকাৰৰ ভাষ্যসমূহ চালি জাৰি কাব্যখনৰ অৰ্থ নিৰ্ণয় কৰি তুলনাত্মক পাঠ যুগুত কৰিছিল। আঢ়ৈকুৰি পৃষ্ঠাজোৰা এই অংশটো পৰ্যবেক্ষণ কৰিলেই সন্দিকৈদেৱৰ বিশ্লেষণাত্মক পদ্ধতি কেনে পৰিপাটি আছিল সহজে বুজিব পাৰি। ইয়াৰ উপৰিও পুথিখনৰ শেহত ভাৰতীয় দৰ্শনৰ ন্যায়বৈশেষিক মীমাংসা সাংখ্য আৰু যোগ বেদান্ত বৌদ্ধ জৈন আৰু চাৰ্বাক শাখাৰ বিষয়ে চমু অথচ গভীৰভাৱে আলোচনা কৰিছে। তদুপৰি দত্তাত্ৰেয় ত্ৰিবিক্ৰম ৰাধা বিষ্ণুৰ দ্বাদশ মূৰ্তি আৰু বৌদ্ধ তাৰাদেৱী আদিৰ বিষয়েও কেতবোৰ মৌলিক তথ্যৰ অৱতাৰণা কৰিছে। সদৌ শেষত সাতসত্তৰ পৃষ্ঠাজোৰা শব্দৰ তালিকাখন সন্নিবিষ্ট কৰি সংস্কৃত অভিধানৰ পৰিপূৰক কেতবোৰ শব্দৰ অপূৰ্ব অৰ্থ ব্যাখ্যা কৰিছে। বিভিন্ন কাব্য আৰু টীকাকাৰে দিয়া অৰ্থবোৰ উদ্ধৃত কৰি তুলনাত্মক বিচাৰৰ বাট মুকলি কৰাই নহয় কোনো কোনো ক্ষেত্ৰত সিদ্ধান্তও দিছে। এই শব্দ তালিকাখন দেখিলেই সন্দিকৈদেৱৰ ব্যাপক অধ্যয়ন, প্ৰখৰ স্মৃতি আৰু বিস্তৃত জ্ঞানৰ পৰিচয় পোৱাৰ উপৰিও ভাষাতাত্ত্বিক তথ্যানুসন্ধান ক্ষমতাৰো দক্ষতা দেখা যায়। এ বি কীথে নৈষধ চৰিতৰ বিষয়ে মন্তব্য কৰোঁতে এই প্ৰচেষ্টা অতি মূল্যবান বৰঙনি বুলি প্ৰশংসা কৰিছে। য়ি টাৰনিজ আৰু গোপীনাথ কবিৰাজেও পুথিখনৰ পৰিশিষ্টখিনি অতি মূল্যবান সংযোজন বুলি উল্লেখ কৰিছে। সংস্কৃত অভিধানত সততে নথকা শব্দাৱলীৰ অৰ্থ নিৰ্ণয় আৰু ইয়াৰ বিজ্ঞানসন্মত পদ্ধতি বিশ্বৰ পণ্ডিত সমাজৰ বাবে আশ্চৰ্য আৰু একান্ত প্ৰয়োজনৰ বস্তু।

মহাকাব্যত আঠোটা বা ততোধিক সৰ্গ থকা উচিত। শ্ৰীহৰ্ষৰ 'নৈষধ চৰিত'ত বাইশটা সৰ্গ আছে। নল দময়ন্তীৰ আকৰ্ষণীয় প্ৰণয়াত্মক কাহিনীয়েই নৈষধ চৰিতৰ বিষয়বস্তু। দুহেজাৰ আঠশ শ্লোকেৰে ৰচিত এইখন মহাকাব্যৰ মূল অংকটো মহাভাৰতৰ হলেও প্ৰতিভাশালী কবিয়ে কাব্যখন ৰসোত্তীৰ্ণ কৰিবলৈ কাহিনীত সুবিধা অনুসৰি যোগ বিয়োগ কৰিছে। সন্দিকৈদেৱে নৈষধ চৰিত অনুবাদ কৰোঁতে অসুবিধাৰ সন্মুখীন হৈছিল। কাব্যখনৰ বিষয়ে আঠজন টীকাকাৰে টীকা যুগুত কৰিছিল কিন্তু তাৰে মল্লীনাথ আৰু

নাৰায়ণৰ টীকাহে প্ৰকাশিত হৈছিল। অপ্ৰকাশিত টীকাসমূহ পুৰণি পুথিৰপৰা পঢ়ি তুলনাত্মক টোকা প্ৰস্তুত কৰাটো স্বাভাৱিকতে সৰ্বসাধাৰণ পণ্ডিতৰ বাবে কষ্টসাধ্য কাম আছিল। এই টীকাবোৰ বিশ্লেষণ কৰি সন্দিকৈদেৱে পাণ্ডিত্যপূৰ্ণ মূল্যায়ন কৰিছিল। তেখেতৰ মতে বিদ্যাধৰৰ সাহিত্য বিদ্যাধৰী সবাতোকৈ প্ৰাচীন চাণ্ডুপণ্ডিতৰ দীপিকা পাণ্ডিত্যপূৰ্ণ, মল্লীনাথৰ টীকা ব্যাখ্যাপূৰ্ণ আৰু ভগীৰথৰ নৈষধ গূঢ়াৰ্থ দীপিকা নিজা ব্যাখ্যাসম্মত হ'লেও প্ৰাচীন টীকাকাৰৰ মতব্যপূৰ্ণ। এই গীতিব্যঞ্জক মহাকাব্যখনৰ ৰচনাকাল দ্বাদশ শতিকা আৰু সংস্কৃত মহাকাব্য ৰচনা পৰম্পৰাৰ শেষ কীৰ্তি। ৰত্নাকৰৰ হৰ বিজয় আৰু অভিনন্দৰ ৰামচৰিত বাদ দিলে এইখন সবাতোকৈ দীঘলীয়া মহাকাব্য। নৈষৰ চৰিতৰ টীকাসমূহত ব্যাখ্যাৰ ক্ষেত্ৰত বহুতো বিভিন্নতা দেখিবলৈ পোৱা যায়। এনে ভিন্নমুখী টীকাসমূহ জুকিয়াই, বিশ্লেষণ কৰি সিদ্ধান্তলৈ অহাটো বাস্তৱিকতে কষ্টসাধ্য। কিন্তু তাকেই নিয়াৰিকৈ সমাধা কৰিছিল সন্দিকৈদেৱে। টীকাকাৰসমূহৰ ব্যাখ্যাবোৰ তন্নকৈ তন্নকৈ বিশ্লেষণ কৰি কৈছিল নৈষধ চৰিত ৰ তেখেতে যুগুত কৰা পাঠো শেষ সিদ্ধান্ত নহয় কাৰণ অপ্ৰকাশিত টীকা আৰু অনেক ওলাব পাৰে। সি যি কি নহওক সন্দিকৈদেৱে নৈষধ চৰিত অনুবাদ আৰু সম্পাদনা পাণ্ডিত্যপূৰ্ণ পদ্ধতিৰে সম্পন্ন কৰিছে বুলি বিশ্বৰ পণ্ডিতমণ্ডলীয়ে মত প্ৰকাশ কৰিছে। যথাৰ্থতে সন্দিকৈদেৱৰ 'নৈষধ চৰিতে বিশ্বৰ সংস্কৃত জগতলৈ এছাটি নতুন পোহৰ আনিছিল। ডঃ আনন্দকুমাৰ স্বামীয়ে সন্দিকৈদেৱক জনাইছিল যে তেওঁ বিবোৰ প্ৰাচীন ৰাজপুত চিত্ৰ মহাভাৰতৰপৰা লোৱা হৈছিল বুলি অনুমান কৰিছিল যথাৰ্থতে কিন্তু 'নৈষধ চৰিত'ৰপৰাহে লৈছিল। ডঃ স্বামীৰ সন্দিকৈদেৱৰ ইংৰাজী অনুবাদ পঢ়াৰ পিছতহে সেই অনুমান দূৰ হৈছিল। ১৯৩৬ চনত 'ইণ্ডিয়ান হিষ্টৰিকেল কোৱাৰ্টাৰলি'ত লেখা নৈষধ চৰিত আৰু ৰাজপুত চিত্ৰকলা' নামৰ চিন্তাগধুৰ বিশ্লেষণাত্মক প্ৰবন্ধটো 'নৈষধ চৰিত'ৰ অপৰিহাৰ্য্য সংযোজন। ড সুনীতিকুমাৰ চট্টোপাধ্যায়ে এবাৰ আমাক অসমৰ মেনিয়েচাৰ পেইণ্টিং সম্পৰ্কে সোধোঁতে কৈছিল 'কৃষ্ণকান্ত সন্দিকৈ বৰ ডাঙৰ পণ্ডিত, তেওঁ ভাৰতৰ চিত্ৰকলা সম্পৰ্কে বহুতো কথা জানে।"

পৰিশিষ্টৰ প্ৰথম আৰু দ্বিতীয় অধ্যায়ত সন্দিকৈদেৱে ভাৰতীয় দৰ্শন

আৰু ধ্যান ধাৰণা সম্পৰ্কে যিখিনি তত্ত্বগধুৰ তথ্য পৰিবেশন কৰিছে, তাৰপৰা তেখেতৰ কাব্য ভাষাতত্ত্ব বা ব্যাকৰণজ্ঞানেই প্ৰকাশ পোৱা নাই ভাৰতীয় দৰ্শনৰ গভীৰ অথচ বিস্তৃত অধ্যয়নৰো পৰিচয় দিছে। এই অধ্যায় দুটাই নৈষধ চৰিত গ্ৰন্থখনৰ পাণ্ডিত্য আৰু মূল্য অনেক বৃদ্ধি কৰিছে। ডঃ হৰদত্ত শৰ্মাই এই অংশটো আৰু শব্দ তালিকাখন অতি মূল্যবান বুলি প্ৰশংসা কৰিছে। ভা ডাৰকাৰ অৰিয়েণ্টাল ৰিছাৰ্চ ইন্সটিটিউটৰ মুখপত্ৰ ইণ্ডিযান কালছাৰ আৰু মাদ্ৰাজৰ হিন্দু কাকততো নৈষধ চৰিতৰ অনুবাদ সম্পাদনা প্ৰণালী আৰু বিচাৰ বিশ্লেষণৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰি সন্দিকৈদেৱৰ গভীৰ অধ্যযন আৰু উচ্চ পাণ্ডিত্যৰ প্ৰশংসা কৰিছিল।

সন্দিকৈদেৱৰ জীৱনৰ দ্বিতীয় অক্ষয় কীৰ্তি হ'ল সোমদেৱৰ যশস্তিলক আৰু ভাৰতীয় সংস্কৃতি। ১৯৪৯ চনত ছোলাপুৰৰ জৈন সংস্কৃতি সংৰক্ষক সঙ্ঘই এই পুথিখনি প্ৰকাশ কৰে। পুথিখনে বহুতো আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন পণ্ডিতৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়।

যশস্তিলক জৈনধৰ্মীয় গ্ৰন্থ। ই এখনি চম্পু কাব্য। দাক্ষিণাত্যত যেতিয়া ৰাষ্ট্ৰকূট সাম্ৰাজ্য বিৰাজ কৰিছিল সেই সময়তে ধাৰৱাৰ অঞ্চলত সোমদেৱে এই কাব্যখন ৰচনা কৰে। এই কাব্যখন ৰচিত হয় ৯৫৯ খ্ৰীষ্টাব্দত। এই কাব্যখন যদিও দেখাত ৰোমান্স কাব্য ইয়াৰ ভিতৰত সমসাময়িক ভাৰতীয় সংস্কৃতিৰ এখনি ইতিহাস বুকুত সামৰি থৈছে। ইয়াত ধৰ্ম সাহিত্য সামাজিক ৰাজনৈতিক পৰিস্থিতি দৰ্শন আৰু অনেক বিষযৰ তথ্য সন্নিবিষ্ট হৈছে। সন্দিকৈদেৱে এই কাব্যখনৰ সমালোচনাত্মক অধ্যয়ন কৰিয়েই ক্ষান্ত নেথাকি সমসাময়িক ভাৰতীয় সংস্কৃতিৰ গঠন আৰু বিকাশত যিবোৰ বিষয়ে সহায়তা কৰিছিল আৰু কাব্যখনে তাৰো সংবাদ দিছে আৰু সেইবোৰো বিচাৰ বিশ্লেষণ কৰিছিল। ইয়াকে কৰোঁতে নিৰ্ণয সাগৰ প্ৰেছে প্ৰকাশ কৰা মূল পুথিখন আৰু শ্ৰুতসাগৰৰ টীকা অনুসৰণ কৰিছিল। এনেয়ে জৈন ধৰ্মীয় গ্ৰন্থ তাতে জটিল বিষযৰ অৱতাৰণা। স্বাভাৱিকতে পুথিখন সৰ্বসাধাৰণ পণ্ডিতৰ বিষয়বস্তু নাছিল। গতিকে ইয়াৰ অধ্যয়ন কৰোঁতে সন্দিকৈদেৱৰ অত্যন্ত পৰিশ্ৰম হৈছিল।

অক্সফৰ্ডত 'আধুনিক ইতিহাস বিষয়টো অধ্যয়ন কৰোঁতে সত্যাসত্য নিৰ্ণয়ৰ যি বিজ্ঞানসম্মত পদ্ধতি আহৰণ কৰিছিল তাকেই সোমদেৱৰ

যশস্তিলক গ্ৰন্থৰ আলোচনাৰ সময়ত বাস্তৱ অনুশীলনী হিচাপে প্ৰয়োগ কৰিছিল যেন লাগে। সমসাময়িক ভাৰতীয় সাংস্কৃতিক ইতিহাসৰ আঁত বিচাৰোঁতে সন্দিকৈদেৱে 'যশস্তিলক'ৰ উপৰিও অন্যান্য গ্ৰন্থৰো প্ৰসঙ্গ উদ্ধৃত কৰি সম্যক ৰূপ দিবলৈ যৎপৰোনাস্তি যত্ন কৰিছিল। পৰিশিষ্টৰ অতিৰিক্ত চাৰিটা অধ্যায় আৰু যশস্তিলক'ৰ ভৌগোলিক নামৰ বিশ্লেষণাত্মক তালিকাখন বাদ দি মূল পুথিখনত ওঠৰটা অধ্যায় আছে। কাব্যৰ ৰচয়িতা সোমদেৱ আৰু তেওঁৰ সময় যশস্তিলকৰ চমু কাহিনী যশোধৰৰ কাহিনী আৰু ইয়াৰ উৎস গদ্য কাব্য হিচাপে যশস্তিলক সামাজিক ৰাজনৈতিক জীৱনৰ দলিল হিচাপে যশস্তিলক ধৰ্মীয় কাব্য হিচাপে যশস্তিলক সংস্কৃত শ্লোকৰ বাছনি হিচাপে যশস্তিলক দাৰ্শনিক চিন্তাধাৰা দাৰ্শনিক শ্ৰেণীবিভাগ জৈন আদৰ্শ আৰু নৈতিক আধ্যাত্মিক শৃঙ্খলা অনুপ্ৰেক্ষা আৰু জৈন ধৰ্মীয় কাব্য বিবদমান আলোচনা জৈনধৰ্ম আৰু অন্য পৰম্পৰা বৈদিক ক্ৰিয়া কাণ্ডৰ বিষয়ে জৈন সমালোচনা আন জৈন শাখা আচাৰ আৰু বিশ্বাস জৈন ধৰ্মীয় আৰু নৈতিক কাহিনীসমূহ সৃষ্টি কাহিনী আৰু উপকথা উদ্ধৃতি আৰু প্ৰসঙ্গ—এই ওঠৰটা বিষয়ৰ ওপৰত অতি নিযাৰিকৈ আলোচনা কৰি পুথিখনৰ অনন্যসাধাৰণ গুণ বৰ্দ্ধিত কৰিছে। পৰিশিষ্ট অংশত কনৌজৰ প্ৰতীহাৰ ৰাজসভা আৰু সোমদেৱ বৌদ্ধ উপকথা আৰু ৰাজপৰিষদ সকলৰ বিষয়ে লেখা শ্লোকসমূহ শিবৰ্মদেৱ আৰু অৰস্থানসমূহ আৰু কালামুখ ধৰ্মীয় শাখাৰ বিষয়ে সম্যকৰূপে আলোচনা কৰি পুথিখন সকলো দিশতে সমৃদ্ধ কৰি তোলাত কৃতকাৰ্য্য হৈছে।

যশস্তিলক ৰাজকোঁৱৰ যশোধৰৰ কৰুণ কাহিনীৰ আধাৰত আঠোটা আশ্বাসত ৰচিত এখনি গদ্য পদ্য মিহলি চম্পূ কাব্য। ইয়াৰ আন নাম হ'ল যশোধৰ-মহাৰাজ চৰিত'। নীতি বাক্যামৃত' নামে সোমদেৱৰ আন এখন পুথিও আছে। সোমদেৱ নিজে জৈনধৰ্মৰ দেৱসঙ্ঘ শাখাৰ অনুগামী আছিল আৰু নেমিদেৱৰ অনুচৰ ৰূপে চিনাকি দিছিল। সোমদেৱ নিজে এজন সুকবি হোৱাৰ উপৰিও নিজৰ কাব্যত কবি আৰু কবিতাৰ বিষয়ে উচ্চ প্ৰশংসা কৰিছিল। কাব্যিক কৃতিত্বৰ বিভিন্ন দিশলৈ আঙুলিয়াই সোমদেৱে তেওঁৰ কাব্যৰ প্ৰথম আশ্বাসত বহুতো কথা কৈছে আৰু সেইখিনিৰ সমীক্ষা কৰি সন্দিকৈদেৱে মন্তব্য কৰিছে, সোমদেৱ যথাৰ্থতে এজন প্ৰতিভাশালী সংস্কৃত কবি কিন্তু তেওঁ জৈন প্ৰভাৱৰপৰা মুক্ত হ'ব পৰা নাই। তেওঁৰ কাব্যত সাধাৰণতে সংস্কৃত কাব্যত অব্যৱহৃত বা অচিনাকি

অনেক শব্দই ওৰা পাতি আছে। ই তেওঁৰ নিজা বৈশিষ্ট্য। তেওঁ নিজেই কৈছিল, শাস্ত্ৰ সমুদ্ৰৰ অটল গৰ্ভত লুকাই থকা পাহৰণিৰ পৰা উটুৱাই নিয়া শব্দৰ মণি মুকুতাবোৰ বুটলি আনি কাব্য দেৱীৰ কণ্ঠত অলংকাৰৰূপে পিন্ধাই দিছে। সোমদেৱ নিজেই কাব্য শিল্পৰ আলোচক আৰু সমসাময়িক সমাজ সম্পৰ্কে অভিজ্ঞ লোক আছিল। সেয়েহে যশস্তিলক গ্ৰন্থখন সামাজিক সাংস্কৃতিক ইতিহাসবেত্তাৰ বাবে অতি প্ৰয়োজনীয় বস্তু হৈ পৰিছে। আনপিনে কবিয়ে জৈনধৰ্মৰ 'সৰ্বসত্ত্বেষু মৈত্ৰী' এই সূত্ৰ প্ৰতিপন্ন কৰিবলৈকো সুবিধা এৰা নাই।

যশোধৰ আৰু অমৃতমতীৰ প্ৰাচীন সাধুকথা এটিৰ আলম লৈ যশস্তিলকৰ কাহিনী সজালেও কবিৰ স্বকীয় প্ৰতিভা প্ৰতিভাত হৈ উঠিছে। কাহিনীটোত ৰাজকোঁৱৰৰ প্ৰিয়াই বিশ্বাসঘাতকতা কৰিবলৈ উদ্যত হৈছে। এই সাধুকথাটো লৈ জনপ্ৰিয় যশহৰচৰিউ নামৰ এখন চাৰি সগযুক্ত অপভ্ৰংশ কাব্যও ৰচিত হৈছিল। যশোধৰৰ প্ৰিয়াই অক্ষমনীয় অপৰাধ কৰি কোঁৱৰক বিশ্বাসঘাতকতা কৰিছে কাহিনীৰ গতি শীৰ্ষ স্থানলৈ উঠি ঘৃণা বিতৃষ্ণা আৰু প্ৰতিশোধ প্ৰৱণতা সৃষ্টি কৰাৰ সময়তে নায়কে সকলো দোষ ক্ষমা কৰি ধৰ্মীয় আদৰ্শলৈ নমাই আনিছে। সন্দিকৈদেৱে এই ক্ষেত্ৰত সমধৰ্মী কাহিনীৰ বিভিন্ন গ্ৰন্থ আৰু উৎসৰ সন্ধান দিছে। পালি প্ৰাকৃত অপভ্ৰংশ সংস্কৃত হিন্দু বৌদ্ধ জৈন এই ভাৰতীয় ভাষা আৰু ধৰ্মৰ বিভিন্ন স্তৰত সোমাই থকা বিভিন্ন তথ্যৰ তুলনাত্মক আলোচনাৰ অনন্যসাধাৰণ দক্ষতাৰ পৰিচয় দিয়াটো স্বতঃস্ফূৰ্তভাৱে ধৰা পৰে। সোমদেৱে তেওঁৰ কাব্যৰ নায়িকা অমৃতমতীৰ চৰিত্ৰ ৰূপায়ণত বিশেষ কৃতকাৰ্য্যতা লাভ কৰিছে আৰু নায়িকাৰ মন সমীক্ষণ কৰি তাৰ কাৰণ ব্যাখ্যা কৰিবলৈ সক্ষম হৈছে। সন্দিকৈদেৱে মন্তব্য কৰিছে **"Amritmati in Somadeva s romance is a remarkable piece of characterization showing originality and skill and reveals an aspect of the author s genious all but obscured by the 'wealth of scholarship and learning exhibited in the work'**

সন্দিকৈদেৱৰ তৃতীয় কীৰ্তি আৰু অক্ষয় কীৰ্তি হ'ল পঞ্চম শতিকাৰ কবি প্ৰৱৰসেনৰ সেতুবন্ধ। যথাৰ্থতে ক'বলৈ গ'লে ১৯৫৭ চনত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য পদৰপৰা অব্যাহতি লোৱাৰ অন্তত জীৱনৰ শেহছোৱাৰ সমগ্ৰ শক্তি সাধনা আৰু ঐকান্তিকতা 'সেতুবন্ধ'ৰ অনুবাদ আৰু তুলনামূলক অধ্যয়নত নিয়োজিত হৈছিল। প্ৰাকৃত ভাষাত লেখা এই কাব্যখনৰ আকাৰ বিশেষত্ব-পূৰ্ণ। সময় বিশেষত্ব কাব্যপৰম্পৰা, উচ্চ সাহিত্যিক গুণৰ দিশৰপৰা

কাব্যখনক হালৰ সপ্তশতকৰ লগত ৰিজাব পাৰি। সন্দিকৈদেৱৰ নিচিনা পৰিপক্ক জ্ঞানৰ, কৰ্তবিদ্য লোকৰ দ্বাৰা সেতুবন্ধ সম্পাদিত হোৱাটো লক্ষ্য কৰি ড সুনীতি কুমাৰ চট্টোপাধ্যায়ৰ নিচিনা পণ্ডিতে মহৎ গ্ৰন্থ বুলি উল্লেখ কৰিছিল।

সন্দিকৈদেৱে সংস্কৃত বিষয়টো বিশ্ববিদ্যালয়ত অধ্যয়ন কৰিছিল। পালি প্ৰাকৃত অপভ্ৰংশ আদি ভাষাত সংস্কৃতৰ মাধ্যমতে ব্যুৎপত্তি লাভ কৰিছিল। এবাৰ মাদ্ৰাজত উপাচাৰ্য সন্মিলনত যোগ দিবলৈ যাওঁতে মহাবলীপুৰম মন্দিৰ চাবলৈ গৈছিল। মন্দিৰৰ গাত থকা চিত্ৰসমূহ দেখি তাৰ মতিষ্ক বোৰ উলিযাবলৈ এখন পালি কাব্যৰ শ্লোক অনৰ্গল মাতি যাবলৈ ধৰিলে। তেখেতৰ প্ৰখৰ স্মৃতি দেখি লগত যোৱা পালি বিষয়ত এম এ ড বিৰিঞ্চিকুমাৰ বৰুৱা বিস্ময়ত অভিভূত হ'ল। কথা প্ৰসঙ্গত ড বৰুৱাই এদিন আমাক কৈছিল মোৰ ভয়ত তৎ নাই জনোচা কিবা সুধি পেলায়। মই পালি ভাষাৰ অধ্যয়ন অধ্যাপনা কৰিলেও ইমানবোৰ কথা জনা নাছিলোঁ।' পালি প্ৰাকৃত সংস্কৃতত সন্দিকৈদেৱৰ জ্ঞানৰ গভীৰতা কিমান আছিল যথাৰ্থতে আমাৰ যুগৰ মানুহৰ জুখিবলৈ মাপ-কাঠিৰেই অভাৱ।

'সেতুবন্ধ প্ৰাকৃতৰ একমাত্ৰ মহাকাব্য যি এতিয়াও জীযাই আছে। জাৰ্মান পণ্ডিত গল্ড স্মিথৰ সম্পাদনাত ১৮৮০ চনত পোনতে এটা অংশ প্ৰকাশ পায়। ভাৰতীয় সংস্কৰণ প্ৰকাশিত হয ১৯৩৫ চনত। 'সেতুবন্ধ ভাৰতৰ মহাকাব্য ৰচনাৰ ইতিহাসত এটি উল্লেখযোগ্য সম্পদ আৰু ই যথাৰ্থতে প্ৰাকৃত আৰু সংস্কৃত মহাকাব্য পৰম্পৰাৰ সেতু। প্ৰাকৃত ভাষাত ৰচিত হ'লেও সেতুবন্ধ'ই ভাৰৱী আৰু মাঘৰ ওপৰত প্ৰভাৱ পেলাইছে। ঘাইকৈ কালিদাসৰ পৰবৰ্ত্তী সংস্কৃত কবিসকলৰ কাব্যসৃষ্টিৰ ই অনুপ্ৰেৰণাৰ উৎস হৈ পৰিছে। ঘাইকৈ সপ্তম শতিকাৰ বাণৰ হৰ্ষ চৰিত আৰু আলঙ্কাৰিক দণ্ডীৰ কাব্যা দৰ্শত 'সেতুবন্ধ'ৰ উল্লেখ আছে। প্ৰৱৰসেনৰ সেতুবন্ধ দাক্ষিণাত্যত জনপ্ৰিয় হোৱাৰ উপৰিও বঙ্গদেশ আৰু ৰাজস্থানতো ইয়াৰ টীকা ৰচিত হৈছিল। বঙ্গদেশৰ কুলনাথৰ সেতুবন্ধ চন্দ্ৰিকা আৰু ৰাজস্থানৰ ৰামদাসৰ ৰামসেতু প্ৰদীপ নামৰ বিখ্যাত টীকাই প্ৰমাণ কৰে যে উত্তৰ দক্ষিণ পূৱ সকলোতে প্ৰাকৃতে এবাৰ গা কৰি উঠিছিল। এই মহাকাব্যখনৰ যদিও ভালেমান অপ্ৰকাশিত টীকা আছিল সন্দিকৈদেৱে গ'ল্ড স্মিথৰ সংস্কৰণ আৰু ৰামদাস কৃষ্ণবিপ্ৰৰ টীকাৰ ওপৰত নিৰ্ভৰ কৰি 'সেতুবন্ধ'ৰ অনুবাদ আৰম্ভ কৰে। এনেকৈ কেইবাশও শ্লোকৰ অনুবাদ হৈ যোৱাৰ পিছত 'সেতুবন্ধ'ৰ অৰ্থ-ব্যুৎপত্তিৰ ক্ষেত্ৰত আহুকাল পোৱাত ভাণ্ডাৰকাৰ ৰিছাৰ্চ ইন্সটিটিউটৰ

ডাইৰেক্টৰ ডঃ পি কে গোড়েলৈ লেখে আৰু তেও যথাসম্ভৱ প্ৰাচীন অপ্ৰকাশিত টীকাসমূহ সংগ্ৰহ কৰি দিয়ে। তেতিয়া সন্দিকৈদেৱে আগৰ অনুবাদখিনি আঁতৰাই থৈ আৰম্ভণিৰেপৰা নতুনকৈ অনুবাদ কৰে আৰু সকলোখিনি টীকাৰ সমীক্ষা সম্পন্ন কৰি অৰ্থ-ব্যুৎপত্তি গ্ৰহণ কৰে। এই অনুবাদৰ পাতনিখন যথাৰ্থতে সন্দিকৈদেৱৰ জ্ঞানৰ বিস্তৃতি, পাণ্ডিত্যৰ গভীৰতা, সমালোচনাৰ সম্যক দৃষ্টি আৰু ঐকান্তিক সাধনাৰ পৰিচায়ক।

সেতুবন্ধ ৰামায়ণৰ বিষয়বস্তু লৈ ৰচিত মহাকাব্য। কাব্যখনত পোন্ধৰটা সৰ্গ আছে। হনুমন্তই লঙ্কাত সীতাৰ অনুসন্ধান কৰি উলটি অহাৰপৰা ৰাৱণ বধলৈকে ৰামায়ণৰ এইছোৱা কাহিনী সেতুবন্ধ'ত সন্নিবিষ্ট হৈছে। সেইবাবে সেতুবন্ধ'ৰ আন নাম হ'ল ৰাৱণবহ (ৰাৱণ বধ)। যদিও ৰামায়ণৰ কাহিনীকে প্ৰৱৰসেনে ৰূপায়িত কৰিছে তথাপি তাক নিজৰ জোখাৰে সূক্ষ্ম অথচ আদৰ্শৰ লগত খাপ খুৱাই সলনি কৰিছে। উদাহৰণ স্বৰূপে ৰামায়ণৰ সৰমা চৰিত্ৰৰ ঠাইত ত্ৰিজটাক অৱতীৰ্ণ কৰাইছে। ত্ৰিজটা ৰাক্ষসী হ'লেও চৰিত্ৰত মানৱীয় আচৰণ ফুটি ওলাইছে। সেইদৰে প্ৰৱৰসেনে নিজা সৃষ্টি আৰু বৰ্ণনাৰে তেওঁৰ কাব্য গুণসমৃদ্ধ কৰি তুলিছে। প্ৰৱৰসেনৰ সূক্ষ্ম পৰ্য্যবেক্ষণ ক্ষমতা আৰু সাৱলীল বৰ্ণনাভঙ্গীয়ে সেতুবন্ধ'ৰ স্বকীয় বৈশিষ্ট্য প্ৰকাশ কৰিছে।

সন্দিকৈদেৱৰ সেতুবন্ধ'ৰ মাই অংশ তিনিটা—পাতনি অনুবাদ আৰু টীকাৰ তুলনাত্মক উদ্ধৃতি। পাতনিখনত দহোটা অধ্যায় আছে বৰ্তমান অনুবাদ সেতুবন্ধৰ কাহিনী প্ৰৱৰসেন আৰু সেতুবন্ধ সেতুবন্ধ আৰু ৰামায়ণ মহাকাব্য হিচাপে ৰামায়ণ কবি হিচাপে প্ৰৱৰসেন সেতুবন্ধৰ ছন্দ সেতুবন্ধৰ টীকাসমূহ সেতুবন্ধৰ পাঠ আৰু সেতুবন্ধৰ ভাষাতাত্ত্বিক দিশ আৰু এইবোৰৰ সম্পৰ্কে সন্দিকৈদেৱে বিস্তৃতভাৱে আলোচনা কৰিছে। দ্বিতীয় অংশত অনুবাদ আৰু তৃতীয় অংশত টীকাসমূহৰ তুলনাত্মক উদ্ধৃতি সন্নিবিষ্ট কৰিছে। কৃষ্ণবিপ্ৰ মাধৱ কুলনাথ মুদমঙ্গলভট্ট, দেৱৰাত ৰামদাস এই কেইজন টীকাকাৰৰ টীকাৰপৰা উদ্ধৃতিসমূহ ব্যৱহাৰ কৰিছে।

সেতুবন্ধ আৰু লগতে নৈষধ চৰিত — যশস্তিলক'ৰ আলোচনা পঢ়িলে এনে লাগে যেন সন্দিকৈদেৱে প্ৰাচীন ভাৰতৰ ভৌগোলিক ঐতিহাসিক আৰু সমসাময়িক যুগৰ পৰিৱেশ সম্পৰ্কে সম্যক জ্ঞান আহৰণ কৰিছিল। প্ৰসঙ্গক্ৰমে যতেই যি প্ৰয়োজন বিভিন্ন গ্ৰন্থৰ প্ৰসঙ্গলৈ আঙুলিয়াই তেখেতৰ বক্তব্য প্ৰতিপন্ন কৰিবলৈ যত্ন কৰে। নৈষধ চৰিত' অনুবাদ কৰোঁতেই সংস্কৃত কাব্যৰ আলোচনাত্মক ইতিহাস এখনি লেখিবলৈ সমল আহৰণ কৰিছিল।

সেইদৰে 'যশস্তিলক'ৰ দৰ্শন সমাজ ধৰ্ম, সাহিত্য সম্পৰ্কে আলোচনা কৰোঁতে সমসাময়িক সমাজখন যেন চকুৰ আগতে ফটফটীয়াকৈ জিলিকি উঠিছিল। তিনিওখনি গ্ৰন্থই সন্দিকৈদেৱৰ ভূমা স্পৃহা বহুধা জ্ঞান আৰু সম্যক সিদ্ধান্তৰ সাক্ষৰ বহন কৰিছে।

সন্দিকৈদেৱে বহুতো দেশী বিদেশী ভাষা জানিছিল। তাৰে ভিতৰত মাত্ৰ সংস্কৃত ভাষাৰ বৈদিক শাখাত এম এ পাছ কৰিছিল। তেখেতে জ্ঞান চৰ্চা আৰু অনুসন্ধিৎসা পূৰণৰ অৰ্থেই বাকীবোৰ ভাষা শিকিছিল। সেই বোৰ ভাষাৰ বহুমূলীয়া বাতৰি অসমীয়া পাঠকক দিয়াৰ মানসেৰে বিদেশৰ পৰা উলটি আহিছিল যদিও তেখেতে পিছত কেৱল সংস্কৃত আৰু প্ৰাকৃত অধ্যয়নতে সৰ্বশক্তি নিয়োগ কৰে। সংস্কৃতৰ বেদ শাখাত এম এ পঢ়োঁতে বিশ্ববিদ্যালয়ৰ আনুষ্ঠানিক বক্তৃতা শুনাৰ উপৰিও ব্যক্তিগতভাৱে প্ৰাচীন পণ্ডিতৰ তলত বেদ অধ্যয়ন কৰিছিল। বেদত পাৰদৰ্শিতা লাভ কৰি সন্দিকৈদেৱে বেদৰ ঋষিৰ আদৰ্শ আহৰণ কৰি সেইদৰে সংসাৰত থাকিও ঋষিৰ দৰে জীৱন যাপন কৰিছিল। ঋষি দ্ৰষ্টা। কবি তত্ত্বদৰ্শী। সন্দিকৈদেৱৰ গাত দুয়োটা গুণ বিদ্যমান। শব্দৰ মিতব্যয়িতাৰে ঋষি কবিয়ে সাধনালব্ধ সত্য প্ৰতিভাত কৰে যি সত্যৰ বিতৰ্ক উত্থাপিত নহয়। বেদ উপনিষদৰ শিক্ষা সমাপ্ত হ'লে গুৰুৱে দীক্ষান্ত ভাষণ দিয়ে। তৈত্তিৰীয় উপনিষদৰ একাদশ অনুবাকত বেদ অধ্যাপনাৰ অন্তত গুৰুৱে অনুশাসন সম্পৰ্কে কৈছে। এই অনুশাসন নিজৰ জীৱনত মানি চলিবলৈ সন্দিকৈদেৱে সকলো সময়তে চেষ্টা কৰিছিল। স্বাধ্যায়ান্মা প্ৰমদ (অধ্যয়নত ভুল নকৰিবা) সত্যান্ন প্ৰমদিতব্যম (সত্যৰ পৰা বিচলিত নহ'বা) ধৰ্মান্ন প্ৰমদিতব্যম (ধৰ্মৰপৰা বিচলিত নহ'বা) ভূত্যৈ ন প্ৰমদিতব্যম (বিভৱ লাভৰ অৰ্থে মঙ্গলজনক কাৰ্য্যত প্ৰমাদগ্ৰস্ত নহ'বা) স্বাধ্যায প্ৰবচনাভ্যাং ন প্ৰমদিতব্যম (স্বাধ্যায আৰু অধ্যাপনাৰ ক্ষেত্ৰত প্ৰমাদগ্ৰস্ত নহ'বা) যান্যনবদ্যানি কৰ্মাণি তানি সেৱিতব্যানি নো ইতৰানি (যিবিলাক কাম অনিন্দিত তাক কৰিবা অন্য কাম নকৰিবা) শ্ৰদ্ধয়া দেয়ম (শ্ৰদ্ধাৰে দান কৰিবা) অশ্ৰদ্ধয়া অদেয়ম (অশ্ৰদ্ধাৰে নিদিবাম শ্ৰিয়া দেয়ম হ্ৰিয়া দেয়ম ভিয়া দেয়ম' (ঐশ্বৰ্য্য আহৰণ কৰি দান কৰিবা, লজ্জাসহকাৰে নম্ৰভাৱে দান কৰিবা সভয়ে দান কৰিবা) সংবিদ্যা দেয়ম মিত্ৰভাৱে দান কৰিবা)। এইখিনি হ'ল বেদ শিক্ষাৰ মূল কথা। এষ আদেশঃ এষ উপদেশং এষা বেদো পনিষদ এতদনুশাসনম এবমুপাসিতব্যম (এয়ে আদেশ এয়ে উপদেশ, এয়ে বেদ উপনিষদৰ ৰহস্য এয়ে অনুশাসন এইমতে সকলো কাম কৰিবা)। সন্দিকৈদেৱে যথাৰ্থতে দান ধৰ্ম শিক্ষা অধ্যয়ন অধ্যাপনা সকলো ক্ষেত্ৰতে

উক্ত বেদৰ অনুশাসন মানি চলিছিল। তদুপৰি ঈশোপনিষদৰ প্ৰথম শ্লোকতে কোৱা তেন ত্যক্তেন ভুঞ্জীথা (ত্যাগৰ যোগেদি ভোগ) ৰ আদৰ্শকে অনুসৰণ কৰিছিল। অতুল ঐশ্বৰ্য্যৰ অধিকাৰী হৈয়ো মিতব্যয়ী মিতভাষী আছিল। অথৰ্ববেদৰ এঠাইত আছে জ্যোতিষ্মতো লোকান জয়তি য এব বেদ। (জ্যোতিৰ সন্ধান পোৱা জ্ঞানৰ উৎস পোৱা লোক সকলেই জ্যোতিষ্মান জগতসমূহক জয় কৰে।) বেদ উপনিষদৰ যথাৰ্থ জ্ঞান আহৰণ কৰি নিজৰ জীৱনত প্ৰযোগ কৰি জ্ঞান-সাধনাৰে জ্ঞানৰ জগতখন উদ্ভাসিত কৰি তুলিবলৈ তেখেতে সক্ষম হৈছিল। অনিত্য জগতত জ্ঞানেই সত্য। জীৱন ঐশ্বৰ্য্য বিভূতি সকলো শেষ হৈ গ'লেও জ্ঞান আৰু জ্ঞানলব্ধ সত্য নিৰৱচ্ছিন্ন গতিত প্ৰৱাহিত হৈ থাকে। সন্দিকৈদেৱৰ নশ্বৰ দেহ মাটিত বিলীন হৈ গ'লেও জীৱনজোৰা সাধনাৰ পৰিণতি নৈষধ চৰিত যশস্তিলক আৰু সেতুবন্ধ ই অমৰ কৰি ৰাখিব।

———

বেণুধৰ শৰ্মা ঃ ব্যক্তিগত পৰিচয়

অসমীয়া মানুহৰ এটি জনপ্ৰিয় নাম। সেই জনপ্ৰিয়তা অক্ষুণ্ণ ৰাখিছিল মৃত্যুৰ দুৱাৰদলিলৈকে। উজনি অসমৰ অনেক প্ৰাচীন বুৰঞ্জীপ্ৰসিদ্ধ পৰিয়ালৰ ৰঘৰ পৰকি চোৰ-চাং পানী চাং চলাথ কৰি পুৰণি বুৰঞ্জী বুটলি ফুৰাটো অভ্যাসত পৰিণত হৈছিল। কেৱল যে পুৰণি পুথিয়েই গোটাইছিল এনে নহয় ঠাইখনৰ পৰিয়ালটোৰ মানুহজনৰ কথাও মনত সাঁচি লৈ আহিছিল। তেখেতৰ স্মৃতি আছিল প্ৰখৰ আৰু মুৰটো আছিল এনে সাঁচতীয়া কথাৰ অফুৰন্ত সঁফুৰা। তেখেতে যিমান পুথি সংগ্ৰহ কৰিছিল সেই সকলোখিনি পোহৰলৈ অহা নাই। কাৰণ পুৰণি বুৰঞ্জী পঢ়ি তাক হুবহু প্ৰতিলিপিলৈ ৰূপান্তৰ কৰা অতি কঠিন কাম। বেণুধৰ শৰ্মাই আজীৱন বুৰঞ্জী চৰ্চা কৰিলেও এখনো পুৰণি বুৰঞ্জী সম্পাদনা কৰাৰ আৱশ্যকতা অনুভৱ নকৰিলে বা কৰিছিল যদিও বাস্তৱলৈ ৰূপায়িত নহ'ল। শৰ্মাই আন এটা কাম কৰিহে অধিক ভাল পাইছিল। বুৰঞ্জীৰ ৰসাল অথচ নতুন তথ্য পাতি পালে তাক সজাই পৰাই প্ৰকাশ কৰি। পুৰণি ব াহী আলোচনীৰ পাতত মধুপৰ্ক শিতানত দিয়া বাতৰিবোৰ সূত্ৰলি'ৰূপী বেণুধৰ শৰ্মাৰেই অৱদান। বেণুধৰ শৰ্মা যথাৰ্থতে এজন সাংবাদিক। বুৰঞ্জীৰো সংবাদ আহৰণ কৰি পৰিবেশন কৰাটো তেখেতৰ প্ৰিয় কাম আছিল। এইখিনিতে পুৰণি বুৰঞ্জীৰ কথনৰীতিৰ লগত শৰ্মাৰ ৰীতিৰ এক পাৰ্থক্য পৰিলক্ষিত হয়। বুৰঞ্জীবোৰ নিতান্তই objective কিন্তু শৰ্মাই বুৰঞ্জী কওঁতে এনে ৰসাত্মক ৰূপত প্ৰকাশ কৰে যে বুৰঞ্জী সাধুকথাধৰ্মী হৈ পৰে। 'মণিৰাম দেৱান'ত মানুহজনৰ ব্যক্তিত্ব ফুটি উঠিছে সঁচা কিন্তু বাস্তৱধৰ্মিতাৰে পৰ্য্যবেক্ষণ কৰিলে কোনো কোনো ক্ষেত্ৰত বুৰঞ্জীৰ ব্যক্তিত্বকৈ Legendary চৰিত্ৰলৈ পৰ্য্যবসিত হৈছে যেন লাগে। কিন্তু পাঠকৰ বাবে ই ৰমণীয় সুখপাঠ্য গ্ৰন্থ। সেয়েহে অসমীয়া সাহিত্যৰ বুৰঞ্জীত বেণুধৰ শৰ্মাৰ স্থান অনন্য একক।

১৯৫০ ৫১ চনত শিৱসাগৰ কলেজৰ ইণ্টাৰমিডিয়েট শ্ৰেণীৰ ছাত্ৰ হৈ থকা সময়তে বেণুধৰ শৰ্মাৰ সান্নিধ্যলৈ আহিবলৈ সুযোগ পাওঁ। সেই সময়ত 'নতুন অসমীয়া' কাকতত মই কেইটামান বুৰঞ্জীমূলক প্ৰবন্ধ লিখিছিলোঁ

আৰু তাৰেই পৰিণতি স্বৰূপে বিশেষকৈ দুজন খ্যাতনামা পুৰুষৰ চকুত পৰিছিলোঁ—তেখেতসকল হ'ল ড সূৰ্য্যকুমাৰ ভূঞা আৰু বেণুধৰ শৰ্মা। ১৯৫১ ৫২ বছৰটোৰ কলেজ আলোচনী 'শৰাই' ৰ সম্পাদক হিচাপে কাকতখন যত্ন সহকাৰে প্ৰকাশ কৰিবলৈ যত্ন কৰিছিলোঁ। শৰাই এখন শ্ৰদ্ধাৰে উপহাৰ দিছিলোঁ বেণুধৰ শৰ্মাক। তেখেতে আলোচনীখনৰ বিষয়-বস্তু ভাষা সাজ সজ্জা আদি সামৰি এখন দীঘলীয়া চিঠি দিছিল আৰু সম্পাদকক প্ৰশংসা কৰিছিল। উক্ত চিঠি পাই কিমান ভাল পাইছিলোঁ আৰু উৎসাহ অনুভৱ কৰিছিলোঁ তাক আজি কথাৰে বুজাব নোৱাৰো। তেতিয়াৰেপৰা শৰ্মাৰ লগত চিঠি পত্ৰৰে সঘনাই যোগাযোগ হৈছিল। লগে লগে ঘনিষ্ঠতা বাঢ়ি গৈছিল। প্ৰায়বোৰ চিঠিতেই ভাষা আৰু ব্যাকৰণৰ ভুল ত্ৰুটি আঙুলিয়াই দিছিল। বুৰঞ্জীয়ে ফকৰা কয় ফকৰাই বুৰঞ্জী কয় বুৰঞ্জীৰ বিতচকুত ৰংপুৰ' আদি প্ৰবন্ধ কেইটা পঢ়ি বেণুধৰ শৰ্মাই যেনেকৈ উৎসাহিত কৰিছিল তেনেকৈ ড ভূঞাই এই প্ৰবন্ধ কেইটা দেখিযেই মোক অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ ত ৰিছাৰ্চ স্কলাৰ হিচাপে নিযুক্তি দিছিল। ১৯৫৪ চনৰ জুলাই মাহত মই কামত যোগ দিও আৰু তেতিয়াৰেপৰা অধিক ঘনিষ্ঠতা লাভ কৰোঁ। তেতিয়া শৰ্মা ডাঙৰীয়া আছিল চেনিকুঠিত আৰু মই সাদিনৰ ভিতৰত এদিন তেখেতৰ ঘৰলৈ যোৱাটো অভ্যাসত পৰিণত হৈছিল। সেইদৰে মই জ্ঞানদাভিৰাম বৰুৱাৰ ঘৰলৈকো সঘনাই অহা যোৱা কৰিছিলোঁ। তেখেতেও শৰ্মা ডাঙৰীযাৰ লগত থকা ঘনিষ্ঠতাৰ কথা জানি প্ৰায় প্ৰতিবাৰতে বেণু শৰ্মাৰ ঘৰলৈ গৈছানে ?' বুলি প্ৰশ্ন কৰিছিল আৰু কৈছিল তোমালোক দুয়োজন এদিন একেলগে আহিবা আৰু বুৰঞ্জীৰ কথা পাতিবা মই শুনিম। শৰ্মা ডাঙৰিয়াই মই লিখা কথাবোৰ বিতংকৈ মনত ৰাখিছিল, যেতিয়াই য'তে লগ পায় থিতাদহে সেই বিষয়ে উল্লেখ কৰি ভুল হ লে শুধৰাই দিছিল আৰু শুদ্ধ হ'লে প্ৰশংসা কৰিছিল। এইজন পুৰুষৰ এই স্বভাৱটোৱে মোৰ বুৰঞ্জী-চৰ্চাৰ দীঘলীবাটত বহুখিনি সহায়তা কৰিছিল।

বেণুধৰ শৰ্মাৰ লগত মোৰ মতদ্বৈধতা নঘটা নহয় কিন্তু সি ব্যক্তিগত কাজিয়ালৈ পৰ্য্যবসিত হোৱা নাছিল। এক শৰ্মাৰ 'দেশদ্ৰোহী কোন' নামৰ প্ৰবন্ধটো আধুনিক অসমীয়া বুৰঞ্জী সাহিত্যৰ এটি লেখৰ সম্পদ। কিন্তু প্ৰবন্ধটোৰ শেষ বক্তব্যখিনিৰ লগত মোৰ মত নিমিলিছিল। পূৰ্ণানন্দ বুঢ়াগোঁহাই ক্ষমতাশালী, স্বজনপ্ৰিয়, অভিমানী, প্ৰতিদ্বন্দী, প্ৰভাৱলিপ্সু হ'লেও তেওঁৰ দেশৰ স্বাৰ্থহানিকৰ কামত লিপ্ত নাছিল, তুংখুঙীয়া বুৰঞ্জী'ৰ লেখক শ্ৰীনাথ দুৱৰা বৰবৰুৱাৰ মতে তেওঁ বিপদকালত সকলো কষ্ট সহি, ত্যাগ স্বীকাৰ কৰি চৰায়ে পোৱালি আৱৰি ৰকাৰদৰে পাখিৰে

দেশখন আৰুৰি আছিল। আনপিনে সকলো দোষৰপৰা অব্যাহতি দিলেও বদনক বিদেশী শত্ৰুক বৰঘৰ দেখুৱাই ৰৰপীৰা পাৰি বহুওৱাৰ অপৰাধৰপৰা নিষ্কৃতি দিব নোৱাৰি। যি কাৰ্য্যৰ পৰিণতি স্বৰূপে দেশৰ স্বাধীনতাৰ বেলি মাৰ গল সেই কাৰ্য্যক দেশদ্ৰোহিতা বুলিমনে চাৰিত্ৰিক দোষবোৰক দেশদ্ৰোহিতা বুলিম? শৰ্মা ডাঙৰীয়াই মোৰ যুক্তি কাণ পাতি শুনিছিল আৰু এটা প্ৰবন্ধ লিখিবলৈ উদগনি দিছিল। দুই তেখেতে 'মণিদীপ' কাকতত জয়মতী কুঁৱৰীৰ মৰণোত্তৰ বিচাৰ কৰি সতী সাবিত্ৰী দময়ন্তী আদিৰদৰে সাধুকথা পৰ্য্যায়ৰ সতী বুলি কবলৈ প্ৰয়াস কৰিছিল। সেইটো শৰ্মা ডাঙৰীয়াৰ আত্মপ্ৰত্যয়ৰ বাবেই তেনে হৈছিল যেন লাগে। কঁহকঁহীয়া ডেকাকালৰেপৰা তিনিকুৰি বছৰ বয়সলৈকে বুৰঞ্জীৰ অনুসন্ধান কৰিও জয়মতী কুঁৱৰীৰ কথা পোনপটীয়াকৈ থকা বুৰঞ্জী এখনো নেপাই তেখেতে হয়তো নিজে নিজে প্ৰত্যয় গৈছিল যে জয়মতী নাছিল। মণিদীপৰ প্ৰবন্ধটো সামৰণি মৰাৰ পিছত ভাজীৰ কলীয়াপানীৰপৰা উদ্ধাৰ কৰা পুৰণি বুৰঞ্জী এখনৰ হুবহু পাঠ উদ্ধাৰ কৰি নীলাচল কাকতত প্ৰকাশ কৰাৰ পিছত মোলৈ এখন চুটি লিখি সমস্যাটোৰ ওৰ পেলাই জয়মতী বাস্তৱ চৰিত্ৰ বুলি প্ৰতিপন্ন কৰাৰ বাবে শলাগ জনাইছিল। তদুপৰি তাৰ পিছত ব্যক্তিগতভাৱে লগ পাওতে মোক বৰ ভাল কাম কৰিলে৷ বুলি উদগনি দিছিল। মই জনামতে এই ঘটনাৰ পিছত শিৱসাগৰৰ নামতি অঞ্চলৰ এঘৰ মানুহৰপৰা জয়মতী কুঁৱৰীৰ কথা থকা বুৰঞ্জী এখন শৰ্মা ডাঙৰীয়াযো উদ্ধাৰ কৰিছিল পাণ্ডুলিপি ৰূপত এই প্ৰাচীন পুথিখন তেখেতৰ সংগ্ৰহৰ মাজত এতিয়াও থাকিব পায। তিনি তেখেতৰ লগত মোৰ মতৰ অমিল হৈছিল মণিৰাম দেৱানৰ বিষয়ত। যিসকল ডা ডাঙৰীযাই মান খেদিবলৈ অহা ইংৰাজক আদৰণি-সম্ভাষণ জনাইছিল সেইসকলৰ ভিতৰত মণিৰাম আৰু তেওঁৰ পিতৃ ৰামদত্ত দোলাকাষৰীয়া বৰুৱাও আছিল। তেওঁবিলাক দুয়োজনেই পোনতে প্ৰশাসনীয় কাৰ্য্যৰ বাটকটীয়া আছিল। ১৮৩৫ চনত যেতিয়া পুৰন্দৰসিংহই ৫০ ০০০ টকাত উজনি অসম মালবন্দীত লয়, তেতিয়া মণিৰাম পুৰন্দৰসিংহৰ বৰভাণ্ডাৰ বৰুৱা হৈছিল (শৰ্মাৰ মতে মন্ত্ৰী হৈছিল)। বৰভাণ্ডাৰ বৰুৱা মানে বৰ ভঁৰালী বৰুৱা, ৰাজকাৰেঙৰ ৰাজভঁৰালৰ ৰহচাপ ৰাখোঁতা। ৰামদত্তও চাংকাকতি আছিল।

চাংকাকতীয়ে বৰকাকতিৰপৰা পোৱা হিচাপ আৰু কাকত পত্ৰ গন্ধীয়া ভঁৰালত জমা দি হিচাপ ৰাখে। এই বাবত থাকোঁতে মণিৰামে লগত লঠৌ খাৰঘৰীযা ফুকন আৰু কাশীনাথ তামুলী ফুকনক লগত লৈ কলিকতাত তিনি বছৰৰ ১৫০০০০ টকাৰ লালবন্দী দিবলৈ গৈছিল। কিন্তু সেই টকা ইংৰাজ চৰকাৰক ৰহস্যজনকভাৱে জমা নিদিলে। তাৰেই পৰিণতি স্বৰূপে পুৰন্দৰ সিংহৰ ৰাজ্য গ'ল। মণিৰামেো চৰকাৰী কাম নাইকিয়া হৈ চাহ কোম্পানীৰ দেৱান হ'ল। এই সময়ৰেপৰাই ইংৰাজ শাসনৰ বিৰুদ্ধে তলে তলে বিদ্ৰোহী হৈ পৰে। শৰ্মা ডাঙৰীযাই তেখেতৰ পুথিত ইংৰাজক আদৰণি জনোৱা আৰু লালবন্দী নিদিযা কথাটো উল্লেখ কৰা নাই। মই এদিন (১৯৫৪ চনত) মৰসাহ দি তেখেতক এইষাৰ কথা কলোঁ। তেখেতে মোক টপৰাই প্ৰশ্ন কৰিলে তুমি ক'ত পালা? মই ক'লোঁ, বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগত থকা এখন লিট বুৰঞ্জীত ইংৰাজক আদৰণি জনোৱা বা বিষয়াসকলৰ নামৰ তালিকা আছে তাত পাইছোঁ। লালবন্দীৰ টকাৰ খেলি মেলিৰ কথাটো হৰকান্ত বৰুৱা সদৰামিনৰ হাতে লিখা ডায়েৰীত পাইছোঁ। (মূল ডায়েৰীখন মোক ৺কুমুদচন্দ্ৰ বৰদলৈয়ে দেখুৱাইছিল।) শৰ্মাই খন্তেকপৰ তভক মাৰি বৈ থাকি ক'লে পাইছা যদি হ'বও পাৰে। বিচাৰ কৰি চাবা। আফুৱা কথাৰ ওজন নাই সঁচাৰ হৰণ ভগন নাই। পিছত মই মোৰ মণিৰাম দেৱানৰ গীতত এই কথাটো উল্লেখ কৰিছিলোঁ শৰ্মা ডাঙৰীয়াই প্ৰতিবাদ কৰা নাই। মোৰ ধাৰণা মণিৰাম দেৱানৰ যিটো আদৰ্শ চৰিত্ৰ আগত লৈ তেখেতে পুথিখন লিখিছিল সেই চৰিত্ৰত চেকা পৰে বুলিয়েই হয়তো এই কথা কেইটা বুৰঞ্জীসম্মত হ'লেও নিলিখিছিল। বেজদলৈ ভণ্ডাৰী বৰুৱাৰ বংশাৱলী লিখোঁতেও মনথিৰ ভঁৰালী বৰুৱাৰ গোটাচেৰেক অনুচিত কাৰ্য্য কলাপ ঢাকি থৈ গ'ল। এইষাৰ কথাও হাঁহি হাঁহি মই তেন্তেক কৈছিলে। উত্তৰ নিদিলো। মই ক'ৰবাত বুৰঞ্জীমূলক ৰচনা লিখিলেই তেখেতে পালে পঢ়ি এখনি চুটি চিঠি লিখিছিল। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰপৰা মোৰ 'শৰাইঘাটৰ যুদ্ধ' যেতিয়া প্ৰকাশ হৈ ওলায়, তেখেতে পঢ়ি এখন প্ৰশংসাসূচক চিঠি লিখাৰ উপৰিও কেইবাজনো মানুহৰ যোগেদি মোক শলাগ জনাইছিল। মই তেতিয়া ভাবিছিলো এইখিনি সময় আগতে পোৱা হ'লে তেখেতৰ বঙালবৈৰী লাচিত বৰফুকন অধিক সমৃদ্ধ হৈ প্ৰকাশ পালেহেঁতেন।

বেণুধৰ শৰ্মাৰ ভাষা আছিল নিৰহ নিপানী জতুৱা অথচ অৰ্থব্যঞ্জক। কুঁজৰ মূৰত কিলটো দিব পৰাকৈ অসমীয়া ভাষাৰ পৰাই শব্দ ব্যাক্যাংশ বা খণ্ডবাক্য বিচাৰি উলিয়াইছিল। তাহানি পঢ়াশালিত পঢ়ি থাকোঁতেই তৰুণ অসম কাকতত এটা বাতৰিৰ শিৰোনামা পঢ়া মনত আছে, পশ্চিম সীমান্তত জাৰ্মান সেনাই লেটা কুন্দাইছে। অৰ্থ হ'ল জাৰ্মান সৈন্য নিতাল মাৰি আছে। এনেয়ে থকা নাই আয়োজন কৰি আছে আকৌ আক্ৰমণ কৰিব। মুগাৰ বাহটোৰ ভিতৰত পোকটোৱে লেটা কুন্দাই দেখাত নিতাল মাৰি থাকে কিন্তু এনেয়ে নহয় পখিলা হৈ উৰিবলৈ। শিৰোনামাটো নিতান্তই অৰ্থব্যঞ্জক কিন্তু জাতীয় সংস্কৃতিৰ লগত পৰিচয় নথকা পূৰ্বাণ সমাজৰ আঁত ধৰিব নোৱৰা মানুহৰ বাবে বুজিবলৈ কঠিন। মণ্ডলতিৰ কাঁঠমালা অনুবাদ কৰোঁতে আৰ্থাৰ কনেন ডয়লৰ জতুৱা ইংৰাজী সম্পূৰ্ণ জতুৱা কৰি অসমীয়া ঠাঁচত প্ৰকাশ কৰিছিল। এসময়ত অসমীয়া ভাষাৰ জীৱন বিপন্ন কৰি তোলা শক্তিবোৰৰ প্ৰতি সততে সজাগ হৈ আছিল আৰু সেইবাবেই চোৰাং গতিৰে যাতে শব্দ বা ঠাঁচ আহি অসমীয়া ভাষাক বিজতৰীয়া কৰিব নোৱাৰে তাৰ প্ৰতি সদা সচেতন আছিল। এয়া বেণুধৰ শৰ্মাৰ জাতীয় প্ৰেমৰ নিদৰ্শন আছিল। দেশ আৰু জাতিক হাড়ে হিমজুৱে ভাল পাইছিল, অতীতৰ শৌৰ্য্য বীৰ্য্যই তেওঁৰ মনৰ দাপোণত ভুমুকি মাৰি তেওঁক প্ৰেৰণা যোগাইছিল আৰু তাৰেই পৰিণতি স্বৰূপে লাচিত বৰফুকন মোমাই তামুলী বৰবৰুৱাৰ চৰিত্ৰ অঙ্কন কৰাৰ উপৰিও ঊনবিংশ শতিকাৰ শেহ ভাগত অসমীয়া জাতীয়ত্বৰ পুনৰ্জাগৰণ আনোতা জাতীয় বীৰপুৰুষসকলৰ চৰিত্ৰ অঙ্কন কৰি অগ্ৰাৱলী যুগুত কৰিছিল।

একোটা ভাষাৰ স্বকীয় বৈশিষ্ট্য আছে আৰু সেই বৈশিষ্ট্যই সেইভাষা কোৱা জাতিটোৰ জাতীয় চৰিত্ৰৰ চিনাকি দিয়ে। বেণুধৰ শৰ্মাই তাকে ভাষাৰ কালিকা বুলিছিল আৰু সেই কালিকা নিজে যি পৰিমাণে ৰক্ষা কৰিছিল আৰু আনে ৰক্ষা কৰাটোও আশা কৰিছিল। কোনোবাই সেইদৰে লিখিলেও তেখেতে পঢ়ি আনন্দ পাইছিল আৰু নাম ঠিকনা জানিলে ততালিকে এখন চিঠি লিখি পেলাইছিল। এইদৰে ভুলকৈ লিখা মানুহকো চকুৰ আগতে

ক'বলৈ ভয় নকৰিছিল। হেম বৰুৱাই তেখেতৰ 'সাগৰ দেখিছা' এখন শৰ্মা ডাঙৰীয়াক উপহাৰ দিছিল আৰু শৰ্মা ডাঙৰীয়াই পঢ়ি গোটেই কিতাপখনৰ ভাষা ৰঙা চিঞাহীৰে শুধৰাই চিতৰা পখৰা কৰি বাহিৰৰ মেজতে থৈ দিছিল। এদিন হেম বৰুৱাই শৰ্মা ডাঙৰীয়াৰ পুত্ৰ অজিতকুমাৰ শৰ্মাক লগ পাবলৈ গৈ মেজতে নিজৰ কিতাপখন দেখি হাতত লৈ পাত লুটিয়াই সেই পখৰা চিতৰা ৰূপটো দেখি থৰ লাগি ৰৈ আছিল আৰু অলপ পিছতে মোক কৈছিল চোৱাঁচোন কিতাপখনৰ কি অৱস্থা কৰিলে ? হেম বৰুৱা অলপ ক্ষুণ্ণ হৈছিল। ঠায়ে ঠায়ে কেৱল ৰঙা চিঞাহীৰে আঁচ মাৰিয়েই এৰা নাছিল জতুৱা ঠাঁচত কেনে হ ব তাকো কাষতে লিখি থৈছিল। কলেজত পঢ়ি থাকোঁতেই 'সৰগৰ মুকুতা নামেৰে মই এখনি সৰু উপন্যাস লিখি বেণুধৰ শৰ্মাক চাবলৈ দিছিলোঁ। তেখেতে কাহিনীটো লৰ চৰ নকৰাকৈ তাৰ ভাষাত এনেকৈ হাত ফুৰাইছিল যে উপন্যাসখনৰ ভাষাত মোৰ নিজা ৰীতিৰ চিন চাপেই নোহোৱা হৈ পৰিছিল। অসম-বাণী কাকতত বুৰঞ্জীয়ে গৰকা নগৰ শিতান দি এলানি প্ৰবন্ধ লিখিছিল। যেতিয়া পুথি আকাৰে প্ৰকাশ কৰিবলৈ দিহা কৰোঁ, তেতিয়া তেখেতে মোক নামটো সলাই বুৰঞ্জীয়ে পৰশা নগৰ কৰিবলৈ পৰামৰ্শ দিছিল মই তাকে কৰিলোঁ। পুথিখন যেতিয়া ছপা হৈ ওলাল তেতিয়া হেম বৰুৱাই ক লে 'বুৰঞ্জীয়ে গৰকা নগৰ নামটোহে বেছি Suggestive আছিল। মই বেণুধৰ শৰ্মাৰ পৰামৰ্শৰ কথা কলোঁ। হেম বৰুৱাই হাঁহি মাৰি গুচি গ ল মন্তব্য নকৰিলে। মোৰো 'বুৰঞ্জীয়ে গৰকা নগৰ নামটোৰ প্ৰতিহে অধিক আকৰ্ষণ আছিল। প্ৰসঙ্গটো আৰম্ভ কৰিছিলোঁ এই কাৰণেহে—শৰ্মা ডাঙৰীয়াই ভাষাৰ কালিকা ৰক্ষা কৰাটো ধৰ্ম হিচাপে মানিছিল আৰু ভাষা সাহিত্যৰ বিষয়ে ক'ব লগা হ লেই ভুল-শুদ্ধ আঙুলিয়াই দি শ্ৰোতাক প্ৰত্যয় জন্মাইছিল। যদিও বেণুধৰ শৰ্মাৰ নিৰহ নিপানী জতুৱা ঠাঁচ অনেকৰ বাবেই অননুকৰণীয় আছিল। একালত যে বাংলা ভাষাই অসমীয়া ভাষাক গ্ৰাস কৰিবলৈ ওলাইছিল তাৰ আতঙ্ক বেণুধৰ শৰ্মাৰ সিৰে সিৰে সোমাই আছিল, গতিকে অসমীয়া ভাষাত চোৰাংকৈ সোমোৱা বঙলা ঠাঁচটো দূৰ কৰিবলৈ সততে চেষ্টা কৰিছিল। কি জানি (জানোচা), যেহেতু (যি হেতু), পাকঘৰ (আখলশাল), তৰকাৰী (শাক-পাচলি), মাছৰ তলপেটী (কোলঠি), ভাজি (ভজা), পেট চলে (পেট বলে), নাও চলে (নাও মেলে) বেল চাবে (বেল এৰে) আদি ৰূপবোৰ সদায় আঙুলিয়াই

দিছিল। যিবোৰ বিষয়ৰ শব্দ অসমীয়া ভাষাত চলতি ৰূপত আছে, সেইবোৰ ক্ষেত্ৰত আচহুৱা সংস্কৃতীয়া শব্দ ব্যৱহাৰ কৰাৰ তেখেত পক্ষপাতী নাছিল। চুবুৰীয়া ভাষাৰ কথা দূৰতে থাকক।

বেণুধৰ শৰ্মাই বুৰঞ্জী সংগ্ৰহ আৰু চৰ্চাৰ প্ৰেৰণা হেমচন্দ্ৰ গোস্বামীৰপৰা পাইছিল যেন লাগে। হেমচন্দ্ৰ গোস্বামীয়েই পুৰণি বুৰঞ্জী সংগ্ৰহৰ বাটকটীয়া আছিল যদিও এখনো বুৰঞ্জী বৈজ্ঞানিকভাবে সম্পাদনা কৰি থৈ নগল। পুৰণি বুৰঞ্জীবোৰ টুকুৰা টুকুৰকৈ আলোচনীৰ পাতত প্ৰকাশ কৰিছিল কিন্তু ভাষা বাক্য ৰীতি আৰু শব্দ গঠন নিজৰ ৰবীয়াকৈ কৰি পেলাইছিল। শৰ্মা ডাঙৰীয়াই আকৌ পুৰণি বুৰঞ্জীৰ সমল লৈ ভালেমান ৰচনা লিখিছিল আৰু সেইবোৰত বহুতো নতুন তথ্য সন্নিবিষ্ট কৰিছিল। কিন্তু আধুনিক পদ্ধতিত প্ৰয়োজনীয় সূত্ৰবোৰ উল্লেখ কৰাৰ প্ৰয়োজনীয়তা অনুভৱ নকৰিছিল। দুৰবীণ পুথিখনৰ প্ৰবন্ধ কেইটাত অনেক তথ্যৰ সমাবেশ ঘটিছে কিন্তু কতো সূত্ৰ বুৰঞ্জীবোৰৰ ইঙ্গিত দিয়া নাই, পৰিণতি স্বৰূপে সেই সূত্ৰবোৰ পৰীক্ষা নিৰীক্ষা কৰি চোৱাৰ কোনো উপায় নাই। তেখেতৰ নিজৰ হাততো খনচেৰেক পুৰণি পুথি আছিল সেইবোৰৰ তালিকা আৰু বিষয় বস্তুৰ কোনো সম্ভেদ আনে নেপালে। সেইদৰে মণিৰাম দেৱান পুথিখনতো অসংখ্য নতুন তথ্য সংবাদ আছে কিন্তু গ্ৰন্থপঞ্জী বা সূত্ৰ নাই। সাহিত্যৰ দিশৰপৰা চালে মণিৰাম দেৱান এখন ৰসাল পুথি কিন্তু আধুনিক বুৰঞ্জী ৰচনাৰ দৃষ্টিভঙ্গীৰে চালে কাৰিকৰীভাবে ত্ৰুটীপূৰ্ণ। মণিৰাম দেৱানৰ পক্ষে আৰু বিপক্ষে থকা যুক্তিবোৰ উল্লেখ কৰি নিজৰ যুক্তিৰে সেইবোৰ সমৰ্থন বা খণ্ডন কৰি মূল বক্তব্যখিনি প্ৰকাশ কৰাৰ পদ্ধতিটো গ্ৰহণ নকৰি শৰ্মা ডাঙৰীযাৰ মনৰ মানুহ মণিৰাম দেৱানকহে সজাই পৰাই তুলিলে। ইয়াকে কৰোঁতে বুৰঞ্জীৰ বাস্তৱতা বিকৃত হলেও তেখেতে একো চিন্তা কৰা নাই। মণিৰাম দেৱানক প্ৰতিষ্ঠা কৰাৰ আগ্ৰহ ব্যাপক ৰূপত প্ৰকাশ পাইছে। আন পিনে ৰেড চাহাবৰ An Account of Assam সম্পাদনা কৰোঁতেও তাকেই কৰিছে। ৰেডৰ বুৰঞ্জীখন যথাৰ্থতে দুখন পুৰণি অসম বুৰঞ্জীৰ ইংৰাজী অনুবাদ মাত্ৰ। মানুহৰ নাম আৰু ঠাইৰ নামবোৰ চাহাবৰ উচ্চাৰণত পৰি আচহুৱা হৈ পৰিছিল। শৰ্মা ডাঙৰীয়াই পাদ টীকাত সেইবোৰ পোনাই দিয়াৰ আৱশ্যকতা অনুভৱ নকৰিলে, ফলত ৰেডৰ বুৰঞ্জী পঢ়ি কিছুমান কথাৰ আও ভাও বুজিব নোৱৰা হ'ল। এই বুৰঞ্জী দুখন চিৰদিনৰ বাবে ৰোই গ'ল। ইয়াৰে এখন মনোহৰ বাইলুং ফুকনে আহোম ভাষাত লিখা

ক পুত নামৰ বুৰঞ্জী আৰু আনখন অসমীয়া। প্ৰথমখন একমাত্ৰ বুৰঞ্জী আছিল আৰু সেইখন ৰেডে লৰ্ড টেইমাউথক উপহাৰ দিয়াত তেওঁ বিলাতলৈ লৈ গ'ল। দ্বিতীয়খনো কেপ্তেইন ৰেলছে লৈ গ'ল। গোলাপচন্দ্ৰ বৰুৱাৰ আহোম বুৰঞ্জীত ৰুদ্ৰসিংহৰ ৰাজত্বকালৰ বিৱৰণ নাই। সম্ভৱতঃ এইজন ৰজাৰ ৰাজত্বকালৰ একমাত্ৰ বুৰঞ্জীখন লড টেইমাউথে লৈ যোৱাৰ ফলত বুৰঞ্জীৰ এইছোৱা শূন্য হৈ ৰ'ল। ৰেডৰ বুৰঞ্জীখনত এই হেৰুওৱা অংশটো আছে আৰু ইয়াত বহুতো চমৎকাৰ তথ্য পাতি আছে। এইখিনি সমলৰ বিষয়ে উনুকিয়াই এটি সমালোচনামূলক পাতনিৰে সৈতে তুলনাত্মক পাঠ যুগত কৰা হ'লে মহৎ উপকাৰ হ'লহেতেন। বেণুধৰ শৰ্মাই অশেষ কষ্ট কৰি প্ৰকাশ কৰি থৈ যোৱা এই কামটি সুচাৰুৰূপে সম্পাদন কৰিবলৈ কোনোবা আধুনিক গবেষক আগ বাঢ়ি আহিবনে?

কংগ্ৰেছৰ কাঁচিয়লি ৰ'দ নামটো নিতান্তই ঘৰুৱা জতুৱা আৰু অৰ্থব্যঞ্জক। বেণুধৰ শৰ্মাই জীৱনৰ তিনিকুৰি বছৰ অসমৰ গাৱে ভুঞে চুকে কোণে হাবিয়ে হচঙে ফুৰিবলৈ বাকী থোৱা নাই। গুৱাহাটীৰ নিচিনা মহানগৰীত জীৱনৰ শেহছোৱা কটালেও জিভাই নগৰীয়া জুতি ভাল নেপালে। কুৰি বছৰমান আগতে বিহু সন্মিলন এখনত মেথেত সভাপতি আৰু মই নিৰ্দিষ্ট বক্তা আছিলোঁ। দুপৰীয়া এঘৰত দুয়োকে ভাত খাবলৈ মাতিছিল। মাটিমাহৰ খাৰ বনশাকৰ খাৰলি পাৰ মঙহৰ জোল ৰান্ধি দিছিল। শৰ্মা ডাঙৰীয়াই তৃপ্তিৰে খাই অসমীয়া জুতি বুধিৰ বিষয়ে বাৰুকৈয়ে বহলাই বক্ততা দিছিল। কাঁচিয়লি ৰ'দত শিৱসাগৰ মহকুমাৰ বৰঞ্জীয়ে গৰকা গাঁওবোৰত স্বাধীনতা আন্দোলনৰ গতি-বিধিৰ বিৱৰণ দাঙি ধৰাৰ উপৰিও এই আন্দোলনৰ সংশ্লিষ্ট ব্যক্তিসকলৰ ব্যক্তিত্ব, চৰিত্ৰ আৰু কৃতিত্ব ফটফটীয়াকৈ তুলি ধৰিব পাৰিছিল। বিংশ শতিকাৰ আগ ভাগৰ গাঁৱৰ পৰিবেশৰ ছবি এখন আঁকিবলৈ বেণুধৰ শৰ্মাৰ কাঁচিয়লি ৰ'দ' এটি উপযুক্ত মাধ্যম। সেইদৰে সকলো ৰচনাৰ বুকুত অসমৰ প্ৰাচীন গ্ৰাম্য জীৱনৰ চিত্ৰ ফুটি ওলাইছে। বুৰঞ্জী আৰু বুৰঞ্জীমূলক সমল গোটাবলৈ যিমান পাৰি সিমান ভিতৰুৱা অঞ্চলত ফুৰিবলৈ পৰামৰ্শ দিছিল। অসমত তিনি জন মানুহৰ বদনাম আছে তেওঁবিলাক হ'ল—ড° সূৰ্যকুমাৰ ভূঞা, বেণুধৰ শৰ্মা আৰু লীলা গগৈ। তেওঁ বিলাকৰ হাতত বুৰঞ্জী পৰিলে ঘূৰাই নিদিয়ে। বহুতো ভিতৰুৱা গাঁৱত শৰ্মা ডাঙৰীয়াৰ কথা আমাৰ আগত কৈছে আৰু সেইদৰে আমাৰ কথা আনৰ আগত কৈছে। এনেকুৱা কথা কোনোটো সঁচা হ'বও পাৰে কিন্তু সৰহ ভাগ কথা-নুকুৱাবলৈহে কয়। পানীচাঙত টোপনি আঁৰি থোৱা নিগনি পইতাচোৰাবলৈ উহগা কৰি থোৱা

বুৰঞ্জীখন বেণুধৰ শৰ্মাই নি তাক মথি বুৰঞ্জীমূলক ৰচনাৰে জাতিটোক তৃপ্ত কৰিলে কিনো জগৰ লাগে। কিমান বুৰঞ্জী পোক পতঙ্গই খাই শেষ কৰিলে সেইবোৰ কথা কৈ কিন্তু কোনোৱে গৌৰৱ নকৰে। ড ভূঞাই অশেষ পৰিশ্ৰম কৰি অসমীয়া বুৰঞ্জীখনচেৰেক সম্পাদন আৰু প্ৰকাশ কৰি থৈ নোযোৱা হ'লে বেণুধৰ শৰ্মাই তেওঁৰ ৰচনা আৰু কথাৰে উদ্বুদ্ধ কৰি থৈ নগ'লে এটা জাতিৰ গৌৰৱময় যুগ কাঁচিয়লি ৰ'দৰ পোহৰ নপাই ঘনঘোৰ আন্ধাৰত বুৰ গৈ থাকিলেহেঁতেন।

বেণুধৰ শৰ্মাৰ বুৰঞ্জী বিচৰা ৰীতিৰ লগত মোৰ পৰিচয় আছিল মযো অনুপ্ৰেৰিত হৈছিলো। বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগত কাম কৰোঁতে বাঁহী' আলোচনীৰ পুৰণি সংখ্যাবোৰ পঢ়াৰ সুযোগ পাইছিলোঁ আৰু তাত বেণুধৰ শৰ্মাৰ বহুতো প্ৰবন্ধ পঢ়িবলৈ পাইছিলোঁ। ছদ্মনামতো বহুতো প্ৰবন্ধ লিখিছিল। এপিনে ড সূৰ্যকুমাৰ ভূঞা আৰু আনাপিনে বেণুধৰ শৰ্মা এই দুয়োজন বুৰঞ্জীজ্ঞ পুৰুষৰ প্ৰেৰণা আৰু আদৰ্শই মোক পিছৰ জীৱনত বুৰঞ্জী বিষয়ৰ বিভিন্ন দিশ আলোচনা কৰি ডক্টৰেট ডিগ্ৰীৰ বাবে গবেষণা কৰিবলৈ সুযোগ দিছিল। বেণুধৰ শৰ্মাৰ ভাষা অননুকৰণীয় ৰীতিও একক। তথাপি মই ৰচনা লিখোঁতে পৰাপক্ষত ব্যাকৰণ অভিধানৰ ৰীতি মানি জতুৱা ঠাঁচত লিখিবলৈ যত্ন কৰোঁ, ইও বেণুধৰ শৰ্মাৰ প্ৰভাৱ মাত্ৰ। মই জনামতে শৰ্মা ডাঙৰীয়াৰ ভালেমান পুথি আৰু ৰচনা এতিয়াও অপ্ৰকাশিত হৈ আছে সেইখিনি প্ৰকাশ হৈ ওলালেহে বেণুধৰ শৰ্মা মানুহজন আৰু তেওঁৰ ৰচনাৱলী' শিতানত ব্যাপক অথচ গভীৰ অধ্যয়নৰ বাট মুকলি হ'ব।

তুংখুঙীয়া বুৰঞ্জীঃ এটি সমীক্ষা

'তুংখুঙীয় বুৰঞ্জী অসমৰ বুৰঞ্জী সাহিত্যৰ বুৰঞ্জীত এটি বহুমূলীয়া মণি। শ্ৰীনাথ দুৱৰা বৰবৰুৱাই লিখা এই বুৰঞ্জীখনত ৰাজেশ্বৰসিংহৰ (১৭৫১) ৰাজত্বকালৰপৰা কমলেশ্বৰসিংহৰ ৰাজত্বকালৰ এঘাৰ বছৰৰ বিবৰণ আছে। কিন্তু ছপা তুংখুঙীয়া বুৰঞ্জীখনত ১৬৮১ চনৰপৰা ১৮০৬ চনলৈকে এই দীঘলীয়া সময়ছোৱা সামৰি লৈছে।

বুৰঞ্জীখনৰ সম্পাদক ড সূৰ্যকুমাৰ ভূঞাই তুংখুঙীয়া স্বৰ্গদেওসকলৰ ৰাজত্বকালৰ সামাজিক ৰাজনৈতিক পটভূমি সহজবোধ্য কৰি তুলিবলৈ পোনতে তুংখুঙীয়া বংশৰ প্ৰতিষ্ঠাতা গদাধৰসিংহৰ ৰাজত্বকালৰপৰা প্ৰমত্ত সিংহৰ ৰাজত্বকাললৈকে এইছোৱা সন্নিবিষ্ট কৰি যথাৰ্থতে তুংখুঙীয়া বুৰঞ্জীৰ ৰূপ দিবলৈ যত্ন কৰে। সিমানতো সন্তুষ্ট নহৈ ড ভূঞাই ১৬৭০ চনত উদয়াদিত্য স্বৰ্গদেও ৰাজপাটত বহাৰ দিন ধৰি গদাধৰসিংহ ৰাজপাটত বহালৈকে এই ছোৱা শাসনকালৰ বিবৰণো ইয়াত যোগ দিয়ে। তুংখুঙীয়া ৰজা আৰু ৰাজত্বকালৰ ঘটনাৱলীয়ে উত্তৰ পুৰুষৰ মনতো এনেকৈ সাঁচ বহুৱাই থৈছে যে আজিও তুংখুঙীয়া বুৰঞ্জী নামটো পালেই সমগ্ৰ ছপা বুৰঞ্জীখন শ্ৰীনাথ দুৱৰা বৰবৰুৱাই লিখা বুৰঞ্জীখন বুলি প্ৰমাদত পৰে। যথাৰ্থতে মূল ১৭২৫ শকত দুৱৰাজনা বৰবৰুৱাই লেখোৱা বুৰঞ্জী শ্ৰীশ্ৰী তুংখুঙীয়া'ৰ বংশাৱলী খনৰ আগত বেঙেনাআটি সত্ৰ আৰু গুৱাহাটীৰ আমেৰিকান বেপটিষ্ট মিছনত পোৱা সাঁচিপতীয়া বুৰঞ্জীৰ বিবৰণ সন্নিবিষ্ট কৰি ড ভূঞাই সমগ্ৰ তুংখুঙীয়া বংশৰ শাসনকালৰ এটি থূল-মূল ৰূপ দিবলৈ যত্ন কৰিছে। ইয়াকে কৰোঁতে ড° ভূঞাই কি নীতি লৈছে তাক ২৭ ছেদৰ অন্তত থকা পাদটীকাত এইদৰে লিখিছে 'তুংখুঙীয়া ৰজাসকলৰ বুৰঞ্জী সম্পূৰ্ণকৈ ৰাইজৰ আগত দাঙি ধৰাৰ মনেৰে কেবাখনো আগৰদিনীয়া পুৰণা বুৰঞ্জীৰপৰা কথা গোটাই তাক জুকিয়াই যথাস্থানত থাজি দি, চক্ৰধ্বজ সিংহৰ মৃত্যুৰ পাছৰপৰা প্ৰমত্তসিংহৰ ৰাজত্বৰ শেহলৈকে এই ছোৱা বুৰঞ্জী সংকলন কৰি বৰ্তমান বুৰঞ্জীত সন্নিবিষ্ট কৰি দিয়া হ'ল। প্ৰাচীন বুৰঞ্জীত নোপোৱা কোনো এটি বাক্যও আমি এই ছোৱাত লিপিবদ্ধ কৰা নাই। সাঁচি পতীয়া পুৰণি অসমীয়া বুৰঞ্জীৰ বাহিৰে অন্যান্য সূত্ৰৰ জনা কথাও আমি ইয়াত দিয়া নাই।"

তুংখাং, তিংখাং তুংখুঙীয়া

দিহিঙৰ দক্ষিণে পুৰণি শলগুৰিৰ ওচৰত টিংখাং নামেৰে এখন ঠাই আছে। চৰাইদেওৰপৰা অলপ পশ্চিমে ধোপাবৰৰ ওচৰত আন এখন গাঁও আছিল নাম তুংখাং কোনো কোনোৱে তিংখাং বোলে। তুংখুঙীয়া বুৰঞ্জীৰ ৩৪ সংখ্যাক ছেদত আছে ১৬০৬ শকৰ আঘোণত তিংখাঙত পুখুৰীৰ যজ্ঞভূমিত হাল বালে। পুখুৰী উৎসৰ্গালৈ আউনীআটীয়া বেঙেনাআটীয়া কাটনীপৰীয়া তিনিজনা মহাজনক অনাই পুখুৰী পাৰত সভা কৰাই নাগ পুতিলে। উছৰ্গি নাম থলে ৰহদৈ। বৰ্ত্তমান যত ৰহদৈ পুখুৰী ৰদলৈ আলি আৰু ৰহদৈ শিলাসাকোঁৰ ভগ্নাৱশেষ আছে সেইখনেই প্ৰকৃত তুংখাং বা তিংখাং যত তুংখুঙীয়া ফৈদে বাস কৰিছিল।

চুহুংমুং দিহিঙীয়া ৰজাৰ পাঁচজন পুতেক আৰু তিনিজনী জীয়েক আছিল। বৰকোঁৱৰ চুক্লেনক ডেকা ৰজা পাতি বাকী চাৰিজন কোঁৱৰক দিহিং তিপাম চাৰিং আৰু তুংখাঙত নগৰ কৰি যথাক্ৰমে দিহিঙীয়া তিপমীয়া চাৰিঙীয়া আৰু তুংখুঙীয়া নাম দিলে।

উদয়াদিত্যৰ ভায়েক ৰামধ্বজসিংহক বধ কৰি স্বেচ্ছাচাৰী ডেবেৰা বৰবৰুৱাই এজন তুংখুঙীয়া কোঁৱৰক ৰজা পাতিছিল। তেওঁৰ নাম সম্পৰ্কে বুৰঞ্জী নিমাত। এইজন তুংখুঙীয়া ৰজাৰ বৰকুঁৱৰী আছিল মোমাই তামুলী বৰবৰুৱাৰ জীয়েক। এও মাঠেই বাৰদিনমানহে ৰাজপাটত আছিল। ডেবেৰাৰ মনোমত নোহোৱাত তেওঁক বধ কৰি চামগুৰীয়া চুহুং কোঁৱৰক ৰজা পাতিলে। আগৰ ৰজাৰ বৰকুঁৱৰীকে বৰকুঁৱৰী পাতিলে। বৰকুঁৱৰীয়ে ডেবেৰা বৰবৰুৱাৰ অত্যাচাৰ সহ্য কৰিব নোৱাৰি ক'লে ডেবেৰাই যদি এনেকৈ থাকিব লাগিল তুমিনো কিহৰ ৰজা? চুহুং ৰজাই ডেবেৰাক ধৰিবলৈ আলচ কৰোঁতেই ডেবেৰাই মাৰি বৰকুঁৱৰীকো মৈদামত পুতি থলে আৰু তুংখুঙীয়া গোবৰ কোঁৱৰক ৰজা পাতিলে। মাত্ৰ কুৰি দিন শাসন কৰাৰ পিছত আতন বুঢ়াগোহাঁইয়ে গোবৰ ৰজাক ভাঙি দিহিঙীয়া চুজিনফাক ৰাজপাটত বহুৱালে। ১৬০৩ শকত চুলিকফা লৰাৰজাক ভাঙি গদাপাণি কোঁৱৰ গদাধৰসিংহ নাম লৈ ৰাজপাটত বহিল। এই সময়ৰপৰা আহোম ৰাজত্ব বেলি মাৰ যোৱালৈকে প্ৰায় ডেৰশ বছৰকাল তুংখুঙীয়া বংশই নিৰৱচ্ছিন্ন আধিপত্য বিস্তাৰ কৰিছিল।

তুংখুঙীয়া স্বৰ্গদেওসকলৰ ভিতৰত গদাধৰসিংহ সবাতোকৈ শক্তিশালী ৰজা আছিল। শৰাইঘাটৰ যুদ্ধৰ পিছত ডেবেৰা লালুকসোলাৰ হাতত জৰ্জৰিত ৰাজ্যখন সুস্থিৰ কৰি ৰুদ্ৰসিংহক এখন নিষ্কণ্টক ৰাজ্য দি থৈ গৈছিল। ৰুদ্ৰসিংহই সাংস্কৃতিক সামাজিক জীৱনৰ বিকাশ সাধন কৰিবলৈ উপযুক্ত পৰিবেশ পাইছিল। তেওঁৰ মৃত্যুৰ পিছত পুতেক শিৱসিংহ প্ৰমত্তসিংহ আৰু ৰাজেশ্বৰসিংহই বিশেষ আড়ম্বৰেৰে শাসন কৰিছিল। ইয়াৰ পিছতে লক্ষ্মীসিংহৰ দিনত মোৱামৰীয়া বিদ্ৰোহ আৰম্ভ হয় আৰু তুংখুঙীয়া শাসনৰেই নহয় আহোম শাসনৰ আয়ুস চমু চাপি আছে।

তুংখুঙীয়া বুৰঞ্জী

তুংখুঙীয়া বুৰঞ্জী ড সূৰ্য্যকুমাৰ ভূঞাই দিয়া নতুন নাম। বুৰঞ্জীখনৰ নিজা নাম শ্ৰীশ্ৰীতুংখুঙীয়া ৰ বংশাবলী। শ্ৰীনাথ দুৱৰা বৰবৰুৱাই বুৰঞ্জীখন লেখাবলৈ আৰম্ভ কৰে ১৭২৫ শকৰ ফাগুন মাহৰ ২২ দিন যাওঁতে বৃহস্পতিবাৰ পঞ্চমী তিথিত। কিন্তু ১৭২৮ শকৰ আঘোণ মাহৰ ১৬ দিন যোৱালৈকে বিৱৰণ সন্নিবিষ্ট হৈছে। শ্ৰীনাথে ১৭৩৯ শকলৈকে বৰবৰুৱা বাব খাইছিল। পুথিখন আধৰুৱাকৈ শেষ হৈছে। তালৈ চাই মূল বুৰঞ্জীখনত অন্তত আৰু কুৰিটামান পাত আছিল। নতুবা দেশৰ অস্থিৰতাৰ বাবে বাকী অংশ লিখা নহ'ল। বৰ্তমান তুংখুঙীয়া বুৰঞ্জীখনৰ প্ৰথম পাণ্ডুলিপিটো উদ্ধাৰ কৰিছিল সোণাৰাম চৌধুৰীৰপৰা (১৯২৫ চনত)। এইটো সিমান নিৰ্ভৰযোগ্য পাণ্ডুলিপি নাছিল। ১৮৯৭ চনত এডোৱাৰ্ড গেইটে Report on the Progress of Historical Research in Assam নামৰ প্ৰতিবেদনত যিখন তৃতীয় বুৰঞ্জী ৰ কথা উল্লেখ কৰিছিল, সম্ভৱতঃ সেইটোৱেই এইটো পাণ্ডুলিপি। ১৯৩১ চনত পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ পুত্ৰ শৰৎচন্দ্ৰ গোস্বামীৰ হাতত মূল পুথিখন পোৱা হয়। প্ৰথমতে পোৱা পাণ্ডুলিপিটোৰ সহায়ত যুগুতে কৰা পুথিখন দ্বিতীয় পাণ্ডুলিপিটোৰ সহায়েৰে আমূল সংশোধন কৰি বৰ্তমানৰ ছপা ৰূপটোৰ পাণ্ডুলিপিটো যুগুত কৰে। ইয়াকে কৰোঁতে ছেদ বিভাগ ইয়াৰ শিৰোনামা আখৰ যোটনি আদি সম্পাদক ড° ভূঞাই নিজা বিশ্বাসসম্মত পদ্ধতিৰে কৰিছে। আধুনিক পাঠসমীক্ষা

পদ্ধতি ব্যৱহাৰ কৰা নাই। ১৯৬৮ চনত যোৰহাটৰ নলিনী বৰবৰুৱাৰ ঘৰত এটি তুলাপতীয়া 'তুংখুঙ্গীয়া স্বৰ্গদেৱৰ বংশাৱলী' শিতানৰ পাণ্ডুলিপি পোৱা হয়। সম্ভৱতঃ এই পাণ্ডুলিপিটো যুগুত কৰিছিল আহোমৰ দিনৰ প্ৰখ্যাত লেখক হিতেশ্বৰ বৰবৰুৱাই। এই পাণ্ডুলিপিটোৰ ভাষা আখৰ যোটনি আদি মূলৰ অধিক ওচৰ চপা। কিন্তু ঘটনাৰ বিবৰণৰ ক্ষেত্ৰত ছপা তুংখুঙ্গীয়া বুৰঞ্জীতকৈ কেইবছৰমান পাছপৰা। ৰাজেশ্বৰসিংহৰ ৰাজত্বৰ আৰম্ভণিৰেপৰা কমলেশ্বৰসিংহৰ ৰাজত্বকালৰ একাদশ বছৰলৈ এই খণ্ডহে মূল তুংখুঙ্গীয়া বুৰঞ্জী হ লেও সম্প্ৰতি ছপা বুৰঞ্জীখনকে তুংখুঙ্গীয়া বুৰঞ্জী নামেৰে জনাজাত হৈ পৰিছে।

লেখক শ্ৰীনাথ

ৰঙাচিলা দুৱৰা সাতঘৰীয়া আহোমৰ মুৰব্জিলিকা ফৈদ। এই ফৈদৰ ভালেমান কেইজন পুৰুষে বৰবৰুৱা বৰফুকন আদি ওপৰ খাপৰ বিষয় ভোগ কৰিছিল। ৰঙাচিলা দুৱৰাই ফুকন বাব খাইছিল। তেওঁৰ দুজন পুতেক মেচা আৰু কিৰ্কিৰীয়া। মেচ বৰবৰুৱা হৈছিল। মেচাৰ পুতেক নন্দলাল। নন্দলাল ন্যায়সোধা ফুকন আছিল। নন্দলালৰো দুই পুতেক—হৰনাথ আৰু শ্ৰীনাথ। হৰনাথ লতাকটা ৰণৰ সেনাপতি আছিল বুলি সেনাপতি ফুকন নামেৰে জনপ্ৰিয় হৈ উঠিছিল। মোৱামৰীয়া প্ৰথম বিদ্ৰোহৰ সময়ত ভিতৰুৱাল ফুকন আৰু পিছত বৰফুকনৰ বাব পাইছিল। হৰনাথৰে ভায়েক শ্ৰীনাথ। শ্ৰীনাথে ১৮০০ চনৰপৰা ১৮১৭ চনলৈ সোতৰ বছৰ কাল বৰবৰুৱা বিষয় ভোগ কৰিছিল আৰু তাৰ আগতে অন্ততঃ ডেৰকুৰি বছৰ বজাঘৰীয়া বিষয় বাব ভোগ কৰিছিল। ১৭৭০ চনত দুৱলীয়া ফুকন ১৭৭৩ চনত ন্যায়সোধা ফুকন ১৭৯৫ চনত ভিতৰুৱাল ফুকন হিচাপে নিযুক্তি লাভ কৰিছিল। অৱশেষত কমলেশ্বৰসিংহৰ দিনত বৰবৰুৱা পদত অধিষ্ঠিত হয়। দুলীয়া ফুকনৰ বিষয়বাব খাই থাকোঁতে তেওঁক এবাৰ শদিয়াত মোৱামৰীয়া দমন কৰিবলৈ পঠিওৱা হৈছিল। বৰৱৰুৱা হিচাপে তেওঁ ৰাজ্যৰ সকলো শাসকীয় কাম-কাজ ভিতৰুৱাল ফুকন হিচাপে আভ্যন্তৰীণ তথ্য পাতি জানিছিল। আনপিনে ন্যায়সোধা ফুকন হিচাপে নিৰপেক্ষ বিচাৰকৰ অভিজ্ঞতা লাভ কৰিছিল আৰু বৰবৰুৱা বিষয় খাই থাকোঁতেই এই বুৰঞ্জীখন লিখি কীৰ্তি অৰ্জন কৰিছিল।

মূল তুংখুঙীয়া বুৰঞ্জী

বৰ্তমান ছপা বুৰঞ্জীৰ সপ্তম আধ্যাৰপৰা দশম আধ্যালৈকে এই চাৰিটা আধ্যাহে মূল বুৰঞ্জীৰ অন্তৰ্গত অৰ্থাৎ ৮৩ ছেদৰপৰা ৪৩২ ছেদলৈ। ইয়াৰো প্ৰথম বাক্যটো (প্ৰমত্তসিংহৰ ৰাজপাটত উঠে।) সম্পাদকৰ নিজা। ৰাজেশ্বৰসিংহ দেৱৰ কোঞৰ কালতে তিনি পুত্ৰ হ'ল এই বাক্য টোৰেহে মূলে বুৰঞ্জীখনৰ প্ৰকৃত বিবৰণ আৰম্ভ হৈছে। প্ৰথম আধ্যাৰ 'আৰম্ভণ শিতানৰ প্ৰথম পৃষ্ঠা আৰু দ্বিতীয় পৃষ্ঠাৰ ১৬টা শাৰী মূলে পুথিত আছে বাকীখিনি সম্পাদকৰ নিজা। যিবোৰ বুৰঞ্জীত ৰজাৰ ৰাজত্বকালৰ চন তাৰিখ আৰু ঘাই ঘাই ঘটনা বা কাৰ্য্যাৱলী উল্লেখ থাকে তাক বুৰঞ্জী পুত বা ৰ পিত বোলে। সাৰাংশ শিতানৰ কথাখিনি এনে বুৰঞ্জী পুতৰে অংশবিশেষ। ইয়াত গদাধৰসিংহ ৰাজপাটত বহাৰপৰা গৌৰীনাথসিংহৰ মৃত্যুলৈকে নিতান্তই উল্লেখযোগ্য কথা কেইটামান মাত্ৰ পোৱা যায়। ইয়াৰ বাহিৰে দ্বিতীয় আধ্যাৰ পৰা ষষ্ঠ আধ্যালৈকে এই অংশ পুৰণি বুৰঞ্জীৰ কথা থাকি সম্পূৰ্ণ কৰা হৈছে। ৰাজেশ্বৰসিংহ ৰাজপাটত বহে ১৭৫১ চনত। ডেৰকুৰি বছৰ বয়সত দুৱৰীয়া ফুকন পদত নিযুক্তি লাভ কৰিলে ৰাজপাটত বহাৰ সময়ত শ্ৰীনাথৰ বয়স ন দহ বছৰ। ১৮০৪ ৬ চনৰ ভিতৰত বুৰঞ্জী ৰচিত হলে লেখকৰ চকুৰ আগতে সমগ্ৰ ঘটনাৱলী সংঘটিত হৈছিল। সেইবাবে মূল তুংখুঙীয়া বুৰঞ্জীৰ স্থান অনন্য মূল্যও অধিক।

বৰবৰুৱা হিচাপে ৰাজ্যৰ সকলো শাসকীয় কথাৰ তথ্য পাতিৰ লগত চা চিনাকি থকাৰ উপৰিও গন্ধীয়া ভ ৰালত সংৰক্ষিত কাকত পত্ৰ ব্যৱহাৰ কৰাৰ সুযোগ পাইছিল। আগৰ দিনত তিনিজনা গোহাঁইৰ যিজনে ৰাজমন্ত্ৰী বাব পায় তেওঁ ৰ প্ৰত্যক্ষ তত্বাৱধানত চিৰিংফুকনে বুৰঞ্জী লিখে। নুমলী বৰগোহাঁয়ে চকৰীফেটি বুৰঞ্জী লিখি কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাক হেয় কৰা বাবে বুৰঞ্জী ৰচনাৰ দায়িত্ব ৰাজমন্ত্ৰীৰ হাতৰপৰা বৰবৰুৱাৰ কৰ্তৃত্বলৈ আনে। সেয়েহে শ্ৰীনাথ বৰবৰুৱাই তুংখুঙীয়া স্বৰ্গদেৱৰ বংশাৱলী সংকলনৰ দায়িত্ব লাভ কৰে। গদাধৰসিংহৰপৰা প্ৰমত্তসিংহলৈ এই কেইজন স্বৰ্গদেৱৰ ৰাজত্বকালৰ বিতং বুৰঞ্জী পাবলৈ নাই। মনোহৰ বাইলুং ফুকনে এখন বিস্তৃত বুৰঞ্জী লিখাৰ কথা জনা যায় কিন্তু পাবলৈ নাই। সম্ভৱত এইছোৱাৰ এখন বিস্তৃত ৰজাঘৰীয়া বুৰঞ্জী আছিল, যি কাৰণে শ্ৰীনাথে ৰাজেশ্বৰসিংহৰ ৰাজত্বকালৰপৰা এইখন বুৰঞ্জী আৰম্ভ কৰিলে।

ৰাজেশ্বৰসিংহৰ ৰাজত্বকালৰ বিবৰণ চমু অথচ নিৰ্ভৰযোগ্য। 'দেশভ্ৰমণ শিতানৰ দ্বিতীয় ছেদত (৮৪ ছেদ) যিখিনি কথা থোৰতে লিখা হৈছে, তাৰ বিস্তৃত বিবৰণ আৰু প্ৰচুৰ তথ্য পাতি থকা বুৰঞ্জীও পোৱা গৈছে। ১৬৭৮ শকৰ ১৩ আঘোণৰ দিনা ৰংপুৰৰপৰা যাত্ৰা কৰি ১৬৭৯ শকৰ চ'তত উলটি অহালৈ প্ৰায় সোতৰ মাহ কাল ভ্ৰমণত থাকি ক লৈ ক'লৈ গৈছিল আৰু কি কি ঘটনা ঘটিছিল তাৰ সবিশেষ বিবৰণ সংৰক্ষিত হৈছে। আন কি দ'ল দেৱালয়ত যি দান দক্ষিণা দিছিল আৰু বা বিষয়াই যিবোৰ উপহাৰ দিছিল তাৰ হিচাপো লিপিবন্ধ হৈছে। বুৰঞ্জীখনত ৰাজেশ্বৰসিংহৰ ৰাজত্বকালৰ উল্লেখযোগ্য ঘটনা মণিপুৰ ৰাজ্যৰ লগত হোৱা ৰাজনৈতিক সম্পক আৰু লতাকটা ৰণৰ বিষয়ে অলপ বহল বিবৰণ আছে। মণিপুৰীয়া কুঁৱৰী কুৰংগনয়নীৰ বিয়া কীৰ্ত্তিচন্দ্ৰৰ দক্ষতা আদিৰ লগতে চোৰে কীৰ্ত্তিচন্দ্ৰক দাবে ঘৈয়াই আহত কৰাৰ উল্লেখ আছে আৰু অপৰাধীক দিয়া শাস্তিৰ তালিকাও সন্নিবিষ্ট হৈছে। বঙালী বাজিকৰৰ কৌশল প্ৰদৰ্শন ডেকা-বৰুৱাৰ প্ৰয়োজনাত হোৱা ৭০০ ভাৰবীয়াৰ বিৰাট বাৱণ বধ ভাওনা নৰা কটকীৰ অভ্যৰ্থনাৰ চমু বিবৰণ সন্নিবিষ্ট হৈছে।

অষ্টম আধ্যা লক্ষ্মীসিংহৰ ৰাজত্ব কালৰ বিবৰণ। লক্ষ্মীসিংহৰ ৰাজত্ব-কালৰ আৰম্ভণিতে ৰাজেশ্বৰসিংহৰ ৰহস্যজনক মৃত্যু সম্পকে বিচাৰ চলিছিল লগতে অতদিনে তাপ মাৰি থকা কীৰ্ত্তিচন্দ্ৰৰ অপঘাত অপৰাধৰ বিচাৰ আৰম্ভ হৈছিল। শ্ৰীনাথৰ বুৰঞ্জীত এই দুটা চাঞ্চল্যকৰ বিচাৰ সম্পৰ্কে সমুলি উল্লেখ নাই। এই দুটা বিচাৰত বহুতো লাকক জড়িত কৰা হৈছিল আৰু শাস্তিও দিয়া হৈছিল। ৰাজপাটত বহিছিল ১৬৯১ শকৰ জেঠ মাহৰ ২১ দিন যোৱাত আৰু তাৰ ছমাহৰ পিছতেই মোৱামৰীয়া বিদ্ৰোহ আৰম্ভ হয়। ক'বলৈ গলে এই আধ্যাটো মোৱামৰীয়া বিদ্ৰোহৰ বিবৰণ মাত্ৰ। ৰাঘৱ-নাহৰখোৱাই বিদ্ৰোহৰ আয়োজন কৰি, সিংহাসন অধিকাৰ কৰি ৰমাকান্তক ৰজা পতা ৰজাঘৰীয়া মানুহে পুনৰ ক্ষমতা হাতলৈ অনা আৰু এই সংক্ৰান্ত ঘটনাৰ হুবহু বিবৰণ এই আধ্যাত আছে। ১৬৩৯ শকত লক্ষ্মীসিংহৰ ৰাজ্যাভিষেক অনুষ্ঠিত হয়। ইয়াৰ পিছত আৰু কেইবাটাও আভ্যান্তৰীণ বিপদে দেখা দিয়ে—কলিতা ফুকনৰ বিদ্ৰোহ কোঁৱৰ বিদ্ৰোহৰ এই দু'টা যাই। কোঁৱৰ বিদ্ৰোহৰ বিতং বাতৰি ইয়াত নাই। এই সময়ছোৱাত শ্ৰীনাথ দুৱৰীয়া ফুকন আৰু ন্যায়সোধা ফুকন আছিল। গতিকে তেওঁৰ সাক্ষাততে ঘটা এই

ঘটনাবোৰৰ বিবৰণ বিশ্বাসযোগ্য আৰু নিৰ্ভৰশীল। কলহনৰ ৰাজতৰঙ্গিনীত এজন বুৰঞ্জী লেখকৰ যিখিনি গুণ থাকিব লাগে বুলি উল্লেখ কৰিছে শ্ৰীনাথৰ গাত সেইখিনি গুণ দেখা যায়।

নৱম আধ্যা, গৌৰীনাথসিংহৰ ৰাজত্বকালৰ বিবৰণ। এওঁৰ ৰাজত্বকাল পোন্ধৰ বছৰ। সময় তাকৰীয়া হ'লেও ঘটনাবহুল আৰু সকলোখিনি শ্ৰীনাথৰ ন্যায়সোধা ফুকন আৰু ভিতৰুৱাল ফুকনৰ কাৰ্য্যকালৰ ভিতৰত সংঘটিত। গতিকে বৰ্ণনা প্ৰত্যক্ষ স্পষ্ট আৰু নিৰ্ভৰযোগ্য। গৌৰীনাথসিংহ ৰাজপাটত বহাৰ অলপ দিনৰ পিছতে গড়গাঁৱত দোলাকাষৰীয়া চ ৰা বৰচ ৰা হোলোংঘৰ সমনিৱতে বহুতো ঘৰত জুই দি মোৱামৰীয়াই যি বিদ্ৰোহ আৰম্ভ কৰিছিল তাৰ পৰিণতি স্বৰূপে ৰজা ভটীয়াই গৈ গুৱাহাটী নগাঁৱত আছিলগৈ। উজনিৰ প্ৰাতৰক্ষাৰ দায়িত্ব লৈছিল পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে। সমগ্ৰ উজনি অসমত বিক্ষিপ্তভাৱে হোৱা যুদ্ধ বিগ্ৰহ কটা-মৰা, জুই দি ঘৰপোৰা আদিৰ বিবৰণ এই আধ্যাত সংৰক্ষিত হৈছে। আধুনিক সংবাদদাতাৰ ৰচনা ৰীতিৰে বাৰ্তাৰ পৰিবেশন কৰিছে।

দশম আধ্যাত আছে কমলেশ্বৰসিংহৰ পোন্ধৰ বছৰীয়া ৰাজত্বৰ প্ৰথম এঘাৰ বছৰৰ বিবৰণ। শ্ৰীনাথ চন্দ্ৰকান্তসিংহৰ ৰাজত্বকালৰ সোঁ-মাজলৈকে বৰবৰুৱা হৈ জীয়াই আছিল আৰু তেওঁ কমলেশ্বৰসিংহৰ ৰাজত্ব সম্পূৰ্ণ কৰি বুৰঞ্জীখন লিখিছিল বুলি অনুমান কৰিব পাৰি ঘটনাক্ৰমে শেহৰফালৰ পাত নষ্ট হৈ বুৰঞ্জীখন আধৰুৱা হ'ল। এই আধ্যাটোৰ বিশেষ বৈশিষ্ট্য হ'ল খনচেৰেক গুৰুত্বপূৰ্ণ চিঠিৰ সন্নিবেশ আৰু তাৰ পটভূমিৰ উল্লেখ। কছাৰী ভোট জয়ন্তা মুনকাপ আদি ৰাজ্যৰ লগত তেতিয়াও ৰাজনৈতিক সম্পৰ্ক ৰক্ষাৰ বিতং অথচ নিৰ্ভৰযোগ্য বিবৰণ ইয়াত পোৱা যায়। এইখিনি কথা অন্য বুৰঞ্জীত পাবলৈ টান। এই আধ্যাত দুই এটা অতি সৰু অথচ তাৎপৰ্য্যপূৰ্ণ বাৰ্তাৰও সন্নিবিষ্ট কৰিছে। নুমলী বৰগোহাঁয়ে চকৰীফেটি বুৰঞ্জীত ৰুদ্ৰসিংহৰ দিনৰেপৰা প্ৰমত্তসিংহৰ দিনলৈ ৰজাঘৰীয়া বিষয়াসকলৰ নাম আৰু তেওঁবিলাকৰ গুৰি গোষ্ঠী লিপিবদ্ধ কৰিছিল। শ্ৰীনাথৰ বুৰঞ্জীৰো ৩৩৬ সংখ্যক ছেদত একেদৰে এখনি তালিকা সন্নিবিষ্ট কৰিছে। মোৱামৰীয়া বিদ্ৰোহৰ অন্তত ভগাদেশ পাতি বলৈ পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে যি যত্ন কৰিছিল আৰু গৌৰীনাথসিংহ নিজে আঁতৰি থাকি প্ৰজাক কেনেকৈ হতাশ কৰিছিল অথচ কমলেশ্বৰসিংহৰ দিনত প্ৰজাই আশ্বস্ত হৈ উলটি আহি কেনেকৈ পুনৰ্সংস্থাপিত হৈছিল তাৰ বাৰ্তাৰ ইয়াত পোৱা যায়।

ৰাজেশ্বৰসিংহৰ দিনলৈকে সুসংহত শাসন ব্যৱস্থা লক্ষ্মীসিংহ আৰু গৌৰীনাথসিংহৰ দিনত সম্পূৰ্ণৰূপে ভাগি পৰিছিল। কোঁৱৰ বা বিষয়াই ৰজাঘৰৰ বিৰুদ্ধে মূৰ দাঙি উঠিছিল। ঈৰ্ষা অনৈক্য অনানুগত্য প্ৰতি দ্বন্দ্বিতাই চূড়ান্ত ৰূপ ধাৰণ কৰিছিল। বুৰঞ্জীখনত থকা সৰু সৰু বাক্য কিছুমানৰপৰা ইয়াৰ বাতৰি পাব পাৰি। ছেদৰ শিতানবোৰ সম্পাদকে দিয়া। কেতিয়াবা শিতানৰ বস্তুত সামৰি নোলোৱা বাতৰিও কোনো কোনো ছেদত সোমাই আছে। আধুনিক বিজ্ঞানসম্মত বুৰঞ্জী এখন লিখিবলৈ তুংখুঙীয়া স্বৰ্গদেৱৰ বংশাৱলী ত প্ৰচুৰ সমল আছে।

তুংখুঙীয়া বংশই (১৬৮১—১৮২৬ চন) ১৪৫ বছৰ শাসন কৰিলেও আৰু তাঁৰে (১৭৫১—১৮০৬ চন) ৫৫ বছৰৰ ইতিহাস মাত্ৰ ইয়াত সন্নিবিষ্ট হ'লেও এই খণ্ড বিস্তৃত তুংখুঙীয়া শাসনৰে অংশ মাত্ৰ। গতিকে সম্পাদক ড ভূঞাই নামকৰণ কৰাটো অসমীচীন হোৱা নাই। অৱশ্যে পাদটীকাত স্পষ্টভাৱে উল্লেখ কৰি আগৰছোৱা আৰু পাছৰছোৱাৰ মাজৰ পাৰ্থক্যখিনি আঙুলিয়াই দেখুৱাব পাৰিলেহেঁতেন।

বৰ্ত্তমান তুংখুঙীয়া বুৰঞ্জী

বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগে প্ৰকাশ কৰা ড সূৰ্য্যকুমাৰ ভূঞাই সম্পাদনা কৰা তুংখুঙীয়া বুৰঞ্জী খনে (১৬৭০ ১৮০৬) আহোম ৰাজত্বৰ ১৩৬ বছৰৰ বুৰঞ্জী ধৰি ৰাখিছে। দ্বিতীয় আধ্যাৰ নামকৰণ কৰা হৈছে পাত্ৰৰ অধীনত স্বৰ্গদেওং। চক্ৰধ্বজসিংহৰ মৃত্যুৰ পিছত উদয়াদিত্য ৰজা হয়। উদয়াদিত্যৰ দিনতে শৰাইঘাটৰ যুদ্ধৰ সামৰণি পৰে। যিসকল বা বিষয়াই দেহা পণ কৰি অপৰিসীম পৰিশ্ৰম কৰি শৰাইঘাটৰ গৌৰৱ অৰ্জন কৰিছিল সেই বিষয়াসকলেই হৈ উঠিল স্বেচ্ছাচাৰী আৰু একান্তই আত্ম-কেন্দ্ৰিক। উদয়াদিত্যই গকুলপুৰী সন্যাসীক গুৰু পাতিব খোজাৰ পৰিণতি স্বৰূপে ডেবেৰা বৰবৰুৱাই উঁদয়াদিত্যক বধ কৰে। কেচা তেজৰ জুতি পাই ডেবেৰা ওপৰহতীয়া হৈ কেইবাজনো ৰজা ৰাজকোঁৱৰ আৰু বিষয়াক হত্যা কৰায়। আতন বুঢ়াগোহাঁয়ে নেতৃত্ব লৈ ৰাজ্যৰ ধৰণী ধৰিবৰ চেষ্টা কৰিছিল যদিও লালুকসোলা বৰফুকনে আতন বুঢ়াগোহাঁইক বধ কৰি স্বয়ঙ্গে প্ৰৱৰ্তিবলৈ ধৰে। অৱশেষত বা বিষয়াসকলৰ সহায়তে গদাপাণি গদাধৰসিংহ নাম লৈ ৰজা হয়। (১৫৯২—১৬০৩ শক) এই নবছৰ কাল যথাৰ্থতে

পাত্ৰ-মন্ত্ৰীৰ স্বেচ্ছাচাৰিতাৰ শাসন। সেইবাবেই সম্পাদক ড° ভূঞাই 'পাত্ৰৰ অধীনত স্বৰ্গদেও নামকৰণ কৰি এই আধ্যাটো যুগত কৰিছে। এই সময় ছোৱা অস্থিৰতা আৰু বিপ্লৱৰ ঘটনাৰে পৰিপূৰ্ণ হোৱা বাবে ৰজাঘৰীয়া বুৰঞ্জী লিখিবলৈ সুযোগ পোৱা নাছিল। গতিকে বুৰঞ্জী পাবলৈ নাই। তুংখুঙ্গীয়া বুৰঞ্জী ৰ অন্তৰ্গত এই আধ্যাটো বুৰঞ্জীৰ বাতৰি আৰু সময়ৰ দিশৰপৰা বিশেষ মূল্যবান।

তৃতীয় আধ্যাৰ নামকৰণ কৰা হৈছে স্বৰ্গদেৱ গদাধৰসিংহ। গদাধৰ সিংহৰ ৰাজত্বকালৰ বিবৰণ ইয়াত আছে। এইজনা স্বৰ্গদেৱৰ ৰাজত্বকালৰ বিতং বিবৰণ থকা বুৰঞ্জীও পাবলৈ নাই। সুকুমাৰ মহন্তৰ ঘৰত পোৱা বুৰঞ্জীত আগছোৱা ৰাজত্বকালৰ বিবৰণ থাকিলেও পিছৰ ছোৱা নাই। 'সাতসৰী অসম বুৰঞ্জীত সন্নিবিষ্ট বেঙেনাআটি সত্ৰৰ বুৰঞ্জীখনত সংক্ষিপ্ত কাহিনী আছে। তুংখুঙ্গীযা বুৰঞ্জী ৰ এই বিবৰণ নিৰ্ভযোগ্য আৰু সম্পূৰ্ণতাৰ পিনে আগবঢ়া। বহুতে এনে প্ৰশ্ন কৰে যে গদ পাণিৰ ভাৰ্য্যা জয়মতীৰ নাম এই কেইখন বুৰঞ্জীত নাই কিয়? দ্বিতীয় আধ্যাৰ ২৬ সংখ্যক ছেদত উল্লেখ আছে 'পূৰ্বে বুঢ়াফুকনৰ ভয়ত (লালুকসোলাৰ ভয়ত) দুইজনা গোহাঁইক (লাই লেচাইক) নগাচাঙত থৈছিল। গৰ্ভসহিতে আই কুঁৱৰীদেৱ শাস্তিতে মৰিলে।' প্ৰসঙ্গক্ৰমে সম্পাদকে পাদটীকাত উল্লেখ কৰিছে আৰু এখন পুৰণি বুৰঞ্জীৰপৰা উদ্ধৃত কৰিছে বুঢ়াৰজাক (গদাপাণিক) বিচাৰি নেপাই ঘৰিণীয়েকক পাই শাস্তিতে মাৰিলে। গদাধৰ-সিংহক তিংখঙ্গীয়া বুঢ়াৰজা শ্ৰীশ্ৰীগদাধৰসিংহ মহাৰাজা বুলি ২৭ সংখ্যক ছেদত উল্লেখ আছে। বুৰঞ্জীখনত দিহিঙ্গীয়া আলন বৰবৰুৱাক পদচ্যুত কৰা আৰু মহন্ত নিৰ্যাতনৰ বিষয়ে বিতং বিবৰণ পোৱা যায়। বুৰঞ্জীখনত স্বৰ্গদেৱৰ ৰাজত্বকালৰ বহুতো সৰু অথচ তাৎপৰ্য্যপূৰ্ণ ঘটনাৰ উল্লেখ মন কৰিবলগীয়া।

চতুৰ্থ আধ্যাৰ নামকৰণ স্বৰ্গদেও ৰুদ্ৰসিংহ'। ৰুদ্ৰসিংহ কথাই-কামে সবাতোকৈ বিখ্যাত ৰজা। কিন্তু তেওঁৰ ৰাজত্বকালৰ বিস্তৃত বিবৰণহে পাবলৈ নাই। এই আধ্যাটো নিতান্তই চমু। গোলাপচন্দ্ৰ বৰুৱাৰ আহোম বুৰঞ্জী ত ৰুদ্ৰসিংহৰ ৰাজত্বকাল বাদ পৰি গৈছে। ৱেড চাহাবৰ An Account of Assam ত অলপ বিতং বৰ্ণনা আছে। এই বুৰঞ্জীখন বিলাতলৈ লৈ গৈছিল। তাৰেপৰাই ৱেডে ইংৰাজী অনুবাদ মুদ্ৰিত কৰে। কিন্তু অসমত

সেই বুৰঞ্জীৰ প্ৰতিলিপি আজিও উদ্ধাৰ হোৱা নাই। গতিকে এই আধ্যাটো চমু হ'লেও মূল্যবান।

গদাপাণি কোঁৱৰৰ ককাই-ভাই চাৰিজন। গদাপাণি লাঙ্গি অৰ্থাৎ চতুৰ্থ পুত্ৰ। বাকী তিনিজন মদন, পদ্মপাণি আৰু চক্ৰপাণি। এই তিনিজনৰে কোনো এজনক গদাধৰসিংহৰ দিনতে চাৰিঙীয়া ৰজা পাতিছিল। লুংচাও অৰ্থাৎ নিচাৰেক চাৰিং ৰজাই তুংখুঙীয়া মানুহক লগত লৈ বিদ্ৰোহৰ আয়োজন কৰিছিল। আনপিনে ভায়েক লেচাই নামৰূপীয়া ৰজায়ো বিদ্ৰোহৰ আয়োজন কৰিছিল। এই দুয়ো বিদ্ৰোহৰ বিবৰণ ইয়াত আছে। বিদেশী সাজ পাৰৰ প্ৰচলন, গঁড়গাঁৱত মোঁধি মহন্তৰ সম্মিলন আৰু কছাৰী জয়ন্তাৰ লগত ৰাজ নৈতিক সম্পৰ্কৰ উল্লেখ চমু বৰ্ণনাৰে সংৰক্ষিত হৈছে। বঙ্গ বিজয়ৰ বিপুল অভিযানৰ নামমাত্ৰ উল্লেখ মাত্ৰ ইয়াত পোৱা যায়।

পঞ্চম আধ্যাৰ নাম 'স্বৰ্গদেও শিৱসিংহ'। শিৱসিংহৰ ৰাজত্ব দীঘলীয়া ডেৰকুৰি বছৰ। এই ডেৰকুৰি বছৰত ফুলেশ্বৰী অম্বিকা আৰু সৰ্বেশ্বৰী তিনি গৰাকী ৰাণীয়ে বৰৰজা উপাধি লৈ দেশ শাসন কৰিছিল। তেনেই থোৰতে হ'লেও ফুলেশ্বৰী আৰু অম্বিকাৰ ৰাজত্বকালৰ ঘটনাসমূহৰ উল্লেখ আছে। ৰাইলুঙীয়া বুঢ়াগোহাঁই মৃত্যু হোৱাত পুখুৰীপৰীয়া বুঢ়াগোহাঁইৰ নিযুক্তিৰ সময়ত হোৱা কথা বতৰাখিনি বিশেষ তাৎপৰ্য্যপূৰ্ণ।

ষষ্ঠ আধ্যাৰ নামকৰণ স্বৰ্গদেও প্ৰমত্তসিংহ। প্ৰমত্তসিংহৰ ৰাজতৃকাল মুঠেই ছবছৰীয়া ৰাজ্যত শান্তি সমৃদ্ধিৰ সময়। শিৱসিংহৰ ফুকনীয়া পুতেক উগ্ৰসিংহক ৰজা পাতিবলৈ উদ্যম কৰিছিল কিন্তু পুখুৰীপৰীয়া চেঙমুন বুঢ়াগোহাঁই আৰু কৰ্কতিয়াল বৰবৰুৱাই প্ৰমত্তসিংহক ৰজা পাতিলে। এই আধ্যাটোত দুটা জানিবলগীয়া কথা আছে। এক, ৰজা পাতোঁতে দিয়া উপদেশ দুই ৰাজ্যাভিষেক অনুষ্ঠানৰ ক্ৰম। চমু অথচ সলসলীয়াকৈ বুজিব পৰাকৈ লিপিবদ্ধ কৰা হৈছে। 'এও ৰজাৰ দিনত বিশেষ কোনো কৰ্ম নহ'ল' বুলি উল্লেখ কৰিছে যদিও ভালেমান কেইটা সক-সুৰা বাতৰি সন্নিবিষ্ট হৈছে। স্বৰ্গদেৱৰ ৰাজ্যাভিষেকত কছাৰী জয়ন্তা ৰজাৰ উপস্থিতি আৰু ৰাণীৰ ৰজাৰ কটকীৰ বক্তব্যৰপৰা পৰ্বত-ভৈয়াম সম্প্ৰীতিৰ পৰিচয় পাব পাৰি।

'ৰজা অভিষেক' শিতানৰ ছেদটোত যি বৰ্ণনা আছে, তাত ভালেমান কেইটা টাই আহোম শব্দ মুকলিকৈ ব্যৱহাৰ কৰিছে—তিকাই, চেং ৰাখম লিখন হোলোং পুখাও পুলিন টাঁঙ্গ ইত্যাদি।

ঐতিহাসিক মূল্য

'তুংখুঙীয়া বুৰঞ্জী অসমীয়া বুৰঞ্জী সাহিত্যৰ বহুমূলীয়া সম্পদ। বুৰঞ্জীখনৰ শেহছোৱা শ্ৰীনাথ বৰবৰুৱাৰ। শ্ৰীনাথৰ ৰচনা-ৰীতি অনুধাৱন কৰি সহজে ক'ব পাৰি যে তেওঁ নিৰপেক্ষ, পৰ্য্যবেক্ষণশীল বুৰঞ্জীজ্ঞ আছিল। যথাসম্ভৱ বাহুল্যকৈ ৰচনা কৰিবলৈ যত্ন কৰিছিল। গৌৰীনাথসিংহৰ ৰাজত্ব কালৰ মোৱামৰীয়া বিদ্ৰোহৰ যি বিবৰণ সন্নিবিষ্ট কৰিছে তালৈ চাই তেওঁৰ বিস্তৃত ভৌগোলিক জ্ঞান আৰু বাতৰি সংগ্ৰহৰ দক্ষতা আছিল।

ঘটনাৰ দিন বাৰ তাৰিখ, শক প্ৰয়োজন অনুসৰি স্পষ্টকৈ উল্লেখ আছে। তদুপৰি বাতৰি পৰিবেশনৰ ৰীতিটো প্ৰত্যক্ষ আৰু পোনপটীয়া। অতি সন্তৰ্পণে অনুধাৱন কৰিলে সহজে ধৰিব পাৰি যে বুৰঞ্জীকাৰকে কিছুমান সূক্ষ্ম শব্দ সূত্ৰও সন্নিবিষ্ট কৰি গৈছে। তেতিয়াৰ দিনৰ ৰীতিৰে লিখি যোৱা বাবে এজন আধুনিক পাঠকলৈ কিছুমান কথা সহজবোধ্য নহ'ব পাৰে কিন্তু সেই সেই তথ্যখিনি আধুনিক ঠাঁচলৈ ৰূপান্তৰিত কৰিলে ৰসপূৰ্ণ হৈ উঠিব। এই সময়ছোৱাৰ যিখিনি ঘটনা 'তুংখুঙীয়া বুৰঞ্জী'ত সন্নিবিষ্ট হৈছে ইয়াৰ লগত সাতসৰী অসম বুৰঞ্জী হৰকান্ত-কাশীনাথৰ বুৰঞ্জীৰ লগত হুবহু মিল আছে। বুৰঞ্জী লিখোঁতে ৰজাঘৰীয়া তথ্য পাতিৰ সমল লোৱা হয় গতিকে তথ্যৰ বিকৃতি ঘটাৰ ভয় নাই। পূৰণি বুৰঞ্জীকাৰকে সংকলন কৰি থৈ যোৱা বুৰঞ্জী যথাৰ্থতে অনুধাৱন কৰিব নোৱাৰি আধুনিক লেখকেহে আউল লগাই বিভ্ৰান্তিৰ সৃষ্টি কৰা দেখা যায়। উদাহৰণ স্বৰূপে, ৰাধা ৰুক্মিণী (ৰুকুণী) দুগৰাকী নাৰী (১২৭ ছেদ)। কিন্তু দুজন আধুনিক যুগৰ লেখকে এগৰাকী বুলি লিখি বিভ্ৰান্ত সৃষ্টি কৰিছিল। কুৰঙ্গনয়নীয়ে যোৰহাটৰ সকচৰাইৰ মনাইমাজি গাঁৱত খাত পতাইছিল, সেয়ে মগলুখাত আৰু গৌৰীসাগৰৰ নামনিৰ খনাখোৱাকোৱাত মগলো পুখুৰী খনাইছিল (ছেদ ৯৩) কিন্তু গুণাভিৰাম বৰুৱাই ভুল কৰি বা অনুমানতে একে ঠাইতে খাত আৰু পুখুৰী খনাইছিল বুলি উল্লেখ কৰি গৈছে। মোৱা মৰীয়াসকলে ৰৰভেটি বান্ধি মালো পথাৰত এসময়ত সমবেত হৈছিল যদিও বিদ্ৰোহ কৰিবৰ সময়ত ৰৰভেটিৰপৰা উজাই মোৱা নাছিল; কাকপথাৰ—হোলোং গুৰিৰপৰা ভিন্ন নৈৰ দলং কাটি পাৰ হৈ আহি চেচাঁতহে কোঠ পাতিছিল আৰু চেচাঁ-দিহিং হৈ ক্ৰমে দক্ষিণলৈ আহি ৰংপুৰ অধিকাৰ

কৰিছিল (চেদ ১১১)। গুণাভিৰাম বৰুৱাই অনুমানতে ৰৰভেটিৰপৰা ভটীয়াই আহিছিল বুলি তেওঁৰ বুৰঞ্জীত লিখিছে। বেণুধৰ শৰ্মাই পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ চৰিত্ৰ বিশ্লেষণ কৰি তেওঁক দেশদ্ৰোহীৰ সমপৰ্য্যায়ৰ কৰিলেও শ্ৰীনাথে বুঢ়াগোহাঁইক দেশৰ ৰক্ষক বুলি স্বীকৃতি দি থৈ গৈছে। কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাৰ বুৰঞ্জী দাহ অসম বুৰঞ্জীৰ এটি ডাঙৰ ঘটনা কিন্তু তুংখুংগীয়া বুৰঞ্জীত ইয়াৰ উল্লেখ নাই। শ্ৰীনাথৰ সমসাময়িক আৰু তেওঁৰ বুৰঞ্জীৰ অন্তৰ্গত হ বলগীয়া এই বাতৰিটো কিয় বাদ পৰিল জনা নেযায়।

উদয়াদিত্যক বধ কৰাৰেপৰা মানৰ আক্ৰমণলৈকে এই গোটেই ছোৱা সময়েই ঘটনাপূৰ্ণ ৰুদ্ধশ্বাস উত্তেজনাময়। কিন্তু লেখকৰ বস্তুনিষ্ঠতা আৰু নিৰপেক্ষতাই ইয়াক সবল কৰি ৰাখিছে। এই সময়ছোৱাই সাংস্কৃতিক বিকাশৰো সময়। বিতং বিবৰণ নেপালেও সাংস্কৃতিক জীৱন স্থাপত্য ভাস্কৰ্য্য ধৰ্মীয় অৱদান আদিৰ উল্লেখ আছে। আন কি তুংখুংগীয়া বুৰঞ্জীয়ে ৰাৱণ বধ পদ্মাৱতী হৰণ ৰুক্মিণী হৰণ অক্ৰুৰাগমন আদি ভাওনা কৰি প্ৰযোজনা কেনেকৈ হৈছিল তাৰো বাতৰি সংৰক্ষণ কৰিছে। সমগ্ৰ তুংখুংগীয়া বুৰঞ্জীখনেই এই দিশৰপৰা বিশেষ মূল্যবান।

সাহিত্যিক মূল্য

'তুংখুংগীয়া বুৰঞ্জী' ভাষা আৰু সাহিত্যৰ দিশৰপৰা বুৰঞ্জী সাহিত্যৰ এটি একক সম্পদ। যোড়শ শতিকাত প্ৰতিষ্ঠা লাভ কৰা গদ্য ৰীতিয়ে অষ্টাদশ শতিকাত কেনে ৰূপ ধাৰণ কৰিছিল এইখন বুৰঞ্জী তাৰ এটি উজ্জ্বল চানেকী। বুৰঞ্জীৰ ভাষা সৰল পোনপটীয়া দ্ব্যাৰ্থবোধকতা বা অতিৰঞ্জনৰ প্ৰচেষ্টা নাই। নিতান্ত বস্তুনিষ্ঠা লৈ বুৰঞ্জীকাৰকে ঘটনাৰ বিবৰণ লিপিবদ্ধ কৰে। বাক্য সৰল চুটি চুটি। সম্পাদক ড° ভূঞাই আধুনিক ৰীতিৰে যতিচিন ব্যৱহাৰ কৰাত বাক্যবোৰ দেখাত নতুন গঢ়ী হৈছে, কিন্তু পঢ়ি গ'লে পুৰণি কথন-ভংগীৰ ব্যঞ্জনা ধৰা পৰে। অৱশ্যে বুৰঞ্জীখনৰ ভাষা আৰু ব্যাকৰণৰ ঠাঁচ আধুনিকতাৰ পিনে আগবঢ়া।

'তুংখুংগীয়া বুৰঞ্জী'ৰ কথন ভংগীত নিজা বৈশিষ্ট্য আছে।

'বঢ়াফুকনে সুধিলে, 'ভেৰেৰা, কিয় এনে কৰিলি ?' ভেৰেৰাও বোলে 'নুশুনিছহ'ক নিকি ? এক দেহা, দশমৰ পদ মইহে কৰিছোঁ, তয়ো কৰিবি।'

ফুকনে বোলে এতিয়া নমৰিবি ? ডেবেৰাএ বোলে মোক তঁাএ মাৰিবি তোক একা ঘৰৰ তিৰীয়ে মাৰিব। আমাক দোষ দিলে কি হ্ব ? কালে যেই কৰে সেই হয়।

'স্বৰ্গদেৱে উত্তমহে সুধিছে বৰপাত্র গোহাঁয়ে উত্তমহে কৈছে, স্বৰ্গদেৱৰ পুৰে পুলিন ৰজাদেৱে তেজ শক্তিৰ বলে ৰঙামাটি চেৰাই কৰতোয়া গঙ্গাত খাণ্ডা পখালি গৈছে। তেতিযা তাক আচল হেন দেখি, গুৱাহাটীত থানা কৰি মানাহা সীমাকৈ গৈছে। জযধ্বজ ৰাজাদেৱৰ দিনত এনে আহিলা পাতি বহুতো আছিল তথাপি নাম হ্ল ভগনীয়া ৰজা। অস্ত্র-শস্ত্র আহিলা পাতি সমস্তে জড় স্বগদেৱৰ বন্দী বেটাহে চেতন। সেযে চলালে চলে। তাৰো বলাবল বুজিব লাগে। শত্রুৰো বলাবল বুজিব লাগে। জয় পৰাজয় দুয়ো আছে। আকৌ বিশেষৰূপে বুজিহে আগবাঢ়িবলৈ ভাল হেন দেখি। তথাপি স্বৰ্গদেৱে যি বুলিব সেয়েহে হ্ব। এই কথা কেইফাকিত সমসাময়িক যুগৰ কথন ৰীতিৰ প্ৰতিফলন ঘটিছে।

হৰনাথ ভিতৰুৱাল ফুকনক লতাকটা ৰণৰ দায়িত্ব ভাৰ অৰ্পণ কৰোঁতে বৰপাত্র গোহাঁয়ে কৈছিল ফুকন, তুমি দুৱৰাৰ ঘৰৰ ল বা। প্ৰাচীন। এদিনীয়া নোহোৱা। এতেকে তোমাক এই মণিপুৰীয়া ৰজাক মণিপুৰ ৰাজ্যত সংস্থাপন কৰিবৰ নিমিত্তে স্বৰ্গদেৱে বিশেষ আজ্ঞা কৰিছে। আৰু ঁৰ অনেক বন্দী-বেটা দিছে। আহিলা পাতিও দিছে। এতেকে তুমিও স্বৰ্গদেৱৰ সৈন্য সেনা সমন্বিতে পথে-প্ৰবাহে দুঃখ নোপোৱাকৈ হানি নোপোৱাকৈ যাবা। মণিপুৰ দেশ পাই তুমি উপায় মন্ত্ৰণাৰে বা যুদ্ধৰে বা যিৰূপে এই মণিপুৰীয়া ৰজাক স্বদেশত সংস্থাপন কৰিব পাৰিবা তাকে প্ৰাণ-পৰিশ্ৰমে চিন্তিবা।" (ছেদ ১০০) এইখিনিকথাৰ উত্তৰত হৰনাথ ফুকনে যি উত্তৰ দিছে সি হৃদয়স্পৰ্শী।

বুৰঞ্জী নীৰস তথ্য পাতিৰ সংক্ষুৰা হ'লেও ঠায়ে ঠায়ে মানৱীয় ৰসবোধ প্ৰকাশিত হৈছে। ১২০ সংখ্যক ছেদত বৰৈ দুৱলীয়া ফুকনৰ কৰ্তব্য-বোধ নিভীকতা আৰু আত্মদানৰ যি ছবি ফুটি উঠিছে সি উচ্চপৰ্য্যায়ৰ সাহিত্য-কৰ্মলৈ উন্নীত হৈছে।

তুংখুংগীয়া বুৰঞ্জীৰ ভাষা সৰল-অজতুৱা ঠাঁচৰ হ'লেও পুথিৰ বুকুত কিছুমান তৎসম সংস্কৃত শব্দৰ সমাবেশ দেখা যায়। কথা প্ৰসঙ্গত সংস্কৃত শ্লোকবো উদ্ধৃতি দিছে।

সন্ত এব সতাং নিত্যমাপদুদ্ধাৰহেতৱঃ।
গজানাং পঙ্কমগ্নানাং গজ এব ধুৰন্ধৰঃ।

আনপিনে অষ্টাদশ শতিকাতো ভালেমান টাই আহোম শব্দৰ ব্যৱহাৰ বুৰঞ্জীখনত পোৱা যায়। উদাহৰণ স্বৰূপে, নাকৈ লুচায়েক লুংত্যাও লুকলুকান চুঙ্গ কুাগিন পুথাও পুলিন হেঙ্গলাঙ্গ লিকচন চৌখান, আংফাই মিচাঙ্গ তিফাই চেং তাঙ্কাক টাঙ্গি খাইলত বাথাম খুনমুঙ্গ লিখন আপ জাই ফুকাম চকলং হেংদান পটদিং পিং চৈ ইত্যাদি। কিছুমান শব্দ আজিকালি অপ্ৰচলিত যদিও বিশেষ অভিব্যক্তিপূৰ্ণ আছিল। খাৰছাই বৈকত অপ্ত, পিতলীয়া সোণাৱলী বাচ তৎপচাৎ জাওপুৰ খলা আপাহ দিগুমোহ সমলি নিষা ভুনি কোক পটুকা সোজ সোজিয়া লালচ কামলি, মহীয়াধন অপাও অতিৰেক ইত্যাদি। দুই চাৰিটা যাৱনিক মূলৰ শব্দও পোৱা যায় যেনে—কবুল দোচমন খুন কইদ চণ্ডিগন ইত্যাদি। সুকুমাৰ মহন্তৰ ঘৰত পোৱা বুৰঞ্জী আৰু পাদশাহ বুৰঞ্জীৰ তুলনাত অনেক কম। যুৰীয়া অনুৰূপ শব্দৰ ব্যৱহাৰৰ প্ৰাচুৰ্য্য মন কৰিবলগীয়া। বোলা মতা বোল-মাত মিল ভাও বোকা দোপনী বাত-বণ্টি পালী পৰীয়া ফন্দে ফান্দে চাউল সমলীয়া চাউল-কানি মাৰে কাটে ভাংগে পাচে আয়াযাত আদি সঘনে ব্যৱহাৰ হোৱা দেখিবলৈ পোৱা যায়। জতুৱা ঠাঁচৰ ব্যৱহাৰে তুংখুঙ্গীয়া বুৰঞ্জীৰ ভাষা কথিত ঠাঁচলৈ ৰূপান্তৰিত কৰিছে। বুঢ়াৰ হাতৰ চেঙেলি তলে পুতল হুহি লাগ হানি পালে গা ব'ল আটাহ পাৰ, ফুকলি মাৰি উচাট খাই, পিং দি থলে, ববাভাও হ'ল হুহি, মাৰি পাচ তালি মাৰি, জেঙ্গা জঞ্জাল ভাঙ্গি, ফন্দকৈ বঢ়াই পেটে পেটে অসূয়া হাম-খুৰি খাই পৰে আপাহ পাই ইত্যাদি। আধুনিক অসমীয়া ব্যাকৰণৰ গঠন আৰু বিকাশৰ বাট এই সময়তে মুকলি হৈছিল।

'তুংখুঙ্গীয়া বুৰঞ্জী' অসমীয়া বুৰঞ্জী সাহিত্যৰ ভঁৰালত এটি বৈশিষ্ট্য-পূৰ্ণ সংযোজন।

ভাৰতীয় লিপি আৰু অসমীয়া লিপি

অসমীয়া লিপি ভাৰতীয় ব্ৰাহ্মী লিপিৰপৰাই জন্ম। ব্ৰাহ্মীলিপিৰ পৰাই সৃষ্টি হোৱা কুটিল লিপিৰপৰাই পুৱ ভাৰতৰ অসমীয়া বঙলা, উৰিয়া, মৈথিলী আৰু নেৱাৰী লিপিৰ জন্ম। ইয়াৰে ভিতৰত অসমীয়া আৰু বঙলা লিপিৰ মূখৰোৰ একে। বাকী কেইটা লিপিৰ গঢ় সলনি হৈছে। কুটিল লিপিৰপৰা আঁতৰি সপ্তম-অষ্টম শতিকাতেই অসমীয়া লিপিয়ে স্বকীয় ৰূপ গ্ৰহণ কৰি ক্ৰমবিবৰ্ত্তনৰ দীঘলী বাটেদি আহি উনৈশ শতিকাত বৰ্ত্তমান ৰূপ লয়হি। অসমীয়া লিপিৰ বিবৰ্ত্তনৰ কথা কবলৈ যাওঁতে ব্ৰাহ্মীলিপিলৈ মনত পৰে আৰু ব্ৰাহ্মীলিপিৰ কথা আলচ কৰোঁতে ব্ৰাহ্মীলিপিৰ জন্মক্ষণ আৰু জন্মস্থানৰ কথালৈ মনত পৰে।

ভাৰতীয় পৰম্পৰা অনুসৰি ব্ৰাহ্মীলিপিৰ স্ৰষ্টা স্বয়ং সৃষ্টিকৰ্ত্তা ব্ৰহ্মা। নাৰদ স্মৃতি গ্ৰন্থত এনেকৈয়ে উল্লেখ আছে। আলবেৰুণীৰ মতে হিন্দুসকলে লেখা বিদ্যাটো এসময়ত পাহৰি গৈছিল। কিন্তু দৈবিক অনুপ্ৰেৰণা অনুযায়ী পৰাশৰৰ পুত্ৰ ব্যাসে ইয়াক পুনৰ উদ্ধাৰ কৰে। খ্ৰঃ পূঃ ৩০০ বছৰৰ মৌৰ্য্যবংশৰ যি লিপি পোৱা গৈছে সি ব্ৰাহ্মীলিপিৰ এগঠিত ৰূপহে। ইয়াৰ আগৰ সিন্ধু সভ্যতাৰ (মহেঞ্জোদাৰো-হৰপ্পা) কিছুমান শীলমোহৰত কেতবোৰ লিপি পোৱা গৈছে। এয়া খৃঃ পূঃ ২৫০০ ১৫০০ বছৰৰ কথা। মাজৰ প্ৰায় ১২০০ বছৰত কি লিপি লিখা হৈছিল, ঠাৱৰ কৰা টান বুলি বহুতো পণ্ডিতে ভাবে। পাশ্চাত্য পণ্ডিতসকলে আকৌ অশোকৰ শিলালিপিৰ সুগঠিত ৰূপ দেখি এনে উন্নত ধৰণৰ লিপি ভাৰতৰ মাটিত জন্ম হ'বই নোৱাৰে বুলি এসময়ত ভাবিছিল। ভাৰতীয় লিপিৰ জন্ম আৰু ক্ৰমবিবৰ্ত্তনৰ বিষয়ে অৱশ্যে পশ্চিমীয়া পণ্ডিতসকলেই আলোচনাৰ বাট মুকলি কৰে। তেওঁবিলাকৰ মতে ব্ৰাহ্মীলিপিৰ সঁচ বহিৰ্ভাৰতীয়। প্ৰিন্সেপ উইলিয়াম জোনস টেলৰ, ওৱেবাৰ আৰু বুহ্‌লাৰ আদি পণ্ডিতে ভাৰতীয় লিপিৰ মূল সম্পৰ্কে দ্বিমত থাকিলেও এই বিষয়ত একমত যে, ভাৰতীয় লিপিৰ সঁচ বহিৰ্ভাৰতীয়। বিদেশী পণ্ডিতৰ ভিতৰত কানিংহাম আৰু টমাছে সাধোন উক্ত বিদেশী পণ্ডিতসকলৰ মতৰ বিৰোধিত কৰিছে। প্ৰিন্সেপৰ মতে প্ৰাচীন ভাৰতীয় লিপিৰ আহি গ্ৰীক লিপিৰপৰা আহৰণ কৰা হৈছে। অৱশ্যে প্ৰিন্সেপেই পোনতে ১৮৩৭ চনত

ব্ৰাহ্মীলিপিৰ পাঠ উদ্ধাৰ কৰি ভাৰতীয় লিপি বিজ্ঞানৰ আলোচনা আৰু গৱেষণাৰ বাট মুকলি কৰে। উইলিয়াম জোনচে আকৌ ফিনিচীয় লিপিৰপৰা ভাৰতীয় লিপিৰ জন্ম বুলি অভিমত প্ৰকাশ কৰে। টেলৰে ছেবীয় লিপিৰপৰা ভাৰতীয় লিপি জন্ম হব পাৰে বুলি অনুমান কৰিছে। তেওঁৰ মতে দক্ষিণ চেমিটিক প্ৰদেশেই ব্ৰাহ্মীলিপিৰ মাতৃভূমি। ওৱেবাৰ আৰু বুহলাৰে উত্তৰ চেমিটিক প্ৰদেশকে ব্ৰাহ্মীলিপিৰ উৎপত্তি স্থান বুলি ঠাৱৰ কৰিছে। যথাৰ্থতে গ্ৰীক আৰু ফিনিচীয় লিপিৰ লগত ব্ৰাহ্মীলিপিৰ সাদৃশ্য নাই আৰু চিত্ৰধৰ্মী ফিনিচীয় লিপিৰপৰা ব্ৰাহ্মীলিপি জন্ম হোৱাৰ বৈজ্ঞানিক ক্ৰমবিবৰ্তনৰ লক্ষণ স্পষ্ট নহয়। চেমিটিক লিপিৰপৰা ব্ৰাহ্মীলিপিৰ জন্ম হৈছে বুলি ওৱেবাৰ বুহলাৰ আদিয়ে মত প্ৰকাশ কৰিলেও এটা প্ৰধান লক্ষণৰপৰা সেইটো নহয় যেন লাগে কাৰণ ব্ৰাহ্মীলিপি বাওঁফালৰপৰা সোঁফাললৈ লিখা হয় আৰু চেমিটিক লিপি সোঁফালৰপৰা বাও ফাললৈ লিখা হয়। অৱশ্যে ব্ৰাহ্মীলিপিৰ কোনো কোনো ক্ষেত্ৰত চেমিটিক লিপিৰ পদ্ধতি দেখা যায় বাবেই পাশ্চাত্যৰ পণ্ডিতসকলে বুহলাৰৰ মতবাদ সহজে মানি লয়। টমাচ আৰু কানিংহামে ভাৰতীয় শব্দশাস্ত্ৰৰ উচ্চ চৰ্চাৰ প্ৰতি লক্ষ্য কৰি এইবুলি এটা সহজবোধ্য যুক্তি দাঙি ধৰিছে। ভাৰতীয়ই ব্যাকৰণ আৰু অক্ষৰ বিজ্ঞানৰ উচ্চতম চৰ্চা কৰাৰ সময়ত লিপিৰ বাবে পৰৰ মুখলৈ চাই থাকিব নালাগে। কাৰণ ঋকবেদ (১০।৬২।৭) অথৰ্ব্ববেদ (৭৫০।৫) পাণিনি উপনিষদ আদিত অক্ষৰ সম্বন্ধীয় কথা স্পষ্টকৈ উল্লেখ কৰা আছে। গতিকে ভাৰতীয় পণ্ডিতসকলে ব্ৰাহ্মীলিপিৰ জন্মস্থান ভাৰতবৰ্ষ বুলিয়েই পতিয়ন গৈছে।

ঋগেদ আৰু অথৰ্ব্ববেদত অক্ষৰ সম্পৰ্কীয় ভালেমান কথাপালেও লিপি শব্দটো খ্ৰীঃ পূঃ ৪০০ বছৰৰ পাণিনিৰ অষ্টাধ্যায়ী গ্ৰন্থতহে পোৱা যায়। অৱশ্যে তেওঁ লিপিৰ সংখ্যা বা নামৰ কথা উল্লেখ কৰা নাই। কিন্তু 'যাবনানি (গ্ৰীক) নামৰ এটা লিপিৰ কথা উল্লেখ কৰিছে। চাণক্যৰ অৰ্থশাস্ত্ৰতো ৰাজকোঁৱৰৰ শিক্ষণীয় বিষয়ত লিপিৰ কথা উল্লেখ আছে। অশোকৰ অনুশাসনত স্পষ্টকৈ ব্ৰাহ্মী আৰু খৰোষ্ঠী লিপি পোৱা গলেও সিহঁতৰ নামৰ উল্লেখ নাই। জৈন গ্ৰন্থখনচেবেকতহে পোন প্ৰথম দেশত প্ৰচলিত লিপিৰ নাম পোৱা যায়। ওঠৰবিধ লিপিৰ ভিতৰত ব্ৰাহ্মীলিপিৰ নামো আছে। অৱশ্যে 'যাবনানি' লিপিৰ নামো উল্লেখ কৰা হৈছে। খ্ৰীঃ ১ম ২য় শতিকাৰ বৌদ্ধ গ্ৰন্থ 'ললিত বিস্তাৰ'ত জৈন গ্ৰন্থসমূহতকৈ লিপিৰ বিস্তৃত তালিকা এখন দিয়া আছে। ইয়াত তিনিকুৰি চাৰিটা লিপিৰ নাম আছে। ইয়াত ব্ৰাহ্মী খৰোষ্ঠী লিপিৰ বাহিৰেও ভাৰতীয় অঞ্চল বিশেষক ইঙ্গিত কৰা পুষ্কৰ, অঙ্গ, বঙ্গ, মগধ, কানাড়ী, দ্ৰাবিড়ী দক্ষিণ আদি লিপিৰ নাম পোৱা যায়। ভাৰতীয় লিপিৰ বাহিৰেও বিদেশী লিপিৰ নামো

ইয়াত সন্নিবিষ্ট হৈছে। তাৰে ভিতৰত ব্ৰাহ্মী আৰু খৰোষ্ঠী লিপিৰ বিষয়েহে স্পষ্টকৈ জানিব পাৰি। সপ্তম শতিকাত ৰচিত চীনা গ্ৰন্থ 'ফা বান চু লিন নামৰ গ্ৰন্থত ব্ৰাহ্মী খৰোষ্ঠী আৰু চাম কি নামৰ তিনিবিধ লিপিৰ কথাই উল্লেখ কৰিছে। চাম কি লিপি ওপৰৰপৰা তললৈ লিখা হয়। ৰাজবল্লী পাণ্ডেই ললিতবিস্তাৰৰ তালিকাখন ব্যাখ্যা কৰিবৰ লৈ চেষ্টা কৰিছে আৰু যথাসম্ভৱ উল্লিখিত লিপিসমূহৰ বৈশিষ্ট্য উদ্ধাৰ কৰিছে। ব্ৰাহ্মীলিপিৰ জন্মস্থান সম্পৰ্কে পাশ্চাত্যৰ পণ্ডিতসকলৰ ভিতৰতো মতবিৰোধ আছে। এডৱাৰ্ড টমাছে কৰ খোজে দ্ৰাবিড় সকলেই ব্ৰাহ্মীলিপিৰ জন্ম দিছিল। কিন্তু ব্ৰাহ্মীলিপিৰ চানেকী দাক্ষিণাত্যৰ পৰিবৰ্তে উত্তৰ ভাৰতত পোৱাৰ বাবে আন সকলে এই মতবাদত সন্দেহ প্ৰকাশ কৰে। কানিংহাম ডাউছন লেচেন আদি পণ্ডিতে আৰ্যসকলেই ব্ৰাহ্মীলিপিৰ বিকাশত সহায়তা কৰিছিল বুলি কয়। বুহলাৰে কিন্তু এই মতবাদ মানিব নোখোজে। খ্ৰঃ পূঃ ৮০০ বছৰ মানৰপৰাই ব্ৰাহ্মীলিপি প্ৰতিষ্ঠিত হয় যেন লাগে। খ্ৰী পূঃ ৩০০ বছৰত পূৰ্ণ গঠিত ব্ৰাহ্মীলিপি পোৱা গৈছে। ড সুনীতি কুমাৰ চট্টোপাধ্যায়ে কৰ খোজে মহেঞ্জোদাৰো হৰপ্পা লিপিৰ পৰৱৰ্তী যুগত সিন্ধু পাঞ্জাবী লিপি এটা সৃষ্টি হৈছিল আৰু আৰ্যসকলে ভাৰতত প্ৰবেশ কৰাৰ আগতেই এই লিপিয়ে এটা গঢ় লৈছিল। সেইয়া খ্ৰঃ পূঃ ১৫০০ বছৰৰ কথা। আৰ্যসকলে ভাৰতত প্ৰবেশ কৰি থিতাপি লোৱাৰ পিছতেই সিন্ধু পাঞ্জাবী লিপিৰ শেহতীয়া গঠনৰ যি লিপি পোৱা গৈছিল তাৰেই প্ৰায় খ্ৰ পূ ১০০০ বছৰ মানত বৈদিক সাহিত্য ৰচনা কৰিছিল। ব্যাসে বেদ সংকলন কৰাৰ সময় খ্ৰঃ পূঃ দশম শতিকা। গতিকে খ্ৰঃ পূ ৯০০ বছৰ মানতে পূৰ্ব্ব ব্ৰাহ্মীলিপিয়ে গঢ় লয়। এতিয়ালৈকে উদ্ধাৰ হোৱা পুৰণি লিপি প্ৰাকৃত ভাষাতহে পোৱা গৈছে। অশোক আৰু অশোকৰ পূৰ্ব্বযুগৰ আটাইবোৰ লিপিয়েই প্ৰাকৃত ভাষাৰ। অৱশ্যে খ্ৰঃ পূ ১০০ বছৰৰ শেহৰফালে সংস্কৃত ভাষাতে ব্ৰাহ্মীলিপি পোৱা গৈছে। সংস্কৃত ভাষাৰ উচ্চাৰণ পদ্ধতিৰ লগত ব্ৰাহ্মীলিপী খাপ খাও তে আৰু এশ বছৰমান লাগিছিল। একালত ভাৰতীয় সভ্যতা আৰু সংস্কৃতি ভাৰতবৰ্ষৰ ওপৰিও সমগ্ৰ দক্ষিণ পূব এচিয়াতে বিয়পিপৰাৰ চলতে ভাৰতীয় ব্ৰাহ্মীলিপী দক্ষিণ পূৰ্ব এচিয়াতো বিয়পি পৰে। ভাৰতৰপৰা বৌদ্ধ ধৰ্ম প্ৰচাৰ কৰিবলৈ যোৱা বৌদ্ধ সন্ন্যাসী সকলেই ব্ৰাহ্মীলিপিৰ সঁচ দক্ষিণ পূব এচিয়াত মেলি দিয়েগৈ। আজি কালিৰ মধ্যভাৰতৰ দেৱনাগৰী পূৰ্ব ভাৰতৰ অসমীয়া বঙ্গলা মৈথিলী

নেৱাৰী, উৰিয়া, উত্তৰ ভাৰতৰ সাৰদা-গুৰুমুখী, পশ্চিম ভাৰতৰ কৈথি গুজৰাটী, দক্ষিণ ভাৰতৰ তেলেগু-কান্নাড়ী আৰু তামিল-মালায়ালাম-গ্ৰন্থ সিংহলীলিপি ব্ৰাহ্মীলিপিৰ পৰাই ওলাইছে। ইয়াৰ উপৰিও তিব্বতী মন বৰ্মী, কম্বডীয় শ্যামী যাভা-বালী আৰু পূৰ্ব ভাৰতীয় দ্বীপপুঞ্জৰ ভাল্লেমান লিপিও ব্ৰাহ্মলিপিৰপৰাই ওলাইছে।

বৰ্ত্তমান ভাৰতীয় লিপি গঠনৰ বুৰঞ্জীও লক্ষ্য কৰিবলগীয়া। ব্ৰাহ্মী লিপিয়ে ঘাইকৈ চাৰিটা স্তৰৰ মাজেদি গৈ বৰ্তমান অৱস্থা পাইছেগৈ। (ক) অশোকৰ অনুশাসনৰ লিপি, (খ) কুষাণ যুগৰ লিপি (গ) গুপ্তযুগৰ লিপি (ঘ) প্ৰাচীন আঞ্চলিক লিপিৰ আদি ৰূপ। খঃ ১ম ২য় শতিকামানত কুষাণ লিপিযে দুটা গঢ় লয়। ইয়াৰ পিছৰ চাৰিশ বছৰত গুপ্ত লিপিৰ গঠন স্পষ্ট হয় আৰু লিপিযে দুটা গঢ় লয়। এই সময়তে ব্ৰাহ্মী লিপিয়ে উত্তৰ আৰু দক্ষিণতো লাহে লাহে গঠন সলনি কৰিবলৈ ধৰে। হৰ্ষবৰ্দ্ধনৰ সময়ত ব্ৰাহ্মীলিপিয়ে এটা স্থায়ী ৰূপ পৰিগ্ৰহণ কৰে আৰু সমগ্ৰ উত্তৰ ভাৰতত এই লিপি ব্যৱহাৰ হোৱাৰ উপৰিও সুদূৰ চীন, জাপান আৰু কোৰীয়াতো সংস্কৃত আৰু ধৰ্ম্মীয় বীজমন্ত্ৰ লিখিবলৈ এই লিপিকেই ব্যৱহাৰ কৰা হৈছিল।

হৰ্ষবৰ্দ্ধনৰ সময়ত স্পষ্টকৈ তিনিটা আঞ্চলিক লিপি ভাৰতত প্ৰতিষ্ঠিত হয়—(ক) সাৰদা বা উত্তৰ পশ্চিমী (খ) শ্ৰীহৰ্ষ বা দক্ষিণ পশ্চিমী (গ) কুটিল বা পূৰ্বী। সাৰদা লিপি মধ্যযুগত কাশ্মীৰত ব্যৱহৃত হৈছিল। কালক্ৰমত সাৰদা লিপি অপ্ৰচলিত হবলৈ ধৰে কিন্তু সাৰদা লিপিৰ পৰাই লণ্ড টক্ৰী বা টক্ৰী চামেলী লিপিৰ জন্ম হয়। পাঞ্জাবী ভাষাত ব্যৱহৃত গুৰুমুখী লিপিও সাৰদা লিপিৰ পৰাই জন্ম হলেও ই নাগেৰী লিপিৰ দ্বাৰা অনেকখিনি প্ৰভাৱান্বিত। শ্ৰীহৰ্ষ লিপিৰ বিকাশ হয় গুজৰাট ৰাজস্থান আৰু উত্তৰপ্ৰদেশত। নাগেৰী লিপি শ্ৰীহৰ্ষ লিপিৰ পৰাই পোনে পোনে জন্ম হৈছে। কৈথী—গুজৰাটী লিপিও দেৱ নাগেৰী লিপিৰেই ককাই ভাই। বৰ্তমান মাৰাঠী ভাষাত ব্যৱহৃত লিপিও নাগেৰী বংশ সম্ভূত। মাৰাঠীলিপি মাৰাঠী ভাষাত বালবোধ লিপি নামে জনজাত। গুপ্তলিপিৰ যুগতেই ব্ৰাহ্মীলিপিয়ে দক্ষিণী গঢ় লবলৈ আৰম্ভ কৰে। কালক্ৰমত ইয়াৰে দুটা ভাগ হয়। এটা বিভাগত তেলেগু-কান্নাড়ী পৰে। দক্ষিণী ব্ৰাহ্মীৰ পৰা এই দুয়োটা লিপিৰ জন্ম। আনটো বিভাগত পৰে তামিল-মালয়ালম-গ্ৰন্থলিপি গ্ৰন্থলিপি তামিল ব্ৰাহ্মীলিপিৰ সংমিশ্ৰণ মাত্ৰ। মালয়ালম লিপিও তামিল গ্ৰন্থ বিভাগৰে অন্তৰ্গত। বৰ্ত্তমান সিংহলী লিপি গ্ৰন্থলিপিৰ পৰাই জন্ম

হৈছে। ভাৰতত ব্যৱহৃত আন দুবিধ লিপি হল লেপচা আৰু প্ৰাচীন মণিপুৰী। লেপচা লিপি পুৰণি তিব্বতী লিপিৰ পৰাই ওলাইছে। প্ৰাচীন মণিপুৰী লিপিৰ মূল বিচাৰ কৰা টান। কুটিল লিপিৰ ব্যৱহাৰ উত্তৰপ্ৰদেশৰ পৰা অসমলৈকে বিস্তৃত। উত্তৰে নেপালৰ পৰা দক্ষিণে উৰিষ্যা পৰ্য্যন্ত এই লিপি চলিছিল। দেৱনাগেৰী লিপিয়ে পিছলৈ উত্তৰ প্ৰদেশ বিহাৰ আৰু নেপাল দখল কৰে কিন্তু তাৰে ভিতৰত কুটিল লিপিৰ পৰা জন্ম নেৱাৰী আৰু মৈথিলী লিপি এতিয়াও জীয়াই আছে। মাগধী অপভ্ৰংশৰ পৰা যেনেকৈ অসমীয়া বঙলা মৈথিলী আৰু উৰিয়া ভাষাৰ জন্ম ঠিক সেইদৰেই কুটিল লিপিৰ একেটা সাঁচৰ পৰাই ওপৰোক্ত ভাষা কেইটাৰ লিপিও জন্ম। বঙালী পণ্ডিতসকলে বঙলা লিপিৰপৰাই অসমীয়া আৰু উৰিয়া লিপিযে জন্মলাভ কৰিছে বুলি কবলৈ অত্যুৎসাহ প্ৰকাশ কৰিছে। ৬ষ্ঠ ৯ম শতিকাৰ ভিতৰত লিখা কুটিল লিপিৰ ভালেমান চানেকী পোৱা গৈছে। ১১শ ১২শ শতিকাত কুটিল লিপিৰপৰা বঙলা বৰ্ণমালাৰ উৎপত্তি হৈছে বুলি বঙালী পণ্ডিতে উল্লেখ কৰিছে। তেওঁবিলাকে যি কেইজন গ্ৰন্থ পুথিলৈ আঙুলিয়াই বঙলা লিপিৰ প্ৰাচীনত্ব প্ৰমাণ কৰিব খুজিছে তাৰ 'কৃষ্ণ-কীৰ্ত্তন' কালচক্ৰাৱতাৰ আৰু হেবজ্ৰ তন্ত্ৰটীকা অসমত হে ৰচিত যেন লাগে। বিশেষকৈ কালচক্ৰযান আৰু বজ্ৰ যানৰ লীলাভূমি কামৰূপত কালচক্ৰাৱতাৰ (১১২৫) আৰু 'হেবজ্ৰ তন্ত্ৰটীকা (১১৯৮) কামৰূপৰ বৰ্ণমালাৰে বিভূষিত হৈ ইয়াতে ৰচিত হোৱাটোৱেই স্বাভাৱিক। তদুপৰি যিবোৰ প্ৰাচীন চানেকী লৈ আঙুলিয়াই বঙলা লিপিৰ প্ৰাচীনত্ব দেখুৱাব খোজে সেইবোৰ ৯ম ১১শ শতিকাৰহে।

অসমত ব্যৱহৃত লিপিৰ প্ৰাচীনতম নিদৰ্শন পোৱা গৈছে সুৰেন্দ্ৰ বৰ্ম্মণৰ পঞ্চম শতিকাৰ উমাচল শিলালিপিত। এই সময়তেই পূৰ্ব্বীয় কুটিল লিপিৰ ৰ আখৰত পেটকটা ৰেখাডাল দেখা যায় যি ডাল আজিও জীয়াই আছে। সেইদৰে ৱ আখৰটোও কুটিল লিপিত স্পষ্ট। সি যি কি নহওক পঞ্চম শতিকাৰ পৰা উনবিংশ শতিকালৈকে দীঘলীয়া চৈধ্যশ বছৰৰ অসমীয়া লিপিৰ ইতিহাস লিখিব পৰাকৈ ধাৰাবাহিক গঠনৰ চানেকী আছে। ৫ম ৯ম শতিকাৰ ভিতৰত দিয়া তাম্ৰৰ ফলিবোৰতেই কিছুমান অসমীয়া আখৰে গঢ় লোৱা দেখিবলৈ পোৱা যায়। ৰজা ভাস্কৰবৰ্ম্মাই হৰ্ষবৰ্দ্ধনক দিয়া ৰাজকীয় উপহাৰৰ ভিতৰত সাঁচিপাতত লিখা পুথিৰ কথাও উল্লেখ আছে। তাম্ৰৰ

ফলি বা শিলত কটা আখৰৰ গঢ় সাধাৰণতে খহটা হয়। গতিকে সাঁচিপাতত লিখা এই গ্ৰন্থখন আবিষ্কৃত হোৱাহলে ৬ষ্ঠ ৭ম শতিকাৰ কামৰূপী লিপিৰ প্ৰকৃত চানেকী বুজিব পৰা গলহেঁতেন। ১২০৬ খৃঃৰ কানাই বৰশী-বোৱা শিলৰ লিপিত অসমীয়া আখৰে পূৰ্ণ গঢ় লৈছে বুলি ক'ব পাৰি। এই সময়ছোৱাত ৰজাই দান কৰা তামৰ ফলিবোৰৰ ভাষা সংস্কৃত অথচ লিপি স্থানীয় গঢ়ৰ। গতিকে এই সময়ছোৱাতে অসমীয়া লিপি প্ৰতিষ্ঠিত হৈছিল। প্ৰাক আহোম যুগত অসমীয়া লিপিৰ নাম কি আছিল ঠাৱৰ কৰিব পৰা নাই কিন্তু আহোমযুগত ইয়াক হিন্দু আক্ষৰ বুলি নামকৰণ কৰা হৈছিল। কামাখ্যা আৰু উমানন্দৰ তামৰ ফলিৰ পৰা আহোম আখৰক অসমাক্ষৰ বুলিছিল বুলি জানিব পাৰি। বঙলা লিপিতকৈ অসমীয়া লিপিৰ বৈশিষ্ট্য যে অধিক পৰিমাণে কেইটামান কথালৈ লক্ষ্য কৰিলেই ধৰিব পাৰি। বঙলা লিপিত ৰ আৰু য় নাই। ষ্ম আৰু ক্ষ্ম ৰ উচ্চাৰণ বিকৃত হৈছে। মূল ব্ৰাহ্মী লিপিৰ লগত নিমিলে। ৰ আখৰটোৰ ক্ষেত্ৰতো এই কথা প্ৰযোজ্য। ৮ম শতিকাৰ শেষ দশকত খোদিত মহানামনৰ বোধগয়া লিপিত ৰ আখৰৰ পেটকটা চিন সম্পূৰ্ণ আৰু ১০২৬ খৃঃৰ প্ৰথম মহীপালৰ সাৰনাথ লিপিতো এই চিন সুস্পষ্ট। তদুপৰি আৰু ভালেমান সংযুক্ত বৰ্ণৰ চিত্ৰ ব্যাখ্যা কৰিও এই কথা প্ৰমাণ কৰিব পাৰি যে কামৰূপত কুটিল লিপিৰ এটি স্বকীয় ৰূপ সৃষ্টি হৈছিল। কৃষ্ণ কীৰ্ত্তন পুথিৰ ৰ আখৰকে লৈ অসমীয়া লিপিৰ পূৰ্ণ গঠনৰ চানেকী পোৱা যায়।

আহোম যুগত ব্যৱহৃত অসমীয়া লিপিক ড সূৰ্য্যকুমাৰ ভূঞাই চাৰিটা ভাগত ভগাইছে। (ক) গড়গঞা (খ) বামুণীয়া (গ) কাইথেলী (ঘ) লহকৰী। পিছলৈ এই চাৰিওবিধ লিপিৰ সানমিহলি হবলৈ ধৰে আৰু শেষত একেটা অসমীয়া লিপিত পৰিণত হয়গৈ। গড়গঞা লিপি আহোম ৰজাৰ ৰাজধানীক কেন্দ্ৰ কৰি গঠিত হয়। অধিকাংশ বুৰঞ্জী পুথি গড়গঞা লিপিৰে লিখিত। ৰজাই লেখাৰু' নামে এটা খেলক লিপিকাৰক হিচাপে নিযুক্তি দিয়াত আৰু এনে লেখাৰুৱে পুথিবোৰ লিখা বাবে আখৰবোৰ ধুনীয়া আৰু একে গঢ়ৰ। কেইটামান সংযুক্তাক্ষৰ ঠ, ন ল আদি কেইটামান বৰ্ণৰ বাহিৰে বাকীবোৰ অসমীয়া বৰ্ণৰ গঢ় আধুনিক লিপিৰ আহিঁৰ লগত মিলে। বামুণীয়া লিপি অসমীয়া লিপিৰ লগত নাগৰী মিশ্ৰিত। সংস্কৃত টোলবোৰক কেন্দ্ৰ কৰি পুথি ৰচনাৰ যি পৰম্পৰা সৃষ্টি হৈছিল, তাৰেই

পৰিণতি স্বৰূপে অসমীয়া লিপিলৈ সংস্কৃত লিপিৰ প্ৰভাৱ সোমায়। অ আ কু হৃ ত্য ৰ ং ম প আদি সংস্কৃত নাগেৰী আহিৰ। কোনো কোনো পুথিত এনেকুৱা প্ৰভাৱ কম কোনোখনত অধিক স্পষ্ট। সংস্কৃত পুথি ৰচনাৰ বিষয়ত দেৱনাগেৰী ব্যৱহাৰ কৰা হৈছিল। কোনো কোনোৱে এইটো লিপিকো বামুণীয়া লিপি আখ্যা দিছিল। কাইথেলী আৰু লংকৰী লিপিৰ মাজত সিমান পাৰ্থক্য নাই। দুয়োবিধ লিপি প্ৰাক আহোম যুগৰ অসমীয়া লিপিৰ গঢ় আৰু চানেকীৰ ওচৰ-লগতীয়া। নামনি অসমত এই বিধ লিপিৰ ব্যৱহাৰ হৈছিল। কায়স্থসকলৰ এইবিধ লিপিক কাইথেলী বোলা হৈছিল। কিতাবৎমঞ্জৰী নামৰ গণিতৰ পুথিত কাইথেলী লিপি ব্যৱহৃত হৈছে। সুকুমাৰ বৰকাথৰ হস্তীবিদ্যাৰ্ণৱ গ্ৰহত আকৌ কাইথেলী লিপিৰ লগত গড়গঞা লিপিৰ সংমিশ্ৰণ হৈছে।

আধুনিক অসমীয়া লিপিৰ জন্মদাতা হল খৃষ্টীয়ান মিছনেৰীসকল। ধৰ্ম্ম প্ৰচাৰৰ সুচল কৰিবলৈ তেওঁবিলাকে পূৰণি বঙলালিপিৰ আহি ৰে ছপাকলৰ উপযোগী আখৰ কাটি উলিয়ায় আৰু শ্ৰীৰামপুৰত প্ৰেছ বহুৱায়। এই খৃষ্টান মিছনেৰীসকলেই খৃষ্টান ধৰ্ম্ম প্ৰচাৰৰ অৰ্থে শ্ৰীৰামপুৰতে প্ৰথম অসমীয়া ভাষাৰ ছপাপুথিখন উলিয়ায় আত্মাৰাম শৰ্ম্মাৰ অসমীয়া বাইবেল। আকৌ যেতিয়া অসমত ছপাকল বহুৱায় তেতিয়া শ্ৰীৰামপুৰৰ ছপা আখৰৰ আহিতে আখৰ কাটি আনে। তেতিয়াও তেওঁবিলাকে ৱ আখৰটো ব্যৱহাৰ কৰা নাছিল। ৱ আখৰটো হেমচন্দ্ৰ বৰুৱাৰ বহুতো আন্দোলনৰ ফলতহে ব্যৱহাৰ কৰাবলৈ সক্ষম হয়। আধুনিক অসমীয়া লিপি আৰু বঙালী লিপিৰ মাজত পাৰ্থক্য নাথাকিলেও প্ৰাচীন অসমীয়া লিপিৰ ইতিহাস আৰু ক্ৰমবিকাশ সম্পূৰ্ণ স্বতন্ত্ৰ। অসমীয়া লিপিৰ তুলনামূলক আলোচনা আৰু গবেষণাৰ বহল পথাৰ এতিয়াও পৰি আছে।

———

অসমত মাইলছ ব্ৰনছন

১৮৩৬ খৃষ্টাব্দ। অশুভ আৰু শুভ শক্তিৰ সমুপস্থিতি অসমৰ ভাগ্যাকাশত। দহ বছৰৰ আগতে স্বাধীনতা গ'ল। এই বেলি গ'ল মুখৰ মাত। অসমৰ আদালত আৰু স্কুলৰ পৰা অসমীয়া ভাষা বিতাড়িত হ'ল। কিন্তু এই বছৰেই খৃষ্টান ধৰ্ম প্ৰচাৰ কৰিবলৈ অহা দুই মিছনেৰি দম্পতীয়ে অসমৰ মাটিত ভৰি দিলেহি। যদিও ডেভিড স্কটে পতা স্কুলত বঙলা ভাষা পঢ়ুৱাবলৈ ১৮৩১ চনৰপৰাই আৰম্ভ কৰা হৈছিল। অসমীয়া ভাষাক বঞ্চিত কৰি ৰখাৰ ক্ষেত্ৰত সক্ৰিয় অংশ গ্ৰহণ কৰা উইলিয়াম ৰবিনছনেও এই বছৰতে অসমত প্ৰবেশ কৰে। জেনেৰেল জেনকিনছে ১৮৩৫ চনৰ পৰা ইংৰাজী শিক্ষাৰ ব্যৱস্থা কৰিলেও ১৮৩৬ চনৰ পৰাই শিক্ষাৰ্থীক মাতৃভাষাৰ পৰা বঞ্চিত কৰা হয়। ১৮৩৭ চনৰ ২৯ নম্বৰ আইনমতে ভাৰতৰ আদালতসমূহত মাতৃভাষা আদালতৰ মাধ্যম কৰা হ'ল যদিও অসমীয়া ভাষা তাৰপৰা বঞ্চিত হ'ল। এই সন্ধিক্ষণতে অসমৰ শদিয়াত ভৰি দিছিলহি মাইলছ ব্ৰনছনে। লগত তেওঁৰ ভাৰ্য্যা আৰু জীয়েক কুমাৰী মেৰিয়া। সেয়া ১৮৩৭ খৃষ্টাব্দৰ ১৭ জুলাই।

১৮৭৮ চনত যেতিয়া তিনি কুৰি ছবছৰ বয়সত ব্ৰাছন অসম এৰি যাবলৈ ওলায়, তেতিয়া তেওঁক বিদায় সম্ভাষণ জনাওঁতা বন্ধু বান্ধৱ আৰু অনুগতসকলক তেওঁ কৈছিল যাবলৈ মোৰ সত যোৱা নাই। মোৰ হিয়া ইয়াতে থাকি যাব। এইজন অসমপ্ৰেমী পুৰুষৰ দ্বিতীয়া ভাৰ্য্যা ভনীয়েক ৰডা ব্ৰনছন আৰু জীয়েক মেৰিয়াৰ অসমেই হ'ল সমাধিভূমি।

জেনেৰেল জেনকিনছে অসমলৈ খৃষ্টান মিছনেৰীসকলক নিমন্ত্ৰণ কৰি আনিছিল। তেওঁৰ মতে শদিয়া ভয়াবহ ঠাই হোৱাৰ উপৰিও তাৰ বাসিন্দা সকল চতুৰ, বিশ্বস্ততাহীন আৰু ঘোৰ দেওপূজক। তথাচ তেওঁ শদিয়াতহে পোনতে মিছনৰ কেন্দ্ৰ পতাৰ পক্ষপাতী আছিল। ইয়াৰ উদ্দেশ্য আছিল সুদূৰপ্ৰসাৰী। শদিয়াৰ পৰা কৌতিয়াবা পাটকাই পাৰ হৈ উত্তৰ ব্ৰহ্মইদি চীনত অনুপ্ৰবেশ কৰাই আছিল প্ৰধান উদ্দেশ্য। ব্ৰনছনৰ মাহচেৰেক আগতে ৰেভাৰেণ্ড নাথন ব্ৰাউন আৰু অলিভাৰ কটাৰ ১৮৩৫ খৃষ্টাব্দৰ ২০ নভেম্বৰৰ দিনা কলিকতা এৰি ৮০০ মাইল ব্ৰহ্মপুত্ৰইদি নাৱেৰে উজাই ১৮৩৬ চনৰ ২৩ মাৰ্চত শদিয়াত উপস্থিত হয়।

ব্ৰনছন আছিল ধীৰ স্থিৰ অক্লান্ত কৰ্মী। ১৮৪৮ চনৰ পৰা ১৮৫১ লৈ আৰু ১৮৬৭ ৰ পৰা ১৮৭১ চনলৈ দুবাৰ ছুটী লৈ তেওঁ আমেৰিকালৈ গৈছিল যদিও জীৱনৰ শেষ বয়সতো মিছনৰ কাম কৰিবলৈ অসমলৈ উলটি আহিছিল।

সেয়া ১৮৩৭ চনৰ ২৬ এপ্ৰিল। ব্ৰহ্মপুত্ৰত নপানী ফুটাৰ বতৰ। মাইলছ ব্ৰনছন আৰু তেওঁৰ বন্ধু জেক টমাছ কলিকতাৰ পৰা নাৱেৰে উজাবলৈ ধৰিলে। বাৰিষা বাঢ়ি আহিল। ওপৰে ধাৰাসাৰ বৰষুণ, কলীয়া ডাৱৰে ঢকা গোমা আকাশ। তলত বাঢ়নী পানী। ডকা-চাকনৈয়াৰে ভৰা কোবাল সোঁতৰ ব্ৰহ্মপুত্ৰ। দুয়োপাৰে গভীৰ সেউজীয়া বনভূমি। অসীম ঔৎসুক্য অদম্য প্ৰেৰণা আৰু সবল আশা লৈ তেওঁলোক উজাই গৈ আছে। এনেতে ব্ৰনছনৰ জ্বৰ আৰম্ভ হ'ল। থেকেচনি জ্বৰ। জ্বৰ দিনক দিনে বাঢ়ি গৈ আছে। তেওঁৰ সেই অৱস্থাতে শদিয়া অভিমুখে উজাই নাও চলিছে। ব্ৰনছনৰ জীৱনৰ যোৱা থোৱা অৱস্থা দেখি বন্ধু টমাছে এখন সৰু নাও লৈ খৰতকীয়াকৈ গৈ শদিয়াৰ পৰা ঔষধ অনাৰ দিহা কৰিলে। শদিয়ালৈ তেতিয়া কেইঘটামানৰ বাট আছিল। এনেতে ব্ৰহ্মপুত্ৰৰ গৰা খহি পৰা এজোপা গছে টমাছৰ নাওখন হেঁচা মাৰি ধৰিলে। ফলত টমাছ মৰিল। নাৱৰীয়া কেইজন বাচিল। তেওঁ বিলাকে গৈ শদিয়াত এই শোকাবহ বাতৰি দিলেগৈ আৰু তাৰপৰা দৰৱ আনি খুৱাই ব্ৰনছনৰ জীৱন ৰক্ষা কৰিলে। শাওণমহীয়া ব্ৰহ্মপুত্ৰৰ ৰুদ্ৰমূৰ্তি আগত লৈ ১৭ জুলাইৰ দিনা তেওঁ শদিয়াত উপস্থিত হ'ল।

শদিয়াৰ সৰহভাগ বাসিন্দা খামতি। কাষৰ আবৰ, মিচিমি পৰ্বতীয়া জনজাতিবো তাত সমাগম ঘটে। কাষৰ ভৈয়ামীয়া মানুহৰ জীৱন দুৰ্বহ। মোৱামৰীয়া বিদ্ৰোহৰ সময়ৰে পৰা সুযোগ পালেই পৰ্বতীয়া মানুহে তেওঁলোকক লুণ্ঠন কৰে। অসমীয়া মানুহৰ মনত তেতিয়া শদিয়া ভয়াবহ ঠাই। শদিয়ালৈ নেযাবা শতফুল নেখাবা কেঁচাপাতত নেবান্ধিবা লোণ। কিন্তু জেনেৰেল জেনকিনছে খৃষ্টান মিছনৰ অৰ্থে ঠাই বাছি দিছিল শদিয়া। ব্ৰনছন উপস্থিত হোৱাৰ আগতে শদিয়াত অলিভাৰ কটাৰে ছপাশাল পাতিছিল আৰু নাথন ব্ৰাউনে ভাষা শিকি খামতি চিংফো ভাষাৰ দুখনমান 'সাধাৰণ আৰু সৰু সৰু পুথি লিখিছিল। ব্ৰাউন আৰু কটাৰৰ মেমচাহাবে লগ

লাগি এখন অসমীয়া মাধ্যমৰ পঢ়াশালি পাতিছিল। তেওঁবিলাকে এইটো উপলব্ধি কৰিছিল যে অসমীয়া ভাষা সকলো জাতি জনজাতিৰ সংযোগী ভাষা। কটাৰ আৰু ব্ৰাউনেও ওচৰ চুবুৰীয়া গাঁৱত খনচেৰেক স্কুল পাতিছিল।

নাৰিয়া পৰি নিশকতীয়া হোৱা ব্ৰনছন দম্পতীয়ে শদিয়াত উপস্থিত হৈ পৰিস্থিতি উপলব্ধি কৰি তাত ভাল কাম হোৱাৰ আশা নেদেখিলে। ১৮৩৮ চনত তেওঁবিলাক জয়পুৰলৈ আহে। জয়পুৰ তেতিয়া শিৱসাগৰ জিলাৰ মহকুমা আৰু মহকুমাৰ সদৰ ঠাই। ব্ৰনছনে জয়পুৰতে থাকি নগাসকলৰ মাজত কাম কৰাৰ সংকল্প গ্ৰহণ কৰিলে। ওচৰতে থকা নামচঙীয়া নগাসকলৰ লগত কথা বতৰা পাতি তেওঁ ভাল পালে। তেওঁবিলাকে ভাল অসমীয়া জানে। ১৮৩৯ চনৰ জানুৱাৰী মাহত হাড় ক পোৱা জাৰ সহ্য কৰি মহ ডাহ জোক পোকৰ কামোৰ খাই ব্ৰনছন নামচাং ওলালগৈ। কিন্তু গাঁৱৰ মানুহে ইষ্ট ইণ্ডিয়া কোম্পানীৰ চোৰাংচোৱা বুলি ব্ৰনছনক গাঁৱত সোমাবলৈ নিদিলে। তিনিদিন তিনিৰাতি ব্ৰনছন হাবিতে তম্বু তৰি থাকিল। তিনি দিনৰ মূৰত গাঁৱৰ মানুহে তেওঁক গাৱঁত সোমাবলৈ দিলে যদিও গাঁৱৰ মানুহৰ লগত তিনি দিনলৈকে কথা বতৰা পাতিবলৈ নিদিলে। ছদিন গ'ল। ছদিনৰ মূৰত ৰজা আৰু ৰজাৰ দুজনমান পুতেক অনুমতি দিবলৈ সন্মত হ'ল যদিও দুজনমানে আপত্তি দৰ্শালে। ব্ৰনছনৰ নেৰা নেপেৰা বুজনিত অৱশেষত তেওঁক নামচাঙত থাকিবলৈ অনুমতি দিয়া হ'ল। ব্ৰনছনে তাতে থাকি নগাশব্দাৱলী এখন যুগুত কৰিলে। নাথন ব্ৰাউন আৰু মাইলছ ব্ৰনছন দুয়ো সুদক্ষ ভাষাবিদ আছিল। দুয়ো ইতিমধ্যে অসমীয়া ভাষা সুন্দৰকৈ আয়ত্ত কৰিছিল।

নামচাঙত ব্ৰনছনে এখন স্কুল পাতিবলৈ ৰজাৰপৰা অনুমতি বিচাৰিছিল আৰু জয়পুৰত থকা মিছন স্কুললৈ জনচেৰেক লৰা পঠাবলৈ তেওঁক অনুৰোধ কৰিছিল। এনেতে বিদ্ৰোহী নগাই জয়পুৰ আক্ৰমণ কৰিব বুলি উৰা-বাতৰি ওলোৱাত ব্ৰনছনে নামচাঙৰ পৰা জয়পুৰলৈ নামি আহে। নামচাঙত কাম কৰিবলৈ ইংৰাজ বিষয়াসকলে ১৮৯০ টকাৰ দান-বৰঙণি তুলি দিছিল আৰু মিছনৰ হোম ব'ৰ্ডে এই কামত সহায় কৰিবলৈ ছাইৰাছ বাৰ্কাৰ, তেওঁৰ ভাৰ্য্যা আৰু ব্ৰনছনৰ ভনীয়েক কুমাৰী ৰ'ডা ব্ৰনছনক

পঠাইছিল। মাহচেৰেক জয়পুৰত থকাৰ পাছত ব্ৰনছন পুনৰ নামচাঙলৈ উলটিল। ব্ৰনছনৰ উপস্থিতিত নামচাঙৰ ৰজা আৰু তেওঁৰ বৰ-পুতেকে আপত্তি তুলিলে। পিছে ব্ৰনছনে তেওঁৰ ছপা নগা শব্দাৱলীখন দেখুউৱাত সন্তুষ্ট হৈ তেওঁলোকে ব্ৰনছনক এটা পৰ্বতৰ টিঙত থাকিবলৈ ঘৰ সাজি দিলে। এখন স্কুল পাতিবলৈ ব্ৰনছন উদগ্ৰীৱ হৈ উঠিল কিন্তু ছাত্ৰ নোলাল। অনেক চেষ্টাৰ অন্তত ৰজাৰ পৰিয়ালৰ কমজাং নামৰ চেঙেলীয়া ডেকা এজন ছাত্ৰ হ বলৈ ওলাল। সেয়া ১৮৪০ চনৰ জানুৱাৰী মাহ। এই মাহৰে শেহৰ ফালে ছাত্ৰৰ সংখ্যা চাৰিজন হ'ল। ইয়াকে দেখি উৎসাহিত হৈ ব্ৰনছনে ১৮৪০ চনৰ মাৰ্চৰ ১৪ তাৰিখে পত্নী আৰু জীয়েক মেৰিয়াক নামচাঙলৈ লৈ গ'ল। সেই মাহৰ শেষত ছাত্ৰৰ সংখ্যা ২০ জন হ'লগৈ। স্কুলৰ সম্পূৰ্ণ দায়িত্বভাৰ গ্ৰহণ কৰিলে মিছেছ ব্ৰনছনে।

১৮৪০ চন ১৪ মেই। ছাইৰাছ বাৰ্কাৰ তেওঁৰ ভাৰ্য্যা আৰু ৰ'ডা ব্ৰনছন জয়পুৰ পায়হি জয়পুৰত প্ৰবেশ কৰিযেই ছাইৰাছ দম্পতী নৰিয়াত পৰে। ৰ'ডা ব্ৰনছনে নামচাঙত ককায়েকক লগ ধৰেগৈ। তেওঁ নামচাং পায়েই ছোৱালীবোৰক গোটাই স্কুললৈ আহিবলৈ অনুৰোধ কৰিলে। অনুৰোধ শুনি নাগিনী ছোৱালীয়ে খিল খিলকৈ হাহি ক'লে "হাৰামত কোনে কাম কৰিব পানী কোনে আনিব খৰি কোনে লুৰিব? ব্ৰনছনৰ পৰিয়াল ক্ষান্ত নহ'ল চেষ্টা কৰি গ'ল।

কেইমাহমান কাম কৰাৰ পাছতে নামচাঙত ৰ'ডা ব্ৰনছন অসুস্থ হৈ পৰিল। ছাইৰাছ বাৰ্কাৰ নামচাঙলৈ যাবলৈ একোপধ্যে মান্তি নহ'ল। বৰঞ্চ তেওঁ অসমীয়া মানুহৰ মাজত কাম কৰাৰহে ইচ্ছা প্ৰকাশ কৰিলে। নামচাঙত অসুবিধা আৰম্ভ হ'ল। অনিয়মীয়া ছাত্ৰ। সিহঁত হাবিয়ে বনে ফুৰি ভাল পায়। সুগাৰি পহুৰ চিঞৰ শুনিলেই তাৰে ফলি পুথি তাতে এৰি হাবিলৈ দৌৰ মাৰে। মিছনেৰিসকল এজন এজনকৈ আটাই কেইজন অসুস্থ হ'ল। মাজে মাজে স্কুল বন্ধ হ'বলৈ ধৰিলে অনিয়মীয়া হ'ল। ৰ'ডা ব্ৰনছনৰ নৰিয়া টান হ'ল। মাইলছ ব্ৰনছনে ৰ'ডাক চিকিৎসাৰ অৰ্থে কলিকতালৈ পঠাবলৈ বুলি জয়পুৰলৈ লৈ আহিল; কিন্তু ১৮৪০ চনৰ ডিছেম্বৰৰ ৮ তাৰিখে জয়পুৰতে ৰ'ডা ব্ৰনছনৰ মৃত্যু হ'ল। যথাৰ্থতে ৰ'ডা

ব্ৰনছনৰ মৃত্যু অসমত আমেৰিকান মিছনেৰীৰ প্ৰথম অধ্যায়ৰ সামৰণি বুলিব পাৰি।

১৮৩৯ চনৰ ২৮ জানুৱাৰীত শদিয়াত খামতি বিদ্ৰোহ সংঘটিত হয়। ৮০ জন ইংৰাজ সৈন্যৰে সৈতে কেপ্টেইন আদম হোৱাইটক বধ কৰা হয়। ইয়াতে ভয় পাই সেই চনৰ মে মাহৰ ১২ তাৰিখে শদিয়া ত্যাগ কৰি নাথন ব্ৰাউন আৰু অলিভাৰ কটাৰ জয়পুৰলৈ উঠি আহে। জয়পুৰত ছপাশাল পাতি তেওঁবিলাকে খৃষ্টধৰ্মৰ প্ৰচাৰ পুস্তিকা প্ৰণয়ন কৰিলে। সেই সময়ত জয়পুৰেই মিছনৰ সদৰ ঠাই আছিল।

১৮৪১ চন। মিছনৰ বুৰঞ্জীৰ এটি তাৎপৰ্য্যপূৰ্ণ বছৰ। নামচাঙত ব্ৰনছন দম্পতী অসুস্থ হৈ পৰিল। নাথন ব্ৰাউন অলিভাৰ কটাৰ ছাইৰাছ বাৰ্কৰ কোনোৱেই নামচাঙলৈ গৈ নগাৰ মাজত কাম কৰিবলৈ ইচ্ছুক নহ'ল। তদুপৰি জয়পুৰৰ দাঁতি-কাষৰীয়া গাঁৱতো মিছনৰ তেনে কোনো সুফলদায়ক কাম নহ'ল। ১৮৪১ চনৰ মাৰ্চত বাৰ্কাৰক শিৱসাগৰত কাম কৰিবলৈ মিছন কৰ্তৃপক্ষই অনুমতি দিলে। মে মাহৰ ২৪ তাৰিখে বাৰ্কাৰ গৈ শিৱসাগৰ পুখুৰীৰ পাৰৰ এটা ঘৰত সোমালগৈ।

১৮৪১ চনৰে ১৩ জুন। সেইদিনা এজন ল'ৰাক বুঢ়ী দিহিং নৈত বুৰ মৰাই খৃষ্টান ধৰ্মত দীক্ষিত কৰা হ'ল যি পাছলৈ নিজৰ সমুদায় শক্তি সামৰ্থ্য খৃষ্টান ধৰ্ম প্ৰচাৰৰ অৰ্থে নিয়োগ কৰিছিল। এওঁৰ নাম নিধিৰাম—নিধি লেভি ফাৰৱেল। নিধিৰামৰ দীক্ষাৰ সকলো আনুষ্ঠানিক কাম নাথন ব্ৰাউনেই কৰিছিল যদিও তীৰক পানী পানীলগা জুৰ উঠাত তেওঁ ব্ৰনছনৰ হাতত দায়িত্ব দি গুচি যায়। সেয়েহে অসমত প্ৰথমজন অসমীয়াক খৃষ্টধৰ্মলৈ দীক্ষিত কৰাৰ গৌৰৱ ব্ৰনছনেই লাভ কৰে। আনপিনে ব্ৰনছনৰ অৰ্ফেন ইনষ্টিটিউটত পঢ়া থকা ওৰফে ইলাইজা নচিমানি ব্ৰাৰ্ডৰ লগত ব্ৰনছনেই নিধি লেভিৰ বিয়া পাতি দিয়ে।

নিধিৰাম কেওটকুলীয়া মানুহ। জন্ম গহপুৰত। শদিয়াত তেওঁ ব্ৰাউন কটাৰক লগ পাইছিল। কটাৰৰ ছপাশালত লাচনি পাচনি কৰি দিছিল। এনেতে বাপেক মৰিল। মাক আৰু পুতেক কটাৰৰ লগতে জয়পুৰলৈ আহিল। জয়পুৰতে মাকো মৰিল। ব্ৰাউৰা নিধিৰামক খৃষ্টান ধৰ্ম গ্ৰহণ কৰিবলৈ মিছনেৰীয়ে ফুচুলাবলৈ ধৰিলে। প্ৰায় দুবছৰ

দোমোজাত থকাৰ পাছত ১৮৪১ চনৰ মে মাহত নিধিৰামে খৃষ্টান ধৰ্ম গ্ৰহণ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ্ কৰি জুন মাহৰ তেৰ তাৰিখে বুৰ লয় আৰু ব্ৰাউন ব্ৰনছনৰ একান্ত সহযোগী হিচাপে সেৱা আগ বঢ়ায়।

১৮৪১ চনত বাৰ্কাৰ শিৱসাগৰলৈ যোৱাৰ পাছত নাথন ব্ৰাউনো শিৱসাগৰত ওলায়গৈ আৰু ১৮৪৩ চনত অলিভাৰ কটাৰেও লগত ছপাশাল লৈ শিৱসাগৰৰ দিখৌ-পাৰত থিতাপি লয়গৈ।, জয়পুৰ মিছনৰ কেন্দ্ৰ হিচাপে গুৰুত্বহীন হোৱাত জেনকিনছে মাইলছ ব্ৰছনক নগাঁৱত কাম কৰিবলৈ পৰামৰ্শ দিয়ে। ব্ৰনছনে নগাঁৱলৈ গৈ তাতে ১৮৪২ চনত নগাঁও অৰ্ফেন ইনষ্টিটিউট' স্থাপন কৰে। সেই কালত এই অনুষ্ঠানটিৰ কামকাজ সবাতোকৈ প্ৰশংসনীয় বুলি বিবেচিত হৈছিল।

ব্ৰনছনৰ কৰ্মক্ষেত্ৰ আছিল ঘাইকৈ নগাঁও। নগাঁৱত প্ৰতিষ্ঠিত অনাথ প্ৰতিষ্ঠানৰ কামতে তেওঁ মনপুতি লাগিছিল। প্ৰায় বাৰ বছৰ জুৰি কৰা লেকাট লগা পৰিশ্ৰমৰ ফল অভিধানখনৰ শব্দৰ গঠন আৰু ব্যৱহাৰৰ ৰীতি আহৰণ কৰিছিল নগাঁও—পুৰণিগুদামৰ মানুহৰ মুখৰপৰা। উজনি আৰু নামনিৰ কথ্যৰীতিত কেতিয়াবা পাৰ্থক্য ধৰা পৰে কিন্তু নগাঁৱে দুয়োটাৰে সমতা ৰক্ষা কৰে। ব্ৰনছনে তেওঁৰ অভিধানৰ শব্দাৱলী আহৰণ কৰিছিল সক ভাঙৰ নানান মানুহৰ মুখৰপৰা। অৰুণোদই'ৰ সম্পাদক হৈ থকাৰ সময়ত অলপ দিনৰ বাবে তেওঁ শিৱসাগৰতো আছিল। নাথন ব্ৰাউনে সততে শিৱসাগৰত কৰ্মক্ষেত্ৰ পাতি ধৰ্ম-প্ৰচাৰৰ কাম কৰাৰ উপৰিও ভাষা সাহিত্যৰ উৎকৰ্ষ সাধন কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। ব্ৰাউনে সততে নিধি লেভিক লগত লৈ গাঁও-ভুঁই ফুৰি ভৌগোলিক, সামাজিক আৰু মানৱীয় অৱস্থাৰ সবিশেষ বুজ লবলৈ যত্ন কৰিছিল। ১৮৪৪ ৪৫ চনত ব্ৰাউনে লগত নিধিক লৈ শিৱসাগৰৰ পৰা নামদাং, চাৰিং জাঁজী আমগুৰি যোৰহাট, গোলাঘাট, কলিয়াবৰ, পুৰণি গুদাম হৈ নগাঁও পালেগৈ। নগাঁৱৰ পৰা মাইলছ ব্ৰনছন আৰু মি পিটাৰক লগত লৈ কামৰূপ, দৰং, নগাঁও ভ্ৰমণ কৰি তেওঁ নগাঁৱলৈ উলটি আহিছিল। এই ভ্ৰমণত ব্ৰনছনে নিজৰ হাতৰ্মীটোৰ পিঠিত উঠি ফুৰাৰ উপৰিও তম্বু আদিও লগত লৈ ফুৰিছিল। ব্ৰাউন-ব্ৰনছনৰ ভ্ৰমণৰ বিচিত্ৰ অভিজ্ঞতা The Whole World Kin' নামৰ ব্ৰাউন-পত্নী এলিজা ব্ৰাউনৰ পুথিখনত সন্নিবিষ্ট কৰা হৈছে।

ব্ৰনছনে ১৪ ০০০ শব্দ সংগ্ৰহ কৰি 'অসমীয়া আৰু ইংৰাজি অভিধান লিখি ১৮৭৬ চনত প্ৰকাশ কৰে। আমেৰিকাৰ নিউয়ৰ্কত জন্ম গ্ৰহণ কৰা ব্ৰনছনে অসমলৈ আহি পূৰ্বৰ কোনো আহি নোহোৱাকৈ এখন অভিধান সংকলন কৰাটো কিমান টান কাম সেইটো সহজে অনুমেয়। তদুপৰি তেওঁ খ্ৰষ্টধৰ্ম প্ৰচাৰৰ অৰ্থে অনেক সৰু সৰু পুস্তিকা লিখি প্ৰচাৰ কৰিছিল, ভালেমান খ্ৰষ্টীয় প্ৰাৰ্থনা গীতো ৰচনা কৰিছিল। তেনে বহুতো গীত জনপ্ৰিয়তাৰে অসমৰ গীৰ্জাসমূহত এতিয়াও চলি আছে। অলপ দিনৰ বাবে তেওঁ অৰুণোদয় কাকতৰ স পাদনাৰ দায়িত্বও বহন কৰিছিল। ম আৰু ম ব নাম লৈ লিখা অৰুণো দই ৰ লেখকজন সম্ভৱত মাইলছ ব্ৰনছনৰ বাহিৰে আন কোনো নহয়। মাইলছ ব্ৰনছনে যথাৰ্থতে অসমীয়া ভাষাক ভাল পাইছিল তাৰ পৰিচয় অভিধানখনৰ আভাস শিতানৰ কথা খিনিৰপৰাই জানিব পাৰি।

উজনি অসম ইংৰাজৰ দখললৈ অহাৰ আগতেই নামনি অসম খণ্ড কোম্পানীৰ অধীনলৈ আহিছিল আৰু ডেভিড স্কটে বংগদেশত চলা ৰাজহ নীতিকে নামনি অসমত প্ৰয়োগ কৰিছিল। অসমৰ চৌধাৰী পাটোৱাৰী পাটগিৰি আদিয়ে ইংৰাজৰ নতুন পদ্ধতিৰে হিচাপ লিখিব নজনা হেতুকে স্কটে অসমৰ বাহিৰৰ পৰা কিছুমান আমোলা আৰু মৌজাদাৰ আমদানি কৰিছিল। এই মানুহ বিলাকৰ উপাধি আছিল ঃ ৰায় ঘোষ সেন মুখাৰ্জী চক্ৰবৰ্তী নাগ নন্দী বাগচী দত্ত, পাল ঘোষাল গুপ্ত ইত্যাদি। তেতিয়া লৈকে চলি থকা পুৰণি অসমীয়া আখৰ আছিল বঙলাতকৈ পৃথক। গতিকে এই আমোলাসকলে বঙলা ভাষাৰ প্ৰতি স্বাভাৱিকতে ওকালতি কৰিছিল। ডেভিড স্কটে প্ৰতিষ্ঠা কৰা স্কুলত ৮৩১ চনতে বঙলা ভাষা পঢ়ুওৱাৰ ব্যৱস্থা হৈছিল। ১৮৩১ চনৰ শেহ ভাগত স্কটৰ মৃত্যু হয়। ১৮৮৬ চনত ৰবিনছন অসমলৈ আহে আৰু ১৮৩৭ চনত গুৱাহাটী ছেমিনাৰিৰ অস্থায়ী প্ৰধান শিক্ষক হৈ পাছৰ বছৰত স্থায়ী হয়। ছবছৰ পাছত ১৮৪৪ চনত ৰবিনছন স্কুলসমূহৰ ইন্সপেক্টৰ হৈ শিক্ষা বিষয়ৰ হৰ্তা-কৰ্তা হৈ পৰে। আমোলাসকলৰ উচটনিত অসমৰ স্কুল-আদালতৰ মাধ্যম বঙলা ভাষা হ'ল ১৮৩৬ চনত। ইতিমধ্যে ইয়াৰ প্ৰতিবাদ আৰম্ভ হ'ল আৰু ১৮৩৭ চনত মাতৃ ভাষাৰ সপক্ষে চৰকাৰে ৰায়দান দিলে কিন্তু অসমত অসমীয়া নহ'ল। পাছলৈ এইক্ষিকাৰ্য্যত

বাধা দিছিল ইন্সপেক্টৰ ৰবিনছনে আৰু ৰবিনছনৰ ভ্ৰান্ত ধাৰণা দূৰ কৰি অসমীয়া ভাষাক ন্যায্য স্থান দিবলৈ অহোপুৰুষাৰ্থ কৰিছিল মাইলছব্ৰনছনে। ১৮৭৬ চনত শেষৰ বাৰ আমেৰিকালৈ যোৱাৰ আগতে তেওঁ অসমীয়া ভাষাই স্বত সন্মান লাভ কৰা দেখি গ'ল। অসমীয়া অভিধান লিখি অসমীয়া ভাষাৰ হকে যুঁজি যিজন পুৰুষে নিজৰ কেইবাজনো আত্মীয়ৰ সমাধিস্থল অসমত এৰি গ'ল সেইজন পুৰুষৰ মৃত্যুৰ শতবৰ্ষ পূৰ্তিৰ এই মুহূৰ্তত আমি সহৃদয়তা আৰু কৃতজ্ঞতাৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা উচিত।

মিছনেৰী আৰু অসমীয়া ভাষা-প্ৰতিষ্ঠাৰ আন্দোলন

সেয়া ১৮১২ চনৰ কথা। খ্ৰীষ্টধৰ্মৰ বাণী প্ৰচাৰ কৰিবলৈ আহি খাচীয়া পাহাৰত এজন মানুহে প্ৰবেশ কৰিছিল তেওঁৰ নাম কৃষ্ণচন্দ্ৰ পাল। কলিকতাৰ উপকণ্ঠ শ্ৰীৰামপুৰত প্ৰতিষ্ঠিত বেপ্টিষ্ট মিছনেৰী ছচাইটিৰ গুৰিয়াল উইলিয়াম কেৰীৰ অনুগত কৃষ্ণচন্দ্ৰ পালে তেতিয়াই দুজন খাচী আৰু এজন অসমীয়া মানুহক দীক্ষিত কৰিছিল। ১৮২৯ চনত ডেভিদ স্কটে অসমত খ্ৰীষ্ট ধৰ্ম প্ৰচাৰৰ কাম কৰিবলৈ শ্ৰীৰামপুৰ মিছনক অনুৰোধ কৰে।

জেমছ ৰে ইষ্ট ইণ্ডিয়া কোম্পানীৰ এজন কৰ্মচাৰী আছিল। পোনতে অস্ত্ৰ শস্ত্ৰৰ হিচাপ ৰক্ষক হিচাপে কাম কৰিছিল। ডেভিদ স্কটে তেওঁক গড়কাপ্তানী বিভাগত নিযুক্তি দিয়ে। জেমছ ৰেই ব্যক্তিগত কিম্বা পাৰিবাৰিক অশান্তিত ভুগি ক্ৰমে ধৰ্মৰ প্ৰতি আকৰ্ষিত হৈছিল। এদিন ধৰ্মবস্তু উপলব্ধি কৰি চাকৰি ত্যাগ কৰি পাদ্ৰী হোৱাটো থিৰাং কৰে। পাদ্ৰী হ লহে হয়, তেওঁৰ ধৰ্মশিক্ষা নাছিল। গতিকে শ্ৰীৰামপুৰলৈ গৈ তাত উইলিয়াম কেৰীৰ কলেজত এবছৰ শিক্ষা লৈ সপৰিয়ালে গুৱাহাটীলৈ আহে। পোনতে কৃষ্ণচন্দ্ৰ পালৰ লগ লাগি চেৰাপুঞ্জীত কাম আৰম্ভ কৰিছিল। তেওঁবিলাকে তিনিজন খাচী আৰু ন-জন গাৰো ছাত্ৰক লৈ এখন স্কুলো পাতিছিল। যি কি কাৰণতে নহওক সেই চেষ্টা ফলৱতী নহ ল।

উইলিয়াম কেৰীয়ে জেমছ ৰেক অসমলৈ পঠোৱাৰ দুটা কাৰণ আছিল তেও ইষ্ট ইণ্ডিয়া কোম্পানীৰ কৰ্মচাৰী হিচাপে কাম কৰোঁতে অসমৰ বিষয়ে প্ৰচুৰ জ্ঞান অৰ্জন কৰিছিল আৰু লগে লগে অসমীয়া ভাষাও শিকিছিল। সেই বাবেই জেমছ ৰেক উৎসাহিত কৰি অসমলৈ পঠাইছিল। ১৮৩০ চনত গুৱাহাটীত এটি কেন্দ্ৰ প্ৰতিষ্ঠা কৰে। তেওঁ পোনতে শ্ৰীৰামপুৰৰপৰা প্ৰকাশিত নিউ টেষ্টামেণ্ট আৰু বঙলা ভাষাত লিখা প্ৰচাৰ পত্ৰ বিতৰণ কৰে আৰু গুৱাহাটীত এটা গীৰ্জা প্ৰতিষ্ঠা কৰে। সেই গীৰ্জাৰ সদস্য সংখ্যা আছিল ১২ জন। জেমছ ৰেই অনেক যত্ন কৰি দুজন স্থানীয় লোকক খ্ৰীষ্টধৰ্মলৈ দীক্ষিত কৰিছিল কিন্তু তেওঁবিলাকৰ

এজনো খ্ৰীষ্টান হৈ নেথাকিল। দুজনমানক ধৰ্মবিৰোধী আচৰণ কৰাৰ বাবে বৰ্খাস্ত কৰা হ'ল। অৱশেষত জেমছ ৰে হতাশ হৈ পুনৰ পাদ্ৰীৰ দায়িত্ব ত্যাগ কৰি শিক্ষক হিচাপে চৰকাৰী চাকৰিত সোমাল।

উইলিয়াম ৰবিনছন শ্ৰীৰামপুৰত কাম কৰা এজন পাদ্ৰী আছিল। তেওঁ তাতেই বঙলা ভাষাও আহৰণ কৰিছিল। যি সময়ত জেমছ ৰেই হতাশ মনেৰে কাম কৰি আছিল সেই সময়তে আহি ৰবিনছন ওলায়হি। অসমত খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ দুৰৱস্থা দেখি তেওঁ ভুটানত প্ৰচাৰৰ কাম কৰিবলৈ গুচি যায় কিন্তু তাতো সুবিধা কৰিব নোৱাৰি উলটি আহি ১৮৩৭ চনত গুৱাহাটী চেমিনাৰীত অস্থায়ী সৰকাৰী শিক্ষকৰ দায়িত্ব গ্ৰহণ কৰে। তথাপি তাৰে মাজত তেওঁ প্ৰচাৰধৰ্মী কাম কৰি আছিল। ১৮৩৮ চনত বৃটিছ মিছনেৰী ছচাইটিৰ কাম বন্ধ হয় সা সম্পত্তিসমূহ আমেৰিকান মিছনলৈ হস্তান্তৰিত কৰে। ৰবিনছন পিছৰ বছৰত গুৱাহাটী চেমিনাৰীৰ প্ৰধান শিক্ষক হয়। ছবছৰ চাকৰি কৰাৰ পিছত ১৮৪৪ চনত স্কুল ইন্সপেক্টৰৰ দায়িত্ব গ্ৰহণ কৰে। ইয়াৰ মাজতে তেওঁ A Grammar of the Assamese Language' (১৮৩৯) নামৰ অসমীয়া ব্যাকৰণ এখন ইউৰোপীয়সকলৰ সহায়ৰ অৰ্থে লিখি প্ৰকাশ কৰিছিল। ইতিমধ্যে ১৮৩৬ চনত অসমীয়া ভাষাক উচ্ছেদ কৰি অসমৰ স্কুল আদালতত বঙলা ভাষা প্ৰচলন কৰা হৈছিল। শ্ৰীৰামপুৰত থাকি বঙলা ভাষা শিকি অহা ৰবিনছনে স্কুল আদালতত অসমীয়া প্ৰয়োগ কৰাটো সততে নিবিচাৰিছিল। এওঁ ১৮৪১ চনত Descriptive Account of Assam নামেৰেও পুথি লিখি প্ৰকাশ কৰিছিল কিন্তু কিতাপখনৰ বহুতো সংবাদ চাব মাৰি ধৰি লিখা শুদ্ধ নহয়। ১৮৪৪ চনত স্কুল-পৰিদৰ্শক হোৱা এইজন ৰবিনছনেও অসমীয়া ভাষাৰ প্ৰচুৰ অনিষ্ট সাধি থৈ গৈছে। স্কুল স্থাপন আৰু পৰিচালনাৰ ক্ষেত্ৰত ৰবিনছনে যথেষ্ট অগ্ৰগতি লাভ কৰিলেও ইতিমধ্যে অন্যায়কৈ জাপি দিয়া বঙলা মাধ্যমৰ বিৰুদ্ধে ৰবিনছনে এষাৰো মন্তব্য নুশুনিছিল। শিক্ষা বিষয়ত সৰ্বেসৰ্বা ৰবিনছনে অসমীয়া ভাষাৰ ন্যায্য স্থান দিবলৈ কোনোপধ্যে মাখিত নহৈছিল। কলিকতা—শ্ৰীৰামপুৰত থাকি বঙলা প্ৰীতিৰে বান্ধখোৱা, কৃষ্ণচন্দ্ৰ পালৰ সাহচৰ্য লাভ কৰা ৰবিনছনে প্ৰায় দহ বছৰ কাল বিধি-পথালি দি থাকিল। ১৮৬৩ চনত বেলিনৰা ৰবিনছনে নাজিৰাত মৃত্যু বৰণ কৰিলে। ৰবিনছনৰ অপচেষ্টাৰ সাৱধান

পৰিল। এই বেলি আহিল ইন্সপেক্টৰ মাৰ্টিন আৰু কমিশ্যনাৰ হপ্‌কিনছন।

যিদিনা অসমীয়া ভাষাক কাল অমানিশাই গ্ৰাস কৰিছিল তাৰ দুদিনৰ পিছতে দ্বিতীয়াৰ কাচিজোন হৈ আমেৰিকান বেপ টিষ্ট মিছনৰ নাথন ব্ৰাউন আৰু অলিভাৰ কট্টাৰে ভুমুকি মাৰিছিল। ইয়াৰে পিছৰ বছৰত আহিছিল জেকব টমাছ আৰু মাইলছ ব্ৰনছন। আদ বাটতে নাও দুৰ্ঘটনাত জেকব টমাছৰ অকাল মৃত্যু ঘটিল। ১৮৩৭ চনৰ ১৭ জুলাইত ব্ৰনছনে শদিয়া পাই পৰিবেশ আৰু পৰিস্থিতিৰ বুজ লৈ পিছৰ বছৰৰ এপ্ৰিল মাহত জয়পুৰলৈ আহিল আৰু তাতে নামচঙীয়া নগা ভাষাত পুথি লিখি প্ৰচাৰ অভিযানৰ অৰ্থে নিজকে সন্টম কৰিলে। অৱশেষত তেওঁ সপৰিয়ালে গৈ নামচাঙত এখন স্কুল পাতি প্ৰচাৰ চলাবলৈ ধৰিলে। তাত থাকোঁতেই ভনীয়েক ৰ ডা ব্ৰনছনৰ মৃত্যু হয়। ব্ৰনছন দম্পতীও ৰোগাক্ৰান্ত হয়। ব্ৰাউন-কট্টাৰে শিৱসাগৰত কাম কৰিবলৈ দিহা কৰাত ব্ৰনছন গৈ নগাওঁ পায়গৈ আৰু তাতে এটা কেন্দ্ৰ পাতি এখন অনাথ প্ৰতিষ্ঠান স্থাপন কৰে।

ব্ৰনছন আৰু ব্ৰাউন দুয়োজনে অসমীয়া ভাষা আয়ত্ত কৰি প্ৰচাৰধৰ্মী পুস্তিকা ৰচনা কৰাৰ উপৰিও অভিধান ব্যাকৰণ ৰচনাৰ কামত হাত দিছিল। বঙালী আমোলাসকলৰ প্ৰৰোচনাত ইতিমধ্যে জাপি দিয়া বঙলা ভাষাৰপৰা অসমীয়া ভাষা যে সম্পূৰ্ণ সুকীয়া তাকে প্ৰতিপন্ন কৰিবলৈ **Grammatical Notices on the Assamese Language** ৰচনা কৰি ১৮৪৮ চনত প্ৰকাশ কৰে। বাৰ বছৰ কঠোৰ পৰিশ্ৰম কৰি ব্ৰনছনে ১৪ ০০০ শব্দ সংগ্ৰহ কৰি অসমীয়া-ইংৰাজী অভিধান লিখি ১৮৬৬ চনত প্ৰকাশ কৰে। এই দুয়োটা কামে অসমীয়া ভাষাৰ হেৰোৱা মৰ্য্যাদা উদ্ধাৰৰ ক্ষেত্ৰত বহুতো সহায় কৰে।

কলিকতাত থাকি কলিকতীয়া দীক্ষা লৈ অহা বাপ্টিষ্ট মিছনৰ কৃষ্ণচন্দ্ৰ পাল, জেমছ ৰে আৰু উইলিয়াম ৰবিনছনৰ লগতে ডেভিদ স্কটেও বঙলা ভাষা শিক্ষা দিয়াৰ পক্ষপাতী আছিল। বঙলা ভাষা জনা মানুহক বিষয় বাসনা দিয়া দেখি হলিৰাম ঢেকিয়াল ফুকন মণিৰাম দেৱান আদিয়েও তেওঁবিলাকৰ বঙলা ভাষা-জ্ঞান প্ৰদৰ্শন কৰিবলৈ চেষ্টা কৰিছিল। কিন্তু আমেৰিকান মিছনৰ কৰ্মীসকলে প্ৰথমৰে পৰাই অসমীয়া ভাষাৰ সপক্ষে আছিল। উইলিয়াম ৰবিনছনে বাৰে বাৰে বাধা দিয়া সত্বেও ব্ৰনছন ক্ষান্ত হোৱা নাছিল। তেওঁ আন আন কৰ্মীসকলৰপৰা সমৰ্থন আনি চৰকাৰলৈ

লিখিছিল। বঙলা ভাষাৰ পক্ষে দিয়া ৰবিনছনৰ টোকাৰ বিৰুদ্ধে ১৮৫৪ চনৰ ১৩ নবেম্বৰত ব্ৰনছনে লেফটেনাণ্ট গভৰ্ণৰলৈ এখন চিঠি লিখে। চৰকাৰে তেতিয়াও ব্ৰনছন-ব্ৰাউনৰ কথালৈ কাণসাৰ দিয়া নাছিল। ইতিমধ্যে আনন্দৰাম ফুকনকে ধৰি ভালেমান স্বদেশী মানুহেও অসমীয়া ভাষা পুনৰ প্ৰতিষ্ঠা কৰিবলৈ দাবী উত্থাপন কৰাত আৰু জজ মিলছ চাহাবেও সপক্ষে মতামত দিয়াত চৰকাৰে বিষয়টো পুনৰ বিবেচনা কৰিবলৈ চেষ্টা কৰিলেও ৰবিনছনৰ নিচিনা উন্নাসিক বিষয়াৰ হস্তক্ষেপৰ পৰিণতি স্বৰূপে কাৰ্য্যকৰী হোৱা নাছিল। সময় আগ বাঢ়ি গৈ আছিল। প্ৰায় একুৰি সাত বছৰ। ১৮৬৩ চনত ইন্সপেক্টৰ ৰবিনছন কৰ্মৰত অৱস্থাতে মৃত্যু হল। এক আপদ আঁতৰিল। মিছনাৰীসকলে অৱশ্যে নোদই কাকতৰ যোগেদি আৰু ব্যক্তিগত লিখা লিখিৰ মাধ্যমতো অসমীয়া ভাষা পুন প্ৰতিষ্ঠাৰ যত্ন কৰি আছিল।

ব্ৰনছনৰ অভিযোগ পত্ৰত অসমীয়া ভাষা প্ৰতিষ্ঠাৰ সপক্ষে কিছুমান অকাট্য যুক্তি উত্থাপন কৰাত আৰু হোৱাইটি, ডেনফোৰ্থ উইলিয়াম ৱাৰ্ড নাথন ব্ৰাউন ষ্টেডাড আদি অভিজ্ঞ মিছনেৰীসকলে একেমুখে সমৰ্থন কৰাত কমিছনাৰ কৰ্ণেল হেনৰী হপকিনছন চাহাবে লেফটেনাণ্ট গভৰ্ণৰৰ ওচৰত অন্য এখন প্ৰতিবেদন দাখল কৰিছিল। তেও জিলাৰ হাকিম মহকুমাৰ হাকিম স্কুল-ইন্সপেক্টৰ স্কুলৰ প্ৰধান শিক্ষক আদিৰপৰা মতামত লৈ অসমীয়া ভাষাৰ বিৰুদ্ধে লিখিছিল। চন্দ্ৰমোহন গোস্বামী (বঙলাভাষী) হেডমাষ্টৰৰ লগত সুৰ মিলাই ইন্সপেক্টৰ মাৰ্টিন চাহাবেও অসমীয়া ভাষাৰ বিৰোধিতা কৰিছিল। বৰপেটাৰ মহকুমাধিপতি এ চি কেম্বেল অসমীয়াৰ দোষোৰ বিৰোধী আছিল আৰু ডাঙৰ টোকা দাখিল কৰিছিল। মেজৰ গ্ৰেহাম, বইড গৰ্ডন হেৰিছন ক্লাৰ্ক আদি চাহাবেও কেম্বেলৰ সহযোগী আছিল। অসমীয়াৰ সপক্ষে মতামত দিয়া ইংৰাজ বিষয়া কেইজন আছিল কামৰূপৰ ডেপুটী কমিছনাৰ মেজৰ টি লেম্ব শিৱসাগৰৰ ডেপুটী কমিছনাৰ মেজৰ এ-ই কেম্বেল, লক্ষীমপুৰৰ এছিষ্টেণ্ট কমিছনাৰ কেপ্টেইন এ এন ফিলিপছ। হপকিনছনে এইসকলৰ মত অগ্ৰাহ্য কৰি অসমীয়াৰ বিৰুদ্ধে মত পোষণ কৰিছিল। হপকিনছনে ব্ৰনছনৰ অভিধান, ব্ৰাউনৰ ব্যাকৰণ আদিক উপলদ্ধো কৰাৰ উপৰিও অসমীয়া ভাষা বঙলাৰে সৈতে একে বুলি দেখুৱাবলৈ কিছুমান উদাহৰণ দাঙি ধৰিছিল। তেও এ চি কেম্বেলৰ দীঘলীয়া টোকাটোকে ভেটি কৰি বঙলা ভাষাৰ সপক্ষে মত প্ৰকাশ কৰিছিল।

একুবি বাৰ বছৰ নিৰ্বাসিত হৈ থকাৰ অন্তত অসমীয়া ভাষাই ন্যায্যস্থান পাবৰ উপক্ৰম হ'ল। লেফটেনাণ্ট গভৰ্ণৰ ছাৰ জৰ্জ কেম্বেলে অসমৰ সকলো বিষয়াৰ প্ৰতিবেদন আৰু মিছনেৰীসকলৰো যুক্তি অধ্যয়ন কৰি অসমৰ স্কুল-আদালতত অসমীয়া ভাষা প্ৰবৰ্ত্তন কৰিবলৈ আদেশ জাৰি কৰিলে। ১৮৭৩ চনৰ এপ্ৰিল মাহৰ পৰা অসমৰ পঢ়াশালিত পুনৰ অসমীয়া চলিল। ১৮৭৩ চনৰ ২৫ জুলাইৰ আদেশ অনুসৰি আদালতৰ ভাষাও অসমীয়া হ'ল। জজ কেম্বেলে এই আদেশ দিয়াৰ সময়ত অসমীয়াৰ পৰিবৰ্ত্তে বঙলা ভাষা জাপি দিয়া কামটো অন্যায় হৈছিল বুলিও স্বীকাৰ কৰিছিল।

পদ্য বুৰঞ্জী

অসমীয়া বুৰঞ্জী সাহিত্য ভাৰতীয় ভাষা সমূহৰ ভিতৰতে চহকী। তদুপৰি ই গদ্যত ৰচিত। ষোড়শ শতিকাৰ পৰা ঊনবিংশ শতিকালৈকে এই দীঘলীয়া কাল ছোৱাত অসংখ্য বুৰঞ্জী গদ্যত লিখা হৈছিল। ইয়াৰ কাৰণ বুৰঞ্জী লিখিবৰ সময়ত প্ৰয়োজনীয় সমল আৰু আহি ৰজাঘৰত সু সংৰক্ষিত তথ্য পাতিৰ পৰা লোৱা হৈছিল গতিকে বুৰঞ্জী সাহিত্যৰ কথা ৰীতিত স্বাভাৱিকতে ৰজা ঘৰীয়া ভাষাৰ প্ৰভাৱ পৰিছিল। ইয়াৰে ভিতৰত ব্যতিক্ৰম হ'ল তিনিখন পদ্য বুৰঞ্জী: দুতিৰাম হাজৰিকাৰ "কলি ভাৰত' বুৰঞ্জী বিশ্বেশ্বৰ বৈদ্যাধিৰ বেলিমাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগত সংৰক্ষিত অথচ অপ্ৰকাশিত পদ্য বুৰঞ্জী। প্ৰথমৰ খন যোৰহাটৰ, দ্বিতীয়খন শিৱসাগৰৰ নামতিৰ আৰু তৃতীয়খন উত্তৰ গুৱাহাটীৰ পৰা উদ্ধাৰ কৰা হৈছিল। তিনিওখনৰে ৰচনা কাল ঊনবিংশ শতিকা।

গদ্য ৰীতিৰ পৰা আঁতৰি কবিতাৰে বুৰঞ্জী লিখাৰ আহি আৰু প্ৰেৰণা আহিল ক ৰ পৰা? বৈষ্ণৱ ধৰ্ম আৰু শঙ্কৰী সংস্কৃতিৰ প্ৰভাৱ অসমৰ জন জীৱনৰ ওপৰত অতি গভীৰ। সেয়েহে বৈষ্ণৱ সাহিত্যৰ আহি আৰু কবি—প্ৰসিদ্ধি গ্ৰহণ কৰি দুতিৰামে বুৰঞ্জী লিখাৰ পৰীক্ষা কৰিছিল। ভাৰতীয় আৰ্য্যসকলে সততে দৈৱৰ ওপৰত নিৰ্ভৰ কৰি চলিছিল গতিকে দৈৱ নিৰ্ভৰ মানুহৰ কাৰ্য্য কলাপসমূহ লিপিবদ্ধ কৰি ৰখাত সমূলি গুৰুত্ব আৰোপ নকৰিছিল। আনপিনে মঙ্গোলীয়সকলে পূৰ্ব-পুৰুষৰ কৃতকৰ্মৰ পৰা শিক্ষা আৰু আদৰ্শ আহৰণ কৰিবলৈ সকলো ঘটনাৰ সম্ভৱপৰ বিৱৰণ লিখি থৈছিল আৰু উঠি অহা পুৰুষক ইয়াৰ মাধ্যমতে শিক্ষা দিছিল। আহোম সকলে ঘাইকৈ বুৰঞ্জীক শিক্ষাৰ একান্ত প্ৰয়োজনীয় মাধ্যম বুলি গ্ৰহণ কৰিছিল। দুতিৰাম হাজৰিকাৰ "কলি ভাৰত বুৰঞ্জী' বুৰঞ্জী হলেও এই বিষয়ত ব্যতিক্ৰম। ৰজাঘৰীয়া স চা কাহিনীসমূহ লিপিবদ্ধ কৰিছে স'চা। কিন্তু পুথিৰ সাৰাংশ অংশত সমুদায় আদৰ্শ থুপাই বৈষ্ণৱ ধ্যান ধাৰণাৰে ব্যক্ত কৰিছে, ৰাজত্ব ক্ষমতা, ৰাজ সিংহাসন ঐশ্বৰ্য্য বিভূতি সকলো অস্থায়ী, ধৰ্মহে স্থায়ী। মহাভাৰতৰ কাহিনীৰ আদৰ্শৰে আহোম ৰাজত্বৰ শেহছোৱা কটা—মৰা, বিপ্লৱ, মানৰ আক্ৰমণ আদিৰে ভৰি পৰাৰ বাবেই কলি-ভাৰত নাম দিছে। হাজৰিকাৰ বুৰঞ্জীত ১৬৭৯ চনৰ পৰা ১৮৭৮

চনলৈকে প্ৰায় সম্পূৰ্ণ দুশ বছৰৰ ঘটনা লিপিবন্ধ হৈছে। ঐতিহাসিক দিশৰপৰা বুৰঞ্জীখনৰ মূল্য অধিক ইয়াক তুংখুঙীয়া বুৰঞ্জীৰ পৰিপূৰক বুলি কব পাৰি। ঘটনাৰ নিভৰযোগ্যতা আৰু তথ্য পাতিৰ সমাৰোহ সমসাময়িক অন্যান্য বুৰঞ্জীৰ লগত মিল দেখা যায়। তথাপি দুটা কথা এইখিনিতে বিশেষ প্ৰণিধানযোগ্য। এক বৰ্ণনা কাব্যধৰ্মী হোৱাত দুই এঠাইত অতিৰঞ্জনৰ দোষে স্পৰ্শ কৰিছে দুই জীৱনৰ ক্ষণস্থায়িত্ব আৰু বৈষ্ণৱ আদৰ্শৰ প্ৰতি স্বাভাৱিক আকৰ্ষণ। দুতিৰাম হাজৰিকা প্ৰায় সমগ্ৰ উনবিংশ শতিকাৰ ঘটনাৱলীৰ শ্ৰোতা আৰু দৰ্শক। তেওঁৰ বুৰঞ্জীত সন্নিবিষ্ট বহুতো ঘটনা তেওঁৰ চকুৰ আগতে ঘটিছিল সেয়েহে ইয়াক আংশিকভাৱে চাক্ষুষ বিৱৰণ বুলিব পাৰি।

দুতিৰাম হাজৰিকাৰ বুৰঞ্জীৰ বৈশিষ্ট্য মন কৰিবলগীয়া দুটা দিশৰপৰা— এক বুৰঞ্জী দুই সাহিত্য। হাজৰিকাই সক-বৰ সকলো ঘটনাকে তেওঁৰ বুৰঞ্জীত পাৰ্যমানে সন্নিবিষ্ট কৰিছে। অকল সেয়ে নহয় হাজৰিকাই মানৰ আক্ৰমণৰ ভয়াবহতা জীৱন্ত বৰ্ণনাৰে সজীৱ কৰি তুলিছে। ৰজাৰজাৰ ৰাজত্ব কালৰে পৰা সকলো ৰজাৰে ৰাজপাট আৰোহণ আৰু বা বিষয়াৰ নাম উল্লেখ কৰি ৰাজত্ব-কালৰ বিৱৰণ দিছে। তাকে কৰোতে হাজৰিকাই সাধাৰণ বুৰঞ্জী ৰচনাৰ ৰীতি পৰিহাৰ কৰা নাই তথ্য-পাতিৰ সন্নিবেশ আৰু নিৰপেক্ষ বৰ্ণনাৰ সততে আভাস পোৱা যায় তথাপি কাব্যধৰ্মী কল্পনাই কোনো কোনো ঠাইত স্পৰ্শ কৰি গৈছে। সেয়ে হলেও বুৰঞ্জীৰ বাস্তৱতা বিকৃত কৰাত সহায়তা কৰা নাই। সাহিত্যিক দিশত হাজৰিকাৰ ভাষা প্ৰাঞ্জল ঘৰুৱা আৰু বৰ্ণনা সলসলীয়া। তেওঁ নিতান্ত ঘৰুৱা শব্দও তেওঁৰ কাব্যিক বৰ্ণনাৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰিছে। নিহল নেগুৰকটা বাঘ নেওচনি, এহেৰ-তেহেৰ, ঠেহেৰ-ঠেহেৰ ঘৰা ঘৰি মাইহাং, ডাল-শাক দেওা-চালি-চুণ ইত্যাদি। তদুপৰি শঙ্কৰী সাহিত্যৰ কবি প্ৰসিদ্ধি উপমা ৰূপক আদিও মন কৰিবলগীয়া। বিজুলী চটক যেন জীৱন অধিক শামুক উদৰে যেন থাকয় মাণিক এতেকে বিষয় সুখে নকৰিবা ৰতি সব আশা পৰিহৰি কৃষ্ণক হৃদয়ে ধৰি দুৰিয়োক চৰণে সদায় হৃদয়তে ধৰা ৰূপ মুখে লৈয়ো নাম দেখা দেখা কেনে ইটো বিষয়-জঞ্জাল ইত্যাদি। হাজৰিকাৰ লেখনীত এইটো আদৰ্শ পৰিস্ফুট হৈ ওলাইছে যে আহোম ৰজাসকল মহাপৰাক্ৰমী

হলেও ৰাজত্ব ক্ষমতা ঐশ্বৰ্য্য বিভূতি সকলো ক্ষণস্থায়ী। এই পৃথিৱীৰ বিষয় সুখৰ কোনো স্থায়ী মূল্য নাই। সেইপিনৰপৰা হাজৰিকাৰ হাতত মূল ভাৰতীয় আদৰ্শ জিলিকি উঠিছে।

দুতিৰাম হাজৰিকাৰ বুৰঞ্জীখন ১৯৩২ চনতে ড সূৰ্য্যকুমাৰ ভূঞাই সম্পাদনা কৰি উলিয়াইছিল। ড ভূঞাৰ দৰে পণ্ডিতৰ হাতত এই পুথিখনে যোগ্য সমাদৰ পালেও বুৰঞ্জীখনৰ আধুনিক বিজ্ঞানসম্মত পদ্ধতিৰে সংস্কৰণ এটা প্ৰকাশৰ থল এতিয়াও আছে। ড ভূঞাই এটি উচিত মন্তব্যত দুতিৰাম হাজৰিকাৰ কৃতিত্ব আৰু বৰঙণিৰ বিষয়ে কৈছে "সমসাময়িক মানুহৰপৰা শুনা আৰু নিজ চকুৰে দেখা সকলো ঘটনা শৃঙ্খলাবদ্ধ কৰি যুগমীয়া সাঁচত মাৰি দেশবাসীৰ উপভোগৰ কাৰণে থৈ গৈছে এই কাৰণে তেওঁ অসমীয়াৰ মাজত চিৰস্মৰণীয় হৈ থাকিব। দুতিৰাম হাজৰিকা কেৱল এজন বুৰঞ্জীবিদেই নাছিল তেওঁ এজন অসমৰ বৈষ্ণৱ আদৰ্শ আৰু শাস্ত্ৰত বিদগ্ধ পণ্ডিত আছিল। যথাৰ্থতে ক'বলৈ গ'লে ভাৰতৰ আঁৰত থকা অসমৰ সাহিত্য সংস্কৃতিৰ আকাশৰ এটি উজ্জ্বল নক্ষত্ৰ।

নিধি লেভি ফাৰৱেল

উনৈশ শতিকাৰ তৃতীয় দশকত এদল মিছনেৰী আহিছিল খৃষ্টান ধৰ্ম প্ৰচাৰ কৰিবলৈ। ধৰ্ম প্ৰচাৰৰ মাধ্যম ভাষা। গতিকে তেওঁবিলাকে অসমীয়া ভাষা শিকিব আৰু শিকাব লগীয়া হৈছিল। ছপাশাল আৰু পঢ়াশালি পাতি শিক্ষা বিস্তাৰ আৰু ভাষাৰ উন্নতিৰ বাবে অশেষ চেষ্টা কৰিছিল। দেশীয় মানুহক খৃষ্টান ধৰ্মৰ দীক্ষা দিয়াৰ প্ৰথম ছবছৰ ধৰ্মান্তৰ গ্ৰহণৰ বাবে চেষ্টা কৰাৰ পিছত এজন মাত্ৰ মানুহক খৃষ্টান ধৰ্মৰ দীক্ষা দিব পাৰিছিল। তেৱেঁই নিধিৰাম কেওট। নিধিৰাম কেওটে নিধি লেভি ফাৰৱেল হৈ আন্তৰিকাৰে ধৰ্ম গ্ৰহণ কৰাৰ উপৰিও অসমীয়া ভাষা সাহিত্যৰো উপকাৰ সাধি গ'ল। নিধিৰাম প্ৰথম অসমীয়া খৃষ্টান হিচাপে বিখ্যাত নহয় আধুনিক অসমীয়া সাহিত্যৰ অৰুণোদয়ৰ বেলিকা যথাসাধ্য বৰঙণি দিওঁতা এজন হিচাপেহে বিখ্যাত।

নিধিৰাম কেওট কুলীয়া মানুহ। তেওঁৰ পিতৃ-মাতৃৰ নাম অজ্ঞাত। অজ্ঞাত বা অখ্যাত বংশৰ অনেক মানুহে কামৰ বলত বিখ্যাত হয়। নিধিৰ গাতো সেই কথা খাটে। কোনোৱে কয় যে নিধিৰামৰ জন্ম হয় তেজপুৰ মহকুমাৰ কলংপুৰ মৌজাৰ সুতাৰ গাঁৱত। কিন্তু নিধিয়ে নিজে 'অৰুণোদয়' কাকতৰ ৭ম বছৰৰ ২য় সংখ্যাত তেওঁৰ জন্মস্থান গহপুৰ বুলিহে লিখিছে 'কলঙপুৰত ফুৰি এ টাই ১১ তাৰিখে তাৰপৰা একেলাৰ উজনি হোৱা গহপুৰ নামে মোৰ জন্ম ঠাইলৈ গলো।' গহপুৰতে ১৮২৭ চনত নিধিৰামৰ জন্ম হয়। পিছত হেনো নিধিৰামৰ পৰিয়াল নগাওঁৰ কলংসুঁতিৰ পাৰলৈ উঠি আহে। পিছৰ জীৱনত নিধিৰাম শিৱসাগৰত থাকোতে কলংসুঁতিৰ গাৱঁৰপৰা মানুহ আহি খৃষ্টান ধৰ্মত দীক্ষিত হৈছিল।

অসমলৈ অহা পোনপ্ৰথম খৃষ্টান মিছনেৰী ডঃ নাথন ব্ৰাউন। তেওঁ ব্ৰহ্মদেশৰপৰা পাটকাই পাৰ হৈ আহি ১৮৩৬ চনত শদিয়া পায়হি। শদিয়াতে লগত লৈ অহা ছপাশাল পাতি পাঠ্যপুথি ছপা কৰে আৰু পঢ়াশালি পাতি লৈ অসমীয়া আৰু খাম্‌তি ভাষাৰ শিক্ষা দিবলৈ ধৰে। এই সময়তে

নিধিৰামক পাই ডঃ ব্ৰাউন আৰু শ্ৰীমতী কট্টাৰে শদিয়াৰ পঢ়াশালিত নাম লগাই দিয়ে। লগে লগে ছপাশালৰ কামো শিকায়। নিধিৰাম অতি চোকা বুধীয়া আৰু পৰিশ্ৰমী লৰা আছিল। তেতিয়াৰ দিনত এটা চৈধ্য বছৰীয়া চেঙেলীয়া লৰা গহপুৰৰ পৰা গৈ শদিয়া পোৱাটো, ভাবিলে আচৰিত লাগে।

১৮৩৬ চনৰ পৰা একেৰাহে ছবছৰ চেষ্টা কৰাৰ পিছত এজন অসমীয়া হিন্দু মানুহে খৃষ্টান ধৰ্ম গ্ৰহণ কৰিলে। তেৱেঁই নিধিৰাম কেওট। ১৮৪১ চনৰ ১৩ জুনৰ দিনা জয়পুৰত মাইলছ ব্ৰন্সন চাহাবে নিধিৰামক খৃষ্টান ধৰ্মৰ দীক্ষা দিয়ে। ধৰ্ম গ্ৰহণ অনুষ্ঠানৰ খৰছৰ ধন ফাৰৱেল নামেৰে চহকী আমেৰিকান মানুহ এজনে দিবলৈ গাত লোৱাত লেভি নিধিৰামক ফাৰৱেল উপাধি দিয়ে। তেতিয়াৰ পৰাই নিধিৰাম কেওট নিধি ফাৰৱেল হয়। নিধিয়ে খৃষ্টান ধৰ্ম গহণ কৰাৰ পিছত কথাই কামে মিছনেৰীৰ আদৰ্শ গ্ৰহণ কৰে আৰু সমাজ সেৱা আৰু ধৰ্ম প্ৰচাৰৰ কামত আত্মনিয়োগ কৰে। ১৮৪৭ চনত নিধিয়ে ইলাইজা নচিমনি ওৱাৰ্ড নামেৰে এগৰাকী খৃষ্টান ছোৱালীক খৃষ্টান বিধিমতে বিয়া কৰায়। ১৮৪৪ চনত ইলাইজাক ড নাথন ব্ৰাউনে খৃষ্টান ধৰ্মৰ দীক্ষা দিছিল। আদিতে তেওঁ শিৱসাগৰৰে কোনোবা হিন্দু পৰিয়ালৰ ছোৱালী আছিল। নিধিৰ পুত্ৰ সন্তান নাছিল, চাৰিজনী জীয়েক আছিল চালমী লুইচা চম্পা আৰু ৰাহেল। প্ৰথম দুগৰাকীক তেওঁ নিজে বিয়া দি থৈ যায়। ই দুগৰাকীক বিয়া দিয়াৰ আগতেই কফৰ বিকাৰত তেওঁৰ মৃত্যু হয়। শিৱসাগৰৰ এমঙ্গ পৰিয়াল লুইচাৰে সতি সন্ততি।

শদিয়াত প্ৰতিষ্ঠিত মিছনেৰী অনুষ্ঠান খামতি বিদ্ৰোহৰ পৰিণতি স্বৰূপে ১৮৩৯ চনত জয়পুৰলৈ উঠি আহে আৰু তাৰ চাৰি বছৰৰ পিছত মিছনৰ কেন্দ্ৰ মূল শিৱসাগৰলৈ স্থানান্তৰিত হয়। নিধি লেভি ফাৰৱেলো মিছনৰ লগতে আহি শিৱসাগৰত থিতাপি লয়হি। তেতিয়াৰে পৰা মৃত্যুৰ সময়লৈকে নিধিয়ে শিৱসাগৰতে কৰ্মস্থলী পাতি অসমীয়া সাহিত্যলৈ যথাসাধ্যে বৰঙনি দি যায় শিৱসাগৰ নগৰৰ পশ্চিমে দিখৌৰ কাষতে ফাৰৱেলৰ ঘৰ আছিল। চুকৰ গাওঁ খৃষ্টান সমাধি স্থলত তেওঁৰ সমাধিটো এতিয়াও আছে। এই চুকৰ গাৱঁৰ কাষতে পোনতে 'মিছন প্ৰেছ' প্ৰতিষ্ঠিত হৈছিল আৰু তাৰ পৰাই অৰুণোদয়' কাকত ছপা হৈ ওলাইছিল।

নিধি লেভি ফাৰৱেল মিছনেৰী চাহাবসকলৰ অতি প্ৰিয়পাত্ৰ আছিল। ডঃ নাথন ব্ৰাউন আৰু মাইলছ ব্ৰন্সন চাহাবৰ সোঁহাত আছিল। বিশেষকৈ অসমীয়া ভাষা চৰ্চা আৰু ধৰ্ম প্ৰচাৰৰ কামত ফাৰৱেল ব্ৰন্সনৰ সহকৰ্মী আছিল। ব্ৰন্সনে নামচাঙত পঢ়াশালি পাতি শিক্ষা দান ব্ৰতত ব্ৰতী থাকোঁতে ব্ৰন্সনো লগৰীয়া আছিল। ১৮৪২ চনত ব্ৰন্সনে নগাওঁত স্থাপন কৰা Nowgong Orphan Institut onৰ কামতো নিধিয়ে সহযোগ কৰিছিল আৰু আন্তৰিকতাৰে কাম কৰিছিল।

নগাওঁ মিছন স্কুলৰো তেওঁ এজন অন্যতম উদ্যোগী কৰ্মী আছিল। জয়পুৰত থাকোঁতে তেওঁ চিংফৌ জনজাতিৰ মাজতো কাম কৰিছিল।

নিধি লেভি ফাৰৱেলে ইংৰাজী অসমীয়া দুয়ো ভাষাতে পাগত হৈ উঠিছিল। ১৮৪৬ চনৰ পৰা প্ৰকাশিত অৰুণোদয় কাকতৰ তেওঁ এজন উদ্যোগী কৰ্মী আৰু উৎসাহী লিখক আছিল। তেওঁৰ বিষয় বস্তু আছিল বহুমুখী। বেপ্টিষ্ট মিছন প্ৰেছৰ প্ৰায় সকলো ধৰণৰ কামত একাণ পটীয়াকৈ লাগি থকাৰ উপৰিও ধৰ্ম চৰ্চা আৰু সাহিত্য চৰ্চাতো মনোনিবেশ কৰিছিল। অৰুণোদয় যুগৰ লেখকসকলৰ ভিতৰত নিধি অন্যতম। তেওঁ গদ্য পদ্য উভয় বিধৰ ৰচনাৰে অৰুণোদয়লৈ বৰঙনি দিয়াৰ উপৰিও কেইবাখনো সৰুসুৰা পুথিও লিখিছিল। পুৰণি বৈষ্ণৱ কবিতাৰ ঠাচত খ্ৰষ্টান ধৰ্মৰ বাণীসমূহ ৰচনা কৰাৰ উপৰিও ভালেমান খ্ৰষ্টীয় ধৰ্ম গীত অনুবাদ কৰিছিল। তাৰে কিছুমান আজিকালিও চলি আছে।

ফাৰৱেল অসমীয়া আছিল যদিও ব্ৰাউন ব্ৰন্সনে ব্যৱহাৰ কৰা বৰ্ণবিন্যাসৰ ৰীতিহে অনুসৰণ কৰিছিল। অৱশ্যে এই ৰীতি সাধাৰণ অসমীয়া কথিত আৰু উচ্চাৰণগত ঠাঁচৰেই পৰিণতি বুলিব পাৰি। এই ৰীতিত ফাৰৱেলৰ আস্থা আছিল আৰু পৃষ্ঠপোষকতা কৰিছিল। 'হেমকোষ প্ৰণেতা হেমচন্দ্ৰ বৰুৱাই অৰুণোদয়ত বিজ্ঞানসন্মত বৰ্ণ বিন্যাস প্ৰচলন কৰোঁতে নিধিয়ে বিৰোধিতা কৰিছিল। ভাষাৰ সৰলীকৰণৰ উদ্দেশ্যে নে ব্ৰাউন-ব্ৰন্সনৰ প্ৰতি থকা আনুগত্যৰ বাবে তেওঁ এই ৰীতি কঠোৰ ভাবে অনুসৰণ কৰিব খুজিছিল, জনা নাযায়। নিধিৰ পৰা বাধা পাই হেমচন্দ্ৰ বৰুৱাই বিক্ষুব্ধ হৈ মন্তব্য কৰিছিল—"মোৰ এই চেষ্টাত নিধি লেভি ফেয়াৰৱেল নামেৰে এটা দেশী খ্ৰীষ্টীয়ানৰ পৰা বৰ বাধা পাইছিলো। সি তাৰ গুৰু ব্ৰাউন চাহাবৰ বৰ্ণ বিন্যাসৰ প্ৰণালীৰ পৰা এক আঙুলো লৰচৰ হোৱাক মহাপাপ

ষেন ভাবিছিল। তেওঁৰ বিনই বচন, প্ৰভু যিচুখ্ৰীষ্টৰ অৱতাৰ বিৱৰণ নিস্তাৰৰ উপাই আদি ৰচনা মিছনাৰী বৰ্ণ বিন্যাসৰ ৰীতিৰে লিখিলেও অসমীয়া পূৰ্বণি কাব্যাদৰ্শৰ চানেকী দেখা যায়।

অৰুণোদয় কাকতত এওঁ আৰম্ভণিৰে পৰা মৃত্যুৰ সময়লৈকে গদ্য পদ্য দুয়ো বিধৰে ৰৰঙনি যোগাইছিল। এওঁ ন ফ আৰু ন ল ফ এই দুটা চুটি নামেৰে অৰুণোদয়ত লিখিছিল। ১৮৫২-৫৩ চনত লিখা অসমৰ তীৰ্থৰ বিৱৰণত সক্ষ্ম পৰ্যবেক্ষণ আৰু কাব্যিক সৌন্দৰ্যৰ পৰশ আছে। অৱশ্যে নতুনকৈ ধৰ্মান্তৰ গ্ৰহণ কৰা মানুহে ত্যক্ত ধৰ্মৰ প্ৰতি বিৰূপ মন্তব্য প্ৰকাশ কৰাৰ দৰে নিধিয়েও কামাখ্যা হাজো আদি হিন্দু তীৰ্থৰ বিষয়ে পাতল মন্তব্য প্ৰকাশ কৰিছে। আনপিনে আকৌ নিস্তাৰৰ উপাইৰ বৰ্ণনা বৈষ্ণৱ ৰচনাৰ অনুৰূপ।

মতস্য ৰূপে অৱতাৰ ভৈলা প্ৰথমতে
উধাৰিলা চাৰিবেদ প্ৰলয় জলতে।
কুৰ্ম অৱতাৰ ভৈলা খিৰ দধি তিৰে
ৰাখিলা মন্দাৰ গিৰি পিঠিৰ ওপৰে।
ত্ৰিতিয় বৰাহ ৰূপে ভূমি উধাৰিলে
হিৰৈণ্যাখ্য মহা বিৰ দৈত্যক ধৰিলে।

এইদৰে হিন্দুৰ দশাৱতাৰৰ বৰ্ণনা কৰি শেষত খৃষ্টান ধৰ্মমতে নিস্তাৰৰ উপায় আঙুলিয়াই কৈছে—

"খ্ৰীষ্টৰূপে অৱতাৰ হৈয়া প্ৰিথিবিতে
উধাৰিছে পাপিগণ স্বপ্ৰাণ দানতে।"

দুলড়ী ছন্দত লিখা প্ৰভু যিচুখ্ৰীষ্টৰ অৱতাৰ বিৱৰণ বিশেষ মনোগ্ৰাহী।

যিচুৰ চৰিত্ৰ অত্যন্ত পৱিত্ৰ
গুণৱন্ত মনোহৰ
সুনা মন দিয়া ত্ৰিপ্ত হুব হিয়া
অম্ৰিত বাক্য সুন্দৰ।

বিনই বচন' পদ্যৰ যিচু শব্দৰ ঠাইত কৃষ্ণ শব্দ বহুৱাই দিলে বৈষ্ণৱ ৰচনাৰ আত্মীয়তা অনুভূত হব।

সুনা সৰ্বজন বিনই বচন
ৰিদয়ে দিওক বাস,
পাপ তৰিবৰ যিচু পদ সাৰ
নাহি অন্য আৰ আস।
তেৱে দয়াতুৰ আপুনি ইশ্বৰ
পূৰ্ণ ব্ৰহ্ম সনাতন
যিচু বিনে আৰ সকলো অসাৰ
ভাবি দেখা সৰ্বজন।

বৈষ্ণৱ কাব্যাদৰ্শৰ আহি লৈ তেওঁ পদ ছবি দুলড়ী লেছাৰি আদি ছন্দ প্ৰয়োগ কৰিছিল। অৰুণোদয় কাকতত তেওঁৰ কিছুমান চিঠিও প্ৰকাশিত হৈছিল। বাতৰি কাকতত প্ৰকাশিত প্ৰবন্ধৰ উপৰিও কনি বেহেকৰাৰ সাধু, সত্য গুৰুৰ পৰিচয় আৰু এজন দেশীয় লোকে লিখা আদি পুথি বেপ্টেষ্ট মিছন প্ৰেছৰ পৰা ছপাই উলিয়াইছিল। ভাৰতীয় দণ্ডবিধি আইন (১৮৬৫) আৰু পদাৰ্থ বিদ্যাৰ সাৰ নামৰ দুখন পুথিও অনুবাদ কৰি প্ৰকাশ কৰিছিল। ইয়াৰ উপৰিও বাইবেলৰ কিছুমান খণ্ড আৰু খৃষ্টীয় প্ৰাৰ্থনা গীতো অসমীয়ালৈ অনুবাদ কৰিছিল। অৱশ্যে তেওঁৰ সৰহভাগ ৰচনাই প্ৰচাৰগন্ধী আৰু যথাৰ্থতে অৰুণোদয় কাকতৰ ধৰ্মমূলক ৰচনাৰ তেৱেঁই ধৰণী আছিল।

ফাৰবেলৰ গদ্য ৰচনাও ব্ৰাউন-ব্ৰন্সনৰ আদৰ্শৰ অনুৰূপ। তেওঁৰ প্ৰকাশভঙ্গী প্ৰাঞ্জল কিন্তু বৰ্ণনাত ওজস্বিতা আছে। অৰুণোদয়'ত প্ৰকাশিত "তিনিজন ভাইৰ মিস্যনেৰি জাত্ৰা শিতানৰ ৰচনাখন বোধকৰোঁ অসমীয়া সাহিত্যৰ পোন প্ৰথম ভ্ৰমণ কাহিনী। ৰচনাখনত উজ্জ্বল বৰ্ণনাৰ চানেকী থকাৰ উপৰিও খৃষ্টান ধৰ্ম প্ৰচাৰৰ বাবে কৰা প্ৰচেষ্টাৰ প্ৰমাণ পোৱা যায়। মিৰি ডফলা আদি জনজাতিৰ মাজত কেনেকৈ খৃষ্টান মিছনেৰী সোমাইছিল তাৰ প্ৰমাণ পোৱা যায়। ১৮৬১ চনত নগাৱঁৰ ফুলগুৰিত হোৱা কৃষক বিদ্ৰোহৰ বিষয়ে 'নগাওঁৰ দ্ৰোহীলোকৰ চৰিত্ৰ বৰ্ণনা' শিতানত লিখা ৰচনাখনত 'মহৰ সিঙত কঁকীলা দাঁৰ মৰা 'মোপীয়া চটকে পৰ্বত লই তুলি, ঢোল যেন কণী পয়ৰে চুজাৰ বান্ধুলি, 'পানীৰ ভলৰ কাইট' 'লোকলৈ বুলি হুল পাতি' আদি বহুল অৰ্থ প্ৰকাশক খণ্ড বাক্যৰ প্ৰয়োগ দেখা যায়। উক্ত

কাকততে হিন্দুস্থানৰ বুৰঞ্জী খণ্ড খণ্ডকৈ ওলাইছিল। বুৰঞ্জীখনৰ বৰ্ণনাত বিশালতা আছে। কোনোবা ইংৰাজ লিখকৰ ছাঁ লৈ ফাৰেলে বুৰঞ্জীখন লিখা যেন লাগে। অৰুণোদয় কাকতত তয়ো মাৰি দিবি, অৰুণোদয় পঢ়া লৰাবিলাকৰ প্ৰতি গিয়ান আদি ৰচনায়ো ফাৰেলৰ কথা ৰীতিৰ চানেকী দাঙি ধৰে। সেই সময়ৰ অসমীয়া ভাষা সাহিত্যৰ পৰিস্থিতি আৰু পৰম্পৰালৈ চালে নিধি লেভি ফাৰেল এজন সু-প্ৰতিষ্ঠিত লিখক আছিল।

নিধি লেভি ফাৰেল এজন প্ৰকাণ্ড মিছনেৰী কৰ্মী আছিল। সব ৰেপৰা মিছনেৰী চাহাবিলাকৰ লগত থাকি তেও বিলাকৰ আদৰ্শত অনুপ্ৰাণিত হৈছিল। খৃষ্টান ধৰ্ম আৰু সাহিত্য সেৱাই তেওঁৰ জীৱনৰ ব্ৰত আছিল। তেওঁৰ স্বাস্থ্য সিমান ভাল নাছিল। দীঘলীয়া কফৰ বিকাৰত ভুগিছিল। তথাপি তেনে অৱস্থাৰেই পাৰ্যমানে সমাজৰ কাম কৰিছিল। ব্ৰন্সন চাহাবে প্ৰণয়ন কৰা অসমীয়া ইংৰাজী অভিধানৰ বাবে ফাৰেলে বহুতো শব্দ সংগ্ৰহ কৰি দিছিল আৰু ছপা কাৰ্যতো সহায়তা কৰিছিল। ব্ৰাউন চাহাবকো অনেক কামত সহায়তা কৰিছিল। সেয়েহে ব্ৰাউন চাহাবে আমেৰিকালৈ গৈয়ো নিধিলৈ পাহৰা নাছিল চিঠি লিখিছিল—"শ্ৰীনিধি লিবাই আৰু কলিবৰ আদি কৰি আমাৰ সকলো খ্ৰীষ্টীয়ান ভাই-ভনীবিলাকলৈ পাদুৰি ব্ৰাউন চাহাব আৰু মেম চাহাবেও হেজাৰ হেজাৰ চেলাম দিছে।

অৰুণোদয়ৰ ধলফাটৰ ভূমিকাত ডঃ মহেশ্বৰ নেওগে নিধিৰ বিষয়ে লিখিছে—"অৰুণোদয়ত সকলোতকৈ বেছি প্ৰবন্ধ কবিতা লিখা লেখক হ'ল নিধি লিবাই ফাৰেৰেল। অসমীয়া খ্ৰীষ্টীয়ান সাহিত্যলৈ এওঁৰ বৰঙনিয়েই সেই দেখি আটাইতকৈ ডাঙৰ বুলি ক'ব পাৰি। আমাৰ অনুমান হয় এও 'অৰুণোদয়'ৰ সম্পাদকসকলৰ সদায় সোঁ-হাত আছিল আৰু অনেক নিনাও লেখা এওঁৰেই। এওঁৰ প্ৰবন্ধৰ বিষয় অতি বিস্তৃত।" অসমীয়া সাহিত্যলৈ তেওঁ জীৱনৰ জোখাৰে অধিক বৰঙনি দি দুকুৰি বছৰৰ দেওনা পাৰ হওঁতে নোহওতেই কফৰোগত ফাৰেলৰ শিৱসাগৰত মৃত্যু হয়। জন্মস্থান গহপুৰ ধৰ্মস্থান জয়পুৰ আৰু কৰ্মস্থান ৰংপুৰ। এই তিনি পুৰে আজিও নিধিৰামৰ স্মৃতি ভৱপুৰকৈ ৰাখিছে।

শঙ্কৰদেৱৰ আদৰ্শৰ সাম্প্ৰতিক

শংকৰদেৱৰ আৰিৰ্ভাৱৰ সময়ত দুই শ্ৰেণীৰ ধৰ্মীয় ধাৰণা প্ৰচলিত আছিল। এক প্ৰকৃতিৰ বিভিন্ন শক্তি আৰু আধিভৌতিক ধাৰণামিশ্ৰিত কিছুমান দেৱতা অপদেৱতাৰ অস্তিত্ব স্বীকাৰ আৰু সিবিলাকৰ উপাসনা দুই মূলে ভাৰতীয় দেৱ দেৱী বিলাকৰ কৰ্মকাণ্ডী পূজা সেৱা। হিন্দুধৰ্মৰ বাহিৰেও বৌদ্ধধৰ্মৰ কিছুমান ঘাইকৈ মহাযানী তান্ত্ৰিক শাখা প্ৰশাখাও জীৱিত আছিল। তাৰেই মাজতে শংকৰদেৱৰ নিচিনা এজন প্ৰতিভাশালী পুৰুষৰ জন্ম হৈছিল আৰু বিশিষ্ট ধ্যান-ধাৰণাৰে এটি নতুন পন্থা প্ৰৱৰ্তন কৰিছিল।

হিন্দুধৰ্মৰ যিটি ৰূপ বেদ উপনিষদৰ আদৰ্শ লৈ বাগৰি আহিছিল তাত যাগ-যজ্ঞ হোম মন্ত্ৰৰ প্ৰাধান্য আছিল। তাৰ পিছৰ কালক্ৰমে পূজা আৰু পূজাৰ আনুষঙ্গিক ক্ৰিয়াকাণ্ড সংযোজিত হৈছিল। অসমত তথা প্ৰাচীন কামৰূপত যাগ যজ্ঞৰ আচাৰ অনুষ্ঠান সমন্বিতে পূজা পাতল প্ৰচলিত আছিল। ৰজাই ৰাজকীয় ৰাজসিকতা প্ৰদৰ্শন কৰিবলৈ যজ্ঞ কৰাইছিল। পঞ্চদেৱতাৰ সহ অৱস্থান স্বীকাৰ কৰি বিষ্ণু শিৱ বা দেৱীক প্ৰাধান্য দি পূজা উপাসনা কৰিছিল। পঞ্চদেৱতা হ'ল—শিৱ বিষ্ণু দেৱী সূৰ্য আৰু গণেশ। পঞ্চদেৱতাক সমানে প্ৰাধান্য দিয়া লোকেও নিজক বৈষ্ণৱ বুলি পৰিচয় দিছিল। ভাৰতীয় ধৰ্মীয় আদৰ্শ কৰ্মকাণ্ডৰ মাজেৰে আগ বাঢ়ি গৈছিল।

বাৰভূঞাসকল দোৰ্দণ্ডৰ শাক্ত আছিল। শিৱপূজাও কৰিছিল। পঞ্চদেৱতাৰ এক বিশিষ্ট সত্তা বিষ্ণুকো উপাসনা কৰিছিল। দক্ষিণ ভাৰতৰপৰা আহি উত্তৰ ভাৰতত বিয়পি পৰা কৃষ্ণ-ভক্তিশাখাই ভাগৱত পুৰাণৰ মাধ্যমত জনপ্ৰিয়তা লাভ কৰে আৰু ইয়েই বহুধাবিশিষ্ট ভাৰতীয় ধৰ্মীয় ধাৰণাক একধাবিশিষ্ট কৰি এক শৰণ নামধৰ্ম তথা মহাপুৰুষীয়া ভাগৱতী বৈষ্ণৱধৰ্মলৈ ৰূপান্তৰিত কৰে। শঙ্কৰাচাৰ্যই অদ্বৈতবাদ প্ৰতিষ্ঠা কৰে। সেই অদ্বৈতবাদৰ গাতে গঢ়ি লৈ বিশিষ্টাদ্বৈতবাদ

দ্বৈতবাদ আদিৰ সৃষ্টি হয়। বাৰভূঞাসকলৰে এজন শঙ্কৰদেৱে শাক্ত শৈৱ পৰিৱেশতে জন্ম গ্ৰহণ কৰি বৈষ্ণৱ আদৰ্শৰ প্ৰতি আকৰ্ষিত হয় আৰু এসময়ত বিশিষ্টাদ্বৈতাবাদ অনুসৰণ কৰি কৃষ্ণস্তু ভগবান স্বয়ং এই আদৰ্শত উদ্বুদ্ধ হয়।

শঙ্কৰদেৱে গোসানী পূজা এৰি কৃষ্ণ ভক্তি শাখা প্ৰচাৰ কৰিবলৈ ধৰাত আৰু ব্যয়বহুল কৰ্মকাণ্ড এৰি সহজ সৰল ভক্তিমাৰ্গৰ প্ৰতি জনসাধাৰণৰ আৰ্কষণ বৃদ্ধি হোৱাত স্বাভাৱিকতে পুৰোহিত শ্ৰেণীটো ক্ষুব্ধ হৈ উঠে। যিমানেই কি পাৰলৌকিক জীৱনৰ আকাংক্ষাই মানুহক আকৰ্ষণ নকৰক ধৰ্মৰ নামত এক শ্ৰেণী মানুহৰ ব্যৱসায় তথা জীৱিকাও নচলা নহয়। শঙ্কৰদেৱৰ নামধৰ্মই স্বাভাৱিকতে পুৰোহিত শ্ৰেণীটোক তেওঁৰ বিৰুদ্ধে উঠিবলৈ বাধ্য কৰিছিল। এদিন ৰজাৰ ঘৰত গোচৰ তৰিছিল—শঙ্কৰ এজন শূদ্ৰ তেওঁ পূজা পাতল বলি-বাহন এৰি এক নতুন ধৰ্ম প্ৰচাৰ কৰি বৈদিক ক্ৰিয়া কান্ড গুচাই অনীতি প্ৰৱৰ্ত্তাইছে। আমাৰ কথা হ'ল শঙ্কৰদেৱে প্ৰৱৰ্ত্তন নকৰাহলে পুৰোহিত শ্ৰেণীটোৰ খং উঠাৰ কোনো কাৰণ নাছিল। অৰ্থাৎ শঙ্কৰদেৱে পঞ্চদেৱতাৰ পূজা সমন্বিতে ব্ৰাহ্মণ্য ক্ৰিয়াকাণ্ড উচ্ছেদ কৰিছিল আৰু নামপ্ৰধান কৃষ্ণভক্তিৰ আদৰ্শ প্ৰচাৰ কৰিছিল। শঙ্কৰদেৱে জাতিভেদ অস্বীকাৰ কৰি নাহি ভকতিত জাতি অজাতি বিচাৰ বা ভকতি নজানে জাতি অজাতি বুলি স্পষ্ট ভাষাৰে কৈছিল। কিন্তু শঙ্কৰদেৱৰ নাতি পুৰুষোত্তম ঠাকুৰে প্ৰতিষ্ঠা কৰা পন্থৰ কিছুমান সত্ৰৰ ব্ৰাহ্মণ্য ক্ৰিয়াকাণ্ড কিছুমান চলি থকা দেখা যায়। গায়ত্ৰী মন্ত্ৰ জপে শালগ্ৰাম পূজা কৰে শ্ৰাদ্ধ কৰে পিণ্ড দিয়ে লগুণ লয় জাতিভেদো মানে। তেনেহলে ব্ৰাহ্মণ্য ক্ৰিয়াকাণ্ড তথা কৰ্মকাণ্ডৰ পৰানো কি আতৰিল। শঙ্কৰদেৱে যদি উক্ত ব্ৰাহ্মণ্য কৰ্মকাণ্ড মানিছিলেই তেনেহলেনো কি বৈপ্লৱিক পৰিৱৰ্ত্তন আনিলে? পুৰোহিত শ্ৰেণীৰনো দ্বেষ কৰিবলৈ কি কাৰণ আছিল?

মুকুন্দ বা জয় মুকুন্দ নামেৰে এজন ব্ৰাহ্মণ্য আছিল। তেওঁ শ্ৰাদ্ধ পিণ্ড লগুণ দিয়নী হোম বিবাহ একোতে আস্থা নেৰাখি একমাত্ৰ নামত শৰণ লৈছিল। সেইদৰে তেওঁৰ অনুগামীসকলকো নামত শৰণ লবলৈ দীক্ষা দিছিল। ফলত ব্ৰাহ্মণ পুৰোহিতে ৰজাত গোচৰ দিলে, ব্ৰাহ্মণ হৈ অনাচাৰ কৰি আনকো বিপথে পৰিচালিত কৰে। মুকুন্দ গোঁসায়ে দেশ ভাঙিলে।

এই অপৰাধত মুকুন্দ গোসাইৰ প্ৰাণদণ্ড হ'ল। ব্ৰাহ্মণ্য কৰ্মকাণ্ড নমনা সকলৰ প্ৰতি পুৰোহিত শ্ৰেণীটোৰ সদায় ঈৰ্ষা দ্বেষ।

শঙ্কৰদেৱৰ তিৰোভাৱৰ পিছত ৰজাই ব্ৰহ্মসংহতিত শৰণ লোৱাত আৰু চাৰিসত্ৰক ৰাজসত্ৰ কৰি তোলাত বাকী সত্ৰসমূহেও যাতে উক্ত চাৰিসত্ৰৰ আৰ্হি অনুকৰণ কৰে তাৰ বাবে চেষ্ট চলাইছিল। সেই বাবে মহাপুৰুষীয়া মহন্তসকলক কেইবা বাৰো ৰজাঘৰৰপৰা নিৰ্য্যাতন কৰা হৈছিল। তদুপৰি ব্ৰাহ্মণ্য আৰ্হিত মূৰ্ত্তি, ভাগৱত শালগ্ৰাম দি পূজা সেৱা কৰিবলৈ দিছিল। বাধে বাধে ৰজাঘৰৰ তাড়নাত নপৰিবলৈ আৰু লগতে ব্ৰহ্মসংহতিৰ কিছু আৰ্হি অনুকৰণ কৰি ৰাজসত্ৰৰ শাৰী পোনাবলৈ ব্ৰাহ্মণ্য ক্ৰিয়া কাণ্ড কিছুমান ভিতৰুৱাকৈ পালন কৰিবলৈ ধৰিলে। ৰাজহুৱাকৈ একশৰণীয়া ব্যক্তিগত জীৱনত পঞ্চদেৱতাৰ পূজা সমন্বিতে ব্ৰহ্মসংহতি।

অলপতে এজন ডেকাই এখন ৰাজহুৱা সভাত প্ৰশ্ন কৰিছিল বহুতো সত্ৰত পঞ্চদেৱতাৰ পূজা কৰে গায়ত্ৰী জপে, শালগ্ৰাম পূজা কৰে শ্ৰাদ্ধ কৰে পিণ্ড দিয়ে লগুণ লয় বিষ্ণু পূজা বুলি পূজাও কৰে আৰু কিছুমান ব্ৰাহ্মণ্য আচৰণ মানে তেও বিলাকে নিজকে নৈষ্ঠিক একশৰণীয়া নামধৰ্ম বিশ্বাসী বুলি পৰিচয় দিয়াৰ অধিকাৰ আছেনে? দ্বিতীয়তে এনে সত্ৰৰ গোঁসায়ে নিজে ব্ৰাহ্মণ্য কৰ্মকাণ্ডৰ অংশবিশেষ পালন কৰি একশৰণীয়াক শৰণ দিওঁতে কপটালি কৰা নহয়নে? সেইদৰে একশৰণীয়া শিষ্যয়ো তেনে দ্বৈত আদৰ্শৰ গুৰুক একশৰণীয়া বুলি গুৰু মানি শৰণ লোৱা কাৰ্য্য অন্যায় হোৱা নাইনে? প্ৰশ্নটো তাৎপৰ্য্যপূৰ্ণ। শঙ্কৰদেৱৰ ঐতিহ্য অনুসৰণকাৰী এই ধৰ্মপ্ৰচাৰক-সকলে কিয় এনে সান মিহলি কাৰ্য্য কৰে আৰু আদৰ্শত প্ৰৱৰ্ত্তে? আহোম ৰাজত্বত ৰজাঘৰৰ ডাঁৰিত পৰি ব্ৰাহ্মণ্য ক্ৰিয়া-কাণ্ডসমূহ আচৰণ কৰিছিল। কিন্তু আহোম ৰাজত্বৰ সামৰণি পৰাৰ পিছতো সেইবোৰ পৰিত্যাগ কৰি শঙ্কৰদেৱে প্ৰৱৰ্ত্তন কৰা শুদ্ধসত্ত্ব পন্থালৈ কিয় ঘূৰি নাহিল? মাধৱদেৱে কাক লৈ তলৰ ঘোষাটি ৰচনা কৰিছিল?

শঙ্কৰেসে শুদ্ধ মত ঈশ্বৰ কৃষ্ণৰ তত্ত্ব
প্ৰচাৰিলা শাস্ত্ৰসাৰ জানি,
তাহাঙ্ক নজানি মূঢ়ে জীৱিকাৰ অৰ্থ স্মৰে
আপোনাৰ মাহাত্ম্য বখানি।

এইসকল কোন? কোনে শঙ্কৰদেৱৰ শুদ্ধ-সত্ত্ব মত নজনাকৈ জীৱিকাৰ

অৰ্থে ধৰ্মপ্ৰচাৰ কৰি ফুৰে। সেইসকলৰ ঐতিহ্য বহনকাৰী কোনোবা মহন্ত গোস্বামী আজিকালি আছেনে নাই? যদি আছে শঙ্কৰী আদৰ্শৰ বৈজ্ঞানিক বিচাৰ বিশ্লেষণ হোৱাৰ সময়ত তেওঁবিলাকে শঙ্কৰদেৱৰ এক শৰণীয়া বৈষ্ণৱ ধৰ্মৰ উত্তৰাধিকাৰী বুলি অত দিনে আত্ম পৰিচয় দি অহাৰ স্বত্ব হেৰুওৱা নাইনে? এতিয়া ৰজা নাই ৰাজসত্ৰৰ প্ৰাধান্য আৰু কৰ্তৃত্বও নাই। তেনেস্থলত মূল আদৰ্শলৈ উলটি আহিবলৈ ভয় কিহৰ? মহন্তসকল মহন্তই। শঙ্কৰী পৰম্পৰাত মহন্তৰ হে মাহাত্ম্যৰ কথা আছে গোস্বামীৰ নাই। কিন্তু ৰজা আৰু ৰাজসত্ৰ নেথাকিলেও দিনক দিনে মহন্তৰ সংখ্যা কমি গোস্বামীৰ সংখ্যা বাঢ়ি যোৱাটো বিশেষ তাৎপৰ্যপূৰ্ণ। গুৰুকত কাষ্ঠা ৰখা নৈষ্ঠিক কালসংহতিৰ মহন্তসকলেও গোস্বামী ৰূপত অৱতীৰ্ণ হোৱাটো উচ্চাত্মিকানে নীচাত্মিকা?

প্ৰশ্ন হৈছে গুৰুঘৰে একশৰণ আদৰ্শবিৰোধী কিছুমান আচাৰ অনুষ্ঠান মানি শৰণ ভজন দি যাব আৰু শিচে চকু কাণ মুদি গুৰুৱে যি কৰে কৰক আমি শৰণ ভজন লৈ যাওঁ এই আদৰ্শটো মানি শঙ্কৰদেৱক ব্যঙ্গ কৰিবনে? নে জানি বুজি ভক্তিৰ ব্যভিচাৰ কৰিব? নিজে এটা আদৰ্শত চলি আনক এটা পালন কৰিবলৈ দীক্ষা দিয়াটো জানো উচিত হৈছে? অসমৰ বৈষ্ণৱ পৰম্পৰা গুৰু শিষ্যৰ সমন্বয়ত গঢ় লৈ উঠিছে। কিন্তু আজি সত্ৰসংঘ আৰু শ্ৰীশ্ৰীশঙ্কৰদেৱ সংঘ দ্বিধামুখী হৈ উঠিছে। ইয়াৰ ফলত জাতিবৈষম্যহীন শঙ্কৰী আদৰ্শই সমন্বয়ৰ সমাজ ৰচনা নকৰি পূৰ্বৰ চাৰিটা সংহতিৰ ঠাইত পঞ্চম সংহতি এটাৰ সৃষ্টি কৰিছে। ইয়াৰ মূলতে হ'ল কথা আৰু কামৰ সংহতিবিহীনতা।